UG ED S3 02
(DSC4)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

ভাৰতীয় শিক্ষা ব্যৱস্থাৰ কিছু নিৰ্বাচিত বিষয়

তৃতীয় ষাণ্মাসিক

বুনিয়াদী পাঠ্যবিষয় - ৪

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° ৰীতিমণি বৰদলৈ আৰু পাপুমণি হাজৰিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২	ড° ৰীতিমণি বৰদলৈ	জোনালী ৰাভা, গুৱাহাটি বিশ্ববিদ্যালয়
৩	ড° নীলিমা ডেকা, এল চি বি মহাবিদ্যালয়	অপৰাজিতা শর্মা,মানবেন্দ্র শর্মা কন্যা মহাবিদ্যালয়, ৰঙিয়া
৪,৫	ড° নীলিমা ডেকা	ইদন চুলতানা আহমেদ
৬	ড° মধুস্মিতা দেৱী, বি বৰুৱা কলেজ	অপৰাজিতা শর্মা
৭	ড° ৰীতিমণি বৰদলৈ	অপৰাজিতা শর্মা আৰু ইদন চুলতানা আহমেদ
৮	ড° নীলিমা ডেকা	গীতাঞ্জলী চৌধুৰী, পাণ্ডু বি. এড. মহাবিদ্যালয় আৰু ভবানী দলে
৯	ইন্দ্রানী কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১০	ড° নীলিমা ডেকা, আৰু দেবযানী দুৱৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	অপৰাজিতা শর্মা
১১	ড° মধুস্মিতা দেৱী, বি বৰুৱা কলেজ আৰু ড° ৰীতিমণি বৰদলৈ	ড° ৰীতিমণি বৰদলৈ আৰু ভাৰতী দাস
১২	ড° ইন্দ্রানী শর্মা	ইদন চুলতানা আহমেদ
১৩	ড° ৰীতিমণি বৰদলৈ	অপৰাজিতা শর্মা
১৪	ড° মৰমী গোস্বামী	গীতাঞ্জলী মেধি
১৫	ড° নীলিমা ডেকা, আৰু	গীতাঞ্জলী মেধি

বিষয়বস্তু সম্পাদনা ঃ ড° নীলিমা ডেকা, এল চি বি মহাবিদ্যালয়
ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭, Web : www.kkhsou.in

উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১০০৬

পাঠ্য বিষয় পৰিচয় (পাঠ্য বিষয় GED০৩-০২)

প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ পাঠ্যবিষয়ত আমি ইতিমধ্যে শিক্ষাৰ ধাৰণা আৰু প্ৰয়োজনৰ বিষয়ে আলোচনা কৰাৰ লগতে শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়ে গম পালো। তৃতীয় ষান্মাসিকৰ পাঠ্যক্ৰমৰ বাবে দুখন পাঠ্যবিষয় ক্ৰমে **UG ED 03-01**আৰু **UG ED 03-02** এই দুই পাঠ্যক্ৰম যুগুত কৰা হৈছে। পাঠ্যক্ৰম **UG ED 03-01**ত আমি শিক্ষাৰ সমাজতাত্ত্বিক আধাৰৰ বিষয়ে গম পাম। পাঠ্যক্ৰম **UG ED 03-02**ত আমি ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ কিছু নিৰ্বাচিত বিষয়ৰ বিষয়ে আলোচনা কৰিব ওলাইছো।

পাঠ্যক্ৰম **UG ED 03-02**ত, প্ৰথম অধ্যায়টিত ভাৰতীয় সংবিধানৰ শৈক্ষিক ব্যৱস্থা আৰু ইয়াৰ তাৎপৰ্যৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় আৰু তৃতীয় অধ্যায়টিত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ, সাৰ্বজনীনকৰণত বাধা সৃষ্টি কৰা বিভিন্ন কাৰণসমূহ আৰু অপচয় আৰু অনুন্নয়নৰ বিষয়ে এটি আলোচনা দাঙি ধৰা হৈছে। ইয়াৰোপৰি তৃতীয় অধ্যায়টিৰ দ্বাৰা বিদ্যালয় অসমাপ্তৰ বিভিন্ন কাৰণসমূহৰ বিষয়ে এটি বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। চতুৰ্থ আৰু পঞ্চম অধ্যায়টিত সংবিধান আৰু মানব অধিকাৰ, শিক্ষা আৰু মানব অধিকাৰৰ বিষয়ে সুক্ষ্মভাৱে এটি আলোচনা দাঙি ধৰা হৈছে। ষষ্ঠ অধ্যায়টিৰ দ্বাৰা মাধ্যমিক শিক্ষাৰ বিভিন্ন সমস্যাসমূহ আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে আলোকপাত কৰা হৈছে। স প্তম অধ্যায়টিত উচ্চ শিক্ষাৰ বিভিন্ন প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। অষ্টম অধ্যায়টিৰ দ্বাৰা উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ প্ৰভাৱৰ বিষয়ে এটি আলোকপাত আগবঢ়োৱা হৈছে। নবম অধ্যায়টিত শিক্ষকৰ শিক্ষা আৰু ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা আৰু শিক্ষাৰ সম্ভাৱনীয়তা বিষয়ে আলোচনা কৰা হৈছে। দশম অধ্যায়টিত শিক্ষক প্ৰশিক্ষণৰ এটি চমু আভাস দাঙি ধৰা হৈছে। একাদশ অধ্যায়টিৰ দ্বাৰা ভাৰতবৰ্ষত নাৰী শিক্ষা আৰু নাৰী সবলীকৰণৰ বাবে শিক্ষাৰ গুৰুত্ব সম্পৰ্কে এটি সমীক্ষাত্মক ৰূপ অংকিত কৰাৰ প্ৰয়াস কৰা হৈছে । দ্বাদশ অধ্যায়টিৰ দ্বাৰা গ্ৰাম্য উন্নয়ন আঁচনি, সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ, ন্যূনতম প্ৰয়োজনীয়তাৰ আঁচনি, ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনি, গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন আদি বিভিন্ন বিষয় সমূহৰ ওপৰত এটি বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। ত্ৰয়োদশ অধ্যায়টিত শিক্ষাত কৌশলৰ বিকাশ, ইয়াৰ অৰ্থ আৰু গুৰুত্ব, কৌশলৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে সুক্ষ্মভাৱে এটি আলোচনা দাঙি ধৰা হৈছে। চতুদৰ্শ আৰু পঞ্চদশ অধ্যায়টিৰ দ্বাৰা শিক্ষাৰ্থীৰ অনুশাসনহীনতাৰ কাৰণ আৰু অশান্তিৰ কাৰণসমূহৰ বিষয়ে এটি আলোকপাত আগবঢ়োৱা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে— ‘জানি থোৱা ভাল’ বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। অধ্যায়ত থকা ‘চিন্তা-চৰ্চা কৰক’ সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, ‘অগ্ৰগতি নিৰীক্ষণ’ যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ফ-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া ‘অগ্ৰগতিৰ খতিয়ান’ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ’ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে ‘অধিক জানিবলৈ’ শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত ‘আৰ্হি প্ৰশ্ন’ হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান ‘প্ৰসঙ্গ পুথি’ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ’লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

কলা শাখাৰ স্নাতক পাঠ্যক্ৰম

শিক্ষা

খণ্ড - ১

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **ভাৰতীয় সংবিধানৰ শৈক্ষিক ব্যৱস্থাসমূহ** ৭-২৪

শিক্ষা বিষয়ৰ বাবে থকা বিভিন্ন বিধায়িনী ক্ষমতা, তিনিখন সূচীত থকা শিক্ষাৰ শিতানসমূহ আৰু ইয়াৰ প্ৰয়োগ।

অধ্যায় ২ঃ **প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ** ২৫-৪০

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ অৰ্থ, প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ সাংবিধানিক ব্যৱস্থাসমূহ, প্ৰাথমিক শিক্ষাৰ গঠন, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ বাবে বিভিন্ন আঁচনিসমূহ, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ ক্ষেত্ৰত থকা প্ৰত্যাহবানসমূহ।

অধ্যায় ৩ঃ **অপচয় আৰু অনুন্নয়ন** ৪১-৫১

অপচয় আৰু অনুন্নয়নৰ ধাৰণা, বিদ্যালয় অসমাপ্ত কৰাৰ সমস্যা, অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰাৰ কাৰণসমূহ, অপচয়, অনুন্নয়ন আৰু বিদ্যালয অসমাপ্তকৰণ ৰোধৰ পৰামৰ্শ ।

অধ্যায় ৪ঃ **মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান** ৫২-৬৩

মানৱ অধিকাৰৰ সংজ্ঞা আৰু অৰ্থ, জাতীয় উন্নয়নত মানৱ অধিকাৰৰ গুৰুত্ব, মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান,মানৱ অধিকাৰ বিকাশৰ ক্ষেত্ৰত শৈক্ষিক শিক্ষানুষ্ঠানসমূহৰ ভূমিকা ।

অধ্যায় ৫ঃ **শিক্ষা আৰু মানৱ অধিকাৰ** ৬৪-৭৭

মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা,মানৱ অধিকাৰ শিক্ষাৰ লক্ষ্য, ৰাষ্ট্ৰসংঘৰ দ্বাৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ, শিক্ষাৰ অধিকাৰ আইন ২০০৯

অধ্যায় ৬ঃ **ভাৰতৰ মাধ্যমিক শিক্ষা আৰু ইয়াৰ সমস্যাসমূহ** ৭৮-৯০

মাধ্যমিক শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব, মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ, মাধ্যমিক শিক্ষাৰ বৃত্তিমুখীকৰণ।

অধ্যায় ৭ঃ **উচ্চ শিক্ষাৰ প্ৰত্যাহ্বানসমূহ** ৯১-১১৪

উচ্চ শিক্ষা আৰু শৈক্ষিক স্বায়ত্ব শাসন, উচ্চ শিক্ষা আৰু অৰ্থ ব্যৱস্থা, উচ্চ শিক্ষাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ, উচ্চ শিক্ষাত সাৰ্থকতা অনাৰ ব্যৱস্থাসমূহ।

অধ্যায় ৮ঃ **উচ্চ শিক্ষাত ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ প্ৰভাৱ** ১১৩-১২৮
ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ অৰ্থ আৰু ধাৰণা, উচ্চ শিক্ষাত গোলকীকৰণ।

অধ্যায় ৯ ঃ **শিক্ষকৰ শিক্ষা-ভাৰতত ইয়াৰ সমস্যা আৰু সম্ভাৱনীয়তা** ১৩১-১৪৯
শিক্ষকৰ শিক্ষাৰ অৰ্থ, শিক্ষকৰ শিক্ষাৰ উদ্দেশ্য আৰু গুৰুত্ব, শিক্ষকৰ প্ৰশিক্ষণ আৰু শিক্ষকৰ শিক্ষাৰ মাজত থকা প্ৰভেদ, একবিংশ শতিকাত শিক্ষকৰ ভূমিকা,ভাৰতত শিক্ষকৰ শিক্ষাৰ সমস্যা আৰু সম্ভাৱনীয়তা।

অধ্যায় ১০ ঃ **শিক্ষকৰ বাবে প্ৰশিক্ষণ** ১৫০-১৬৫
শিক্ষক প্ৰশিক্ষণৰ ধাৰণা, শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব, শিক্ষক সমৰ্থিত কাৰ্যক্ৰমৰ প্ৰকাৰ, শিক্ষক শিক্ষাৰ কাৰ্যক্ৰমৰ কাৰ্যসমূহ, শিক্ষকক সমৰ্থন কৰাৰ বাবে থকা শিক্ষক শিক্ষাৰ অনুষ্ঠানসমূহ ।

অধ্যায় ১১ ঃ **নাৰী সবলীকৰণৰ বাবে শিক্ষা** ১৬৬-১৭৬
নাৰী শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব, নাৰী শিক্ষাৰ সমস্যা, শিক্ষাৰ জৰিয়তে নাৰী সবলীকৰণৰ কৌশল।

অধ্যায় ১২ ঃ **গ্ৰাম্য উন্নয়ন** ১৭৭-২০২
গ্ৰাম্য উন্নয়ন আঁচনি, সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ,ৰাষ্ট্ৰীয় সাধাৰণ ন্যূনতম আঁচনি,গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন, গ্ৰাম্য উন্নয়নত স্বেচ্ছাসেৰী সংগঠন আৰু ৰাইজৰ অংশগ্ৰহণ ।

অধ্যায় ১৩ ঃ **শিক্ষাত কৌশলৰ বিকাশ** ২০৩-২১৭
কৌশলৰ বিকাশ ঃ ইয়াৰ অৰ্থ আৰু গুৰুত্ব, কৌশলৰ বিভিন্ন প্ৰকাৰসমূহ, শিক্ষাত NSQFৰ পৰামৰ্শৰলী আৰু ইয়াৰ তাৎপৰ্যসমূহ ।

অধ্যায় ১৪ ঃ **শিক্ষাৰ্থীৰ অশান্তি** ২১৮-২৩৬
শিক্ষাৰ্থীৰ অশান্তিৰ কাৰণ ঃ শৈক্ষিক , ৰাজনৈতিক, অৰ্থনৈতিক আৰু অন্য কাৰণ, শিক্ষাৰ্থীৰ অশান্তি দূৰ কৰাৰ উপায় ।

অধ্যায় ১৫ ঃ **শিক্ষাৰ্থীৰ অনুশাসনহীনতা** ২৩৭-২৪৯
অনুশাসনহীনতাৰ অৰ্থ আৰু ধাৰণা, বিদ্যালয়ত অনুশাসন বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তা, অনুশাসনহীন আচৰণৰ প্ৰকাৰ, শিক্ষাৰ্থীৰ অনুশাসনহীনতাৰ কাৰণ, বিদ্যালয়ত অনুশাসন কেনেদৰে বৰ্তাই ৰাখিব পাৰি ।

অধ্যায় ১ ঃ ভাৰতীয় সংবিধানৰ শৈক্ষিক ব্যৱস্থাসমূহ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভাৰতীয় সংবিধানৰ প্রস্তাৱনা

১.৪ ভাৰতীয় সংবিধান আৰু শৈক্ষিক ব্যৱস্থাসমূহ

১.৪.১ শিক্ষা বিষয়ৰ বিভিন্ন কার্যৰ বাবে থকা বিধায়িনী ক্ষমতা

১.৪.২ তিনিখন সূচীত থকা শিক্ষাৰ শিতানসমূহ

১.৪.৩ ভাৰতীয় সংবিধানত থকা শিক্ষাৰ দফাসমূহৰ এক জটিল বিশ্লেষণ

১.৫ সমবর্ত্তী সূচী অনুযায়ী শিক্ষা ব্যৱস্থাসমূহৰ সুবিধা আৰু অসুবিধাসমূহ

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি---

- ভাৰতীয় সংবিধানৰ বিষয়ে ধাৰণা কৰিব পাৰিব
- ভাৰতীয় সংবিধানত উল্লেখিত শৈক্ষিক ব্যৱস্থাসমূহ চিনাক্ত কৰিব পাৰিব।
- শিক্ষাৰ বিভিন্ন কার্যৱলীসমূহত থকা বিধায়িনী ক্ষমতাসমূহ ব্যাখ্যা কৰিব পাৰিব
- সমবর্ত্তী শিক্ষা তালিকাৰ অধীনত থকা ব্যৱস্থাসমূহৰ সুবিধা আৰু অসুবিধাসমূহক পৃথক কৰিব পাৰিব।

১.২ পৰিচয়

এখন সংবিধান হ'ল দেশ এখনৰ বুনিয়াদী আইন। সংবিধান হ'ল নাগৰিকক শাসন কৰিবলৈ যুগুতাই উলিওৱা নীতি-নিয়ম আৰু আইনৰ সমষ্টি। ই দেশ এখনৰ নাগৰিকৰ আশা-আকাংক্ষা, আদর্শ, স্বীকৃত বিধি-বিধান তথা জীৱনৰ প্রমূল্যসমূহৰ প্রতিনিধিত্ব কৰে। লগতে সংবিধানে দেশ এখনে নিজ অস্তিত্ব বর্তাই ৰখাৰ লগতে বিকশিত হ'বলৈ বাছি লোৱা সামাজিক বিশ্বাস তথা দর্শনকো প্রতিফলিত কৰে। অর্থাৎ, কোনো এখন দেশৰ সংবিধানে দেশখনৰ নাগৰিকৰ জীৱন, অনুভৱ, চিন্তা আৰু কার্যকলাপত বিস্তৃত প্রভাৱ পেলায়। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধানখন বলবৎ কৰা হৈছিল। স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতৰ আর্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু শৈক্ষিক পৰিস্থিতিৰ পুনৰ-অভিবিন্যাস আৰু উন্নয়ন সাধনৰ লক্ষ্যেৰে সংবিধানখন গ্রহণ কৰা হৈছিল। শিক্ষা হ'ল এখন দেশৰ আর্থ-সামাজিক

উন্নয়নক তৃণমূল পর্যায়ত প্রভাৱিত কৰিব পৰা এটা প্রধান বিষয়। শিক্ষাৰ দ্বাৰা মানুহে সমাজত এক অর্থবহ জীৱন যাপন কৰিব পাৰে। সেয়েহে আজিৰ সমাজত প্রত্যেকজন ব্যক্তি শিক্ষিত হোৱাটো আৱশ্যকীয়। ভাৰত চৰকাৰেও 'শিক্ষা'ক এক 'মৌলিক অধিকাৰ' হিচাপে ঘোষণা কৰিছে, যাতে প্রত্যেকজন নাগৰিকেই মুক্ত, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লাভ কৰিব পাৰে। সেই কাৰণে বর্তমান শিক্ষাক 'জন্মগত অধিকাৰ' বুলি চিহ্নিত কৰা হৈছে। এই অধ্যায়ত আমি ভাৰতৰ সংবিধানখনৰ বিষয়ে জানিব পাৰিম। সংবিধানখনত উল্লেখিত শিক্ষা সম্পর্কীয় তিনিখন তালিকা সূচী যেনে --- কেন্দ্রীয় তালিকা, ৰাজ্যিক তালিকা আৰু সমবর্ত্তী তালিকাৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে। তদুপৰি, শিক্ষাৰ দফাবোৰৰ বিষয়ে একধৰণৰ ধাৰণাও অৱগত হ'ব পাৰিব। মুঠতে, এই অধ্যায়ৰ যোগেদি ভাৰতীয় সংবিধানখনৰ শৈক্ষিক ব্যৱস্থাসমূহৰ ওপৰত একধৰণৰ বিশ্লেষণাত্মক অধ্যয়ন কৰা হৈছে।

১.৩ ভাৰতীয় সংবিধানৰ প্রস্তাৱনা

ভাৰতৰ সংবিধানৰ এক নিজস্ব তাৎপর্যপূর্ণ বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যটো হ'ল সংবিধানখনৰ প্রস্তাৱনা। ইয়াক সংবিধানৰ অন্তৰাত্মা বোলা হয়। আমাৰ দেশৰ সকলো শৈক্ষিক অথবা অন্য ধৰণৰ অনুষ্ঠান-প্রতিষ্ঠানক নিয়ন্ত্রণ কৰা দর্শনৰ বহিঃৰূপটো সংবিধানৰ প্রস্তাৱনাত সন্নিৱিষ্ট কৰা আছে। প্রস্তাৱনাত কোৱা হৈছেঃ 'আমি, ভাৰতৰ জনগণে, ভাৰতক এখন সার্বভৌম, সমাজবাদী, ধর্মনিৰপেক্ষ, গণতান্ত্রিক গণৰাজ্যৰূপে গঢ়ি তোলাৰ গভীৰ সংকল্প গ্রহণ কৰিলোঁ।' প্রস্তাৱনাই ভাৰতৰ প্রতিগৰাকী নাগৰিকৰে তলত দিয়া সু�ৰক্ষাবোৰ প্রদানৰ নিশ্চিতি দিছে—

ক) ন্যায়— অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক

খ) স্বাধীনতা— চিন্তা, অভিব্যক্তি প্রকাশ, বিশ্বাস আৰু উপাসনা

গ) সমতা— সামাজিক প্রস্থিতি আৰু সুযোগ

ঘ) ভ্রাতৃত্ববোধ— ব্যক্তিৰ মর্যাদা আৰু দেশৰ ঐক্য তথা সংহতিৰ পোষকতা কৰিবলৈ।

প্রস্তাৱনাই গণতন্ত্রৰ মৌলিক নীতিবোৰ সুনিশ্চিত কৰিছে। নীতিবোৰ হ'ল— ন্যায়, স্বাধীনতা, সমতা আৰু ভ্রাতৃত্ববোধ। ভাৰতৰ দৰে দেশ এখনত এই নীতিবোৰৰ কার্যকাৰিতা জনসাধাৰণৰ শিক্ষাৰ ওপৰত নির্ভৰশীল। সংবিধান ৰচনা কৰোঁতাসকল গণ শিক্ষাৰ অভাৰত ভাৰতীয় সমাজবোৰত বর্তি থকা লেহুকা সমাজ-সাংস্কৃতিক আৰু শৈক্ষিক পৰিস্থিতিবোৰ সম্পর্কে সজাগ আছিল। সেয়েহে, সংবিধানত শিক্ষাৰ সৈতে পোনপটীয়া সম্পর্ক থকা কিছুমান সা-সুবিধা অন্তর্ভুক্ত কৰা হৈছিল।

১.৪ ভাৰতীয় সংবিধান আৰু শৈক্ষিক ব্যৱস্থাসমূহ

ভাৰতবর্ষ পৃথিৱীৰ সর্ববৃহৎ গণতান্ত্রিক দেশ। ইয়াত প্রতিজন নাগৰিককে সমপর্য্যায়ৰ অধিকাৰ আৰু সা-সুবিধা প্রদান কৰা হয়। ইয়াত চৰকাৰৰ শাসন কার্যক জনসাধাৰণৰ দ্বাৰা গঠিত জনসাধাৰণৰ বাবে জনসাধাৰণৰ চৰকাৰ বুলি কোৱা হয়। আমি জানো যে শিক্ষা অবিহনে নাগৰিকসকলে তেওঁলোকৰ সাংবিধানিক অধিকাৰ আৰু দায়িত্ব সম্পর্কে কোনো ধৰণৰ ধাৰণা

কৰিব নোৱাৰে। দেশৰ সামগ্ৰিক উন্নতিৰ বাবে প্ৰতিজন নাগৰিক শিক্ষিত হোৱাটো বাঞ্ছনীয়। সেয়েহে, জাতি-ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো নাগৰিকে সমানে শিক্ষা গ্ৰহণ কৰাটোও অতি আৱশ্যকীয়।

ভাৰতবৰ্ষৰ সংবিধানখন পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ সংবিধান, যিয়ে দেশখনক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিছে। এই সংবিধানখন ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গৃহীত হয় আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা বলবৎ কৰা হয়। ইয়ে ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিছে আৰু লগতে ই জনসাধাৰণৰ মাজত ন্যায়, সমতা, স্বাধীনতা, ভাৰতীয় ঐক্য আৰু ভাতৃত্ববোধৰ ভাৱ জগাই তুলিছে।

সকলোৰে বাবে শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষৰ সংবিধানৰ মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ আধাৰত বিভিন্ন সময়ত বহুতো ব্যৱস্থা হাতত লোৱা হৈছে। য'ত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে এই ব্যৱস্থাসমূহ প্ৰণয়নত অংশ গ্ৰহণ কৰে। ভাৰতবৰ্ষ এখন যুক্তৰাজ্য হিচাপে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহৰ মাজত সু-সমন্বয় থকাটো প্ৰয়োজনীয়। ইয়াৰ লগতে পৰিকল্পনাভুক্ত বা পৰিকল্পনাবহিভূৰ্ত ব্যৱস্থা বা আঁচনিসমূহ প্ৰণয়ন কৰাত শিক্ষা ব্যৱস্থা সবল আৰু সুস্থিৰভাৱে চলিবৰ বাবে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া প্ৰচেষ্টা নিতান্তই প্ৰয়োজনীয়।

সংবিধানত থকা শিক্ষা সম্বন্ধীয় মূল নীতিসমূহ তলত দিয়া ধৰণৰ ----

- গণতান্ত্ৰিক ৰাজনীতিৰ বাবে ভাৰতৰ নাগৰিকসকলক প্ৰশিক্ষণ দিয়া ।
- গণতান্ত্ৰিক আৰু নৈতিক মূল্যবোধৰ শিক্ষা দিয়া।
- সামাজিক আৰু জাতীয় সংহতি উপলব্ধ কৰোৱাত সিদ্ধি লাভ কৰা।
- সকলোৰে বাবে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা।
- সকলোৱে সমভাৱে শিক্ষাৰ সুবিধাসমূহ উপভোগ কৰা।
- সমাজ-সংস্কৃতিৰ উন্নয়ন কৰাত সিদ্ধি লাভ কৰা।
- ভাৰতীয় সমাজ আধুনিকীকৰণত সহায় কৰা।
- মানৱ সম্পদ উন্নয়ন আহৰণ কৰা।

মুঠতে, ভাৰতীয় সংবিধানত থকা শিক্ষাৰ ব্যৱস্থাবোৰৰ বিষয়ে বিশদভাবে জানিবলৈ হ'লে সংবিধানৰ ৩য় দফাত থকা মৌলিক অধিকাৰবোৰ জানিব লাগিব, য'ত শিক্ষা গ্ৰহণক নাগৰিকসকলৰ মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হৈছে। উক্ত বিষয়টো ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিবোৰৰ ভিতৰত সন্নিবিষ্ট কৰি সংবিধানৰ ৪র্থ অধ্যায়ত বিস্তৃত ভাবে উল্লেখ কৰা হৈছে। সংবিধানে ভাৰতত শিক্ষাৰ বিকাশ আৰু উন্নতিৰ বাবে কিছুমান নিয়ম-নীতি ধাৰ্য কৰিছে আৰু সেইবোৰকে শিক্ষাৰ সাংবিধানিক ব্যৱস্থা বোলা হয়।

- **অনুচ্ছেদ ৪৫ ঃ** ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ অধীনত মুক্ত, বিনামুলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বিষয়ে এইদৰে উল্লেখ কৰা হৈছে --- "সংবিধান গৃহীত

হোৱাৰ ১০ বছৰৰ ভিতৰত ১৪ বছৰ অনুদ্ধৰ ভাৰতৰ প্ৰত্যেকটো শিশুৱে যাতে মুক্ত, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে ৰাষ্ট্ৰই প্ৰচেষ্টা চলাব লাগিব।"

ৰাজ্য চৰকাৰৰ শিক্ষা শিতানত থকা দায়িত্ববোৰৰ বিষয়ে স্পষ্টকৈ অনুচ্ছেদ ১২ ত এইদৰে উল্লেখ কৰা হৈছে, "ভাৰতৰ সাংসদ, চৰকাৰ আৰু দেশৰ ভু-খণ্ডৰ অধীনৰ সকলো স্থানীয় বা চৰকাৰ অনুমোদিত অন্যান্য কৰ্তৃপক্ষই " এই বিভাগৰ দায়িত্ব ল'ব পাৰিব লাগিব। গতিকে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ, স্থানীয় চৰকাৰ, অন্যান্য স্বেচ্ছাসেৱী অনুষ্ঠানবোৰৰ মিলিত প্ৰচেষ্টাৰ ফলত প্ৰাথমিক শিক্ষা সাৰ্বজনীন হ'ব লাগিব।

প্ৰাথমিক আৰু প্ৰাক্-প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে তলত দিয়া প্ৰয়োজনীয় কাৰ্যাৱলীসমূহ সামৰি লয় -----

- সমন্বয়ৰক্ষী প্ৰতিনিধি হিচাপে কাম কৰা।
- প্ৰাক্-প্ৰাথমিক পৰ্যায় উন্নীতকৰণৰ বাবে গৱেষণা প্ৰস্তুত কৰা।
- কাৰ্যশীল গৱেষণা আৰু বাট দেখুওৱা আঁচনি আৰম্ভ কৰা।
- ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰচলিত শিক্ষা ব্যৱস্থাত যদি পাৰ্থক্য আছে সেইবোৰ চিনাক্ত কৰি সকলো ব্যৱস্থা সমানভাৱে ৰাজ্যবোৰৰ মাজত ভাগ কৰি দিয়া ।
- অনুন্নত ৰাজ্যবোৰত আৰ্থিক অনুদান প্ৰদান কৰা ইত্যাদি।

ৰাজ্য চৰকাৰেও আইন প্ৰণয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন বা শিক্ষা অধিকাৰ আইন, ২০০৯ চনত প্ৰণয়ন হোৱাৰ পিছত ৰাষ্ট্ৰৰ সকলো ৰাজ্যতে ইয়াক বলবৎ কৰা হৈছে, যাৰ ফলত বিদ্যালয়ৰ নামভৰ্ত্তিকৰণত ল'ৰা-ছোৱালী উভয়ৰে সংখ্যা পৰ্য্যায়ক্ৰমে বৃদ্ধি পোৱা দেখা গৈছে।

সংবিধানে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ প্ৰস্তুতি চলাইছিল যদিও মূল লক্ষ্য কাৰ্যকৰী কৰাত এতিয়াও সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। ১৯৬০ চনৰ পিছত, ১৯৬৪-৬৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা আয়োগ, ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি আদিৰ জৰিয়তে বহুতো প্ৰচেষ্টা উদ্ভাৱিত কৰিছিল, য'ত শিক্ষাৰ পুনৰ গঠনৰ মূল নীতি-নিৰ্দেশনা সম্পন্ন কৰাত অধিক গুৰুত্ব আৰোপ কৰিছিল। এই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে যথোচিত আৰ্থিক অনুদান আগবঢ়োৱাও পৰিলক্ষিত হৈছে।

অনুচ্ছেদ ২৯ আৰু ৩০ এ সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ মাজত শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠা আৰু সেইবোৰ পৰিচালনাৰ অধিকাৰ প্ৰদান কৰিছে। এই অনুচ্ছেদ কেইটাই সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ ধৰ্মীয় নাইবা ভাষাৰ ভিত্তিত শৈক্ষিক অনুষ্ঠানসমূহ প্ৰতিষ্ঠা আৰু পৰিচালনাৰ দ্বাৰা কিছুমান সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ প্ৰদান কৰিছে।

২৯ নং অনুচ্ছেদে তলত উল্লিখিত ৰাজ্যিক নীতিসমূহ উল্লেখ কৰিছে---

(১) ভাৰত ভুখণ্ডৰ যিকোনো ঠাইতে বসবাস কৰা অথবা স্বতন্ত্ৰ ভাষা-লিপি বা সংস্কৃতিৰ অধিকাৰী সকলো লোকেই ভাৰতৰ নাগৰিক হিচাপে সকলো ধৰণৰ অধিকাৰ লাভ কৰিব পাৰিব।

২) চৰকাৰী পুঁজিৰে প্ৰতিষ্ঠা কৰা যিকোনো শিক্ষানুষ্ঠানতে নামভৰ্ত্তিকৰণত কোনো

নাগৰিককে বঞ্চিত কৰিব নোৱাৰিব অথবা জাতি, বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰ ছাত্ৰীয়ে নামভৰ্ত্তি কৰাৰ সুযোগ লাভ কৰিব।

৩০ নং অনুচ্ছেদ অনুসৰি- (১) ধৰ্মীয় আৰু ভাৰ্ষিক সংখ্যালঘু সকলে নিজৰ পচন্দ অনুসৰি শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰিব পাৰিব।

সংখ্যালঘু সম্প্ৰদায়ে প্ৰতিষ্ঠা আৰু পৰিচালনা কৰা শিক্ষা অনুষ্ঠানবোৰৰ ওপৰত আইন প্ৰণয়ন কৰিবলৈ হ'লে ১ নং দফাটো চাব লাগিব; য'ত লিখা আছে যে ৰাজ্য চৰকাৰসমূহে একধৰণৰ স্থিৰ মূলধন বা নিয়মৰ মাজেদিহে এই অনুষ্ঠানবোৰৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰিব।

২) সংখ্যালঘু সম্প্ৰদায়ে প্ৰতিষ্ঠা আৰু পৰিচালনা কৰা শিক্ষানুষ্ঠানসমূহক সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বৈষম্যমূলক আচৰণ দেখুৱাব নোৱাৰিব।

তদুপৰি **সংবিধানৰ ৩৫০ (ক) অনুচ্ছেদ মতে,** ভাষাগত সংখ্যালঘু সম্প্ৰদায়ৰ, শিশুসকলে শিক্ষাৰ প্ৰাথমিক স্তৰত যাতে মাতৃভাষাতে শিক্ষা গ্ৰহণ কৰিব পাৰে সেই ক্ষেত্ৰত ৰাজ্যিক চৰকাৰে যথোচিত সুবিধা প্ৰদান কৰা উচিত।

৩৫০ (খ) অনুচ্ছেদে, ভাষাগত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ বাবে বিশেষ ব্যৱস্থাসমূহ সেই সম্প্ৰদায়ৰ লোকসকলে পাইছে নে নাই তাৰ অনুসন্ধান কৰে।

এইদৰেই সংবিধানৰ অনুচ্ছেদবোৰে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ ভাষা, ধৰ্ম, সংস্কৃতিক সমাজত পৰিচয় কৰাই দিয়াৰ লগতে ভাৰতীয় সংবিধানত তেওঁলোকৰ নিৰাপত্তাত নিশ্চিত কৰিছে।

দুৰ্বল শ্ৰেণীৰ বাবে ১৫, ১৭ আৰু ৪৬ নং অনুচ্ছেদত অনুসূচীত জাতি, জনজাতি আৰু সামাজিক, শৈক্ষিক দিশত পিছপৰা দুৰ্বল শ্ৰেণীৰ নাগৰিকৰ বাবে শিক্ষাৰ নিৰাপত্তামূলক ব্যৱস্থা কৰিছে।

বিশেষকৈ ৰাজ্য পৰিচালনাৰ নিৰ্দ্দেশাত্মক নীতিৰ অধীনৰ ৪৬ নং অনুচ্ছেদত উল্লেখ আছে--- সমাজৰ অৰ্থনৈতিক ভাৱে দুৰ্বল আৰু অনুসূচীত জাতি-জনজাতি আদি পিছপৰা শ্ৰেণীৰ লোকৰ বাবে ৰাজ্যবোৰে বিশেষভাবে সাংবিধানিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে, তেওঁলোকক সমাজৰ শোষণ আৰু অন্যায়ৰ পৰা ৰক্ষণাবেক্ষণ দিব পাৰে।

<u>সংবিধানৰ ১৫ (১) আৰু ১৬ (১) নং অনুচ্ছেদ ঃ</u>

সংবিধানৰ ১৫(১) নং অনুচ্ছেদ মতে, ৰাষ্ট্ৰই জাতি, ধৰ্ম, বৰ্ণ, জন্মস্থানৰ ভিত্তিত নাগৰিকসকলৰ মাজত কোনো ধৰণৰ বিভাজন আনিব নোৱাৰিব।

১৬ (১) নং অনুচ্ছেদ অনুসৰি, ৰাজ্যৰ অধীনৰ সকলো কৰ্মস্থান বা কাৰ্যালয়ত পুৰুষ, স্ত্ৰী নিৰ্বিশেষে দেশৰ সকলো নাগৰিকে তেওঁলোকৰ নিযুক্তি প্ৰদানত সমমৰ্যাদা লাভ কৰিব লাগিব।

<u>ধৰ্ম নিৰপেক্ষ শিক্ষাৰ বাবে সংবিধানৰ ২৫,২৮ আৰু ৩০ নং অনুচ্ছেদ</u> ঃ

ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। ইয়াত প্ৰত্যেক ধৰ্মৰ লোকেই নিজ ধৰ্মৰ আদৰ্শ প্ৰচাৰ আৰু সাৰ্বজনীন কৰাৰ অধিকাৰ আছে। সংবিধানৰ ২৫ নং অনুচ্ছেদ অনুসৰি, দেশৰ প্ৰত্যেকজন

নাগৰিকৰে নিজ ধর্মৰ চর্চা, প্রসাৰ আৰু আনুগত্য প্রকাশ কৰাৰ অধিকাৰ আছে।

সংবিধানৰ ২৮ (২) দফাত উল্লেখ কৰা কোনো ধৰণৰ ব্যৱস্থা চৰকাৰীভাৱে পৰিচালিত কিন্তু কোনো পুঁজি বা ন্যাসৰ অধীনত প্রতিষ্ঠিত ধর্মীয় শিক্ষাদান কৰা শিক্ষানুষ্ঠানৰ ক্ষেত্রত প্রযোজ্য নহয়।

২৮ (৩) নং অনুচ্ছেদ মতে, চৰকাৰীভাৱে অনুমোদিত বা চৰকাৰী সাহায্যপ্রাপ্ত কোনো শিক্ষানুষ্ঠানত অন্তর্ভূক্ত কোনো ব্যক্তিয়ে তেনে শিক্ষানুষ্ঠান বা তেনে শিক্ষানুষ্ঠানৰ চৌহদৰ সৈতে সংলগ্ন যিকোনো ঠাইতে অনুষ্ঠিত ধর্মানুষ্ঠানত ভাগ লোৱাটো প্রয়োজনীয় নহয়; যদিহে তেনে ব্যক্তিজন বা নাবালকৰ ক্ষেত্রত তেওঁৰ অভিভাৱকৰ সম্মতি নাথাকে।

৩০ নং অনুচ্ছেদ অনুসৰি, সংখ্যালঘু সম্প্রদায়ে ধর্ম বা ভাষাৰ ভিত্তিত প্রতিষ্ঠা আৰু পৰিচালনা কৰা শিক্ষানুষ্ঠানসমূহক ৰাজ্য চৰকাৰে অনুদান নিদিয়াকৈ থাকিব নোৱাৰিব বা কোনোধৰণৰ বৈষম্যমূলক আচৰণ দেখু�ৱাব নোৱাৰিব ।

এইদৰে, সংবিধানৰ অনুচ্ছেদবোৰে নাগৰিকসকলক ধর্মীয় স্বাধীনতা প্রদান কৰিছে। কিন্তু বিদ্যালয়সমূহত নিয়মীয়া পাঠদানৰ সময়ত কোনো বিশেষ ধর্মীয় আচাৰ-অনুষ্ঠান শিকাব নোৱাৰিব বুলিও সংবিধানত উল্লেখ আছে।

সংবিধানৰ ২১ (ক) নং অনুচ্ছেদত, ২০০২ চনৰ ৮৬ নং সংবিধান সংশোধন অনুযায়ী শিক্ষা বিষয়টোক ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ অন্তর্ভুক্ত কৰিছে। সর্বশেষত, এই বিষয়টো ২০০৯ চনত 'শিক্ষাৰ অধিকাৰ আইন' হিচাপে স্বীকৃত হয় আৰু ২০১০ চনৰ এপ্রিল মাহৰ পৰা ভাৰতৰ সকলো ৰাজ্যতে বলবৎ কৰা হয়।

প্রকৃতপক্ষে, ভাৰতৰ সংবিধানে নাগৰিকসকলৰ কল্যাণৰ অর্থে বহুতো অধিকাৰ প্রদান কৰিছে আৰু এই অধিকাৰসমূহ বিধিবাদী কৰাৰ বাবে কিছুমান আইন তথা নির্দেশনাত প্রণয়ন কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া বাক্যসমূহৰ সত্য /অসত্য নিৰূপণ কৰক।

(ক) ভাৰত পৃথিৱীৰ দ্বিতীয় সর্ববৃহৎ গণতান্ত্রিক ৰাষ্ট্র। (সত্য/অসত্য)

(খ) ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধানখন কার্যকৰী হয়। (সত্য /অসত্য)

(গ) ভাৰতীয় সংবিধানত সন্নিবিষ্ট সমৱর্তী তালিকাৰ বিষয়সমূহ কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ উভয়ে দায়িত্ব লয়। (সত্য /অসত্য)

(ঘ) ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধন অনুযায়ী শিক্ষা বিষয়টো

ৰাজ্যিক বিষয় হিচাপে গণ্য কৰা হয়। (সত্য/অসত্য)

(ঙ) সংবিধানৰ ২১ (ক) নং অনুচ্ছেদত শিক্ষাৰ জন্মগত অধিকাৰ হিচাপে পৰিগণিত হৈছে (সত্য/অসত্য)

প্ৰশ্ন নং ২ ঃ ভাৰতীয় নাগৰিকৰ বাবে ভাৰতৰ সংবিধানত কি কি শৈক্ষিক ব্যৱস্থা আছে?

.....

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতত প্ৰাথমিক শিক্ষা প্ৰণয়নৰ ক্ষেত্ৰত চৰকাৰে কি কি কাৰ্য হাতত লৈছে?

.....

.....

১.৪.১ শিক্ষা বিষয়ৰ বিভিন্ন কাৰ্যৰ বাবে থকা বিধায়িনী ক্ষমতাসমূহ

যুক্তৰাষ্ট্ৰীয় চৰকাৰ ব্যৱস্থাৰ হেতুকে ভাৰতবৰ্ষৰ নিচিনা এখন গণতান্ত্ৰিক ৰাজ্যত ক্ষমতা বিকেন্দ্ৰীকৰণক বিশ্বাস কৰা হয়। ইয়ে বিধায়িনী ক্ষমতাসমূহক কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু কিছুমান ক্ষমতা সমবৰ্তী সূচীৰ মাজত ভাগ কৰিছে। ১ নং তালিকাসূচীৰ অন্তৰ্গত দফাসমূহৰ আইন প্ৰণয়নৰ ক্ষেত্ৰত সৰ্বোচ্চ ক্ষমতা কেন্দ্ৰীয় চৰকাৰক দিয়া হয় আৰু ৰাজ্যিক চৰকাৰে ২ নং তালিকাসূচীৰ অন্তৰ্গত দফাসমূহৰ আইন প্ৰণয়নৰ ক্ষমতা পালন কৰে। ৩ নং তালিকাৰ অন্তৰ্গত সমৱৰ্তী সূচীৰ আধাৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ উভয়ে ৰাষ্ট্ৰখনৰ জনসাধাৰণৰ কাৰণে আইন কানুন প্ৰণয়নত ভূমিকা পালন কৰে। অৰ্থাৎ ১নং তালিকাসূচীয়ে ৰাষ্ট্ৰখনৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত কাৰ্য সম্পাদন কৰে, ২নং তালিকাসূচীয়ে স্থানীয় স্বাৰ্থক গুৰুত্ব দিয়ে আৰু ৩নং তালিকাসূচীৰ অন্তৰ্ভুক্ত সমৱৰ্তী সূচীয়ে কেন্দ্ৰীয় আৰু ৰাজ্যিক উভয় স্বাৰ্থতে গুৰুত্ব আৰোপ কৰে।



জানি থোৱা ভাল

দুই ধৰণৰ চৰকাৰক সামৰি ভাৰতে যুক্তৰাষ্ট্ৰীয় আৰ্হিৰ চৰকাৰ গঠন কৰিছে। ভাৰতৰ সংবিধানে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ৰ মাজতে ক্ষমতাবোৰ বিতৰণ কৰি দিছে। সংবিধান প্ৰদত্ত ক্ষমতাবোৰ কেন্দ্ৰীয় তালিকা, ৰাজ্যিক তালিকা আৰু সমবৰ্ত্তী তালিকা -- এই তিনিখন তালিকাত অন্তৰ্ভূক্ত কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা, প্ৰতিৰক্ষা ক্ষমতা, বৈদেশিক ক্ষমতা আদি ক্ষমতাবোৰ আইন প্ৰণয়ন কৰি সমগ্ৰ জাতিটোৰ উন্নতিৰ

বাবে কেন্দ্রীয় চৰকাৰে ব্যৱস্থা ল'ব পাৰে। ৰাজ্য চৰকাৰেও ৰাজ্যিক তালিকা অন্তর্ভুক্ত ক্ষমতাবোৰৰ ওপৰত আইন প্রণয়ন কৰি স্থানীয়ভাবে সমস্যাবোৰ সমাধান কৰিব পাৰে। ৰাজ্যিক তালিকাৰ অন্তর্ভুক্ত বিষয়সমূহ হ'ল --- শিক্ষা, জনস্বাস্থ্য, বন আৰক্ষী ইত্যাদি। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ উভয়ে আইন প্রণয়ন কৰা ক্ষমতাবোৰক সমবর্ত্তী তালিকাত সামৰি লোৱা হৈছে। আনহাতে, অবিশিষ্ট ক্ষমতা (Residuary Powers)বোৰ কেন্দ্রীয়, ৰাজ্যিক অথবা সমবর্ত্তী তালিকাত অন্তর্ভুক্ত নকৰি লোক সভাক অর্পণ কৰা হৈছে। অৱশ্যে, আমেৰিকা যুক্তৰাষ্ট্রত এই অবিশিষ্ট ক্ষমতাবোৰ যুক্তৰাষ্ট্রীয় চৰকাৰৰ ওপৰত অর্পণ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বিভিন্ন শৈক্ষিক কার্যাৱলীসমূহ আমি কেনেধৰণে বিধায়িনী ক্ষমতাবোৰত ভাগ কৰিব পাৰোঁ?

.....

.....

১.৪.২ তিনিখন সূচীত থকা শিক্ষাৰ শিতানসমূহ

কেন্দ্রীয়, ৰাজ্যিক আৰু সমবর্ত্তী তালিকাৰ অন্তর্ভুক্ত বিধায়িনী ক্ষমতাসমূহৰ বিভাজনে অবগত হোৱাৰ পিছত আমি এতিয়া ভাৰতীয় সংবিধানত সন্নিবিষ্ট সূচী তিনিখনে সামৰিলোৱা শিক্ষা সম্বন্ধীয় দফা/শিতান সম্পর্কে আলোচনা কৰিম। এই তিনিখন তালিকাক কেন্দ্রীয় তালিকা ৰাজ্যিক তালিকা আৰু সমবর্ত্তী তালিকা বুলি জনা যায়।

কেন্দ্রীয় তালিকা ঃ কেন্দ্রীয় তালিকাক ১নং তালিকা হিচাপেও উল্লেখ কৰা হয়। বিধিবদ্ধ আইনবোৰৰ যোগেদি কেন্দ্রই কিছুমান ক্ষমতা একান্তভাবে নিয়ন্ত্রণ কৰিব পাৰে। এই তালিকাত অন্তর্ভুক্ত ৯৯ টা বিষয়ৰ অন্তর্গত ৭টা বিষয় শিক্ষাৰ লগত জড়িত।

এন্টি ১৩-- বিদেশৰ সৈতে জড়িত শিক্ষা আৰু সাংস্কৃতিক সম্বন্ধক ই সামৰি লৈছে।

এন্টি ৬২-- দেশৰ জাতীয় স্বার্থ সম্বলিত প্রতিষ্ঠান যেনে --- ভাৰতীয় গ্রন্থাগাৰ, ভাৰতীয় যাদুঘৰ বা সংগ্রহালয়, যুদ্ধ-স্মৰণ আদি বিষয়সমূহ সামৰি এইবোৰ ৰক্ষণাবেক্ষণ তথা সংৰক্ষণ কৰাৰ বাবে কেন্দ্রীয় চৰকাৰে আর্থিক সাহার্য প্রদান কৰিব পাৰে আৰু জাতীয় স্বার্থৰ বাবে এনে কোনো প্রতিষ্ঠানক বৈধ জাতীয় প্রতিষ্ঠান হিচাপে ঘোষণা কৰিব পাৰে।

এন্টি ৬৩-- এই তালিকাই কেন্দ্রীয় বিশ্ববিদ্যালয় (যেনে- আলিগড়, দিল্লী, বেনাৰস,

শান্তি নিকেতন, উত্তৰ পূৰ্বাঞ্চল পাৰ্বত্য বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়) সমূহক সামৰি লয় আৰু আৱশ্যক অনুযায়ী কোনো প্ৰতিষ্ঠানক বৈধ প্ৰতিষ্ঠান হিচাপেও ঘোষণা কৰিব পাৰে।

এণ্ট্ৰি ৬৪-- বিজ্ঞানসন্মত আৰু কাৰিকৰী শিক্ষানুষ্ঠানসমূহক কেন্দ্ৰীয় চৰকাৰে আংশিক বা সম্পূৰ্ণ ৰূপে আৰ্থিক দিশত সাহায্য প্ৰদান কৰিব পাৰে আৰু জাতীয় স্বাৰ্থৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি কোনো প্ৰতিষ্ঠানক বৈধ জাতীয় প্ৰতিষ্ঠান হিচাপে ঘোষণা কৰিব পাৰে।

এণ্ট্ৰি ৬৫---- এইখন তালিকাই কেন্দ্ৰীয় সংস্থা আৰু অনুষ্ঠান কিছুমানক সামৰি লৈছে। সেইবোৰ সংস্থাই (১) বৃত্তিগত আৰু কাৰিকৰী প্ৰশিক্ষণ প্ৰদান কৰে, যেনে আৰক্ষী বিষয়াক দিয়া প্ৰশিক্ষণ কেন্দ্ৰ (২) বিশেষ অধ্যয়ন আৰু গৱেষণাৰ উন্নয়নত গুৰুত্ব দিয়ে, (৩) দোষীক ধৰা পেলোৱা বা অনুসন্ধান কৰাৰ ক্ষেত্ৰত বৈজ্ঞানিক নতুবা কাৰিকৰী সহায় আগবঢ়ায়।

এণ্টি ৬৬ --- এই তালিকাই কিছুমান বিষয় সামৰি লয় যিবোৰৰ দ্বাৰা উচ্চ শিক্ষা আৰু গৱেষণা প্ৰদান কৰা শিক্ষানুষ্ঠানবোৰৰ মানদণ্ড নিৰ্ধাৰণ কৰে আৰু সেইবোৰ শিক্ষানুষ্ঠানৰ মাজত সমন্বয় ৰক্ষা কৰাত সহায় কৰে।

এণ্টি ৬৭ ---- এইখন সূচীয়ে প্ৰাচীন বুৰঞ্জীমূলক স্মৃতিসৌধ, হিচাপ পত্ৰ, খনন কাৰ্য্য, পুৰাতত্ত্বৰ স্থানবোৰ সামৰি লৈছে আৰু জাতীয় স্বাৰ্থৰ বাবে সেইবোৰ বিষয়ক বৈধ হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

ৰাজ্যিক তালিকা বা সূচী ঃ এইখন তালিকাক সংবিধানৰ ২ নং তালিকা বুলি কোৱা হয়। এই বিশেষ তালিকাই ৬৯ টা বিষয়ক সামৰি লৈছে, যিবোৰ বিষয়ত ৰাজ্য চৰকাৰে নিজাববীয়াকৈ আইন প্ৰণয়ন কৰিব পাৰে। ইয়াত শিক্ষাখণ্ডৰ দুটা বিষয়হে অন্তৰ্ভুক্ত কৰিছে আৰু এই দুটা বিষয়ত সংবিধানে ৰাজ্য চৰকাৰক সম্পূৰ্ণ ভাবে স্বায়ত্ব শাসনৰ অধিকাৰ বা ক্ষমতা প্ৰদান কৰিছে।

ৰাজ্যিক সূচীৰ এণ্ট্ৰি ১১ এ বিশ্ববিদ্যালয়বোৰৰ শিক্ষাত গুৰুত্ব আৰোপ কৰিছে। কেন্দ্ৰীয় সূচীৰ ৬৩, ৬৪, ৬৫, ৬৬ নং এণ্টি আৰু সমবৰ্ত্তী সূচীৰ ২৫ নং এণ্টিত থকা বিষয়বোৰক ৰাজ্যিক সূচীৰ বিষয় হিচাপে গণ্য কৰা হৈছে।

ৰাজ্যিক সূচীৰ ১২নং এণ্টিয়ে ৰাজ্যৰ গ্ৰন্থাগাৰ, সংগ্ৰহালয়, পুৰণি কীৰ্ত্তিস্তম্ভ, স্মৃতিসৌধ বা তথ্যপাতি আদি বিষয়বোৰত গুৰুত্ব প্ৰদান কৰিছে আৰু সেইবোৰৰ উন্নয়নত ৰাজ্যিক চৰকাৰক আৰ্থিক অনুদান বা সাহায্য প্ৰদানৰ বাবে আইনগত সুবিধা দিছে।

সমবৰ্ত্তী সূচী ঃ সংবিধানে ৫২ টা বিষয়ক লৈ সমবৰ্ত্তী সূচী প্ৰস্তুত কৰিছে। এই ৫২টা বিষয়ৰ, ৬ টা শিতানতহে শিক্ষা বিষয়টো জড়িত হৈ আছে। সেইবোৰ হল --

এণ্ট্ৰি ২০ ঃ অৰ্থনৈতিক আৰু সামাজিক পৰিকল্পনা।

এণ্ট্ৰি ২৫ ঃ বৃত্তিগত আৰু কাৰিকৰী প্ৰশিক্ষণ।

এণ্টি ২৬ ঃ বৈধ, যন্ত্ৰপাতি সম্বন্ধীয় আৰু অন্যান্য বৃত্তি।

এন্ট্রি ২৭ ঃ নিঃসহায়লোকক সহায় কৰা অনুষ্ঠানসমূহ।

এন্ট্রি ৩৯ ঃ বাতৰিকাকত, গ্ৰন্থ আৰু ছপাশালবোৰ।

এন্ট্রি ৪০ ঃ জাতীয় স্বাৰ্থৰ উদ্দেশ্যে প্ৰত্নতাত্ত্বিক ঠাইবোৰৰ বাবে প্ৰয়োজনীয় সাংবিধানিক আইন প্ৰণয়ন কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক --

(ক) শিতানসমূহৰ তালিকাক -------- তালিকাত ভাগ কৰা হৈছে।

(খ) কেন্দ্ৰীয় চৰকাৰে -------- তালিকাৰ অন্তৰ্ভুক্ত শিতানসমূহৰ দায়িত্ব লয়।

(গ) কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ ------- সমবৰ্ত্তী তালিকাৰ শিতানসমূহৰ দায়িত্ব গ্ৰহণ কৰে।

(ঘ) কেন্দ্ৰীয় সূচীৰ অধীনত মুঠ ------- টা বিষয় আছে য'ৰ পৰা ------ বিষয়হে শিক্ষাৰ সৈতে জড়িত।

(ঙ) ৰাজ্যিক সূচীৰ অধীনত শিক্ষাৰ সৈতে -------- টা শিতান জড়িত।

প্ৰশ্ন নং ৬ ঃ ভাৰতীয় সংবিধানৰ সমবৰ্ত্তী তালিকাত অন্তৰ্ভুক্ত শৈক্ষিক শিতানসমূহ কি কি?

.....

.....

১.৪.৩ ভাৰতীয় সংবিধানত থকা শৈক্ষিক দফাসমূহৰ ওপৰত এক জটিল বিশ্লেষণ

ভাৰতীয় সংবিধানত উল্লিখিত শৈক্ষিক দফা আৰু ব্যৱস্থাবোৰ জনাৰ পিছত আমি সেই সাংবিধানিক শৈক্ষিক ব্যৱস্থাবোৰত কিমানখিনি গুৰুত্ব প্ৰদান কৰা হৈছে তাক বিশ্লেষণ কৰি চাব পাৰো। যদি সেই ব্যৱস্থাসমূহ প্ৰয়োগৰ ক্ষেত্ৰত কিবা বাধা তাকো ফঁহিয়াই চামহঁক।

- ১নং তালিকাত থকা ৬৩, ৬৪, ৬৫ নং এন্ট্রি আৰু ৩নং তালিকাত থকা ২৫ নং এন্ট্রি অনুযায়ী বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোক ৰাজ্য চৰকাৰৰ হাতত প্ৰদান কৰিছে, কিন্তু ৬৬ নং অনুচ্ছেদে শিক্ষা আৰু গৱেষণাৰ ব্যৱস্থা থকা অনুষ্ঠানবোৰৰ মানদণ্ড নিৰ্ধাৰণ আৰু সমন্বয় ৰক্ষা কৰাৰ দায়িত্ব সম্পূৰ্ণভাবে কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পণ কৰিছে।
- যদিও ৪৫ নং অনুচ্ছেদ অনুযায়ী শিক্ষা ব্যৱস্থাটো প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰহে দায়িত্ব আছে, তথাপি কেন্দ্ৰীয় চৰকাৰে শিক্ষা ব্যৱস্থাবোৰ নাগৰিকসকলৰ

মাজত প্রচলন বা নাগৰিকক সজাগ কৰাৰ ক্ষেত্রত এক মুখ্য ভূমিকা গ্রহণ কৰা দেখা যায়। উদাহৰণস্বৰূপে, ১৪ বছৰ অর্নুদ্ধৰ সকলো শিশুক মুক্ত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰিবলৈ হ'লে এক বৃহৎ পৰিমাণৰ পুঁজিৰ আৱশ্যক হয় যিটো পুঁজিৰ ধন কেন্দ্রীয় চৰকাৰেহে বহন কৰিব পাৰে।

- কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰতকৈ অধিক ক্ষমতা গ্রহণ কৰা দেখা যায়। কাৰণ-
  - ৰাজ্যত শিক্ষা ব্যৱস্থাসমূহ কার্যকৰী কৰাৰ ক্ষেত্রত ৰাজ্য চৰকাৰৰ অর্থৰ অভাৱ হোৱা পৰিলক্ষিত হয়। তেনেক্ষেত্রত, কেন্দ্রীয় চৰকাৰৰ ওচৰত ৰাজ্য চৰকাৰে আর্থিক অনুদানৰ বাবে আবেদন কৰিব লগা হয়।
  - বিদেশী আৰু দেশীয় সকলো ৰাজ্যৰ বাবে কেন্দ্রীয় চৰকাৰক এক সংবাদৰ ভঁৰাল বুলি ক'ব পৰা যায়। এই সকলোবোৰৰ বাবে কেন্দ্রীয় চৰকাৰক একপ্রকাৰ পৰিষ্কাৰ গৃহও বুলিব পাৰি।
  - কেন্দ্রীয় চৰকাৰৰ অধীনত জাতীয় শিক্ষা নীতিক সামৰি লোৱা হৈছে, য'ত প্রাথমিক শিক্ষাক সার্বজনীন কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।
  - সমাজৰ বিভিন্ন শ্রেণীৰ সম্প্রদায়ৰ নামত বা বিভিন্ন অঞ্চলত সম শিক্ষা প্রদানত কেন্দ্রীয় চৰকাৰে অধিক গুৰুত্ব দিয়া দেখা যায়।
  - সংখ্যালঘু সম্প্রদায়ৰ সাংস্কৃতিক দিশটো ৰক্ষা কৰাতো কেন্দ্রীয় চৰকাৰে অধিক দায়িত্ব গ্রহণ কৰিছে, যাৰ ফলত তেওঁলোকে উপলব্ধি কৰিছে যে, প্রাথমিক স্তৰৰ শিক্ষাখিনি মাতৃভাষাৰ যোগেদিও লাভ কৰিব পাৰি।
  - জাতীয় ভাষা উন্নয়নৰ ক্ষেত্রতো কেন্দ্রীয় চৰকাৰে দায়িত্ব গ্রহণ কৰিছে।
  - উচ্চ শিক্ষাৰ উন্নতিৰ বাবে কেন্দ্রীয় চৰকাৰে সমন্বয় আৰু নিয়ন্ত্রণ ৰক্ষা কৰা দেখা যায়।
- ১৯৭৬ চনৰ সংবিধানৰ ৪২ তম- সংশোধনী মতে শিক্ষাক ৰাজ্যিক সূচীৰ পৰা সমবর্ত্তী সূচীলৈ লৈ যোৱাটো এটা গুৰুত্বপূর্ণ বিষয় হিচাপে বিবেচনা কৰা হৈছে আৰু ইয়াক ৩ নং তালিকাত অন্তর্ভুক্ত কৰা হৈছে।
- ২০০২ চনৰ ৮৬ তম সংশোধনটো অনুচ্ছেদ ২১ (ক) লোৱা হৈছে। এই অনুচ্ছেদ মতে, শিক্ষা হ'ল মানুহৰ মৌলিক অধিকাৰ। সেয়ে প্রত্যেক নাগৰিকে শিক্ষা লাভ কৰাটো এক জন্মগত অধিকাৰ।
- শিক্ষাক সমবর্ত্তী সূচীৰ অন্তর্ভুক্ত কৰিবলৈ কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰ উভয়েই শৈক্ষিক নীতি প্রস্তুত কৰিব পাৰে যদিও এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰক অধিক শক্তিশালী যেন অনুমেয় হয়। কিয়নো, আইনবোৰ কেন্দ্রীয় চৰকাৰৰ দ্বাৰাহে বলবৎ কৰা হয়। ৰাজ্য চ ৰকাৰৰ দ্বাৰা শিক্ষা নীতি প্রণয়ন কৰাৰ দায়িত্বও কেন্দ্রীয় চৰকাৰক অর্পণ কৰা হৈছে। কেন্দ্রীয় চৰকাৰে প্রত্যক্ষভাৱে ৰাজ্যবোৰৰ ওপৰত কোনো শিক্ষা বিষয়ক নীতি প্রণয়ন কৰিব পাৰে। ৰাষ্ট্রীয় ৰাষ্ট্র অনুষ্ঠান যেনে-- বিশ্ববিদ্যালয়

অনুদান আয়োগ (UGC), ৰাষ্ট্ৰীয় মানদণ্ড আৰু মূল্যায়ন পৰিষদ (NAAC), ৰাষ্ট্ৰীয় শৈক্ষিক, গবেষণা আৰু প্ৰশিক্ষণপৰিষদ (NCERT), কেন্দ্ৰীয় পৰামৰ্শদাতা আয়োগ (CABE), ৰাষ্ট্ৰীয় শিক্ষক প্ৰশিক্ষণ পৰিষদ (NCTE) আদিক অধিক ক্ষমতা প্ৰদান কৰিছে যিবোৰে প্ৰত্যেক ৰাজ্যতে শিক্ষা বিভাগটোক অধিক শক্তিশালী কৰাত গুৰুত্ব দিয়া দেখা গৈছে। পৰিকল্পনা আয়োগ আৰু আৰ্থিক অনুদান আয়োগে দেশৰ শিক্ষা ব্যৱস্থাটোক আৰু অধিক শক্তিশালী কৰাৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা দেখা যায়।

- ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰবোৰ স্বাভাৱিক আইনৰ দ্বাৰা উদ্ভৱ হোৱা নহয় নতুবা এইবোৰ সংৰক্ষণ অধিকাৰ তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত নহয়, যদি মৌলিক অধিকাৰবোৰক সামাজিক মূল্য হিচাপে স্বীকৃতি দিয়া হয়, তেন্তে স্থান আৰু পৰিবেশ অনুসৰি, মানুহৰ আশা- আকাংক্ষা পূৰণৰ উদ্দেশ্যে এই অধিকাৰবোৰ পৰিবৰ্ত্তন কৰিব পৰা যায়। কিয়নো, আমি জানো যে আমি বাস কৰা সমাজখন অপৰিবৰ্ত্তনীয় নহয়।
- ভাৰতীয় সংবিধানৰ ৪২ তম সংশোধনে ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰবোৰৰ মাজত কোনো নিৰ্দ্দিষ্ট বিভাজন নাই। সেয়ে, আইন প্ৰণয়ন আৰু দায়িত্ব বিতৰণত যথেষ্ট বেমেজালিৰ সৃষ্টি হোৱাও পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ভাৰতীয় সংবিধানত সন্নিবিষ্ট শিক্ষা ব্যৱস্থাসমূহত আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত কিয় ৰাজ্য চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰক অধিক দায়িত্ব অপৰ্ণ কৰিছে?

.....

.....

১.৫ সমবৰ্ত্তী সূচী অনুযায়ী শিক্ষা ব্যৱস্থা সমূহৰ সুবিধা আৰু অসুবিধাসমূহ

'শিক্ষাৰ অধিকাৰ আইন' খন সদনত গৃহীত হোৱাৰ পাছত ভাৰতীয় সংবিধানে শিক্ষাক নাগৰিকসকলৰ জন্মগত অধিকাৰ হিচাপে স্বীকৃতি দিছে। দেশৰ সকলো নাগৰিকে যাতে সহজে শিক্ষা লাভ কৰিব পাৰে তাৰবাবে শিক্ষা সম্পকীয় আইনসমূহ ৰাজ্যবোৰত প্ৰণয়ন কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যুটীয়াভাৰে দায়িত্ব গ্ৰহণ কৰিছে। দেশৰ নাগৰিকসকলৰ সামগ্ৰিক উন্নয়নৰ বাবে শিক্ষা নীতিসমূহ প্ৰণয়ন কৰা হয়। কিন্তু এই নীতিসমূহ প্ৰণয়ন কৰোঁতেও কেতিয়াবা যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হয়। কেন্দ্ৰীয় চৰকাৰে এককভাৰে দায়িত্ব গ্ৰহণ কৰি প্ৰণয়ন কৰা শৈক্ষিক ব্যৱস্থাসমূহৰ সুবিধাসমূহ হ'ল ----

- ৰাষ্ট্ৰীয় শিক্ষানীতি সঠিক আৰু সুকলমে কার্যকৰী কৰাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- শিক্ষা আৰু পৰিকল্পনা- এই দুই শিতানক এটা বিভাগতে লোৱা হৈছে আৰু পৰিকল্পনাক মর্য্যদা দিছে যাৰদ্বাৰা শিক্ষাৰ উন্নতি নিশ্চিত কৰা হৈছে।
- যদিও সংবিধানে শৈক্ষিক নীতিসমূহ প্ৰণয়ন কৰাত কেন্দ্ৰীয় চৰকাৰক অধিক ক্ষমতা প্ৰদান কৰিছে তথাপি শিক্ষাৰ উন্নয়নৰ বাবে ৰাজ্যিক চৰকাৰক যথেষ্ট অনুদান আগবঢ়াইছে।
- সংবিধানত থকা শৈক্ষিক ব্যৱস্থাৰ সহায়ত ভাৰতৰ সকলোবোৰ ৰাজ্যতে একেধৰণৰ শিক্ষাৰ উদ্দেশ্য বা লক্ষ্য, কৌশল, মানদণ্ড নির্ধাৰণ কৰা হৈছে।
- ৰাজ্যিক চৰকাৰৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ শাসকীয় নিয়ন্ত্ৰণ আছে। ফলত ৰাজ্য চৰকাৰে শৈক্ষিক কার্যবোৰ যেনে - নামভর্ত্তি, নিযুক্তি, পদোন্নতি প্ৰক্ৰিয়া আদি সঠিক ভাবে কৰিছে নে নাই সেইবোৰৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে সর্তকতাৰে চকু ৰাখিব পাৰে।
- শিক্ষা ব্যৱস্থা প্ৰণয়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজন অনুসৰি ৰাজ্য চৰকাৰবোৰক আর্থিক অনুদান আগবঢ়ায়। ফলত, ৰাজ্যিক চৰকাৰবোৰে সেই অনুদানবোৰ সঠিকভাৱে প্ৰয়োগ কৰিছে নে নাই তাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে নজৰ দিব পাৰে।
- শিক্ষা হ'ল এক গতিশীল প্ৰক্ৰিয়া। সেয়েহে শিক্ষাৰ ওপৰত অহৰহ গৱেষণা,পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন আছে আৰু সেইবোৰক কেন্দ্ৰীয় চৰকাৰে আর্থিক অনুদানেৰে সহায় আগবঢ়াব পাৰে।

  কেন্দ্ৰীয় চৰকাৰৰ হাতত অধিক ক্ষমতা ন্যস্ত ৰখাৰ বাবে আৰু শিক্ষা প্ৰতিষ্ঠানবোৰ কেন্দ্ৰৰ অধীনত হোৱা বাবে, সাংবিধানিক শিক্ষা ব্যৱস্থাসমূহ প্ৰণয়ন কৰোঁতে কিছুমান অসুবিধাৰো সৃষ্টি হয়।
- বহু সমালোচকে কয় যে, সমবর্ত্তী সূচীত শিক্ষা বিষয়টোক অন্তর্ভুক্ত কৰাৰ বাবে শিক্ষা অবাঞ্ছিতভাৱে কেন্দ্ৰীয়কৰণ হৈ পৰিছে।
- শিক্ষা বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিষয় হোৱা বাবে স্থানীয় সমস্যাসমূহে সঠিকভাবে গুৰুত্ব নাপায়। ফলত শিক্ষাৰ স্থানীয় প্ৰয়োজনীয়তা আৰু সমস্যাসমূহ নোহোৱা হৈ যায়।
- কেন্দ্ৰীয় চৰকাৰৰ শৈক্ষিক বিভাগসমূহ যেনে --- বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ (NCERT), ৰাষ্ট্ৰীয় শিক্ষক প্ৰশিক্ষণ পৰিষদ (NCTE), কেন্দ্ৰীয় শিক্ষা পৰামর্শ আয়োগ (CABE) আদিয়ে ৰাজ্য চৰকাৰৰ ওপৰত অনাধিকাৰ নিয়ন্ত্ৰণ আৰোপ কৰে, কাৰণ ৰাজ্যবোৰৰ শিক্ষা সম্বন্ধীয় শাসনকার্যবোৰ এই শৈক্ষিক প্ৰতিষ্ঠানসমূহে নিয়ন্ত্ৰণ কৰে। ফলত ৰাজ্য চৰকাৰে শিক্ষা সম্বন্ধীয় আইন বা নীতিৰ ওপৰত সিদ্ধান্ত লোৱাত অবাঞ্ছিতভাৱে বাধাৰ সন্মুখীন হয়।
- একে সময়তে সকলো ৰাজ্যৰ বাবে প্ৰস্তুত কৰা শিক্ষা সম্বন্ধীয় কেন্দ্ৰীয় নীতি-নিয়মবোৰ প্ৰণয়ন কৰাত পলম হোৱাৰ সুৰঙা থাকে। আকৌ কিছুমান ৰাজ্যই সেই নীতিবোৰ প্ৰণয়ন

কৰাত বহুত পিছপৰিও থাকে। গতিকে ভাৰতীয় সংবিধানে সমবৰ্ত্তী সূচীত শিক্ষা বিষয়টো সামৰি লোৱাৰ বাবে বহুতো অসুবিধাৰ সৃষ্টি হোৱা দেখা গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ সমবৰ্ত্তী সূচীত শিক্ষা বিষয়টো সামৰি লোৱাত কি কি সুবিধা- অসুবিধাৰ সৃষ্টি হৈছে?

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা হ'ল জ্ঞান অর্জন কৰা অতি প্রয়োজনীয় আহিলা। বিভিন্ন কৌশল আয়ত্ব কৰাৰ ই একধৰণৰ প্রক্রিয়া যিয়েই আমাৰ দৃষ্টিভংগী আৰু মূল্যবোধৰ বিকাশত অৰিহণা যোগায়।
- শিক্ষা বিষয়টো সকলোৰে বাবে সহজলভ্য হোৱাকৈ ভাৰতীয় সংবিধানৰ নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰত বহুতো ব্যৱস্থা গ্রহণ কৰা হৈছে।
- সংবিধানে শিক্ষা বিষয়টোক তিনিখন সূচীত অন্তর্ভুক্ত কৰিছে। এই তিনিখন সূচী ক্রমে-- কেন্দ্রীয় সূচী, ৰাজ্যিক সূচী আৰু সমবৰ্ত্তী সূচী।
- ১নং তালিকা বা কেন্দ্রীয় সূচীত থকা শিক্ষা বিষয়বোৰত কেন্দ্রীয় চৰকাৰে আইন প্রণয়নৰ বাবে দায়িত্ব লয়। ৰাজ্য চৰকাৰে আইন প্রণয়ন কৰা বিষয়বোৰ ৰাজ্যিক সূচী বা ২নং তালিকাত পোৱা যায়। আনহাতে ৩নং তালিকা বা সমবৰ্ত্তী সূচীত থকা শিক্ষা বিষয়বোৰৰ দায়িত্ব কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰ উভয়ে গ্রহণ কৰে।
- ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধন অনুযায়ী শিক্ষাক সমবৰ্ত্তী সূচীত অন্তর্ভুক্ত কৰা হয়।
- ২০০২ চনত (অনুচ্ছেদ ২১) হোৱা ৮৬ তম সংবিধান সংশোধনৰ পিছত শিক্ষাক প্রতিজন নাগৰিকৰ মৌলিক আৰু জন্মগত অধিকাৰ হিচাপে স্বীকৃতি দিয়া হয়।
- সর্বশেষত, ২০০৯ চনত 'শিক্ষাৰ অধিকাৰ আইন' প্রণয়ন হয় আৰু ২০১০ চনৰ পৰা ভাৰতৰ সকলো ৰাজ্যতে এই আইন বলবৎ হয়।
- সমবৰ্ত্তী সূচীত শিক্ষা বিষয়টোক সামৰি লোৱাৰ পিছত সুবিধা হিচাপে কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত শিক্ষা সম্পর্কীয় ক্ষমতাৰ বিকেন্দ্রীকৰণ হোৱা দেখা গ'ল।
- কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া প্রচেষ্টাৰ ফলত শিক্ষাৰ সুবিধাবোৰ সকলো নাগৰিকে

সমভাৱে বুজি পোৱা হ'ল।

- কেন্দ্রীয় চৰকাৰৰ হাতত শিক্ষা বিষয়ক আইন প্রণয়ন কৰাৰ সর্বোচ্চ ক্ষমতা অর্পন কৰাৰ ফলত দেখা গৈছে যে, ৰাজ্য চৰকাৰে শিক্ষা সম্বন্ধীয় আইন প্রণয়ন কৰাৰ ক্ষেত্রত অবাঞ্ছিতভাবে কেন্দ্রীয় চৰকাৰে বাধাৰ সৃষ্টি কৰে।



১.৭ অধিক জানিবলৈ

১) যতীন বৰুৱা- আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১

২) অজন্তাবৰদলৈ দত্ত- ভাৰতৰ শিক্ষা বুৰঞ্জী, লয়ার্চ বুক ষ্টল, গুৱাহাটী-১

৩) যতীন বৰুৱা- ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী



১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) সত্য (গ) সত্য (গ) অসত্য (ঙ) সত্য

২নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধানে নাগৰিকসকলৰ সুবিধার্থে কিছুমান আইন আৰু নীতি নির্ধাৰণ কৰিছে য'ত কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ উভয়ে দায়িত্ব গ্রহণ কৰিছে। শিক্ষা সম্পর্কীয় সংবিধানৰ মূল দিশবোৰ হ'ল --

- গণতান্ত্রিক ৰাজনীতিৰ বাবে ভাৰতৰ নাগৰিকসকলক প্রশিক্ষণ দিয়া।
- সামাজিক আৰু নৈতিক মূল্যবোধৰ উপদেশ দিয়া।
- সামাজিক আৰু জাতীয় সংহতি উপলব্ধ কৰোৱাত সিদ্ধি লাভ কৰা।
- সকলোৰে বাবে শিক্ষা প্রদান কৰা।
- সকলোৱে সমভাৱে শিক্ষাৰ অধিকাৰসমূহ উপভোগ কৰা।
- সামাজিক, সাংস্কৃতিক উন্নয়ন কৰাত সিদ্ধি লাভ কৰা।
- ভাৰতীয় সমাজ আধুনিকীকৰণত সহায় কৰা
- মানৱ সম্পদ উন্নয়ন আৰোহণ কৰা।

৩নং প্রশ্নৰ উত্তৰ ঃ প্রাক্ প্রাথমিক আৰু প্রাথমিক শিক্ষা প্রণয়নত কেন্দ্রীয় চৰকাৰে কিছুমান গুৰুত্বপূর্ণ কার্য হাতত লৈছে। সেয়া হ'ল ----

- সমন্বয়ৰক্ষী প্রতিনিধি হিচাপে কাম কৰা।
- প্রাক্-প্রাথমিক পর্যায় উন্নীতকৰণৰ বাবে গৱেষণা প্রস্তুত কৰা।
- কার্যশীল গৱেষণা আৰু পথ প্রদর্শক আঁচনি আৰম্ভ কৰা।
- বিভিন্ন ৰাজ্যত প্রচলিত, শিক্ষা ব্যৱস্থাত জড়িত হৈ থকা বিভিন্নপার্থক্যবোৰ আঁতৰাই

সম অধিকাৰ প্ৰদান কৰা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ চৰকাৰ অনুসৰি ভাৰততো বিধায়িনী ক্ষমতাসমূহ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত বিভক্ত কৰি দিয়া হৈছে। আইন প্ৰণয়নৰ ক্ষমতা তিনিখন সূচীত ভাগ কৰি দিয়া হৈছে। তাৰে প্ৰথম সূচীত থকা বিষয়সমূহৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ, দ্বিতীয় তালিকাত অন্তৰ্ভুক্ত বিষয়সমূহ প্ৰণয়নৰ দায়িত্ব ৰাজ্য চৰকাৰৰ আৰু সমবৰ্ত্তী সূচী বা তৃতীয় তালিকাত অন্তৰ্ভুক্ত বিষয়সমূহৰ প্ৰণয়নৰ দায়িত্ব যুটীয়াভাৱে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ হাতত লোৱা হৈছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ (ক) তিনিখন (খ) কেন্দ্ৰীয় সূচী (গ) যুটীয়াভাৱে
(ঘ) ৯৯ টা বিষয়, ৭ টা এন্ট্ৰি (ঙ) ২টা এন্ট্ৰি।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধন অনুযায়ী শিক্ষা বিষয়টো সমবৰ্ত্তী সূচীৰ অধীনত অনা হৈছে। এই সূচীত মুঠ ৫২ টা বিষয় আছে যিবোৰ কেন্দ্ৰীয় আৰু ৰাজ্য উভয়ে যুটীয়াভাৱে প্ৰণয়ন কৰিব পাৰে। মুঠ ৫২ টা বিষয়ৰ ৬টা বিষয়হে শিক্ষাৰ সৈতে জড়িত। সেইবোৰ হ'ল -

এন্ট্ৰি ২০ ঃ অৰ্থনৈতিক আৰু সামাজিক পৰিকল্পনা কৰা।

এন্ট্ৰি ২৫ ঃ বৃত্তিগত আৰু কাৰিকৰী প্ৰশিক্ষণ দিয়া।

এন্ট্ৰি ২৬ ঃ বৈধ যন্ত্ৰ-পাতি সম্বন্ধীয় আৰু অন্যান্য বৃত্তি।

এন্ট্ৰি ২৭ ঃ নিঃসহায় লোকক সহায় কৰা অনুষ্ঠানসমূহ।

এন্ট্ৰি ৩৯ ঃ বাতৰি কাকত, গ্ৰন্থ আৰু ছপাশালবোৰ।

এন্ট্ৰি ৪০ ঃ জাতীয় স্বাৰ্থৰ উদ্দেশ্যে প্ৰত্নতাত্ত্বিক ঠাইবোৰৰ বাবে প্ৰয়োজনীয় সাংবিধানিক আইন প্ৰণয়ন কৰা।

৭নং প্ৰশ্নৰ উত্তৰ ঃ যদিও সংবিধানে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজত বিধায়িনী ক্ষমতাসমূহ ভাগ কৰি দিছে তথাপি কেন্দ্ৰীয় চৰকাৰৰ হাতত ৰাজ্য চৰকাৰতকৈ অধিক ক্ষমতা অৰ্পণ কৰা হৈছে বুলি অনুমান হয়। কাৰণ --

- ৰাজ্যত শিক্ষা ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ বাবে যি অৰ্থৰ প্ৰয়োজন হয় সেই অৰ্থৰ বাবে ৰাজ্যিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আবেদন কৰিব লগা হয়।
- বিদেশ আৰু দেশৰ সকলো ৰাজ্যৰ বাবে কেন্দ্ৰীয় চৰকাৰক একপ্ৰকাৰ সংবাদৰ ভঁৰাল বুলি ক'ব পৰা যায়। এই সকলোবোৰৰ বাবে কেন্দ্ৰীয় চৰকাৰক পৰিষ্কাৰ গৃহ বুলি ক'ব পৰা যায়।
- জাতীয় শিক্ষানীতিক কেন্দ্ৰীয় চৰকাৰে অন্তৰ্ভুক্ত কৰিছে য'ত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ লক্ষ্য লোৱা হৈছে।

- সমাজৰ বিভিন্ন শ্ৰেণীৰ সম্প্ৰদায়ৰ মাজত বা বিভিন্ন অঞ্চলত সমানভাৱে শিক্ষা প্ৰদানৰ সুবিধা প্ৰদান কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ।
- সংখ্যালঘু সম্প্ৰদায়ৰ সাংস্কৃতিক দিশৰ ৰক্ষাৰ্থে কেন্দ্ৰীয় চৰকাৰে অধিক দায়িত্ব বহন কৰিছে। ফলত সংখ্যালঘু সম্প্ৰদায়ে উপলব্ধি কৰিছে যে নিজৰ মাতৃভাষাৰ জৰিয়তে অন্ততঃ প্ৰাথমিক শিক্ষা লাভ কৰিব পাৰি।
- জাতীয় ভাষা উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে দায়িত্ব গ্ৰহণ কৰিছে।
- উচ্চ শিক্ষাৰ উন্নতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে সমন্বয় আৰু নিয়ন্ত্ৰণ ৰক্ষা কৰে।

৮নং প্ৰশ্নৰ উত্তৰঃ সমবৰ্ত্তী সূচীত শিক্ষা বিষয়টো সামৰি লোৱাৰ পাছত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ হোৱা বুলি ক'ব পৰা যায়। কিয়নো, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ৰ মাজতে ক্ষমতাসমূহ বিভক্ত কৰা হৈছে। ফলস্বৰূপে, দেশৰ সকলো ৰাজ্যৰ নাগৰিকসকলে সমানভাৱে সকলো সুযোগ সুবিধা লাভ কৰিব পাৰিছে।

আনহাতে সমবৰ্ত্তী সূচীত শিক্ষা বিষয়টো অৰ্ন্তভুক্ত কৰাৰ ফলত, আইন প্ৰণয়নত ৰাজ্য চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰৰ হাতত অধিক ক্ষমতা প্ৰদান কৰা পৰিলক্ষিত হৈছে। সেয়েহে শিক্ষা বিষয়ত শাসন পদ্ধতি বা নীতি নিৰ্ধাৰণ কৰোঁতে অবাঞ্ছিতভাবে ৰাজ্য চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা বাধাপ্ৰাপ্ত হয়।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গণতান্ত্ৰিক ৰাষ্ট্ৰত শিক্ষাৰ ভূমিকা কি?

প্ৰশ্ন ২ ঃ ভাৰতীয় সংবিধানৰ শিক্ষাৰ কি কি ব্যৱস্থা ৰখা হৈছে বুলি আপুনি ভাবে?

প্ৰশ্ন ৩ ঃ ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ মূল নীতিসমূহ কি কি?

প্ৰশ্ন ৪ ঃ ভাৰতীয় সংবিধানৰ উল্লেখিত তিনিখন সূচী বা তালিকা কি কি?

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংবিধানে ভাৰতৰ নাগৰিকৰ বাবে প্ৰাথমিক শিক্ষা বিষয়ত কি কি ব্যৱস্থা ৰাখিছে?

প্ৰশ্ন ২ ঃ ভাৰতত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কি কি কাৰ্যৰিলী হাতত লৈছে?

প্ৰশ্ন ৩ ঃ বিভিন্ন শৈক্ষিক ব্যৱস্থাৰ বাবে বিধায়িনী ক্ষমতাসমূহ আমি কেনেধৰণেৰে ভাগ কৰিব পাৰোঁ?

প্ৰশ্ন ৪ ঃ ভাৰতীয় সংবিধানত উল্লেখিত সমবৰ্ত্তী সূচীত শিক্ষা সম্বন্ধীয় কি কি ব্যৱস্থা

ৰাখিছে?

প্ৰশ্ন ৫ ঃ ভাৰতীয় সংবিধানত উল্লেখিত ৰাজ্যিক সূচীত শিক্ষা সম্বন্ধীয় কি কি ব্যৱস্থা ৰাখিছে?

প্ৰশ্ন ৬ ঃ ভাৰতীয় সংবিধানত উল্লেখিত কেন্দ্ৰীয় সূচীত শিক্ষা সম্বন্ধীয় কি কি ব্যৱস্থা ৰাখিছে?

গ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ ব্যৱস্থাপনা বুলিলে কি বুজে? ভাৰতীয় নাগৰিকৰ বাবে শিক্ষা কি দৰে মৌলিক অধিকাৰ হ'ল বুলি আপুনি ক'ব বিচাৰে?

প্ৰশ্ন ২ ঃ সমবৰ্ত্তী সূচী মানে কি বুজে? সংবিধানে শিক্ষা আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰক কিয় অধিক শক্তিশালী ক্ষমতা প্ৰদান কৰিছে?

প্ৰশ্ন ৩ ঃ সমবৰ্ত্তী সূচীত শিক্ষা বিষয়টো অৰ্ন্তভুক্ত কৰাৰ পিছত কি কি সুবিধা আৰু কি কি অসুবিধা হৈছে? ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ঃ ভাৰতবর্ষৰ প্রাথমিক শিক্ষা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ প্রাথমিক শিক্ষাৰ গঠন
২.৪ প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ অর্থ
২.৪.১ প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ বাবে আইনী সুবিধাসমূহ
২.৪.২ প্রাথমিকশিক্ষাৰ সার্বজনীনতাৰ বাবে বিভিন্ন আঁচনিসমূহ
২.৫ প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত থকা প্রত্যাহবানসমূহ
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাথমিক শিক্ষাৰ ধাৰণাটোৰ এক সংজ্ঞা আৰু ইয়াৰ প্রয়োজনীয়তা সম্পর্কে এক ধাৰণা লাভ কৰিব পাৰিব।
- প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত থকা আইনী সুবিধাসমূহৰ বিষয়ে বর্ণনা আগবঢ়াব পাৰিব।
- প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ বাবে বিভিন্ন আঁচনি সমূহৰ বিষয়ে জানিব পাৰিব।
- প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত থকা সমস্যা আৰু সুবিধাসমূহৰ তালিকাকৰণ কৰিবলৈ সমর্থ হ'ব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ভাৰতীয় সংবিধানত থকা শৈক্ষিক সা-সুবিধাবোৰৰ বিষয়ে আলোচনা কৰিলোঁ। আপুনি জানে আৰু সংবিধানতো এই কথা উল্লেখ আছে যে সকলো ৰাষ্ট্রই ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা আগবঢ়াব লাগে। আমাৰ সংবিধান প্রণেতাসকলে এই কথা গভীৰভাৱে উপলব্ধি কৰিছিল যে শিক্ষা, বিশেষকৈ প্রাথমিক শিক্ষা হ'ল শিশুৰ জীৱন উন্নত কৰি তুলিব পৰা এটা প্রধান দিশ। ই এসময়ত

দেশখনৰ আৰ্থ-সামাজিক উন্নয়নক প্ৰভাৱিত কৰিব। গুণমানবিশিষ্ট প্ৰাথমিক শিক্ষা লাভ কৰা শিশু এটাই জীৱনত উন্নতিৰ সুযোগ পোৱাৰ সম্ভাৱনা থাকে। পঢ়িবলৈ, লিখিবলৈ আৰু গণিতৰ সাধাৰণ নিয়মবোৰ শিকা শিশুৰ বাবে অবিৰত শিকন প্ৰক্ৰিয়াৰ এক ভেটি গঢ় লৈ উঠে। এই শিকন কৌশলবোৰ আয়ত্ত কৰা ছোৱালী এজনী নাইবা ল'ৰা এটাই অবিৰতভাৱে সমগ্ৰ জীৱনটো নানা কথা শিকি যাব পাৰে। সৰ্বোপৰি, শিক্ষাই ল'ৰা-ছোৱালীলৈ আগবঢ়োৱা জীৱনমুখী দক্ষতাবোৰ হ'ল জ্ঞানৰ ভেটি। বিশ্ব সম্পৰ্কীয় জ্ঞান আৰু ধাৰণা আয়ত্ব কৰাত শিক্ষাই সহায় কৰাৰ লগতে মানুহক যুক্তি প্ৰয়োগ কৰিবলৈ, সমস্যা সমাধানত আৰু সমাজে সন্মুখীন হৈ থকা গুৰুত্বপূৰ্ণ সমস্যাবোৰ নিৰ্ণয়ত সহায় কৰে। শিক্ষাই এটি শিশুক এক সম্পূৰ্ণ, সুস্থ আৰু সুৰক্ষিত জীৱনৰ অধিকাৰী হোৱাৰ সুযোগ আগবঢ়ায়। এই অধ্যায়ত প্ৰাথমিক শিক্ষাৰ ধাৰণা, শিক্ষাৰ সাৰ্বজনীনকৰণ, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে থকা বিভিন্ন দৃষ্টিভংগী আৰু কাৰ্যসূচীৰ লগতে ভাৰতত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ চেষ্টা চলাওতে মুখামুখি হ'বলগীয়া হোৱা প্ৰত্যাহ্বানবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

২.৩ প্ৰাথমিক শিক্ষাৰ গঠন

প্ৰাথমিক শিক্ষা সাৰ্বজনীনতাৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি এই শিক্ষা ব্যৱস্থাৰ সংগঠন সম্পৰ্কে জানিব লাগিব। আমাৰ দেশৰ বিভিন্ন ঠাইত প্ৰাথমিক শিক্ষাৰ বিভিন্ন গাঁথনি আৰু বিভিন্ন নামেৰে ইয়াক জনা যায়। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ মতে প্ৰাথমিক শিক্ষাৰ স্তৰ সমূহৰ নামকৰণৰ ক্ষেত্ৰত বৈষম্যতা থাকিব নালাগে, একে ক্ষেত্ৰত একে ধৰণৰ নামেৰে সকলো ঠাইতে পৰিচিত হোৱা উচিত। এই প্ৰাথমিক শিক্ষাক দুটা ভাগত বিভক্ত কৰিছে।

প্ৰথম ভাগক প্ৰাথমিক স্তৰ বোলা হয় যি স্তৰে ৪ বছৰৰ পৰা ৫ বছৰ সময়ৰ ভিতৰত প্ৰদান কৰা শিক্ষাক সামৰি লয় অৰ্থাৎ ল'ৰা-ছোৱালীৰ ৬ বছৰ বয়সৰ পৰা ১১ বছৰ বয়সলৈকে এই পৰ্যায়ৰ অন্তৰ্গত। (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে)

দ্বিতীয় ভাগটোৱে ৩ ৰ পৰা ২ বছৰ সময়ৰ ভিতৰত দিয়া শিক্ষাক সামৰি লয়, যাক উচ্চ প্ৰাথমিক স্তৰ বুলি জনা যায়। এই স্তৰে ১১ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সলৈকে সামৰি লয়। (ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে)। শব্দগত দিশৰ পৰা ক্ৰমান্বয়ে এই স্তৰ দুটাক নিম্ন প্ৰাথমিক (Junior Basic) আৰু উচ্চ প্ৰাথমিক (Senior Basic) বুলি কোৱা হয়।

২.৪ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ অৰ্থ

এক কাৰ্য্যবাহী চৰকাৰৰ কাৰণে ইয়াৰ জনসাধাৰণে সংবিধানে তেওঁলোকক প্ৰদান কৰা দায়িত্ব আৰু অধিকাৰ সম্বন্ধে ভালদৰে সজাগ হৈ থকা উচিত। জনগণক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সজাগ কৰি তোলাৰ ক্ষেত্ৰত শিক্ষা হ'ল এক প্ৰধান আহিলা। জনসাধাৰণক শিক্ষিত কৰি তুলিবলৈ আৰু লগতে ৰাষ্ট্ৰৰ কল্যাণ সাধনৰ বাবে ৰাষ্ট্ৰখনৰ সকলো মানুহৰ মাজত

শিক্ষা সহজলভ্য কৰি তোলাটো অতি প্ৰয়োজনীয়।

ইতিমধ্যে এইটো উল্লেখ কৰা হৈছে যে প্ৰাথমিক শিক্ষা হ'ল সমগ্ৰ শিক্ষা ব্যৱস্থাৰে এক মূল ভেটি। এজন শিশুৱে সাধাৰণতে পাঁচ বা ছয় বছৰ বয়সতহে প্ৰাথমিক শিক্ষাত নামভৰ্তি কৰে। এইটো স্তৰতে শিশুৱে আনুষ্ঠানিক ভাৱে শিক্ষানুষ্ঠানত যাবলৈ আৰম্ভ কৰে আৰু এনেদৰে শিশুটোৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হয়। এই প্ৰাথমিক স্তৰৰ শিক্ষাই শিশুটোৰ দৈহিক, মানসিক, বৌদ্ধিক, সামাজিক আৰু আবেগিক বিকাশৰ এক ভেটি ৰচনা কৰিব পাৰিব লাগে। এইটো স্তৰৰ শিক্ষাই প্ৰধানত কাৰ্য্যকৰী সাক্ষৰতাৰ সৈতে জড়িত হ'ব লাগে যিটো হ'ল অৰ্থনৈতিক বিকাশ, সামাজিক গাঁথনিৰ আধুনিকতা আৰু গণতান্ত্ৰিক অনুষ্ঠান সমূহৰ প্ৰভাৱশালী কাৰ্য্যকৰণৰ এক প্ৰধান প্ৰয়োজনীয়তা। সেইবাবেই পৃথিৱীৰ সকলোবোৰ শিক্ষাৰ আগৰণুৱা দেশেই প্ৰাথমিক শিক্ষাক আন সকলোবোৰ শিক্ষাৰ স্তৰতকৈ বেছি প্ৰয়োজনীয় বুলি ঘোষণা কৰিছে। আমাৰ দেশৰ সকলো নাগৰিককে ভেদাভেদ নেওচি এক মুক্ত আৰু বাধ্যতামূলক সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰদান কৰাটো অতি জৰুৰী।

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগেয়ে আমি প্ৰথমতে প্ৰাথমিক শিক্ষা কি আৰু ই কি কি স্তৰ অতিক্ৰম কৰিছে সেই সম্পৰ্কে জনা উচিত।

- ভাৰতবৰ্ষত, প্ৰাথমিক শিক্ষাই উচ্চ শিক্ষাৰ এক ভেটি বা আৰম্ভণী হিচাপে কাম কৰে,অৰ্থাৎ ই হ'ল অন্য শিক্ষাৰ এক আৰম্ভণি স্তৰ। ভাৰতবৰ্ষত এটা শিশুৰ প্ৰাথমিক শিক্ষাত অৰ্ন্তভূক্তিৰ আনুষ্ঠানিক বয়স হ'ল ৬ বছৰ আৰু ই ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ সামৰি লয় য'ত শিশুটোৰ বিদ্যালয়ৰ শিক্ষা স্তৰ হ'ল প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে।

- সামাজিকৰণৰ যিটো প্ৰক্ৰিয়া ঘৰতেই আৰম্ভ হয় সেইটো লাহে লাহে বিদ্যালয়কো সামৰি লয়। এইটো স্তৰত এজন শিশুৱে ইয়াৰ চৌপাশৰ মানুহবোৰৰ লগতে ব্যাপক সমাজখনৰ লগতো কথা বাৰ্তা পাতিবলৈ শিকে।

  এখন ৰাষ্ট্ৰৰ সকলো ধৰণৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত শিক্ষাক মূল আধাৰ বুলি গণ্য কৰা হয়। জাতি, ধৰ্ম, বৰ্ণ, লিঙ্গ নিৰ্বিশেষে সকলোৰে মাজত শিক্ষাৰ প্ৰচাৰ কৰিবলৈ আৰু শিক্ষা সকলোৰে বাবে এক জন্মস্বত্ব অধিকাৰ হিচাপে গণতান্ত্ৰিকতা প্ৰদান কৰিবলৈ ভাৰতবৰ্ষৰ চৰকাৰে শিক্ষাৰ সাৰ্বজনীনতাৰ বাবে সময়ে সময়ে কেতবোৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ গুৰুত্ব উপলব্ধি কৰিয়েই আমাৰ দেশৰ বিশিষ্ট শিক্ষাবিদ জে.পি. নাইকে মত দিছিল যে "প্ৰাথমিক শিক্ষাৰ উন্নতিয়ে হ'ল সামগ্ৰিকভাৱে এখন দেশৰ সাধাৰণ, সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ মূল সূচক।" কাৰণ প্ৰাথমিক শিক্ষাই এটা শিশুৰ আৱেগিক, সাংস্কৃতিক, বৌদ্ধিক, নৈতিক, দৈহিক, সামাজিক আৰু আধ্যাত্মিক বিকাশৰ মূল ভেটি গঠন কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

  প্ৰাথমিক শিক্ষাৰ সাৰ্বজননীতাই প্ৰধানতঃ তিনিটা বিষয় অন্তৰ্ভূক্ত কৰে- সা-সুবিধাৰ

সার্বজনীনকৰণ, নামভর্তিৰ সার্বজনীনকৰণ, স্থায়ীত্বৰ সার্বজনীন কৰণ।

- বিদ্যালয়ত এখনত সা-সুবিধাৰ সার্বজনীনতাৰ অর্থ হ'ল যে বিদ্যালয়ৰ সা- সুবিধাসমূহ আমাৰ দেশৰ ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুকে প্রদান কৰা উচিত। বিদ্যালয়খন শিশু এটাৰ খোজকঢ়া দূৰত্বৰ ভিতৰতে অৱস্থিত হ'ব লাগে।
- নামভতিৰ সার্বজনীনতাৰ অর্থ হ'ল যে ৬ৰ পৰা ১৪ বছৰ বয়সলৈকে সকলো শিশুৱে বিদ্যালয়ত নামভর্ত্তি হ'ব লাগে। বিদ্যালয়ত এখন বাধ্যতামূলক বিধায়ক আইনৰ- সুবিধা থাকিব লাগে আৰু সেই আইনৰ অধীনত যিসকল অভিভাৱকে তেওঁলোকৰ ল'ৰা ছোৱালীক বিদ্যালয়লৈ নপঠায় সেইসকলক বিচাৰি উলিওৱাৰ সুবিধা থাকিব লাগে।
- স্থায়ীত্বৰ সার্বজনীনতাৰ অর্থ হ'ল যিসকল শিশুৱে প্রাথমিক বিদ্যালয়ত নামভর্ত্তি কৰে তেওঁলোকে অষ্টম শ্রেণী সম্পূর্ণ নকৰালৈকে তাত থাকিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাথমিক শিক্ষা সার্বজনীনতা বুলিলে কি বুজে ?

.....

.....

.....

প্রশ্ন নং ২ ঃ প্রাথমিক শিক্ষাৰ সার্বজনীনতায়ে সাঙুৰি লোৱা দৰকাৰী তিনিটা বিষয় কি কি ?

.....

.....

.....

২.৪.১ প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ বাবে আইনী সুবিধাসমূহ

আমাৰ দেশত শিক্ষাক সকলোৰে বাবে সহজলভ্য কৰি তুলিবলৈ ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিৰ অধীনত বিভিন্ন সা-সুবিধা প্রদান কৰা হৈছে। নাগৰিকৰ কাৰণে সা-সুবিধাৰ প্রয়োগ কৰোতে দায়িত্বসমূহ কেন্দ্র আৰু ৰাজ্য উভয় চৰকাৰৰ মাজত ভগাই লোৱা হয়। ভাৰতবর্ষৰ দৰে এখন যুক্তৰাষ্ট্রীয় ৰাষ্ট্রত কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ মাজত সম্বন্ধ থকাটো অতি প্রয়োজনীয় আৰু কোনো এক আঁচনি পৰিচালনা কৰাৰ ক্ষেত্রত কেন্দ্র আৰু ৰাজ্য উভয় চৰকাৰেই দায়ী হয় লাগিলে সেয়া যোজনা (Plan Sector) ক্ষেত্রৰ অধীনতে হওঁক নাইবা অ-যোজনা (Non-Plan Sector) ক্ষেত্রৰ অধীনতে হওঁক। শিক্ষা হ'ল এনেকুৱা এটা ক্ষেত্র যিটোৰ

দায়িত্ব কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰৰ হাততেই থাকে আৰু এখন ৰাজ্যত শিক্ষা আঁচনি এখন সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত উভয় চৰকাৰেই সমানেই দায়িত্ব পালন কৰিব লগীয়া হয়।

যেতিয়াই আমি ভাৰতীয় সংবিধানৰ শিক্ষাৰ সুবিধাসমূহৰ কথা পাতিবলৈ যাওঁ তেতেয়াই এইটো লক্ষ্য কৰিব পাৰি যে ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ অধীনৰ ৪৫ সংখ্যক অনুচ্ছেদ মতে মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাক এনেধৰণে ব্যাখ্যা কৰা হৈছে যে, ৰাষ্ট্ৰই সংবিধান আৰম্ভ হোৱাৰ ১০ বছৰৰ ভিতৰত সকলো শিশুৰে ১৪ বছৰ সম্পূৰ্ণ নোহোৱালৈকে এক মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব।" ইয়াৰ অৰ্থ হ'ল যে এটা শিশুৱে ইয়াৰ ১৪ বছৰ সম্পূৰ্ণ নকৰালৈকে মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা লাভ কৰিব পাৰিব, য'ত লক্ষ্য সীমা আছিল মাত্ৰ ১০ বছৰ।

কিন্তু ২০০২ চনত ভাৰতীয় সংবিধানৰ ৮৬ সংখ্যক সংশোধনী (অনুচ্ছেদ ২১ A) মঞ্জুৰ কৰাৰ পাচত শিক্ষা এক বিষয় হিচাপে সংবিধানৰ তৃতীয় অংশ এক মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হৈছে আৰু ইয়াৰ লগে লগে ইয়াক সংবিধানৰ IV অংশত সন্নিবিষ্ট ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ এক অংশ হিচাপেও স্বীকৃতি দিয়া হৈছে। আৰু এনেদৰে ভাৰতবৰ্ষৰ প্ৰতিজন ব্যক্তিৰ বাবে শিক্ষা এক জন্মস্বত্ব অধিকাৰ হৈ পৰিছে। আমাৰ দেশত শিক্ষাৰ অধিকাৰ আইন খন ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্য্যকৰী কৰা হৈছে। শিক্ষাৰ অধিকাৰ বৰ্তমান ৬ ৰ পৰা ১৪ বছৰ বয়সলৈকে সকলো শিশুৰ বাবে মৌলিক অধিকাৰ ৰূপে গণ্য কৰা হয়। এইক্ষেত্ৰত জাতি ধৰ্ম, বৰ্ণ লিঙ্গ, নিৰ্বিশেষে সকলো শিশুকে অষ্টম শ্ৰেণী পৰ্যন্ত সম্পূৰ্ণ মুক্ত শিক্ষা প্ৰদান কৰাটো চৰকাৰৰ এক দায়িত্ব। ৰাষ্ট্ৰখনৰ সবল, সাক্ষৰ আৰু আত্মনিৰ্ভৰশীল যুৱ শ্ৰেণী গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষাই প্ৰধানত বাট মুকলি কৰি দিছে।



জানি থোৱা ভাল

- সংবিধানৰ ১৫ নং অনুচ্ছেদ মতে -" ৰাজ্যই লিংগ ভিত্তিত কোনো নাগৰিকৰ ক্ষেত্ৰত বৈষম্য আনিব নোৱাৰিব।
- ২৯ নং অনুচ্ছেদ মতে "ৰাজ্যই স্থাপন কৰা বা চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠান বোৰত জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো নাগৰিকে নামভৰ্তি কৰিব পাৰিব।
- ৭৩ নং আৰু ৭৪ নং সংবিধান সংশোধনে স্থানীয় কৰ্তৃপক্ষবোৰক স্থানীয় ভাৱে শিক্ষা আঁচনিবোৰ ৰূপায়ণ কৰাৰ বাবে কৰ্তৃত্ব দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে থকা সাংবিধানিক ব্যৱস্থা উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ঃ প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ হিচাবে সংবিধানৰ কিমান তম সংশোধনত আৰু কোন বছৰত ঘোষণা কৰা হৈছে?

.....

.....

.....

২.৪.২ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ বাবে বিভিন্ন আঁচনি সমূহ

ওপৰৰ আলোচনাৰ পৰা আমি ভাৰতীয় সংবিধানৰ ৪৫ আৰু ২১A অনুচ্ছেদত সন্নিবিষ্ট সুবিধাসমূহৰ বিষয়ে জনাৰ উপৰিও ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ উন্নয়ন আৰু ব্যাপ্তিৰ বাবে বৰ্তি থকা বিধায়ী সা-সুবিধাসমূহৰ সম্পৰ্কেও জানিব পাৰিলো। শিক্ষা সকলোৰে বাবে সহজ লভ্য কৰাৰ উদ্দেশ্যেৰে ভাৰতীয় চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। ১৪ বছৰ বয়সলৈকে সকলো শিশুকে মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহ এতিয়া আলোচনা কৰো আহক-

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৬৮

১৯৬৪-৬৬ চনৰ ভাৰতীয় শিক্ষা আয়োগে অনুমোদন জনাইছিল যে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত এক নিৰ্দেশনা দাঙি ধৰিব লাগে যিয়ে ৰাজ্য চৰকাৰ আৰু স্থানীয় কৰ্তৃ-পক্ষসমূহক শিক্ষা আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এক পথ প্ৰদৰ্শন কৰিব। সেই অনুসৰি, ভাৰত চৰকাৰে ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত এক প্ৰস্তাৱ দাঙি ধৰিছিল। ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মতে, চৈধ্য বছৰ বয়সৰ সকলো শিশুৰ কাৰণে মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰতে সংবিধানৰ ৪৫ সংখ্যক অনুচ্ছেদত সন্নিবিষ্ট নিৰ্দেশাত্মক নীতিসমূহ পূৰণ কৰিবলৈ এক উদ্যোগী প্ৰচেষ্টা চলোৱা উচিত। বিদ্যালয়সমূহৰ অপচয় আৰু অপব্যৱহাৰ ৰোধ কৰিবলৈ প্ৰয়োজনীয় কাৰ্য্যসূচী ৰূপায়ণ বাধাৰ লগতে যিসকল ছাত্ৰছাত্ৰীয়ে বিদ্যালয়ত নামভৰ্ত্তি কৰিছে তেওঁলোকৰ শিক্ষা যাতে সম্পূৰ্ণ হয় সেইটো নিশ্চিত কৰাব লাগে।"

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৮৬

নতুন কিছু প্ৰত্যাহ্বান আৰু সামাজিক প্ৰয়োজনীয়তাই ১৯৮৬ চনত ভাৰত চৰকাৰক নতুন শিক্ষা নীতি প্ৰৱৰ্তন আৰু ৰূপায়ন কৰাৰ ক্ষেত্ৰত বাধ্য কৰিছিল। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল বিষয়সমূহ হ'ল—

- ১৪ বছৰ বয়সলৈকে সকলো ল'ৰা ছোৱালীৰে নামভৰ্তিৰ সাৰ্বজনীনকৰণ আৰু স্থায়ীত্বৰ সাৰ্বজনীনকৰণ।
- শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নয়ন।
- বিদ্যালয় এৰি অহা শিশু, বিদ্যালয় নথকা অঞ্চলৰ শিশু আৰু শিশু শ্ৰমিক অৰ্থাৎ দিনৰ সময়ত কৰ্মৰত শিশুসকল যিসকলে বিদ্যালয়লৈ যাব নোৱাৰে সেইসকল শিশুৰ বাবে অনানুষ্ঠানিক শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত এক প্ৰণালীবদ্ধ প্ৰচেষ্টা।
- বিদ্যালয়ত প্ৰয়োজনীয় সা সুবিধা প্ৰদান কৰাৰ বাবে "অপাৰেচন ব্লেক বোৰ্ড" আঁচনি ৰূপায়ণ কৰা।

জিলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP), ১৯৮৬

১৯৮৬ চনৰ শিক্ষানীতিৰ মূল্যায়নৰ বাবে ১৯৯০ চনত ভাৰত চৰকাৰে এখন কমিটি নিয়োগ কৰিছিল সেই অনুসৰি, ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ১৯৯০-১৯৯২ চনত এক পুনৰীক্ষণ চলোৱা হয়। ১৯৯২ চনৰ কাৰ্য্য আঁচনিয়ে পিচ পৰা জিলাসমূহৰ বিকাশৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত এক গুৰুত্ব আৰোপ কৰিছিল। সেইমতে ভাৰত চৰকাৰে ১৯৯৩ চনৰ জিলা শিক্ষা আঁচনি ৰূপায়ন কৰে। জিলা শিক্ষা আঁচনি হ'ল জিলা স্তৰত শিক্ষা আঁচনি কেন্দ্ৰীভূত কৰাৰ এক প্ৰচেষ্টা। ই এনেধৰণে ৰূপায়ণ কৰা হৈছে যে ই জিলা এখনৰ যিকোনো ধৰণৰ শিক্ষামূলক প্ৰয়োজন আৰু দাবীসমূহ পূৰণ কৰিব পাৰে। আৰম্ভণিতে এই শিক্ষা আঁচনিসমূহ ৮ খন ৰাজ্যৰ ৪৪ খন জিলাৰ প্ৰস্তুত কৰা হৈছিল। সেই ৰাজ্যকেইখন হ'ল— অসম, হাৰিয়ানা, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, তামিলনাড়ু, উৰিষ্যা আৰু কেৰেলা। লাহে লাহে ইয়াক ১৮ খন ৰাজ্যৰ ২৭৩ খন জিলাত ৰূপায়ম কৰা হয়। জিলা শিক্ষা আঁচনিৰ মূল উদ্দেশ্যসমূহ হ'ল—

- সকলো ল'ৰা ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষা সুলভ কৰি তোলা (প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ / পঞ্চম শ্ৰেণীলৈ)
- বিদ্যালয় আধাতে এৰি অহা ছাত্ৰ ছাত্ৰীৰ পৰিমাণ ১০ শতাংশলৈ কম কৰা।
- প্ৰাথমিক স্তৰত শিক্ষণ সফলতা ২৫ শতাংশলৈ বৃদ্ধি কৰা।
- সামাজিক দলসমূহৰ মাজত লিঙ্গ বৈষম্য ৫শতাংশলৈ কম কৰা।

জিলা শিক্ষা আঁচনি আন শিক্ষা আঁচনিসমূহতকৈ বিভিন্ন ধৰণে পৃথক। যেনে-

- DPEP য়ে বৰ্তমানৰ আঁচনি আৰু সম্পদসমূহৰ অভিসাৰণৰ যোগেদি সমগ্ৰ শিক্ষা বিষয়সমূহ এক সামগ্ৰিক ৰূপত একত্ৰিত হোৱাটো বিচৰিছিল।

- ই জিলাসমূহক আঁচনি আৰু ৰূপায়ণৰ এক গোট হিচাপে ধৰি লৈ এক অঞ্চল বিশেষ ধাৰণা অৱলম্বন কৰিছিল।
- জিলা স্তৰত এক অংশগ্ৰহণকাৰী প্ৰক্ৰিয়াৰ সহায়ত আঁচনি প্ৰস্তুত কৰা হৈছিল যিয়ে জিলা কাৰ্য্যলয় আৰু উপ কাৰ্য্যলয়সমূহ অন্তৰ্ভূক্ত কৰাৰ লগতে শিক্ষক, অভিভাৱক আৰু জনগোষ্ঠীয় সদস্যসমূহকো সামৰি লয়।
- সমতা হ'ল জিলা শিক্ষা আঁচনিৰ এক প্ৰধান বিষয়।
- প্ৰশিক্ষণ আৰু অন্যান্য মাধ্যমেৰে সক্ষমতা নিৰ্মাণ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল।
- প্ৰচলিত শিক্ষা বাজেটৰ ক্ষেত্ৰত জিলা শিক্ষা আঁচনিৰ সম্পদসমূহ অতিৰিক্ত আছিল।

সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ প্ৰচেষ্টা সমূহ —

২০০২ বৰ্ষৰ ভাৰতীয় সংবিধানৰ ৮৬ সংখ্যাক সংশোধনীৰ পাছত ৬ৰ পৰা ১৪ বছৰৰ সকলো শশুৰ বাবে শিক্ষা এক মৌলিকঅধিকাৰ হৈ পৰিছে। ৬ৰ পৰা ১৪ বছৰৰ সকলো শিশুকে প্ৰথমিক শিক্ষা প্ৰদান কৰাৰ বাবে ভাৰত চৰকাৰে সৰ্বশিক্ষা অভিযানক এক আঁচনি হিচাপে প্ৰস্তুত কৰিছিল। প্ৰথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ ধাৰণাটোৰ লগত পৰিচয় হোৱাৰ পাচত আমি এতিয়া স্থায়ীত্বৰ সাৰ্বজনীনকৰণ আহৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টাসমূহৰ ওপৰত এক নজৰ দিম। সৰ্বশিক্ষা অভিযান হ'ল চৰকাৰৰ এক সামগ্ৰিক ধাৰণা বা মিছন যিটো ভাৰতবৰ্ষৰ ২০০১ চনত পৰিচয় প্ৰৱৰ্তন কৰা হৈছিল এক সামগ্ৰিক আৰু অভিসাৰণ প্ৰক্ৰিয়া হিচাপে সৰ্বশিক্ষা অভিযানে আমাৰ দেশৰ সকলো ৰাজ্য আৰু জিলা সামৰি লয়, য'ত ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল ২০১০ চনলৈকে জাতি, ধৰ্ম, বৰ্ণ, লিঙ্গ নিৰ্বিশেষে ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো শিশুকে সমানে সুবিধা প্ৰদান কৰা আৰু সম্প্ৰদায় ভিত্তিক গুণগত শিক্ষাৰ যোগেদি ইহঁতৰ সক্ষমতা বৃদ্ধি কৰা। সৰ্বশিক্ষা অভিযানৰ মূল উদ্দেশ্য হ'ল— বিদ্যালয় এৰি অহা ছাত্ৰছাত্ৰীসকলৰ পৰিমাণ কমোৱা, সমূহীয়া দলৰ ছাত্ৰ-ছাত্ৰীকে এক উন্নত শিক্ষাপূৰ্ণ আৰু সহশিক্ষাপূৰ্ণ পৰিবেশ প্ৰদানৰ যোগেদি সামৰি লোৱা। সৰ্ব-শিক্ষা অভিযানৰ আন এক উদ্দেশ্য হ'ল বিজ্ঞান, প্ৰযুক্তিবিদ্যা, সাহিত্য, প্ৰশাসন আদি ক্ষেত্ৰত শিশুসকলক একো একোজন দায়িত্বশীল ব্যক্তি হিচাবে গঢ়ি তোলাৰ ক্ষেত্ৰত ভেটি প্ৰদান কৰা। ইয়াৰ উপৰিও ই পাঠ্যক্ৰমক তৃণমূল পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈ লৈ যোৱাৰ সমগ্ৰ প্ৰক্ৰিয়াটোক কেন্দ্ৰীভূত কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা আগবঢ়ায়। শিশু কেন্দ্ৰিক আৰু কাৰ্য্যৱলী ভিত্তিক শিক্ষণসমূহ উন্নয়নৰ ক্ষেত্ৰতো এক প্ৰচেষ্টা চলোৱা হৈছে। কৰ্মৰ জৰিয়তে শিক্ষণ পৰ্য্যবেক্ষণ, কম অভিজ্ঞতা, কলা, সংগীত, খেলাধূলা, মূল্যবোধ শিক্ষাক শিক্ষণ প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংশ হিচাপে ধৰা হয়। মূল্যায়ন প্ৰক্ৰিয়াত কিছু প্ৰয়োজনীয় পৰিৱৰ্তন ঘটোৱা হৈছে, য'ত শিশু সকলৰ প্ৰদৰ্শন অভিভাৱকসকলৰ লগত আলোচনাৰ জৰিয়তে অবিৰতভাৱে নিৰীক্ষণ কৰা হয়।

সৰ্বশিক্ষা অভিযানৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল—

- ২০০৩ চনলৈকে সকলো শিশু বিদ্যালয়ত, শিক্ষা আশ্বাস কেন্দ্ৰ, বিকল্প বিদ্যালয়, বিদ্যালয় পুনৰ প্ৰৱৰ্তন কেন্দ্ৰ স্থাপন কৰা।
- ২০০৭ চনৰ ভিতৰত সকলো শিশুৱে যাতে পাঁচবছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰে।
- ২০১০ চনলৈকে সকলো শিশুৱে আঠ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব।
- জীৱনৰ কাৰণে শিক্ষা এই তথ্যৰ ওপৰত গুৰুত্ব দি উৎকৃষ্ট মানদণ্ডৰ প্ৰাথমিক শিক্ষাৰ ওপৰত জোৰ দিয়া।
- প্ৰাথমিক স্তৰত আৰু মাধ্যমিক স্তৰত বৰ্তি থকা লিঙ্গ আৰু সামাজিক বৈষম্যসমূহ ২০০৭ আৰু ২০১২ চনৰ ভিতৰত নিৰ্মূল কৰা।
- ২০১০ চনৰ ভিতৰত স্থায়ীত্বৰ সাৰ্বজনীনকৰণ।
- বৰ্তমান সময়ত সৰ্বশিক্ষা অভিযানৰ নিচিনাকৈ মানৰ সম্পদ বিকাশ মন্ত্ৰণালয়ৰ বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে আৰু ভাৰত চৰকাৰে সাৰ্বজনীন উপস্থিতি আৰু গুণগত মাধ্যমিক শিক্ষা সম্পন্ন কৰিবলৈ 'ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান' (RMSA) ৰূপায়ণ কৰিছে।

প্ৰাথমিক স্তৰত ছোৱালী শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় আঁচনি

এইটো আঁচনি শিক্ষাগতভাৱে পিছ পৰা অঞ্চলসমূহত ৰূপায়ণ কৰা হৈছে। এই অঞ্চল সমূহত ছোৱালীৰ নামভৰ্ত্তিকৰণ ৰাষ্ট্ৰীয় গড়ৰ তুলনাত তুলনামূলকভাৱে কম আৰু লিঙ্গ বৈষম্যও তুলনামূলক ভাৱে বেছি। এই আঁচনিৰ অধীনৰ ২৫ খন ৰাজ্যৰ ৩২৮৬ টা পিছপৰা অঞ্চল সামৰি লোৱা হৈছে।

বিদ্যালয়সমূহত মধ্যাহ্ন ভোজন আঁচনি

এই আঁচনিয়ে ৪৫০ কেলৰি আৰু ১২ প্ৰামৰ প্ৰটিন-মুক্ত এক মাধ্যহ্ন ভোজন প্ৰাথমিক বিদ্যালয় সমূহত যোগান ধৰে আৰু বৰ্তমান ইয়াক মাধ্যমিক স্তৰলৈও- উন্নীত কৰা হৈছে। ২০০৯-১০ চনত, **১১** কৌটি শিশু এই আঁচনিৰ দ্বাৰা লাভৱান হৈছে।

কস্তুৰবা গান্ধী বালিকা বিদ্যালয়

অনুসূচিত জাতি, জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু আন পিছপৰা সম্প্ৰদায়ৰ ছোৱালীবোৰৰ বাবে ওপৰৰ স্তৰত এক আৱসিক বিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ এই আঁচনিখন ২০০৪ চনৰ জুলাই মাহত ৰূপায়ণ কৰা হৈছিল।

মহিলা সাক্ষৰতাৰ প্ৰয়োজনীয়তা (সাক্ষৰ ভাৰত)

আমাৰ দেশত অলপতে ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান সাক্ষৰ ভাৰত অভিযান হিচাপে ৰূপায়ণ কৰা হৈছে যাৰ অনুসৰি ৮০% শিক্ষিত হাৰ অৰ্জন কৰিবলৈ দেশৰ ৭ কোটি অশিক্ষিত লোকক শিক্ষিত কৰি তোলাৰ লগতে শিক্ষাত লিঙ্গ বৈষম্য ২১% ৰ ১০% লৈ কম কৰা হ'ব। এই আঁচনিৰ ৰূপায়ণৰ বাবে ভাৰতৰ ৩৬৫ খন জিলাৰ ৫০% বা ইয়াতকৈ কম মহিলা শিক্ষিতৰ হাৰ চিনাক্ত কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ জিলা প্রাথমিক শিক্ষা আঁচনি (DPEP) কিমান চনত প্রৱর্তন কৰা হয় ? পূর্বৰ আঁচনি সমূহতকৈ এই আঁচনিখন কিহত পৃথক ?

.....

.....

প্রশ্ন নং ৬ঃ সর্বশিক্ষা অভিযানৰ মূল উদ্দেশ্য কি ?

.....

.....

প্রশ্ন নং ৭ ঃ সর্বশিক্ষা অভিযানৰ তিনিটা আন উদ্দেশ্য উল্লেখ কৰক ।

.....

.....

২.৫ প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত থকা প্রত্যাহ্বানসমূহ

প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত ভাৰত চৰকাৰে গ্রহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়ে জনাৰ পিছত এতিয়া শিক্ষা ব্যৱস্থাত সংঘটিত হোৱা বিভিন্ন উন্নয়নসমূহ আৰু ভাৰতত প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ ওপৰত এক চকু ফুৰাও আহক।

- সাক্ষৰতাৰ ক্ষেত্রত ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষৰ সাক্ষৰতাৰ হাৰ হ'ল ৭৪.৪% য'ত ১৯৫১ চনৰ লোকপিয়ল মতে এই হাৰ আছিল ১৮.৩৩% । তলৰ তালিকাখনত ১৯৫১ চনৰ পৰা ২০১১ চনলৈকে ভাৰতবৰ্ষৰ সাক্ষৰতাৰ হাৰ দেখুওৱা হৈছে—

তালিকা ১ ঃ ভাৰতবৰ্ষত সাক্ষৰতাৰ হাৰ

লোকপিয়ল বছৰ	ব্যক্তি	পুৰুষ	মহিলা	পুৰুষ-মহিলা সাক্ষৰতাৰ ব্যৱধান
১৯৫১	১৮.৩৩	২৭.১৬	৮.৮৬	১৮.৩০
১৯৬১	২৪.৩০	৪০.৮০	১৫.৩৫	২৫.০৫
১৯৭১	৩৮.৪৫	৪৫.৯৬	২১.৯৭	২৩.৯৮
১৯৮১	৪৩.৫৭	৫৬.৩৮	২৯.৭৬	২৬.৬২
১৯৯১	৫২.২১	৬৪.১৩	৩৯.২৯	২৪.৮৪

২০০১	৬৫.৩৮	৭৫.৮৫	৫৪.১৬	২১.৭০
২০১১	৭৪.৪	৮২.১৪	৬৫.৪৬	১৬.৩৮

উৎস ঃ ভাৰতীয় লোকপিয়ল, ২০১১

ওপৰৰ তালিকাখনৰ পৰা আমি এইটো লক্ষ্য কৰিব পাৰো যে ১৯৫১ চনত ১০০ ৰ ভিতৰত কেৱল ১৮ শতাংশৰ পৰা ৭৪.৪ শতাংশ লৈ সাক্ষৰতাৰ হাৰ বৃদ্ধি হ'বলৈ ছৰ বছৰ সময় লাগিল। মহিলা সাক্ষৰতাৰ হাৰ ১৯৫১ চনৰ এক নিম্ন ৪.৯ শতাংশৰ ২০১১ চনলৈ ৬৫.৪৬ শতাংশলৈ বৃদ্ধি পাইছে। মহিলা সাক্ষৰতা য'ত আঠ বাৰলৈ বৃদ্ধি হৈছে সেই একে সময়তে পুৰুষ সাক্ষৰতা ১৯৫১ চনৰ পৰা ২০১১ চনলৈ মাত্ৰ তিনিবাৰহে বৃদ্ধি হৈছে।

- সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাস্তৱ কৰি তোলাৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰক্ৰিয়া চলি আছে যদিও সৰ্বশিক্ষা অভিযানৰ ঈপ্সিত উদ্দেশ্যতকৈ এই সফলতাৰ হাৰ যথেষ্ট কম। সৰ্বশিক্ষা অভিযানে ২০০৭ চনৰ ভিতৰত সকলো শিশুৰেই প্ৰাথমিক শিক্ষাৰ পাঁচ বছৰ পূৰ কৰিব আৰু ২০১০ চনৰ ভিতৰত সকলো শিশুৰেই প্ৰাথমিক শিক্ষাৰ আঠ বছৰ পূৰ কৰিব বুলি লক্ষ্য বান্ধি লৈছিল। অভিযানৰ এই লক্ষ্য এতিয়াও সম্পূৰ্ণকৈ পূৰণ হোৱা নাই। ভাৰতত এতিয়াও প্ৰাথমিক পৰ্যায়তে বিদ্যালয় এৰা ল'ৰা-ছোৱালীৰ সংখ্যা যথেষ্ট বেছি। ২০০৬ চনত ৬-১৩ বছৰীয়া শিশুৰ বিদ্যালয় আধাতে এৰাৰ শতকৰা পৰিমাণ আছিল ৬.৯৪%। ২০০৯ চনত এই পৰিমাণ হয়গৈ ৪.২৮%। ২০১৪ চনত প্ৰাথমিক পৰ্যায়তে বিদ্যালয় আধাতে এৰা (৬-১৩ বছৰীয়া) শিশুৰ শতকৰা হাৰ পুনৰ কমি গৈ ২.৯৭% হয়গৈ। তলৰ তালিকাখনৰ বিদ্যালয়ৰ শিক্ষা সমাপ্ত নকৰাকৈ পঢ়া বাদ দিয়া ল'ৰা-ছোৱালীৰ বয়সভিত্তিক শিতানবোৰলৈ লক্ষ্য কৰিলে এই হাৰৰ তাৰতম্য দেখিব।

তালিকা ২ ঃ পঢ়া বাদ দিয়া ল'ৰা-ছোৱালী

শিতান	২০০৬	২০০৯	২০১৪
মুঠ	৬.৯৪%	৪.২৮%	২.৯৭%
ল'ৰা	৬.১৮%	৩.৯২%	২.৭৭%
ছোৱালী	৭.৯২%	৪.৭১%	৩.২৩%
অনুসূচিত জাতি ল'ৰা-ছোৱালী	৮.১৭%	৫.৯৬%	৩.২৪%
অনুসূচিত জনজাতি ল'ৰা-ছোৱালী	৯.৫৪%	৫.৬%	৪.২০%
অন্য পিছপৰা সম্প্ৰদায়	৬.৯০%	২.৬৭%	৩.০৭%
মুছলমান সংখ্যালঘু	৯.৯৭%	৭.৬৭%	৪.৪৩%

উৎস ঃ মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়, বাৰ্ষিক প্ৰতিবেদন ২০১৪-১৫

বিদ্যালয়ত ছোৱালীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি কৰিবলৈ কিছুমান বিশেষ প্ৰয়াস কৰা হৈছে। **কস্তুৰবা গান্ধী বালিকা বিদ্যালয়** (KGBV)বোৰ হ'ল এনে এটা প্ৰয়াসক বাস্তৱ ৰূপ দি থকা অনুষ্ঠান। এই বিদ্যালয়বোৰত নিয়মীয়া বিদ্যালয়লৈ যাব নোৱৰা ছোৱালী পঢ়া আধাতে বাদ দিয়া ছোৱালী, ১০ বছৰ নাইবা ততোধিক বয়সত ভৰি দিয়া ছোৱালী আৰু কোনো কাৰণত প্ৰাথমিক শিক্ষা সমাপ্ত কৰিব নোৱৰা ছোৱালীৰ লগতে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকত নামভৰ্তি কৰাৰ অৰ্হতা নথকা দুৰ্গম অঞ্চলৰ সেৱেঙা জনবসতিৰ প্ৰব্ৰজনকাৰী সম্প্ৰদায়ৰ কমবয়সীয়া ছোৱালীক শিক্ষা লাভৰ সুযোগ দিয়া হয়। KGBVবোৰৰ ন্যূনতম ৭৫% আসন অনুসূচিত জাতি/জনজাতি/অন্য পিছপৰা সম্প্ৰদায় আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালীৰ বাবে সংৰক্ষিত। বাকী ২৫% আসন দৰিদ্ৰ ৰেখাৰ তলৰ পৰিয়ালৰ ছোৱালীৰ বাবে সংৰক্ষিত। ২০১৫ চনৰ ছেপ্টেম্বৰৰ মাহলৈকে KGBV আঁচনিখন দেশৰ ২৮খন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চললৈকে সম্প্ৰসাৰিত কৰা হৈছে। মুঠ ৩৬০৯খন KGBV স্থাপনৰ আঁচনিত অনুমোদন প্ৰদান কৰা হৈছে। বৰ্তমান সময়ত ইয়াৰে ৩৫৯৩খন KGBV সক্ৰিয় হৈ আছে। যদি আমি এই বিদ্যালয়কেইখনৰ নিৰ্দিষ্ট শিতানবোৰত নামভৰ্তি কৰা ছোৱালীৰ সংখ্যাটোলৈ চাও তেন্তে দেখিম যে সৰ্বমুঠ ৯৫.১% ছোৱালীয়ে ইয়াত নামভৰ্তি কৰিছে। ইয়াৰে ২৯.৯% ছোৱালী অনুসূচিত জাতিৰ, ২৪.৮২% ছোৱালী অনুসূচিত জনজাতিৰ, ৩১.২২% ছোৱালী অন্য পিছপৰা সম্প্ৰদায়ৰ, ৬.১১% ছোৱালী সংখ্যালঘু সম্প্ৰদায়ৰ আৰু ৭.৯৫% ছোৱালী দৰিদ্ৰ ৰেখাৰ তলৰ পৰিয়ালৰ পৰা অহা। (মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়, বাৰ্ষিক প্ৰতিবেদন ২০১৪-১৫)। এই ধাৰাটো সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে দেখা যাব যে বিভিন্ন শিতানত নামভৰ্তিৰ ক্ষেত্ৰত বহুতো তাৰতম্য আছে। এইবোৰৰ উপৰিও ভাৰতত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰখনত আন কিছুমান সফলতা আৰু প্ৰত্যাহ্বান আছে। সেইবোৰ হ'ল ঃ

- বিদ্যালয়ৰ সংখ্যা যথেষ্ট গুৰুত্ব পূৰ্ণ ভাৱে বৃদ্ধি হৈছে। ১৯৫০-৫১ চনত বিদ্যালয়ৰ সংখ্যা আছিল ০.২৩ মিলিয়ন আৰু ২০০৫-০৬ চনত এই সংখ্যা ১.২৮ মিলিয়নলৈ বৃদ্ধি পাইছে। ২০১৪-১৫ চনত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ৮৪৭১১৮ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা আছিল ৪২৫০৯৪।
- প্ৰাথমিক শিক্ষাত মুঠ নামভৰ্তিৰ হাৰ ৯৬.৬২ শতাংশলৈ বৃদ্ধি হৈছে য'ত ১৯৫০-৫১ চনত এই হাৰ আছিল ৩২ শতাংশ।
- সাক্ষৰতাৰ হাৰত থকা লিঙ্গ বৈষম্য লাহে লাহে হ্ৰাস পাইছে। ১৯৫০-৫১ চনত প্ৰথমিক শিক্ষাত লিঙ্গ তুলনাৰ সূচক আছিল ০.৩৮, য'ত ২০০৫-০৬ চনত এই সূচক হ'ল ০.৯২।
- ২০০৯-১০ চনত ৯৯% গ্ৰাম্য জনসংখ্যাৰ ১ কিঃ মিঃ অৱস্থিতিৰ ভিতৰত প্ৰাথমিক বিদ্যালয় স্থাপন কৰা হৈছে।
- ল'ৰা আৰু ছোৱালী উভয়ৰে বাবে পৃথক প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা হ'ল তেওঁলোকক বিদ্যালয়ত

উৎসাহিত কৰাৰ এক গুৰুত্বপূৰ্ণ আহিলা। কিন্তু ভাৰতত ৪৬% বিদ্যালয়ত এতিয়াও এই সুবিধাসমূহ উপলব্ধ নহয় আৰু সেয়েহে অভিভাৱক সকলেও তেওঁলোকৰ সন্তানক বিদ্যালয়ত পঠিয়াবলৈ মান্তি নহয়।

- ৰাষ্ট্ৰীয় শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে ২০০৬ চনত সমগ্ৰ দেশতে এক সমীক্ষা চলাইছিল আৰু 'পঞ্চম শ্ৰেণীৰ ছাত্ৰৰ শিক্ষণ সফলতা ঃ এক মৌলিক অধ্যয়ন' নামেৰে প্ৰতিবেদন প্ৰকাশ কৰিছিল । এই অধ্যয়নে সমগ্ৰ দেশতে এজন পঞ্চম শ্ৰেণীৰ ছাত্ৰৰ শিক্ষণ সফলতা অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছিল। এই মৌলিক অধ্যয়নৰ কাৰণে পৰিৱেশ বিজ্ঞান, গণিত আৰু ভাষা অধ্যয়ন এই তিনিটা বিষয় বাছি লোৱা হৈছিল। সমগ্ৰ ভাৰততে, এই তিনিটা বিষয়ত এজন পঞ্চম শ্ৰেণীৰ ছাত্ৰৰ সফলতাৰ গড় আছিল, যেনে পৰিবেশ বিজ্ঞানত ৫০.৩০, গনিতত ৪৬.৫১ আৰু ভাষা অধ্যয়নত ৫৮.৫৭।

- ইয়াৰ লগতে আন কেতবোৰ প্ৰতিবন্ধকতায়েও প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছিল। নিম্ন আয়ৰ পৰিয়ালৰ অভিভাৱক সকলে তেওঁলোকৰ সন্তানক বিদ্যালয়ৰ সলনি কামলৈ পঠিয়াবলৈহে বেছি ইচ্ছুক হয়। বাল্যবিবাহ, জীৱিকাৰ বাবে এখন ঠাইৰ আন এখন ঠাইলৈ প্ৰব্ৰজন, ছোৱালীৰ তুলনাত ল'ৰাৰ প্ৰতি বেছি গুৰুত্ব, নিজৰ ভাই ভণীক ঘৰত চোৱা চিতা কৰা, বিদ্যালয়ত আন্তঃগাঁথনিৰ অভাৱ, অতিৰিক্ত বিদ্যালয়ৰ প্ৰয়োজনীয়তা, এজন শিক্ষকৰ বিদ্যালয়, ৰাজহ আদি হ'ল আন কিছুমান উপাদান যিয়ে ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে।

- প্ৰাথমিক স্তৰত অপচয়ৰ আন এক কাৰণ হ'ল দুৰ্বল প্ৰশাসনিক নীতি। বিদ্যালয়ত নিৰ্ধাৰিত নিয়মসমূহ কঠোৰভাৱে মানি চলা নহয়। বিদ্যালয়সমূহত নামভৰ্তি গোটেই বছৰজুৰি চলি থাকে। এক বৃহৎ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে এটা বছৰৰ মাজভাগতে বিদ্যালয় এৰি গুচি যায়। শিক্ষকসকলেও পূৰ্ব জাননী নোহোৱাকৈ বিদ্যালয়লৈ নাহে। উপদেষ্টাৰ সংখ্যা পৰ্যাপ্ত নহয় আৰু যিসকল আছে তেওঁলোকৰ কামো অনিয়মীয়া আৰু দুৰ্বল।

- শিক্ষা ব্যৱস্থাৰ সুচাৰু ৰূপে পৰিচালিত হ'বলৈ প্ৰশিক্ষণ হ'ল এক গুৰুত্বপূৰ্ণ আহিলা আৰু ইয়ে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাক উপলব্ধি কৰাত সহায় কৰে। শিক্ষকসকলৰ প্ৰশিক্ষণ দেশৰ প্ৰতিখন ৰাজ্য আৰু প্ৰতিটো অঞ্চলৰ লগে লগে পৃথক হয়। ইয়াৰ লগতে নিয়োগ প্ৰক্ৰিয়াও সমগ্ৰ দেশৰ কোনো এক ক্ষেত্ৰতে সমান নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ প্রাথমিক শিক্ষা সার্বজনীন কৰাৰ ক্ষেত্রত বাধা সৃষ্টি কৰা কাৰণসমূহ উল্লেখ কৰক ।

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রাথমিক শিক্ষাই আন উচ্চ শিক্ষাৰ এক ভেটি হিচাপে কাম কৰে বা ই হ'ল অন্য শিক্ষাৰ এক প্রাথমিক স্তৰ।
- ভাৰতবর্ষত এটা শিশুৰ বিদ্যালয়ত প্রৱেশৰ আনুষ্ঠানিক বয়স হ'ল ৬ বছৰ আৰু ই ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ সামৰি লয়, য'ত বিদ্যালয়ৰ স্তৰ বা শ্রেণী আৰম্ভ হয় প্রথম শ্রেণীৰ পৰা অষ্টম শ্রেণীলৈ।
- প্রাথমিক শিক্ষাৰ সার্বজনীনতাই মূলত তিনিটা বিষয় সামৰি লয়- সুবিধাৰ সার্বজনীনকৰণ, নামভর্তিৰ সার্বজনীনকৰণ আৰু স্থায়ীত্বৰ সার্বজনীনকৰণ।
- ৰাষ্ট্রীয় শিক্ষা নীতি, বিভিন্ন আঁচনি অভিযান সমূহ যেনে- সর্বশিক্ষা অভিযান, ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযান, মধ্যাহ্ন ভোজন আঁচনি, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, সাক্ষৰ ভাৰত ইত্যাদি হ'ল ভাৰতবর্ষত প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত চৰকাৰে ৰূপায়ণ কৰা কিছুমান আঁচনি।
- ভাৰতবর্ষত বিদ্যালয়ৰ সংখ্যা আৰু সাক্ষৰতাৰ হাৰ গুৰুত্বপূর্ণভাৱে বৃদ্ধি পাইছে।
- তথাপিও ভাৰতবর্ষত এক বৃহৎ সংখ্যক ছাত্রছাত্রীয়ে এতিয়াও আধাতেই স্কুল এৰি যায় আৰু যিটো হ'ল প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ এক প্রধান বাধা। অপচয়ৰ অর্থ হ'ল পাঠ্যক্রম সম্পূর্ণ নহওঁতেই বিদ্যালয়ৰ পৰা ছাত্রৰ প্রস্থান আৰু অনুন্নয়নৰ অর্থ হ'ল এটা শ্রেণীতে এজন ছাত্রৰ দুই বা তিনি বছৰ অতিবাহিত হোৱাটো।
- প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ ক্ষেত্রত থকা কিছুমান গুৰুত্বপূর্ণ হেঙাৰ হ'ল-অভিভাৱকৰ গুৰুত্বহীন ব্যৱহাৰ, বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি, শিশু শ্রমিক, দৰিদ্রতা ইত্যাদি। শিক্ষামূলক কাৰণসমূহ যেনে, অনাকর্ষণীয় শিক্ষা পৰিবেশ, অনাকর্ষণীয় পাঠ্যক্রম, আঁসোৱাহযুক্ত পৰীক্ষা ব্যৱস্থা, এজন শিক্ষকৰ বিদ্যালয় ইত্যাদি।



২.৭ অধিক জানিবলৈ

১) বৰুৱা, যতীনঃ 'আধুনিক শিক্ষাত নতুন চিন্তাধাৰা' বৰুৱা পাব্লিচিং, গুৱাহাটী-২১

২) বৰদলৈ দত্ত, ড° অজন্তা - 'ভাৰতৰ শিক্ষা বুৰঞ্জী', লয়ার্চ বুক ষ্টল, গুৱাহাটী-১

৩) বৰুৱা, যতীন, 'ভাৰতীয় শিক্ষা ইতিহাস অধ্যয়ন'



২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ অর্থ হৈছে দেশৰ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা ব্যৱস্থা কৰা।

২ নং প্রশ্ন উত্তৰ ঃ সার্বজনীন সুবিধা, সার্বজনীন সংৰক্ষণ আৰু সার্বজনীন নামভর্তিকৰণ।

৩ নং প্রশ্ন উত্তৰ ঃ সাংবিধানিক ভাবে সার্বজনীনতাৰ বিষয়ে এনেদৰে কোৱা হৈছে- যে, সংবিধান বলবৎ হোৱাৰ পৰা দহ বছৰৰ ভিতৰত ৰাজ্য সমূহে ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰিব।

৪ নং প্রশ্ন উত্তৰ ঃ ২০০২ চনৰ ৮৬ তম সংবিধান।

৫ নং প্রশ্ন উত্তৰ ঃ ১৯৯২ চন ।

৬ নং প্রশ্ন উত্তৰ ঃ সর্বশিক্ষা অভিযানৰ প্রধান উদ্দেশ্য হ'ল বিদ্যালয়ৰ এৰি অহা ছাত্র ছাত্রীৰ পৰিমাণ হ্রাস কৰা, সমূহীয়া দলৰ ছাত্র-ছাত্রীক এক উন্নত শিক্ষাপূর্ণ আৰু সহশিক্ষাপূর্ণ পৰিবেশৰ যোগেদি সামৰি লোৱা। সর্বশিক্ষাই ইয়াৰ উপৰিও বিজ্ঞান, প্রযুক্তিবিদ্যা, সাহিত্য, প্রশাসন আদি ক্ষেত্রত শিশু- সকলক একো একোজন দায়িত্বশীল ব্যক্তি ৰূপে গঢ়ি তোলাৰ ক্ষেত্রত এক ভেটি প্রদান কৰে।

৭ নং প্রশ্ন উত্তৰ ঃ ক) ২০০৩ চনৰ ভিতৰত সকলো ল'ৰা-ছোৱালীক আনুষ্ঠানিক শিক্ষানুষ্ঠানত বা শিক্ষা নিশ্চিত কেন্দ্রৰ দ্বাৰা বিকল্প বিদ্যালয় আদিত সামৰি লোৱা।

খ) ২০০৭ চনৰ ভিতৰত সকলো ল'ৰা-ছোৱালীক পাঁচবছৰীয়া প্রাথমিক শিক্ষা সম্পূর্ণ কৰাৰ সুযোগ দিয়া।

গ) প্রাথমিক শিক্ষাক শিক্ষাৰ সন্তোষজনক কেন্দ্র হিচাপে গঢ়ি তোলা।

ঘ) প্রাথমিক শিক্ষাৰ স্তৰৰ সৃষ্টি হোৱা সামাজিক আৰু লিংগ বৈষম্য ২০১০ চনৰ ভিতৰত আঁতৰোৱা।

ঙ) ২০১০ চনৰ ভিতৰত প্রাথমিক শিক্ষাৰ সার্বজনীন সংৰক্ষণ নিশ্চিত কৰা।

৮ নং প্রশ্ন উত্তৰ ঃ শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক কাৰণত বহুতো ল'ৰা ছোৱালীয়ে প্রাথমিক শিক্ষা লব নোৱাৰে বা সম্পূর্ণ কৰিব নোৱাৰে ।কাৰণবোৰ

হ'ল— আকৰ্ষণহীন শৈক্ষিক পৰিৱেশ, আগ্ৰহৰ সৃষ্টি কৰিব নোৱৰা পাঠ্যক্ৰম, আসোঁৱাহপূৰ্ণ পৰীক্ষা ব্যৱস্থা, এগৰাকী শিক্ষকেৰে চলা বিদ্যালয় ইত্যাদি। সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণ দুটামান হ'ল— দুৰ্বল আৰ্থ-সামাজিক পটভূমি, দৰিদ্ৰতা, অন্ধবিশ্বাস আৰু পৰম্পৰাগত বিশ্বাস, অভিভাৱকৰ নিৰ্লিপ্ততা, বাল্যবিবাহ আৰু শিশু শ্ৰমিকৰ দৰে সামাজিক কুপ্ৰথা ইত্যাদি। এই শৈক্ষিক, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক বাধাবোৰে ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে।



২.৯ আৰ্হি প্ৰশ্ন

(ক) **বস্তুধৰ্মী প্ৰশ্ন** (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ এখন সমাজত এজন ব্যক্তিৰ বাবে শিক্ষা অতি জৰুৰী কিয়?

প্ৰশ্ন ২ঃ ভাৰতীয় সংবিধানৰ ৪৫ সংখ্যক অনুচ্ছেদৰ প্ৰধান নীতি কি?

প্ৰশ্ন ৩ঃ প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা বুলিলে কি বুজে?

প্ৰশ্ন ৪ঃ DPEP ৰ ওপৰত সংক্ষেপে লিখক।

প্ৰশ্ন ৫ঃ সৰ্বশিক্ষা অভিযানৰ মূল নীতি কি?

প্ৰশ্ন ৬ঃ সৰ্বশিক্ষা অভিযানৰ প্ৰধান উদ্দেশ্য সমূহ কি কি?

(খ) **চুটি প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা সাৰ্বজনীনতাৰ ক্ষেত্ৰত থকা সাংবিধানিক সুবিধাসমূহ কি কি?

প্ৰশ্ন ২ঃ সৰ্বশিক্ষাৰ উদ্দেশ্যসমূহ কি কি? ভাৰতীয় শিক্ষা ব্যৱস্থাত ইয়াক কিয় এক সামগ্ৰিক প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয়?

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ DPEP ৰ বিষয়ে সংক্ষেপে লিখক। আপুনি কেনেকৈ DPEP-ক আন শিক্ষা ব্যৱস্থাৰ পৰা পৃথক কৰিব?

প্ৰশ্ন ২ঃ ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা সাৰ্বজনীনতাৰ বাবে বৰ্তি থকা বিভিন্ন শিক্ষা আঁচনিসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ প্ৰাথমিক শিক্ষা সকলোৰে বাবে সহজলভ্য কৰাৰ ক্ষেত্ৰত থকা প্ৰধান সমস্যাসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ প্রাথমিক শিক্ষাত আৰু অপচয় আৰু অনুন্নয়ন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অপচয় আৰু অনুন্নয়নৰ ধাৰণা

৩.৩.১ বিদ্যালয় অসমাপ্ত কৰাৰ সমস্যা

৩.৩.২ অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰাৰ কাৰণসমূহ

৩.৩.৩ অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰণ ৰোধৰ পৰামৰ্শ

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অপচয়, অনুন্নয়ন তথা বিদ্যালয় অসমাপ্ত কৰাৰ সমস্যাবোৰৰ বিষয়ে ধাৰণা কৰিব পাৰিব
- অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰাৰ মূল কাৰণ সমূহ ফঁহিয়াই চাব পাৰিব
- অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰাৰ কাৰণ সমূহ প্রতিৰোধকৰণৰ বাবে পৰামৰ্শ আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

প্রাথমিক শিক্ষাই হ'ল সমগ্র শিক্ষা জীৱনৰ মূল ভেটি। ল'ৰা-ছোৱালীক সাধাৰণতে ছয় বছৰ বয়সত প্রাথমিক শিক্ষাত নাম ভর্তি কৰোৱা হয়। এই স্তৰতে শিশু সকলৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হয়। এই সময়ত লাভ কৰা শিক্ষাৰ যোগেদি শিশু সকলৰ মানসিক, শাৰীৰিক, আবেগিক বৌদ্ধিক আৰু সামাজিক জীৱনৰ ভেটি গঢ় লয়। জন স্বাক্ষৰতা বিস্তৃতকৰণত প্রাথমিক শিক্ষাই কঠিন ভূমিকা বহন কৰে, ইয়াৰ ফলত সমাজৰ অর্থনৈতিক বিকাশ আৰু সমাজ গাঁথনিত আধুনিকতাৰ চাপ পৰে, লগতে গণতান্ত্রিক অনুষ্ঠান সমূহ কার্যকৰী ভাবে পৰিচালিত হয়। বিশ্বৰ উন্নত দেশবোৰৰ শৈক্ষিক প্রগতিবোৰ জুকিয়াই চালে আমি দেখিবলৈ পাওঁ যে তেওঁলোকৰ প্রাথমিক শিক্ষা ব্যৱস্থা হৈছে বিনামূলীয়া, সার্বজনীন আৰু বাধ্যতামূলক। ভাৰতবর্ষতো স্কুললৈ

যোৱা শিক্ষার্থীসকলক বিনামূলীয়া, সার্বজনীন আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ প্রয়োজনীয়তা অনুভৱ কৰা হৈছে। স্বাধীনতাৰ পিছৰ পৰা প্রাথমিক শিক্ষাৰ সার্বজনীনকৰণে মনোযোগ আকর্ষণ কৰিবলৈ সমর্থ হৈছে। প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ বাবে যদিওবা বিভিন্নধৰণৰ বহুতো আঁচনি গ্রহণ কৰিছে, তথাপিতো প্রাথমিক শিক্ষাৰ ক্ষেত্রত বহুলভাৱে এতিয়াও অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্তকৰণৰ সংখ্যা দেখিবলৈ পোৱা যায় ।

এই অধ্যায়টোৱে প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ ক্ষেত্রত থকা বিভিন্ন সমস্যা যেনে অপচয় আৰু অনুন্নয়নৰ ধাৰণা,বিদ্যালয় অসমাপ্তকৰণৰ কাৰণসমূহ আৰু চৰকাৰে লোৱা পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰিছে।

৩.৩ অপচয় আৰু অনুন্নয়নৰ ধাৰণা

প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ ক্ষেত্রত থকা দুটা প্রধান সমস্যা হৈছে অপচয় আৰু অনুন্নয়ন। ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পিচৰে পৰা বর্তমানলৈ কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰ সমূহে উন্নয়ন আৰু প্রসাৰৰ বাবে গুৰুত্ব প্রদান কৰি আহিছে যদিও অপচয় আৰু অনুন্নয়নৰ বাবে বাৰে বাৰে বাধা গ্রস্ত হৈ আহিছে। বিস্তৃত আলোচনালৈ যোৱাৰ আগতে আমি অপচয় আৰু অনুন্নয়নৰ অর্থ জনা উচিত।

অতীতত 'অপচয়' শব্দটোৱে শিক্ষাৰ ক্ষেত্রত হোৱা সকলো ধৰণৰ অপচয়কে বুজাইছিল। কিন্তু বর্তমান এই শব্দটোক কৌশলেৰে ব্যৱহাৰ কৰা হয়। বর্তমান সময়ত অপচয়ৰ অর্থ হ'ল শিক্ষা সম্পূর্ণ নকৰাকৈ বিদ্যালয় ত্যাগ কৰা। উদাহৰণ স্বৰূপে এজন শিশু প্রাথমিক স্তৰৰ তৃতীয় বা চতুর্থ শ্রেণী উত্তীর্ণ হ'লে তেওঁক শিক্ষিতৰ শ্রেণীত অন্তর্ভুক্ত কৰিব পৰা যায়।

কিন্তু যদি প্রত্যেক শিশুৱে প্রাথমিক শিক্ষা সম্পূর্ণ নকৰাকৈ বিদ্যালয়লৈ আহিবলৈ এৰি দিয়ে, তেন্তে তেনেবোৰক অপচয়ৰ শাৰীত সামৰি লোৱা হয়। কাৰণ বিদ্যালয় শেষ কৰাৰ পিচত পাব লগীয়া সুবিধাবোৰ তেওঁলোকে নাপায়। ১৯২৯ চনৰ হার্টগ কমিটিয়ে প্রথমে 'অপচয়' সমস্যাটো আঙুলিয়াই দিয়ে। এই কমিটিৰ মতে অপচয় হৈছে - প্রাথমিক শিক্ষা সম্পূর্ণ হোৱাৰ আগতে ল'ৰা ছোৱালীয়ে অপৈণত ভাবে বিদ্যালয়ৰ পৰা আঁতৰি অহা (The premature withdrawal of child from school at any stage before the completion of the primary course)

'অনুন্নয়ন' শব্দটোৱে নির্দিষ্ট সময়ৰ ভিতৰত পাঠ্যক্রম সম্পূর্ণ কৰাত অসমর্থ হোৱাটো বুজায়। হার্টগ কমিটিৰ মতে এটা শ্রেণীত এক বছৰতকৈ অধিক সময় ৰৈ থকাটোকে অনুন্নয়ন বোলা হয় (the retention of a child in a class for a period of more than one year)। গোখলেৰ ইনষ্টিটিউট অফ পলিটিকচ এণ্ড ইক'ন' মিকচ্ ৰ সমীক্ষা অনুযায়ী অপচয়তকৈ অনুন্নয়ন হ'ল এক বৃহৎ তথা জটিল সমস্যা। তেওঁলোকৰ সমীক্ষা মতে এটা শ্রেণীতে বহুতো

ছাত্র-ছাত্রী বছৰৰ পিছত বছৰ ধৰি অকৃতকার্য হৈ আছে। ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগে ২৯ খন জিলাক সামৰি লৈ প্রথম শ্রেণীৰ পৰা অষ্টম শ্রেণীলৈকে শিক্ষার্থীৰ নামভর্তিৰ তথ্য সংগ্রহ কৰিছিল। এই তথ্যসমূহ বিশ্লেষণ কৰি তলত উল্লেখ কৰা সিদ্ধান্তত উপনীত হৈছিল-

- প্রথম শ্রেণীত অনুন্নয়নৰ হাৰ সর্বাধিক।
- দ্বিতীয় শ্রেণীত অনুয়ন্ননৰ হাৰ হ্রাস হয় যদিও তৃতীয় আৰু চতুর্থ শ্রেণীত একেদৰে থাকে।
- উচ্চ প্রাথমিক শ্রেণীত পুনৰায় অনুন্নয়নৰ মাত্রা বৃদ্ধি পায়।
- সামগ্রিক ভাবে ল'ৰা শিক্ষার্থীতকৈ ছোৱালী শিক্ষার্থীৰ অনুন্নয়নৰ মাত্রা বেছি।
- অনুন্নয়নৰ হাৰ অঞ্চল বিশেষে তাৰতম্য হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাথমিক শিক্ষাৰ 'অপচয়' আৰু অনুন্নয়নক কেনেদৰে ব্যাখ্যা কৰিব?

.....

.....

প্রশ্ন নং ২ ঃ বিদ্যালয়ৰ কোনটো শ্রেণীত অনুন্নয়নৰ হাৰ সর্বাধিক?

.....

.....

৩.৩.১ বিদ্যালয় অসমাপ্ত কৰাৰ ক্ষেত্রত থকা সমস্যা সমূহ

প্রাথমিক শিক্ষা সম্পূর্ণ হোৱাৰ আগতে ছাত্র-ছাত্রীয়ে বিদ্যালয় এৰাৰ হিচাপ লৈ বিদ্যালয় সমাপ্ত কৰা শিক্ষার্থীৰ গড় হিচাব উলিওৱা হয়। এইটো এক প্রকাৰৰ অপচয়। চৰকাৰে বিভিন্ন সময়ত চলোৱা সমীক্ষাৰ দ্বাৰা প্রকাশ কৰে যে, যদি প্রথম শ্রেণীত ১০০০ জন ছাত্র-ছাত্রীয়ে নাম ভর্তি কৰে তেন্তে মাত্র ৪১৪ জনেহে পঞ্চম শ্রেণী পায়গৈ। অৱশ্যে প্রত্যেক ৰাজ্যৰে ক্ষেত্রত এই সমীক্ষা সুকীয়া সুকীয়া। ৰাষ্ট্রীয় শিক্ষা, গৱেষণা আৰু প্রশিক্ষণ পৰিষদে প্রকাশ কৰা স্বাধীনতাৰ পিছৰ স্কুলীয়া শিক্ষাৰ (School Education after independence,1988) গৱেষণাত প্রকাশ পায় যে, ১৯৫০ চনলৈকে প্রাথমিক স্তৰত শিক্ষার্থীৰ নাম ভর্তিৰ হাৰ সন্তোষজনক আছিল, কিন্তু বিদ্যালয় অসমাপ্ত কৰা শিক্ষার্থীৰ সংখ্যাই এই উন্নয়নত বাধা প্রদান কৰিছিল। প্রথম শ্রেণীত ১০০ জনে নাম ভর্তি কৰিলে পঞ্চম শ্রেণী পায়গৈ ৪০ জনে আৰু সপ্তম শ্রেণীত এই সংখ্যা প্রায় ২৫ জন হয়।এই সমীক্ষা অনুসৰি ৫০ শতাংশ শিক্ষার্থীযে. প্রাথমিক শিক্ষাৰ পৰা উপকৃত হয়। ই উনেস্কোৰ অধ্যয়ন মতে, পৃথিৰীৰ দেশসমূহৰ ভিতৰত ভাৰতৰ প্রাথমিক

শিক্ষাৰ স্তৰত বিদ্যালয় এৰা শিক্ষার্থীৰ হাৰ সর্বাধিক। সেইবাবে ১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষা নীতি আৰু ১৯৯২ চনৰ কর্ম আচনিয়ে সার্বজনীন নামভর্তিকৰণ আৰু সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়ে, লগতে বিদ্যালয় অসমাপ্ত কৰা শিক্ষার্থী সকলৰ সমস্যাবোৰ সমাধান কৰাৰ উপায় উলিয়াবলৈ যত্নপৰ হোৱা দেখা যায়।

৩.৩.২ অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰাৰ কাৰণসমূহ

আমি অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰাৰ ধাৰণা সমূহৰ সৈতে পৰিচিত হোৱাৰ পিছত এতিয়া এইবোৰৰ পৰা সৃষ্টি হোৱা কাৰণ সমূহ তলত আলোচনা কৰিম

(ক) আর্থসামাজিক কাৰণ - (Socio-Economic Causes)

- **অভিভাৱকৰ উদাসীনতা** (Indifference of Guardians) ঃ ভাৰতবর্ষৰ জনসংখ্যাৰ প্রায় ২৭ শতাংশ অশিক্ষিত, তেওঁলোকে শিক্ষাৰ মূল্য উপলব্ধি কৰিব নোৱাৰে। এইলোকসকল তেওঁলোকৰ ল'ৰা-ছোৱালী বিদ্যালয়লৈ পঠিওৱাৰ ক্ষেত্রতো একেবাৰে উদাসীন। শিক্ষার্থীৰ অনিয়মিত উপস্থিতিৰ বাবে বিদ্যালয়ৰ সময় তালিকা আৰু বন্ধৰ ক্ষেত্রতো অসুবিধা হয়।

- **সামাজিক কাৰণ** (Social Causes) ঃ ভাৰতৰ সামাজিক ব্যৱস্থাত বহুতো অন্ধ বিশ্বাস প্রচলিত হৈ আছে। সমাজ সংস্কাৰকৰ প্রচেষ্টা আৰু বিধায়িনী আইনে অবিৰত ভাবে সমাজৰ পৰা কুসংস্কাৰ আঁতৰাবলৈ চেষ্টা চলাই থকাৰ পিছতো বাল্যবিবাহ, স্ত্রী শিক্ষা আদিৰ ক্ষেত্রত এইবোৰ বর্তমানেও নির্মূল হোৱা নাই। এই সংস্কাৰ বোৰে ছোৱালীবোৰক অশিক্ষিত কৰি ৰখাৰ উপৰিও শিক্ষা খণ্ডত প্রয়োগ হোৱা ধনৰ অপচয় ঘটাইছে। বিয়াৰ পিছত ল'ৰা-বোৰেও একে সমস্যাত ভোগে। তদুপৰি কিছুমান লোকে ছোৱালীক শিক্ষা দান কৰাতো আর্থিক ভাৱে ক্ষতি হ'ব বুলি বিবেচনা কৰে। বর্ণ বৈষম্য হৈছে এই দিশৰ এক কাৰক। উচ্চবর্ণৰ লোক সকলতকৈ অনুসূচিত-জাতি, জনজাতি বা পিছপৰা সম্প্রদায়ৰ লোকৰ মাজত অপচয়ৰ মাত্রা অধিক। তদুপৰি আন কিছুমান সামাজিক কু-প্রথা যেনে- অস্পৃশ্যতা, পর্দা প্রথা আদিবোৰো হৈছে অপচয় আৰু অনুন্নয়নৰ কাৰণ।

- **দৰিদ্রতা** (Poverty) ঃ ভাৰতবর্ষ হৈছে আর্থিক ভাৱে অনুন্নত দেশ। সেইবাবে ইয়াৰ অভিভাৱক সকলে তেওঁলোকৰ ল'ৰা ছোৱালীক শিক্ষাৰ বাবে পইচা যোগান ধৰিবলৈ অপাৰগ। ন বা দহ বছৰ হ'লে এই শিশুবোৰে বাহিৰত কাম কৰি অভিভাৱক সকলক আর্থিক দিশত সহায় কৰে। বিশেষকৈ ছোৱালীবোৰে অতিশয় পৰিশ্রম কৰা মাকবোৰক ঘৰুৱা কাম কাজত সহায় কৰে। ইয়াৰ ফল স্বৰূপে বিদ্যালয়

অৰ্ধসমাপ্ত কৰা শিক্ষাৰ্থীৰ পৰিয়াল বৃদ্ধি পায়। এনে ল'ৰা-ছোৱালীবোৰে শিক্ষা সমাপ্ত হোৱাৰ বহু আগতেই স্কুল এৰে।

খ) শৈক্ষিক কাৰণ ঃ

- **গধুৰ আৰু অমনোগ্ৰাহী পাঠ্যক্ৰম ঃ** প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম গধুৰ আৰু আসোঁৱাহপূৰ্ণ। গণিত, বিজ্ঞান বিষয়ক সামৰি পাঁচটা বিষয় আছে যিবোৰ বিষয়ে কোমল বয়সৰ ল'ৰা ছোৱালীক কোনো ক্ষেত্ৰতে আকৰ্ষিত নকৰে। বেছিভাগ পাঠ্যক্ৰমেই তত্ব গধুৰ, বাস্তৱ কেন্দ্ৰিক নহয় ইয়াৰ ফলত বেছিভাগ শিক্ষাৰ্থীয়ে শ্ৰেণীত অকৃতকাৰ্য্য হয় আৰু এই স্তৰতে অনুন্নয়নৰ মাত্ৰা বৃদ্ধি পায়।
- **অনুপযুক্ত শিক্ষাদান** (Inefficient Teaching) ঃ সাধাৰণতে দেখা যায় যে নিম্ন শ্ৰেণীবোৰত অপৈণত আৰু অপ্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকক শিক্ষাদানৰ বাবে নিয়োগ কৰা হয়। অনভিজ্ঞ শিক্ষক সকল শ্ৰেণীত উপযুক্ত ভাবে শিক্ষাদান কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হয়। তেওঁলোকে মনোবিজ্ঞান সন্মত ভাৱে শিক্ষাৰ্থীক শিক্ষা দিব নোৱাৰে আৰু তেওঁলোক শিক্ষা প্ৰদান পদ্ধতিও তেনেই আওপুৰণি। পাঠবোৰে শিক্ষাৰ্থীৰ ওপৰত চাপহে প্ৰদান কৰে। মুখস্থ বিদ্যাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। শিক্ষাৰ্থীসকলে অনবৰতে শিক্ষকৰ ভয়তে থাকে। এনেবোৰ কাৰণৰ ফলত তথা শ্ৰেণীকোঠাৰ অহৈতুক বোজাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়ত উপস্থিতিৰ হাৰ সেৱেঙা হয়।
- **অসুস্থ পৰিবেশ** (Unhealthy Atmosphere) ঃ প্ৰাথমিক শিক্ষাৰ অনুন্নয়নৰ এটা মূল কাৰণ হৈছে বিদ্যালয়বোৰত বিৰাজ কৰা অসুস্থ পৰিবেশ। শিক্ষা গ্ৰহণৰ বাবে এনে পৰিবেশ অনুপযোগী। নগৰ অঞ্চলৰ প্ৰাথমিক স্কুলতকৈ গাঁৱৰ স্কুলবোৰৰ অৱস্থা বেছি শোচনীয়। কেঁচা ঘৰৰ বিদ্যালয় আৰু লেতেৰা পৰিবেশে শিশু সকলক আকৰ্ষিত নকৰে।
- **ত্ৰুটিপূৰ্ণ নামভৰ্তি প্ৰক্ৰিয়া** (Faulty of Admission Policy) ঃ আমাৰ দেশৰ বেছিভাগ ৰাজ্য বিদ্যালয় সমূহৰ প্ৰথম শ্ৰেণীত নাম ভৰ্তিৰ প্ৰক্ৰিয়া গোটেই বছৰ জুৰি চলি থাকে। নাম ভৰ্ত্তিৰ ধৰা বন্ধা নিয়ম নথকা বাবে যিকোনো বয়সৰ শিক্ষাৰ্থীয়ে নামভৰ্তিৰ সুবিধা পায়।
- **এজনীয়া শিক্ষকৰ বিদ্যালয়** (Single Teacher School) ঃ এজন শিক্ষক থকা বিদ্যালয়ত অপচয়, অনুন্নয়ন আৰু স্কুল অসমাপ্ত কৰা শিক্ষাৰ্থীৰ সংখ্যা সৰহ, কাৰণ এজন শিক্ষকে একেলগে পাচঁটা শ্ৰেণী পৰিচালনা কৰাতো অসম্ভৱ। যদি কেতিয়াবা শিক্ষকজনে চুটি লয়, তেন্তে গোটেই বিদ্যালয়খন বন্ধ ৰাখিব লগা হয়। এনেধৰণৰ ব্যৱস্থাই শিক্ষাৰ্থীক বিদ্যালয়লৈ যোৱাত বাধা প্ৰদান কৰে। আৰু ফলত শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় ত্যাগ কৰে।
- **ত্ৰুটিপূৰ্ণ পৰীক্ষা পদ্ধতি** (Defective Examination System) ঃ প্ৰাথমিক স্তৰৰ পৰীক্ষা পদ্ধতি আঁসোৱাহপূৰ্ণ। মাত্ৰ কেইঘন্টামান সময়ৰ ভিতৰতে শিক্ষাৰ্থীৰ

মূল্যায়ন কৰা হয়। সেই নির্দিষ্ট সময়ৰ ভিতৰত ছাত্র-ছাত্রীয়ে প্রশ্নৰ উত্তৰ দিব নোৱাৰিলে তেওঁক অকৃতকার্য বুলি কোৱা হয় আৰু তেওঁৰ এবছৰ ক্ষতিগ্রস্ত হয়। ইয়াৰ ফলতো অপচয়ৰ সৃষ্টি হয়।

(গ) প্রশাসনীয় কাৰণ

দুর্বল প্রশাসন ব্যৱস্থাও অপচয়ৰ আন এক মূল কাৰণ। দেশৰ বাধ্যতামূলক শিক্ষাৰ ধাৰণা কাগজ কলমতে মাত্র সীমাবদ্ধ। কর্তৃপক্ষ সমূহৰ দৃষ্টিভংগীয়ো পৃথক পৃথক ধৰণৰ। ইয়াত নীতি নিয়মবোৰ উপযুক্ত ভাৱে পালন কৰা নহয়। গোটেই বছৰ জুৰি নামভর্তি প্রক্রিয়া চলি থাকে। বেছিভাগ ছাত্র-ছাত্রীয়ে শ্রেণীৰ মাজ ভাগতে বিদ্যালয় ত্যাগ কৰে। আগতীয়াকৈ নজনোৱাকৈ শিক্ষকসকলেও কর্মৰ পৰা আঁতৰি থাকে। নিৰীক্ষকৰ সংখ্যাও তেনেই তাকৰ, যিমানখিনি নিৰীক্ষণ কার্য সম্পন্ন হয়, সেয়াও অনিয়মীয়া আৰু সোপাটিলা। এইবোৰে আমাৰ আগত প্রাথমিক শিক্ষাৰ এখন অন্ধকাৰ ছবিহে দাঙি ধৰে।

উপযুক্ত কাৰণ সমূহৰ উপৰিও আন কিছুমান কাৰণ আছে যিবোৰ অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰা শিক্ষার্থীৰ সৃষ্টিৰ ক্ষেত্রত জগৰীয়া। তেনে কিছুমান কাৰণ হৈছে ছাত্র-ছাত্রীৰ অসুখীয়া স্বাস্থ্য, কোনো শিক্ষকৰ প্রতি বিৰাগ জন্মা, সহপাঠীৰ ঠাট্টাৰ পাত্র হোৱা, শাৰিৰীক শাস্তি, শিক্ষকৰ ছাত্র-ছাত্রীৰ প্রতি থকা উদাসীনতা, ব্যক্তিগত মনোযোগৰ অভাৱ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শিকনত অর্ধ সমাপ্ত মানে কি বুজায় ? অপচয় আৰু অনুন্নয়নৰ শৈক্ষিক কাৰণসমূহ লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ অপচয়, অনুন্নয়ন, আৰু বিদ্যালয় অসমাপ্ত কৰাৰ মূল আর্থ সামাজিক কাৰণসমূহ চিনাক্ত কৰক ।

.....

.....

৩.৩.৩ অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰণ ৰোধৰ পৰামর্শ

অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰা আদি সমস্যাবোৰ এনে হাৰত বৃদ্ধি পাইছে যে সেইবোৰক ৰোধ কৰাতো সহজ হৈ থকা নাই। তথাপি সমাজৰ সকলো

শ্ৰেণীৰ যুটীয়া প্ৰচেষ্টাৰ দ্বাৰা এই সমস্যাসমূহ প্ৰতিৰোধ কৰিব পৰা যাব। তলত ইয়াৰ বাবে থকা উপায় সমূহ আলোচনা কৰিমহঁক।

- **পাঠ্যক্ৰম পুনৰ সংশোধন কৰা** (Reorganising the Curricumum)ঃ প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰম শিক্ষাৰ্থীৰ বাবে আকৰ্ষণীয় কৰি তুলিব লাগিব। এই পাঠ্যক্ৰম এনেদৰে প্ৰস্তুত কৰিব লাগিব যিবোৰে শিক্ষাৰ্থীৰ মনেযোগ আকৰ্ষণ কৰে। স্থানীয় অৱস্থা বা সংস্কৃতিৰ সৈতে শিক্ষাৰ্থীক পাঠ্যক্ৰমৰ জৰিয়তে পৰিচয় কৰাই দিব লাগিব। পাঠ্যক্ৰমবোৰ ব্যৱহাৰিক জীৱনৰ লগত খাপ খোৱা ধৰণৰ হ'ব লাগে যাতে সেইবোৰে তেওঁলোকৰ ভৱিষ্যত জীৱনক উপকৃত কৰিব পাৰে।
- **শৈক্ষিক পৰিবেশৰ পুনৰগঠন** (Reconstruction of Educational Environment) ঃ বিদ্যালয়ৰ সামগ্ৰিক পৰিবেশ ছাত্ৰ-ছাত্ৰীৰ বাবে আকৰ্ষণীয় হোৱা উচিত। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক হ'ব নেলাগে যাতে শিক্ষকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে ব্যক্তিগত ভৱে মনোযোগ দিব পাৰে। সৰু ল'ৰা-ছোৱালীবোৰৰ কৌতুহল মাৰ নিয়াবলৈ আৰু মনোযোগ আকৰ্ষণ কৰাৰ বাবে শিক্ষকে দৃশ্য-শ্ৰাব্য সঁজুলিৰ প্ৰয়োগ কৰিব লাগে। তেওঁলোকে গ্ৰহণ কৰা শিক্ষাদানৰ পদ্ধতি সমূহো ছাত্ৰ-ছাত্ৰীৰ অনুপ্ৰেৰণাদায়ক হ'ব লাগে। স্কুলত আনন্দ মুখৰ পৰিবেশত খেলা পদ্ধতিৰ জৰিয়তে শিশু সকলক শিক্ষা দিব লাগে।
- **অভিভাৱক সকলক শিক্ষা প্ৰদান** (Educating Parents) ঃ ব্যক্তিগত আৰু সামাজিক বিকাশৰ বাবে অভিভাৱক সকলক শিক্ষা প্ৰদান কৰিব লাগে। প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনিৰ যোগেদি এক সুদূৰ প্ৰসাৰী কাৰ্যসূচী হাতত লৈ অশিক্ষিত অভিভাৱক সকলক শিক্ষিত কৰি তুলিব লাগে। তদুপৰি অংশকালীন শিক্ষাৰ ব্যৱস্থাৰ লগতে নৈশ বিদ্যালয়ো স্থাপন কৰিব লাগে।
- **বাল্যবিবাহ আৰু শিশু শ্ৰমিক বন্ধকৰণ** (Ban on Child Marriage and Child Labour) ঃ বাল্যবিবাহ আৰু শিশু শ্ৰমিক প্ৰথাৰ দৰে সামাজিক ব্যাধি সমূহ নিৰ্মূল কৰাৰ বাবে পদক্ষেপ ল'ব লাগে। ছোৱালী শিক্ষাৰ দিশত সমাজত এক উদাৰ জনজাগৰণ আনিব লাগে আৰু সমাজৰ প্ৰগতিৰ বাবে সহ শিক্ষাৰ প্ৰচলন ঘটাব লাগে।
- **প্ৰশাসনীয় দিশৰ সংস্কাৰ** (Administrative Reformation) ঃ বৰ্তমান সময়ত শিক্ষক প্ৰশিক্ষণ, নিযুক্তিকৰণ, নিৰীক্ষণ আৰু প্ৰশাসন ইত্যাদি ক্ষেত্ৰত আমাৰ শিক্ষা খণ্ডত এক আমূল পৰিবৰ্তনৰ আৱশ্যক হৈ পৰিছে, বিশেষকৈ। এনেধৰণৰ দিশবোৰত পৰিবৰ্তন আনিবলৈ তলত উল্লেখ কৰা দিশ সমূহ বিবেচনা কৰিব লাগিব —
  - এজনীয়া শিক্ষকৰ শিক্ষাদান কৰা কাৰ্য বন্ধ কৰি তাৰ সলনি দুগৰাকীকৈ শিক্ষক নিয়োগ কৰিব লাগিব।

- বিদ্যালয় সমূহ নিয়মিত ভাৱে পৰিদর্শন কৰিবলৈ অধিক সংখ্যক পৰিদর্শক নিয়োগ কৰিব লাগিব। সমর্থবান আৰু যোগ্য ব্যক্তিকহে পৰিদর্শক হিচাবে নিযুক্তি দিব লাগে।
- বিদ্যালয়ত এক মৰম আৰু সহানুভূতিশীল পৰিবেশ গঢ় দিবলৈ অধিক সংখ্যক মহিলা শিক্ষয়িত্রী নিয়োগ কৰিব লাগে।
- শিক্ষক সকলক উপযুক্ত পেছাগত প্রশিক্ষণ দিয়া দৰকাৰ যাতে তেওঁলোকে ল'ৰা-ছোৱালীৰ মনত বিজ্ঞানসম্মত দৃষ্টিভংগীৰ মনোভাৱ গঢ়ি তুলিব পাৰে।
- পিছপৰা শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে মধ্যাহ্ন ভোজন, বিনামূলীয়া পাঠ্যপুথি, আৰু ইউনিফর্ম যোগানৰ ব্যৱস্থা ৰাখিব লাগে।
- শিক্ষক সকলৰ চাকৰিৰ ব্যৱস্থা উন্নত কৰিব লাগে আৰু তেওঁলোকৰ দৰমহা নিয়মীয়া কৰিব লাগে।
- স্থানীয় প্রশাসন , ৰাজ্য আৰু কেন্দ্রীয় চৰকাৰৰ আঁচনি সমূহ সমৰূপৰ হ'ব লাগিব। ইয়াৰ অন্যথা প্রাথমিক শিক্ষা ক্ষতিগ্রস্ত হ'ব।
- শৈক্ষিক বর্ষ আৰম্ভ হোৱাৰ প্রথম দুই বা তিনি মাহৰ ভিতৰতে প্রথম আৰু দ্বিতীয় শ্রেণীৰ নাম ভর্তিকৰণ প্রক্রিয়াৰ অন্ত পেলাব লাগিব। নামভর্তিৰ বেলিকা ছাত্র-ছাত্রীৰ বয়স, সামর্থ তথা বুদ্ধিমত্তা আদি দিশত গুৰত্ব দিব লাগিব।
- শিক্ষাৰ মানদণ্ড উন্নত কৰিব লাগিব আৰু নিয়মিত ভাবে ছাত্র-ছাত্রীৰ উপস্থিতি পর্যবেক্ষণ কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ প্রাথমিক স্তৰত অপচয় আৰু অনুন্নয়ন ৰোধ কৰণৰ বাবে কেইটামান পৰামর্শ দাঙি ধৰক।

.....

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰণৰ দিশত থকা প্ৰধান সমস্যাসমূহ হৈছে অপচয়, অনুন্নয়ন আৰু বিদ্যালয় অসমাপ্ত কৰা ইত্যাদি।
- অপচয় বা বিদ্যালয় অসমাপ্ত কৰাৰ অৰ্থ হৈছে শিক্ষা সমাপ্ত কৰাৰ আগতে বিদ্যালয়লৈ আহিব এৰা ।
- অনুন্নয়নৰ অৰ্থ হৈছে একেটা শ্ৰেণীতে এবছৰকৈ অধিক কাল অকৃতকাৰ্য্য হৈ থকা।
- অপচয়, অনুন্নয়ন, আৰু বিদ্যালয় অসমাপ্ত কৰাৰ মূল কাৰণ সমূহ হৈছে- অভিভাৱকৰ উদাসীনতা, বাল্য বিবাহ, শিশু শ্ৰমিক আদিৰ দৰে সামাজিক কু-প্ৰথাবোৰ। আন কিছুমান শৈক্ষিক কাৰণ হৈছে - অনাকৰ্ষণীয় শৈক্ষিক পৰিবেশ, অনাকৰ্ষণীয় পাঠ্যক্ৰম, ত্ৰুটিপূৰ্ণ পৰীক্ষা পদ্ধতি, এজনীয়া শিক্ষকৰ বিদ্যালয় আদি।
- পাঠ্যক্ৰম পুনৰ সংশোধন কৰা, শৈক্ষিক পৰিবেশৰ পুনৰগঠন, অভিভাৱক সকলক শিক্ষা প্ৰদান,বাল্যবিবাহ আৰু শিশু শ্ৰমিক বন্ধকৰণ, প্ৰশাসনীয় দিশৰ সংস্কাৰ এনেবোৰ পদক্ষেপক সমস্যা সমাধানৰ পৰামৰ্শ হিচাপে এই অধ্যায়ৰ শেষৰ ফালে দাঙি ধৰা হৈছে।



৩.৫ অধিক জানিবলৈ

১) বৰুৱা, যতীনঃ 'আধুনিক শিক্ষাত নতুন চিন্তাধাৰা' বৰুৱা পাব্লিচিং, গুৱাহাটী-২১
২) বৰদলৈ দত্ত, ড° অজন্তা - 'ভাৰতৰ শিক্ষা বুৰঞ্জী', লয়ার্চ বুক ষ্টল, গুৱাহাটী-১
৩) বৰুৱা, যতীন, 'ভাৰতীয় শিক্ষা ইতিহাস অধ্যয়ন'



৩.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ প্ৰাথমিক শিক্ষাত'অপচয়'ৰ অৰ্থ হ'ল শিক্ষা সম্পূৰ্ণ নকৰাকৈ শিক্ষানুষ্ঠানৰ পৰা আঁতৰি যোৱা। 'অনুন্নয়ন' শব্দটোৱে নিৰ্দিষ্ট সময়ৰ ভিতৰত পাঠ্যক্ৰম সম্পূৰ্ণ কৰাত অসমৰ্থ হোৱাটো বুজায়। এটা শ্ৰেণীত এক বছৰতকৈ অধিক সময় ৰৈ থকাটোকে অনুন্নয়ন বোলা হয় ।

২ নং প্ৰশ্ন উত্তৰ ঃ প্ৰথম শ্ৰেণী।

৩ নং প্ৰশ্ন উত্তৰঃ প্ৰাথমিক শিক্ষাৰ বাবে ধাৰ্য্য কৰা সময় সীমা যিসকল শিক্ষাৰ্থীয়ে সম্পূৰ্ণ নকৰাকৈ আধাতে বিদ্যালয় এৰি দিয়ে তাকে শিকন প্ৰক্ৰিয়াত অৰ্ধ সমাপ্ত (drop

out) বুলি কোৱা হয় । প্রাথমিক শিক্ষাৰ বাবে এই অর্ধ সমাপ্ত হৈছে এক প্রকাৰ অপচয় ।

নিম্ন প্রাথমিক (drop out) শিক্ষাৰ ক্ষেএত এই সময়সীমা পঞ্চম শ্রেণীলৈকে ধৰা হয় আৰু উচ্চ শিক্ষাৰ ক্ষেএত অষ্টম শ্রেণীলৈকে ধৰা হয় ।

গধুৰ আৰু আকর্ষণীয় পাঠ্যক্রম, অযোগ্য শিক্ষা দান পদ্ধতি, অস্বাস্থ্যকৰ পৰিবেশ, এজনীয়া শিক্ষকৰ বিদ্যালয়, ত্রুটিপূর্ণ পৰীক্ষা পদ্ধতি, ছাত্র-ছাত্রী আৰু শিক্ষকৰ মাজত অভিৰোচনৰ অভাৱ, ত্রুটি যুক্ত নামভর্তিকৰণৰ নীতি আদিয়ে হৈছে শৈক্ষিক সমস্যাৰ কাৰণ যাৰ বাবে ছাত্র-ছাত্রী স্কুলীয়া শিক্ষা সম্পূর্ণ কৰিব নোৱাৰে ।

৪ নং প্রশ্ন উত্তৰ ঃ ভাৰতবর্ষৰ জনসংখ্যাৰ প্রায় ২৭ শতাংশ অশিক্ষিত, তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালী শিক্ষাৰ মূল্য উপলব্ধি কৰিব নোৱাৰে। সমাজত প্রচলিত কুসংস্কাৰ যেনে বাল্য বিবাহ, শিশু শ্রমিক, ছোৱালী শিক্ষাৰ প্রতি থকা ভ্রান্ত ধাৰণা অর্থাৎ ছোৱালীক শিক্ষা দান কৰাতো আর্থিক ভাৱে ক্ষতি হ'ব বুলি বিবেচনা কৰা, বর্ণ বৈষম্য, অস্পৃশ্যতা, পর্দা প্রথা আদিয়ে শিক্ষাখণ্ডত অপচয় আৰু অনুন্নয়ন ঘটাইছে। বিদ্যালয়ত অপচয় আৰু অনুন্নয়ন বৃদ্ধিৰ হাৰ সম্প্রসাৰণত দাৰিদ্রতায়ে বিশেষ ভূমিকা পালন কৰিছে ।

৫ নং প্রশ্ন উত্তৰ ঃ পাঠ্যক্রমৰ পূর্ণগঠন, অভিভাবকসকলক শিক্ষিত কৰা, বাল্য বিবাহ আৰু শিশু শ্রমিক বন্ধ কৰা, পৰিদর্শক নিযুক্তি দিয়া, মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰা, বিনামূলীয়া ইউনিফর্ম যোগান ধৰা আদি।



৩.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাথমিক শিক্ষাত 'অপচয় আৰু অনুন্নয়ন' বুলিলে কি বুজে ?

প্রশ্ন ২ ঃ শিকনৰ অর্ধ সমাপ্ত মানে কি ?

প্রশ্ন ৩ ঃ প্রাথমিক শিক্ষা সার্বজনীনতাৰ লগত অপচয় আৰু অনুন্নয়ন কি দৰে জড়িত

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন১ ঃ অপচয় আৰু অনুন্নয়নৰ শৈক্ষিক কাৰণবোৰৰ এখন তালিকা যুগুত কৰক।

প্রশ্ন২ ঃ বিদ্যালয়ৰ অপচয় আৰু অনুন্নয়নৰ মূল আর্থ-সামাজিক কাৰণবোৰ কি কি ?

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অপচয় বুলিলে কি বুজে? অনুন্নয়ন বুলিলে কি বুজে? অপচয় আৰু অনুন্নয়নৰ মূল কাৰণবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক বিদ্যালয়ত অপচয় আৰু অনুন্নয়ন কমাবৰ বাবে আগবঢ়োৱা পৰামৰ্শসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মানৱ অধিকাৰৰ সংজ্ঞা আৰু অর্থ
৪.৪ জাতীয় উন্নয়নত মানৱ অধিকাৰৰ গুৰুত্ব
৪.৫ মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান
৪.৫.১ ভাৰতীয় সংবিধানৰ প্রস্তাৱনা
৪.৫.২ মৌলিক অধিকাৰ সমূহ
৪.৬ মানৱ অধিকাৰ বিকাশৰ ক্ষেত্রত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰৰ অর্থৰ সংজ্ঞা নির্ণয় কৰিব পাৰিব।
- জাতীয় উন্নয়নৰ ক্ষেত্রত বা বিকাশত মানৱ অধিকাৰৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।
- ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মানৱ অধিকাৰৰ বিষয়ে অৱগত হ'ব পাৰিব।
- মানৱ অধিকাৰ বিকাশত শৈক্ষিক অনুষ্ঠানসমূহৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

মানৱ অধিকাৰ হৈছে ব্যক্তিৰ মৌলিক অধিকাৰ, যিয়ে পৃথিৱীৰ যিকোনো প্রান্তত বসবাস কৰা প্রতিজন ব্যক্তিক মর্যাদাসহকাৰে জীয়াই থকাৰ অধিকাৰ প্রদান কৰে। মানৱ অধিকাৰ ধাৰণাটি সাম্প্রতিক যুগৰ এক অতি শক্তিশালী ধাৰণাৰূপে বিবেচিত হৈছে। বিশ্বৰ প্রায় সকলো ৰাষ্ট্রই মানৱ অধিকাৰৰ প্রতি আগ্রহ প্রকাশ কৰিছে আৰু পাঠ্যক্রমত মানৱ অধিকাৰ শিক্ষা অন্তর্ভুক্ত কৰিছে। বিশ্বৰ ভিতৰতে ভাৰতীয় সংবিধান হৈছে নাগৰিকৰ অধিকাৰৰ ওপৰত প্রতিষ্ঠিত এনে

এক সংবিধান যিয়ে ঔপনিৱেশৰ কালছোৱাত ভাৰতীয় লোকসকলৰ অবিৰতভাৱে নাগৰিক, ৰাজনৈতি, সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ খর্ব কৰাৰ বিৰুদ্ধে কৰা ভাৰতৰ স্বাধীনতা সংগ্রামৰ পথ প্রদর্শকৰূপে নির্দেশনা দিছিল।

এই অধ্যায়টিত মানৱ অধিকাৰৰ অর্থ, জাতীয় উন্নয়নত ইয়াৰ গুৰুত্বৰ লগতে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট অধিকাৰ আৰু মানৱ অধিকাৰ বিকাশৰ বাবে শিক্ষানুষ্ঠানৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা হ'ব।

৪.৩ মানৱ অধিকাৰৰ সংজ্ঞা আৰু অর্থ

মানৱ অধিকাৰ হৈছে জীৱনৰ এনে কিছুমান চর্ত যিয়ে আমাক পূর্ণাংগ বিকাশ আৰু আমাৰ মানৱীয় গুণসমূহৰ উপযুক্ত প্রয়োগৰ বাবে সুযোগ প্রদান কৰে। ব্যক্তি হিচাপে ই প্রতিজন মানুহৰে জন্মগত অধিকাৰ বা জীৱনৰ ন্যূনতম মান। 'মানৱ অধিকাৰ' ধাৰণাটি অতি ব্যাপক আৰু নাগৰিক, ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক আদি সকলোধৰণৰ অধিকাৰ ইয়াৰ অন্তর্ভুক্ত। বিশ্বজনীনভাৱে গ্রহণযোগ্য মানৱ অধিকাৰৰ সংজ্ঞা পোৱা নাযায়।

ৰাষ্ট্র সংঘই আগবঢ়োৱা সংজ্ঞা অনুসৰি 'মানৱ অধিকাৰে এজন ব্যক্তিৰ সমগ্র বিকাশ আৰু মানৱীয় গুণাগুণসমূহ যেনে বুদ্ধিমত্তা, প্রতিভা আৰু বিবেকৰ সুপ্রয়োগ আৰু ব্যক্তিৰ আধ্যাত্মিক সন্তুষ্টিৰ নিশ্চয়তা প্রদান কৰে।'

মানৱ অধিকাৰৰ সংজ্ঞা এনেধৰণেও আগবঢ়াব পৰা যায়— 'সাধাৰণভাৱে বুজিবলৈ হ'লে মানৱ অধিকাৰ এনে কিছুমান অধিকাৰ যি ব্যক্তি হিচাপে মানুহে জন্মসূত্রে লাভ কৰে। মানৱ অধিকাৰ ধাৰণাটিয়ে স্বীকৃতি প্রদান কৰিছে যে জাতি, বর্ণ, লিংগ, ভাষা, ধর্ম, ৰাজনৈতিক বা আন মতাদর্শ, জাতীয় বা সামাজিক গুৰি-গোষ্ঠী, জন্ম বা আন কোনো সামাজিক পৰিস্থিতিত বৈষম্য নোহোৱাকৈ প্রতিজন ব্যক্তিয়েই সমভাৱে মানৱ অধিকাৰ উপভোগ কৰিব পাৰিব।'

মানৱ অধিকাৰৰ এই সংজ্ঞাৰ বিশ্লেষণৰ দ্বাৰা পোৱা কিছুমান বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

- মানৱ অধিকাৰ প্রতিজন ব্যক্তিৰে অধিকাৰ।
- ব্যক্তিৰূপে প্রতিজন মানুহৰে মানৱ অধিকাৰ আছে।
- প্রতিজন ব্যক্তিৰ মর্য্যদা আৰু স্বাধীনতাৰ সুৰক্ষাৰ বাবে নির্দিষ্ট মান আছে।
- ব্যক্তি আৰু সমাজৰ সম্পূর্ণ বিকাশৰ বাবে মানৱ অধিকাৰ আৱশ্যকীয়।
- এই অধিকাৰসমূহ এজনৰ পৰা আনজনলৈ হস্তান্তৰ কৰিব নোৱাৰি।
- জাতি, বর্ণ, লিংগ, ভাষা, ধর্ম, ৰাজনৈতিক বা আন মতাদর্শ, জাতীয় বা সামাজিক গুৰি, গোষ্ঠী, জন্ম বা আন কোনো সামাজিক, পৰিস্থিতিৰ বৈষম্য নোহোৱাকৈ প্রতিজন ব্যক্তিকে মানৱ অধিকাৰৰ নিশ্চয়তা প্রদান কৰা হৈছে।

৪.৪ জাতীয় উন্নয়নত মানৱ অধিকাৰৰ গুৰুত্ব

মানৱ অধিকাৰৰ অর্থৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি জাতীয় উন্নয়নৰ ক্ষেত্ৰত মানৱ অধিকাৰৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম।

আগত উল্লেখ কৰি অহা হৈছে যে ব্যক্তি হিচাপে মানৱ অধিকাৰ হৈছে সকলো ব্যক্তিৰ এক মৌলিক অধিকাৰ। ৰাজনৈতিক, অর্থনৈতিক অথবা সামাজিক বাধা অবিহনে সকলোকে সম সুবিধা-সুযোগ প্ৰত্যেক ব্যক্তিয়ে প্ৰদান কৰাটো প্ৰত্যেক ৰাষ্ট্ৰৰ কর্তব্য। এইটো সকলোৱে জ্ঞাত যে যিকোনো ঠাইৰ জনসাধাৰণে নিজৰ লগতে পৰিয়ালটোৰ শাৰীৰিক সুৰক্ষা, যন্ত্ৰণা মুক্ত আৰু অযুক্তিকৰ বাধ্যবাধকতা পৰা যুক্ত এক জীৱনৰ কামনা কৰে। সকলোৱে নিকা আৰু সমতা, ভৱিষ্যতে নিজৰ বিকাশৰ সম্ভাৱনীয়তাৰ সুযোগ আৰু জন্মগতভাৱে লাভ কৰা মর্যাদাৰ স্বীকৃতি পোৱাটো বাঞ্ছা কৰে। যিকোনো ব্যক্তিৰ অধিকাৰ খর্ব কৰা কার্যই সামাজিক আৰু ৰাজনৈতিক অস্থিৰতা, দলীয় সংঘর্ষৰ লগতে ৰাষ্ট্ৰৰ মাজত হিংসা-বিদ্বেষৰ ভাবৰ সৃষ্টি কৰে।

মানৱ অধিকাৰ হৈছে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনৰ দ্বাৰা আনুষ্ঠানিকভাৱে প্ৰণিত আৰু ন্যায়সংগতভাৱে স্বীকৃত অধিকাৰ। এই আইনে ৰাষ্ট্ৰত মানৱ অধিকাৰ কার্যকৰী কৰিবলৈ আৰু ৰাষ্ট্ৰক এই অধিকাৰ উলংঘাৰ পৰা বিৰত থাকিবলৈ বাধ্যবাধকতা বান্ধি দিয়ে। বিগত কিছু দশকৰ পৰা মানৱ অধিকাৰ ধাৰাটিৰ প্ৰচুৰ সম্প্ৰসাৰণ আৰু প্ৰয়োগ দেখিবলৈ পোৱা গৈছে। ইয়াৰ বহুতো ইতিবাচক ফলশ্ৰুতি আছে। কাৰণ মানৱ অধিকাৰৰ জ্ঞানে ব্যক্তিক সবল কৰি তোলে আৰু কিছুমান বিশেষ সমস্যা সমাধানত সহায় কৰে। সহনশীলতা আৰু সমতাৰ মূল্যবোধে এখন সমাজত সংঘটিত হ'ব পৰা সংঘর্ষ হ্ৰাস কৰিব পাৰে। যথোপযুক্তভাৱে মানৱ অধিকাৰ পালন সকলো লোকৰে হিত সাধন কৰাৰ লগতে সুৰক্ষা প্ৰদান কৰে। কোনো এক ৰাষ্ট্ৰৰ সঠিক উন্নয়নৰ বাবে মানৱ অধিকাৰ অতি গুৰুত্বপূর্ণ কাৰণ , মানৱ অধিকাৰে ঃ

- ব্যক্তিৰ প্ৰতি সন্মান বৃদ্ধি আৰু ব্যক্তি স্বাধীনতা তথা মর্য্যদা সুৰক্ষিত কৰে,
- ব্যক্তিত্বৰ সমগ্ৰ বিকাশৰ সুবিধা প্ৰদান কৰে,
- মানুহৰ মাজত পাৰস্পৰিক বুজাবুজি, সন্মান, লিংগ, সমতা আৰু বন্ধুত্বপূর্ণভাৱে জগাই তোলে।
- জাতি, বর্ণ, ধর্ম আৰু ভাষিক বৈষম্য নির্মূলকৰণত সহায় কৰে।
- সকলো লোককে এখন মুক্ত সমাজত সফলভাৱে অংশগ্ৰহণ কৰিবলৈ সক্ষম কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মানৱ অধিকাৰ মানে কি?

.....

.....

প্রশ্ন নং ২ ঃ মানৱ অধিকাৰৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৩ ঃ মানৱ অধিকাৰ কিয় গুৰুত্বপূর্ণ?

.....

.....

৪.৫ মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান

ভাৰতবর্ষৰ সংবিধান প্রথম আৰু সর্বোকৃষ্ট এক সামাজিক দলীল। ই ৰাষ্ট্রৰ সামাজিক প্রমূল্যবোধৰ অনুভূতিশীলতাক প্রতিফলিত কৰিছে। আমাৰ সংবিধানে ইয়াৰ প্রস্তাৱনাৰ লগতে মৌলিক অধিকাৰৰ অংশ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিত মানৱ অধিকাৰৰ সাৰাংশা উল্লেখ কৰিছে। আহক আমি ভাৰতবর্ষৰ সংবিধানত মানৱাধিকাৰক কিদৰে উপস্থাপন কৰা হৈছে তাৰ বিষয়ে আলোচনা কৰোহঁক।

৪.৫.১ ভাৰতীয় সংবিধানৰ প্রস্তাৱনা

প্রস্তাৱনাৰ যোগেদি ভাৰতীয় সংবিধানৰ উদ্দেশ্যসমূহৰ ৰূপৰেখা এইদৰে ঘোষণা কৰা হৈছে ঃ

"আমি, ভাৰতৰ জনসাধাৱণে ভাৰতবর্ষক এখন সার্বভৌম, সমাজবাদী, ধর্মনিৰপেক্ষ, প্রতিষ্ঠা কৰিবলৈ গণতান্ত্রিক গণৰাজ্য আৰু নাগৰিকৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ নিষ্ঠা সহকাৰে আমাৰ এই সংবিদান প্রস্তুত কৰিছোঁ। ভাৰতীয় নাগৰিকক প্রদান কৰা সুৰক্ষাসমূহ হ'ল—

ন্যায় ঃ সমাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক স্বতন্ত্রতা (liberty) ঃ নাগৰিকৰ চিন্তা, প্রকাশ, বিশ্বাস, উপাসনাৰ স্বাধীনতা

সমতা (Equality) ঃ সম মর্যাদা আৰু সা-সুবিধা প্রদান আৰু সকলোৰে মাজত এই সমতাৰ বিকাশ।

ভ্রাতৃত্ব (Fraternity) ঃ ব্যক্তিৰ মর্যাদাৰ সুনিশ্চিতি প্রদান আৰু জাতীয় ঐক্য আৰু সংহতি ৰক্ষাৰ দ্বাৰা ভ্রাতৃত্বভাবৰ বৃদ্ধি।

৪.৫.২ মৌলিক অধিকাৰসমূহ

ভাৰতীয় সংবিধানৰ প্ৰতিষ্ঠাপক প্ৰণেতাসকল ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকৰ বাবে যে প্ৰকৃত স্বাধীনতা প্ৰদানৰ প্ৰয়োজন তাৰ বাবে সচেতন আছিল। ৰাজনৈতিক আৰু সামাজিক প্ৰমূল্যবোধক অনুধাৱন কৰি ভাৰতীয় সংবিধানৰ তৃতীয় অংশত (Part-III) নাগৰিকৰ মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে যি অধিকাৰ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য। এই অধিকাৰসমূহ তলত উল্লেখ কৰা দৰে হ'ল

১. সমতাৰ অধিকাৰ (Right to Equality)

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ১৪-১৮ৰ জৰিয়তে সমতাৰ অধিকাৰ প্ৰদান কৰা হয়—

(i) ভাৰতবৰ্ষৰ ভৌগোলিক পৰিসীমাৰ অন্তৰ্ভুক্ত সকলো ব্যক্তিয়ে আইনৰ চকুত সমান আৰু সমসুৰক্ষিত (অনুচ্ছেদ নং ১৪)

(ii) ধৰ্ম, জাতি, বৰ্ণ, ভাষা, লিংগ বা জন্মস্থানৰ ভিত্তিত ৰাষ্ট্ৰই কাৰো প্ৰতি বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। ইয়াৰ উপৰি সকলোৰে বাবে প্ৰদান কৰা ৰাজহুৱা স্থান ব্যৱহাৰৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ প্ৰদৰ্শন কৰিব নোৱাৰিব (অনুচ্ছেদ নং-১৫)

(iii) চৰকাৰী পদত নিযুক্তি বা লোকসেৱাৰ নিযুক্তিৰ ক্ষেত্ৰত সম সুযোগ-সুবিধা (অনুচ্ছেদ নং - ১৬)

(iv) অস্পৃশ্যতা নিৰ্মূলকৰণ (অনুচ্ছেদ নং-১৭)

(v) শিক্ষাগত যোগ্যতা বা সামৰিক দিশৰ যোগ্যতাৰ বাহিৰে আন কোনো কাৰণৰ ভিত্তিত নাগৰিকক উপাধি প্ৰদান ব্যৱস্থা বন্ধ কৰা হৈছে (অনুচ্ছেদ নং-১৮)

এই অনুচ্ছেদ নং ১৪-১৮ ৰ ব্যৱস্থাই সকলো নাগৰিকক সম ৰাজনৈতিক আৰু সামাজিক অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰিছে। তাৰোপৰি সংবিধানে নাগৰিকক সামাজিক আৰু ৰাজহুৱা জীৱনত সমসুযোগ সুবিধাৰ ব্যৱস্থা প্ৰদান কৰাৰ লগতে বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে নাগৰিকৰ সুৰক্ষা প্ৰদান কৰিছে।

২. স্বাধীনতাৰ অধিকাৰ (Right to Freedom)

অনুচ্ছেদ নং ১৯-২২এ স্বাধীনতাৰ অধিকাৰ সমূহ সামৰি লৈছে—

ক) ছয় প্ৰকাৰৰ মৌলিক স্বাধীনতা (অনুচ্ছেদ নং ১৯)

(i) বাক্ স্বাধীনতা আৰু প্ৰকাশৰ স্বাধীনতা

(ii) নিৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা

(iii) সংস্থা আৰু সংঘ সংগঠন কৰাৰ স্বাধীনতা

(iv) ভাৰতবৰ্ষৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত মুক্তভাৱে চলা-ফুৰা কৰাৰ স্বাধীনতা

(v) ভাৰতবৰ্ষৰ যিকোনো স্থানত বসবাস কৰাৰ স্বাধীনতা

(vi) যিকোনো বৃত্তি, জীৱিকা বা ব্যৱসায় কৰাৰ স্বাধীনতা।

খ) যধে মধে প্রদান কৰা শাস্তিৰ বিৰুদ্ধে থকা সুৰক্ষা (Protection in Respect of conviction of offences) (অনুচ্ছেদ নং-২০)

সংবিধানৰ ২০ অনুচ্ছেদ অনুসৰি আইন অমান্য কৰাৰ বাহিৰে আন কাৰণত গ্রেপ্তাৰ কৰিব নোৱাৰিব আৰু অপৰাধ সংঘটিত কৰাৰ সময়ত যি আইন অমান্য কৰে সেই আইনৰ অধীনস্থ যি শাস্তিৰ ব্যৱস্থা আছে, তাতকৈ অধিক শাস্তি কোনো ব্যক্তিক দিব নোৱাৰিব।

গ) জীৱন আৰু স্বতন্ত্রতাৰ সুৰক্ষা (Protection of Life and Liberty) (অনুচ্ছেদ নং - ২১)

সংবিধানত সন্নিৱিষ্ট এই অনুচ্ছেদ অনুসৰি আইনৰ দ্বাৰা প্রতিষ্ঠিত পদ্ধতিৰ বাহিৰে আন কোনো উপায়ে কোনো ব্যক্তিক জীৱন নাইবা ব্যক্তিগত স্বতন্ত্রতাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। এই অধিকাৰ সকলো প্রকাৰৰ মৌলিক অধিকাৰৰ ভিতৰত ব্যক্তিৰ আটাইতকৈ প্রয়োজনীয় মৌলিক অধিকাৰৰূপে গণ্য কৰা হৈছে; সেয়ে আনকি জৰুৰীকালীন অৱস্থাতো কেতিয়াও এই অধিকাৰ খর্ব কৰিব নোৱাৰিব।

ঘ) আটক আৰু আটকাধীন হৈ থকাৰ বিৰুদ্ধে থকা সুৰক্ষা (Protection Against Arrest and Detention in certain cases) (অনুচ্ছেদ নং - ২২)

সংবিধানৰ ২২নং অনুচ্ছেদ অনুসৰি আটকাধীন ব্যক্তিৰ চাৰিটা অধিকাৰ আছে।

(i) গ্রেপ্তাৰ কৰা যিকোনো লোককে যিমান সোনকালে সম্ভৱ হয় সিমান সোনকালে গ্রেপ্তাৰৰ কাৰণ দর্শাব লাগিব।

(ii) গ্রেপ্তাৰ হোৱা লোকে নিজৰ ইচ্ছা অনুসৰি কোনো আইনজীৱীৰ পৰামশ ল'ব পাৰিব আৰু তেওঁক প্রতিনিধিত্ব কৰাৰ বাবে নিয়োগ কৰিব পাৰিব।

(iii) গ্রেপ্তাৰ হোৱা প্রতিজন লোককে গ্রেপ্তাৰ হোৱা ঠাইৰ নিকটতম দণ্ডাধীশৰ ওচৰলৈ প্রেৰণ কৰাৰ বাবে আৱশ্যকীয় সময়ৰ বাহিৰে ২৪ ঘণ্টাৰ ভিতৰত বিচাৰকৰ ওচৰত হাজিৰ কৰাব লাগিব আৰু বিচাৰকৰ অনুমতি অবিহনে ২৪ ঘণ্টাতকৈ অধিক সময় আটক কৰি ৰাখিব নোৱাৰিব।

(iv) ভাৰতীয় সংবিধানে সংসদক নিবাৰক নিৰোধক আইন (Preventive Detention Act) অনুসৰি ৰাষ্ট্র বিৰোধী কার্যকলাপত জড়িত লোকক আটক কৰাৰ ক্ষমতা প্রদান কৰিছে। এই ব্যৱস্থা অনুসৰি গ্রেপ্তাৰৰ প্রথম অৱস্থাত দুমাহ সময়হে আটকাধীন কৰি ৰাখিব পাৰিব। এই আটকাধীনৰ দুমাহ কাল প্রয়োজন সাপেক্ষে বর্ধিত কৰিব পাৰিব যদিহে উপদেশমূলক ব'র্ডে (Advisory Board) অনুমোদন জনায়। এই উপদেশমূলক ব'র্ড উচ্চন্যায়ালয়ৰ এজন দণ্ডাধীশক সভাপতিৰূপে আৰু আন দুজন দণ্ডাধীশক সদস্যৰূপে লৈ গঠিত কৰা হৈছে।

৩. শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitation)

সামাজিক ন্যায় প্রতিষ্ঠাৰ উদ্দেশ্যে এই অধিকাৰ অনুসৰি—

(ক) মানৱ সৰবৰাহ, ভিক্ষাৰী বা কোনো লোকক বিনা পাৰিশ্রমিকেৰে কাম কৰোৱা নিষেধ (অনুচ্ছেদ নং ২৩)

(খ) ১৪ বছৰৰ অনুর্ধৰ শিশুক কোনো কাৰখানা, খনি নাইবা আন কোনো বিপদ সংকুল কামত নিয়োগ কৰা নিষিদ্ধ (অনুচ্ছেদ নং ২৪)

৪. ধর্মীয় স্বাধীনতাৰ অধিকাৰ (Right to Freedom of Religion)

ভাৰতীয় সংবিধানৰ ২৫-২৮ নং অনুচ্ছেদ সকলো ভাৰতীয়ৰ বাবে ধর্মৰ স্বাধীনতা প্রদান কৰিছে—

(ক) সকলো ভাৰতীয় নাগৰিককে নিজ অভিৰুচি মতে যিকোনো ধর্ম গ্রহণ, ধর্ম চর্চা আৰু প্রচাৰৰ অধিকাৰ প্রদান কৰিছে (অনুচ্ছেদ নং-২৫)

(খ) সকলো ধর্মীয় সম্প্রদায়কে ধর্মীয় প্রতিষ্ঠান স্থাপন, ধর্মীয় কার্যাৱলী পৰিচালনা কৰিবলৈ, স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি আহৰণ আৰু অনুশাসনৰ স্বাধীনতা প্রদান (অনুচ্ছেদ নং - ২৬)

(গ) কোনো বিশেষ ধর্মৰ প্রচাৰ আৰু পোষকতাৰ বাবে কোনো ব্যক্তিক কৰ আদায়ৰ বাবে বাধ্য কৰাব নোৱাৰিব। (অনুচ্ছেদ নং-২৭)

(ঘ) সম্পূর্ণৰূপে ৰাজ্যিক চৰকাৰৰ দ্বাৰা অনুদান প্রাপ্ত বা সাহায্য প্রাপ্ত কোনো শিক্ষানুষ্ঠানতে ধর্মীয় নির্দেশনা জাৰি কৰিব নোৱাৰিব। (অনুচ্ছেদ নং ২৮)। একেদৰে, কিছুমান বিশেষ শিক্ষানুষ্ঠানত ধর্মীয় আদেশ অথবা প্রার্থনাত উপস্থিত থকাৰ অধিকাৰ প্রদান কৰা হৈছে কিন্তু যিকোনো ধর্মৰ নির্দেশনা পালন বা ধর্মীয় অনুষ্ঠানত উপস্থিত থাকিবলৈ কোনো ব্যক্তিক বাধ্য বা জোৰ জুলুম কৰিব নোৱাৰিব।

৫. শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ (Cultural and Educational Rights)

(ক) সংখ্যালঘুসকলৰ স্বার্থৰ ৰক্ষণাবেক্ষণ আৰু তেওঁলোকৰ ভাষা, লিপি বা সংস্কৃতি সংৰক্ষণৰ অধিকাৰ প্রদান কৰিছে। (অনুচ্ছেদ নং-২৯)

(খ) ধর্মীয় আৰু ভাষিক সংখ্যালঘুসকলক তেওঁলোকৰ নিজৰ পছন্দ অনুসৰি শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনাৰ অধিকাৰ প্রদান কৰিছে। (অনুচ্ছেদ নং-৩০)

৬. সাংবিধানিক নিৰাময়ৰ অধিকাৰ (Right to Constitutional Remedies)

সংবিধানৰ ৩২নং অনুচ্ছেদৰ জৰিয়তে সঠিক প্রক্রিয়াৰ যোগেদি নাগৰিকসকলক ভংগ হোৱা অধিকাৰ ৰক্ষাৰ কাৰণে উচ্চতম ন্যায়ালয়ৰ কায চপাৰ অধিকাৰ দিছে। উচ্চতম ন্যায়ালয়ক নাগৰিক অধিকাৰ ৰক্ষাৰ বাবে লেখ (Writ) আদেশ বা নির্দেশ গ্রহণৰ কর্তৃত্ব ন্যস্ত কৰা হৈছে। উচ্চতম ন্যায়ালয়ে লেখসমূহ (Habeas Corpus)

বন্দী উপস্থাপন, পৰমাধিদেশ (Mandamus) নিষেধাজ্ঞা (Prohibition) কৈফিয়ৎ তলব (Quo-warranto) আৰু উৎপ্রেৰণ (Certiotari) ইত্যাদিৰ আকাৰত জাৰি কৰি নাগৰিকৰ অধিকাৰ ৰক্ষাৰ ব্যৱস্থা কৰিব পাৰে। নাগৰিকে আনকি মৌলিক অধিকাৰ ৰক্ষাৰ বাবে সংবিধানৰ ২২৬নং অনুচ্ছেদৰ জৰিয়তে উচ্চ ন্যায়ালয়ত আৱেদন কৰিব পাৰে।

একেদৰে, ভাৰতীয় সংবিধানৰ ৪র্থ অধ্যায়ত (অনুচ্ছেদ নং ৩৬-৫১) ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি অন্তর্ভুক্ত কৰা হৈছে। যাৰ লক্ষ্য হৈছে ন্যায়, স্বাধীনতা, সমতা আৰু ভ্রাতৃত্ববোধ প্রতিষ্ঠা কৰা যিটো আমাৰ সংবিধানৰ প্রস্তাৱনাটো উনুকিয়াই দিয়া আছে।

৪.৬ মানৱ অধিকাৰ বিকাশৰ ক্ষেত্রত শিক্ষানুষ্ঠানসমুহৰ ভূমিকা

মানৱাধিকাৰ সম্পর্কীয় শিক্ষা হৈছে মানৱ অধিকাৰৰ বিষয়ে আৰু মানৱ অধিকাৰৰ বাবে প্রদান কৰা শিক্ষা। এনে শিক্ষাই মানৱ অধিকাৰৰ জ্ঞান প্রদান, এনে অধিকাৰৰ কার্যকাৰিতাৰ বাবে আৱশ্যকীয় কৌশলৰ উৎকর্ষ সাধন তথা আনৰ অধিকাৰ সুৰক্ষাৰ প্রতিও সঠিক মনোভাব আৰু প্রমূল্যবোধ গঢ় দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যিহেতু শিক্ষা প্রদান কৰাৰ বাবে শিক্ষানুষ্ঠানসমূহে এক বলিষ্ঠ ভূমিকা পালন কৰিব পাৰে। ই আমাৰ জীৱন প্রগতিশীল, সুসভ্য, সংস্কৃতিময় কৰি তুলিব পাৰে। শিক্ষা এনে এক শক্তি যিয়ে সহনশীলতা, ঐক্যতা আৰু সহযোগিতাৰ প্রমূল্যসমূহ বোধগম্যতাত সহায় কৰে। ই ব্যক্তিৰ মানসপটৰ পৰা সংকীর্ণতা নির্মূল কৰি গণতান্ত্রিক মূল্যবোধেৰে উদ্বুদ্ধ কৰি তোলে আৰু মানৱ অধিকাৰ সংস্কৃতিৰ ওপৰত প্রতিষ্ঠিত সামাজিক ৰূপান্তৰকৰণৰ বিকাশ ঘটায়।

মানৱ অধিকাৰ বিকাশৰ বাবে শিক্ষানুষ্ঠানসমূহে কেনে ধৰণৰ ভূমিকা পালন কৰিব পাৰে তাৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

- বিশ্ববিদ্যালয় শিক্ষা আয়োগে পৰামর্শ আগবঢ়োৱা অনুসৰি প্রতিদিনৰ কার্যাৰম্ভৰ পূর্বে শ্রেণীকোঠা অথবা সভাকক্ষত কেইমিনিটমানৰ বাবে মৌনভাৱে ধ্যান কৰাৰ অভ্যাস শিক্ষানুষ্ঠানসমূহত প্রৱর্তন কৰিব পাৰে; এনে সভাসমূহতে সকলো ধর্ম-সংস্কৃতিৰ প্রতি সন্মান প্রদর্শনৰ চেতনা জাগ্রত কৰিবলৈ বিশ্বৰ বিভিন্ন ধর্ম সংস্কৃতিৰ লগতে বিখ্যাত সাহিত্য, ধর্মীয় তথা ধর্মনিৰপেক্ষ ক্ষেত্রৰ পৰা উদ্ধৃত উদগনিমূলক ভাষণসমূহ পাঠ কৰিব লাগে।
- শিক্ষানুষ্ঠানৰ সহ পাঠ্যক্রমৰ কার্যাৱলীৰ সময়ত অভিজ্ঞ শিক্ষিত ব্যক্তিক মানৱ অধিকাৰৰ ওপৰত বক্তৃতা প্রদান কৰিবলৈ আমন্ত্রণ জনাব পাৰে।
- সকলো শিক্ষানুষ্ঠানতে কোনো প্রকাৰৰ শাৰীৰিক অনুশীলন প্রত্যেক স্তৰতে বাধ্যতামূলক হ'ব লাগে। ছাত্র-ছাত্রীক খেল-ধেমালিৰ বাবে অনুপ্রাণিত কৰিব লাগে আৰু দৈহিক শ্রমৰ মর্যাদা আৰু সমাজ সেৱাৰ শিক্ষা দিয়া উচিত।

পাৰস্পৰিক বুজাপৰা উন্নত কৰা, ভিন্ন জাতি, সম্প্রদায়ৰ লগতে ভিন্ন ধর্মত বিশ্বাসী লোকক সন্মান জনোৱা ইত্যাদি মূল্যবোধ জ্ঞান দিয়া উচিত যিয়ে জাতীয় ঐক্যলৈ অৱদান আগবঢ়াব পাৰে।

- মানৱ অধিকাৰৰ বিষয়টো বিদ্যালয়ত প্ৰচলিত বিভিন্ন বিষয় যেনে— বুৰঞ্জী, পৌৰ বিজ্ঞান, সাহিত্য, কলা, ভূগোল, ভাষা বিজ্ঞানৰ বিষয়সমূহত সন্নিবিষ্ট কৰিব পাৰে। অথবা মানৱ অধিকাৰ শিক্ষাক এক বিশেষ পাঠ্যক্ৰমৰ যোগেদি কিছু লঘু আনুষ্ঠানিক শিক্ষাৰ ৰূপত বিদ্যালয়ৰ ভিতৰত বা বিদ্যালয়ৰ পাঠদান সমাপ্তিৰ পাছৰ কাৰ্যসূচী বা যুৱ মঞ্চৰ জৰিয়তে এই শিক্ষা প্ৰদান কৰিব পাৰি।
- মানৱ অধিকাৰ মাথোঁ এক শৈক্ষিক বিষয় নহয়, ইয়াৰ লগত জড়িত হৈ আছে অনুভূতি, প্ৰমূল্যবোধ আৰু মত-অভিমত। সেয়ে পৰিৱৰ্তিত শিক্ষণৰ বাবে এই অধিকাৰৰ ওপৰত সমানেই গুৰুত্ব প্ৰদান কৰিব লাগিব। শিক্ষক আৰু বৃত্তিগতভাৱে জড়িত মানৱ অধিকাৰ গোট, শিক্ষক সস্থা, বেচৰকাৰী সংগঠন ইত্যাদিসমূহৰ মাজত এক পাৰস্পৰিক সমৰ্থিত সমন্বয়ৰ দ্বাৰা মানৱ অধিকাৰ শিক্ষা আৰু বিকাশত যথেষ্ট অৱিহণ যোগাব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত উল্লেখিত সংবিধানৰ প্ৰধান উদ্দেস্যসমূহ বৰ্ণনা কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ মৌলিক স্বাধীনতাসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

প্ৰশ্ন নং ৭ ঃ অপৰাধৰ বাবে প্ৰদান কৰা শাস্তিৰ সুৰক্ষাৰ অনুচ্ছেদটোৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৮ ঃ শোষণৰ বিৰুদ্ধে অধিকাৰ মানে কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ মানৱ অধিকাৰ বিকাশৰ অৰ্থে শিক্ষানুষ্ঠানৰ ভূমিকাৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ যোগেদি আপোনালোকে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মানৱ অধিকাৰৰ বিষয়ে যথেষ্ট জ্ঞান আহৰণ কৰিব পাৰিছে। ইয়াৰ জৰিয়তে মানৱ অধিকাৰৰ সংজ্ঞা আৰু ইয়াৰ গুৰুত্বতাৰ বিষয়ে জানিব পাৰিলে।
- মানৱ অধিকাৰ হৈছে জীৱনৰ এনে কিছুমান চৰ্ত যিয়ে আমাক পূৰ্ণাংগ বিকাশ আৰু আমাৰ মানৱীয় গুণৰ উপযুক্ত প্ৰয়োগৰ বাবে সুযোগ প্ৰদান কৰে। মানৱ অধিকাৰ ধাৰণাটিয়ে জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক বা আন মতাদৰ্শ, জাতীয় বা সামাজিক গুৰি-গোষ্ঠী, জন্ম বা আন কোনো সামাজিক প্ৰস্থিতিৰ বৈষম্য নোহোৱাকৈ প্ৰতিজন ব্যক্তিকেই সমভাৱে মানৱ অধিকাৰ উপভোগৰ স্বীকৃতি প্ৰদান কৰিছে।
- ব্যক্তি হিচাপে প্ৰত্যেক মানুহৰেই মানৱ অধিকাৰ হৈছে সকলো অধিকাৰৰ ভিতৰতে এক মৌলিক অধিকাৰ। এই অধিকাৰ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনৰ দ্বাৰা আনুষ্ঠানিকভাৱে প্ৰণিত আৰু ন্যায়সংগতভাৱে স্বীকৃত অধিকাৰ। মানৱ অধিকাৰ প্ৰয়োগ আৰু ইয়াৰ নিশ্চয়তা প্ৰদান কৰা প্ৰত্যেক ৰাষ্ট্ৰৰে এক প্ৰধান কৰ্তব্য। মানৱ অধিকাৰৰ জ্ঞানে ব্যক্তিক সবল কৰি তোলে আৰু কিছুমান বিশেষ সমস্যা সমাধানত সহায় কৰে। এই অধিকাৰে মানুহৰ মাজত পাৰস্পৰিক বুজা-বুজি, বন্ধুত্বপূৰ্ণভাৱে জগাই তোলে আৰু জাতি, বৰ্ণ, ধৰ্ম, ভাষা আৰু লিংগ বৈষম্য দূৰ কৰাত সহায় কৰে।
- ভাৰতীয় সংবিধানে মানৱ অধিকাৰৰ এখন বিস্তৃত তালিকা প্ৰস্তুত কৰিছে আৰু ইয়াক ৰাষ্ট্ৰীয় নিৰ্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ ৰূপত সংবিধানত সন্নিৱিষ্ট কৰিছে। এই মৌলিক অধিকাৰসমূহ হ'ল—
  সমতাৰ অধিকাৰ (অনুচ্ছেদ নং ১৪-১৮)
  স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ নং ১৯-২২)
  শোষণ বিৰুদ্ধে অধিকাৰ (অনুচ্ছেদ নং ২৩-২৪)
  ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ নং ২৫-২৮)
  শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ (অনুচ্ছেদ নং ২৯-৩০)
  আৰু সাংবিধানিক নিৰাময়ৰ অধিকাৰ (অনুচ্ছেদ নং ৩২)
- শিক্ষানুষ্ঠানসমূহে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব পাৰে, যেনে— মানৱ অধিকাৰ দিৱস পালন (ডিচেম্বৰ ১০), ৰচনা প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, আলোচনাচক্ৰ, নাটক, ক্ষেত্ৰ ভ্ৰমণ, সজাগতা সভা ইত্যাদিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত মানৱ অধিকাৰৰ বিকাশ ঘটাব পাৰি।
- শিক্ষানুষ্ঠানসমূহত আধ্যাত্মিক আৰু নৈতিক শিক্ষা দিয়াটো বাঞ্ছনীয় আৰু নিৰ্দিষ্ট সীমাৰ ভিতৰত এনে শিক্ষাৰ কাৰ্যকাৰিতা সম্ভৱ। সংবিধানৰ সত্ত্বাক সন্মান প্ৰদৰ্শন কৰা উচিত আৰু বিভিন্ন জাতি, সম্প্ৰদায় বা ধৰ্মীয় গোটৰ আবেগ-অনুভূতিক অৱজ্ঞা কৰা অনুচিত। এনে শিক্ষাই শিক্ষাৰ্থীক প্ৰবুদ্ধ কৰা।

- শিক্ষা ব্যৱস্থাটোত মানৱ অধিকাৰ শিক্ষা সন্নিৱিষ্ট কৰিবৰ বাবে শিক্ষকৰ প্ৰাক সেৱাকালিনী প্ৰশিক্ষণত মানৱ অধিকাৰ শিক্ষা আৰু মানৱ অধিকাৰ শিক্ষাৰ পদ্ধতি অন্তৰ্ভুক্ত কৰিব লাগে।



৪.৮ অধিক জানিবলৈ

1) Basu, D.D.(2003) Human Rights in Constitutional Law. Wadhwa, Nagpur.
2) Patil, V. T. & Sastry(2000) Studies in Human Rights, P.R. Books, New Delhi.
3) Sen, A. N. (2005) Human Rights, Sri Sai Publications.



৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ বিশ্বৰ প্ৰতিজন ব্যক্তিয়েই মানুহ হিচাপে জন্মগ্ৰহণ কৰাৰ বাবে জন্মগতভাৱে লাভ কৰিছে মানৱ অধিকাৰ।

২ নং প্ৰশ্ন উত্তৰ ঃ

(i) মানৱ অধিকাৰ প্ৰতিজন ব্যক্তিৰেই জন্মগত অধিকাৰ।

(ii) মানৱ অধিকাৰ প্ৰতিষ্ঠা কৰা হৈছে মানুহৰ মৰ্যাদা আৰু মূল্যৰ বাবে।

(iii) মানৱ অধিকাৰ বিশ্বজনীন, ইয়াৰ অৰ্থ এয়ে যে কোনো বৈষম্য নোহোৱাকৈ ই সকলোতে সকলো মানুহৰ বাবে সমভাৱে প্ৰযোজ্য।

৩ নং প্ৰশ্ন উত্তৰ ঃ মানৱ অধিকাৰ অতি গুৰুত্বপূৰ্ণ অধিকাৰ কাৰণ ই ব্যক্তি স্বাধীনতা আৰু সুৰক্ষা প্ৰদান, ব্যক্তিৰ পূৰ্ণাংগ ব্যক্তিত্ব বিকাশত সুবিধা প্ৰদান, ব্যক্তিৰ মাজত পাৰস্পৰিক বুজাবুজি, সন্মান প্ৰদৰ্শনৰ ভাব বৃদ্ধি কৰা, জাতি-জনগোষ্ঠীয়, ধৰ্মীয় আৰু ভাষিক পৃথকীকৰণ বৈষম্য নিৰ্মূল কৰাত সহায় কৰে।

৪ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰা আৰু ইয়াৰ সকলো নাগৰিককে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা-চৰ্চা, ভাব প্ৰকাশ, বিশ্বাস আৰু উপাসনাৰ স্বাধীনতা, সমস সা-সুবিধা আৰু ব্যক্তিৰ মৰ্যাদা প্ৰদান আৰু ভ্ৰাতৃত্ববোধেৰে জাতীয় ঐক্য আৰু সংহতি বৃদ্ধি কৰা।

৫ নং প্ৰশ্ন উত্তৰ ঃ সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ আৰু সাংবিধানিক নিৰাময়ৰ অধিকাৰ।

৬ নং প্ৰশ্ন উত্তৰ ঃ বাক্‌স্বাধীনতা, নিৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা, সংস্থা আৰু সংঘ সংগঠন কৰাৰ স্বাধীনতা, ভাৰতবৰ্ষৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত মুক্তভাৱে চলা-ফুৰা কৰাৰ স্বাধীনতা, ভাৰতবৰ্ষৰ যিকোনো স্থানত বসবাস বা স্থায়ীভাৱে থকাৰ সুবিধা, যিকোনো বৃত্তি, জীৱিকা বা ব্যৱসায় বাণিজ্য কৰাৰ স্বাধীনতা।

৭ নং প্ৰশ্ন উত্তৰ ঃ অনুচ্ছেদ নং-২০

৮ নং প্ৰশ্ন উত্তৰ ঃ এই অনুচ্ছেদ অনুসৰি মানৱ সৰবৰাহ, কোনো লোকক বিনা পৰিশ্ৰমিকৰে কাম কৰিবলৈ বাধ্য কৰোৱা আৰু ১৪ বছৰৰ অনুৰ্ধৰ শিশুক কোনো কাৰখানা, খনি, নাইবা কোনো বিপদসংকুল কামত নিয়োগ কৰা নিষিদ্ধ।

৯ নং প্ৰশ্ন উত্তৰ ঃ শিক্ষানুষ্ঠানসমূহে সজাগতা সভা, বক্তৃতানুষ্ঠান, আলোচনাচক্ৰ, গৱেষণাচক্ৰ আদিৰ আয়োজন কৰিব পাৰে, তাৰোপৰি বিভিন্ন শৈক্ষিক বিষয়ত মানৱ অধিকাৰ বিষয়ে অন্তৰ্ভুক্ত কৰিব পাৰে আৰু শিক্ষকসকলৰ সজাগতা বৃদ্ধিৰ বাবে শিক্ষক প্ৰশিক্ষণৰ কাৰ্যসূচীত মানৱ অধিকাৰ আৰু মানৱ অধিকাৰ শিক্ষাৰ পদ্ধতিসমূহ অন্তৰ্ভুক্ত কৰা উচিত।



৪.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰ বুলিলে কি বুজে? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ এটা সংজ্ঞা দিয়ক আৰু ইয়াৰ ব্যাখ্যা আগবঢ়াওক। জাতিৰ উন্নয়নৰ বাবে মানৱ অধিকাৰ কিয় গুৰুত্বপূৰ্ণ?

প্ৰশ্ন ৩ ঃ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ গুণগত জীৱনধাৰণৰ মান উন্নত কৰিবলৈ হ'লে মৌলিক অধিকাৰসমূহ কিয় প্ৰয়োজনীয় বুলি ভাবে?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মৌলিক অধিকাৰ কি? ভাৰতীয় সংবিধানত উল্লেখিত মৌলিক অধিকাৰসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰ বিকাশৰ বাবে শিক্ষানুষ্ঠানসমূহে পালন কৰিবলগীয়া ভূমিকাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ শিক্ষা আৰু মানৱ অধিকাৰ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শিক্ষা আৰু মানৱ অধিকাৰ

৫.৩.১ মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা

৫.৩.২ মানৱ অধিকাৰ শিক্ষাৰ লক্ষ্য

৫.৪ ৰাষ্ট্ৰ সংঘৰ দ্বাৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ

৫.৫ শিক্ষাৰ অধিকাৰ

৫.৬ শিক্ষাৰ অধিকাৰ আইন ২০০৯

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰ বিকাশৰ বাবে শিক্ষাৰ গুৰুত্বৰ বিষয়ে বুজিব পাৰিব
- ৰাষ্ট্ৰ সংঘৰ দ্বাৰা ঘোষিত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ বিষয়ে অৱগত হ'ব
- শিক্ষাৰ অধিকাৰনো কি তাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ বিষয়ে জ্ঞাত হ'ব

৫.২ পৰিচয়

আমি ইয়াৰ আগৰ অধ্যায়ত ভাৰতীয় সংবিধানে আগবঢ়োৱা মানৱ অধিকাৰৰ বিষয়ে আৰু মানৱ অধিকাৰৰ অৰ্থ আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰি আহিছো। আপোনালোকে নিশ্চয় বুজি পাইছে যে মানৱ অধিকাৰ হৈছে প্ৰত্যেক ব্যক্তিৰ এক জন্মগত অধিকাৰ যি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে প্ৰত্যেক ব্যক্তি এই অধিকাৰৰ গৰাকী হয়। তদুপৰি যিকোনো সম্প্ৰদায়, বসতি অঞ্চল, জন্মৰ উৎপত্তি অথবা আন কোনো সামাজিক পৰিস্থিতিৰ মাজত ভেদাভেদ নাৰাখি প্ৰতিজন ব্যক্তিকে এই অধিকাৰ প্ৰদান কৰা হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ অধিক সংখ্যক

লোকেই তেওঁলোকৰ এই অধিকাৰৰ বিষয়ে সচেতন নহয়। সচেতনতা আৰু সাধাৰণ জ্ঞান-অনুভূতিয়ে ব্যক্তিৰ এই স্বাভাৱিক অধিকাৰ সক্রিয় কৰি ৰাখিব পাৰে। এই ক্ষেত্রত শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰা দেখা যায় যিয়ে মানুহৰ অজ্ঞতা দূৰ কৰে, প্রতিজন মানুহে জ্ঞাত হোৱা প্রয়োজন যে তেওঁ মানুহ হিচাপে জন্মগ্রহণ কৰিছে আৰু সমাজত মানুহ হিচাপেই জীয়াই থাকিব লাগিব। আন অর্থত, ব্যক্তিয়ে তেওঁৰ অধিকাৰৰ বিষয়ে আৰু অধিকাৰসমূহৰ সাব্যস্তকৰণৰ বিষয়ে সজাগ আৰু জ্ঞাত হোৱা উচিত।

এই অধ্যায়ত শিক্ষা আৰু মানৱ অধিকাৰ, মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ প্রস্তাৱনা, শিক্ষাৰ অধিকাৰ আৰু শিক্ষাৰ অধিকাৰ আইন, ২০০৯ চনৰ বিষয়ে আলোচনা কৰা হৈছে।

৫.৩ শিক্ষা আৰু মানৱ অধিকাৰ

শিক্ষা হৈছে সমাজৰ পৰা আন্ধাৰ-অজ্ঞতা নির্মূল কৰাৰ এক প্রধান আহিলা। প্রত্যেক ব্যক্তিয়ে জনা উচিত যে তেওঁ মানুহ হিচাপে জন্মগ্রহণ কৰিছে আৰু সেয়ে সমাজত মানুহ হিচাপেই জীয়াই থকা উচিত। অর্থাৎ প্রত্যেকেই তেওঁৰ নিজস্ব অধিকাৰ আৰু স্বত্বসমূহৰ বিষয়ে অৱগত হোৱা প্রয়োজন। শিক্ষা হৈছে এনে এক প্রক্রিয়া যাৰ দ্বাৰা মানৱ অধিকাৰৰ লগতে এই অধিকাৰসমূহ কিদৰে ৰক্ষণাবেক্ষণ দিব লাগে তাৰ জ্ঞান প্রদান কৰে। সেয়ে 'মানৱ অধিকাৰ শিক্ষা'ক শিক্ষা প্রক্রিয়াটোৰ এক অবিচ্ছেদ্য অংশ হিচাপে গণ্য কৰা হৈছে আৰু বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাঠ্যক্রমত মানৱ অধিকাৰ বিষয়টো অন্তর্ভুক্ত কৰা হৈছে।

শিক্ষাৰ দ্বাৰা মানৱ অধিকাৰ বিকাশৰ তিনিটা দিশ তলত উল্লেখ কৰা হ'ল—

(ক) **জ্ঞান**— মানৱ অধিকাৰৰ বিষয়ে আৰু এই অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণৰ বাবে তথ্য প্রদান কৰা।

(খ) **প্রমূল্যবোধ, বিশ্বাস আৰু মনোভাৱ**— এই প্রক্রিয়াসমূহৰ উন্নয়নৰ দ্বাৰা এক মানৱ অধিকাৰ সংস্কৃতি গঢ় দিয়া।

(গ) **কর্তব্য**— মানৱ অধিকাৰৰ সু�ৰক্ষা আৰু মানৱ অধিকাৰ অপব্যৱহাৰ প্রতিৰোধৰ বাবে ৰাইজৰ সজাগ কৰা।

ওপৰোক্ত দিশসমূহৰ পৰা এইটো স্পষ্টভাৱে ক'ব পৰা যায় যে মানৱ অধিকাৰ শিক্ষাৰ মূল উদ্দেশ্য হৈছে শিক্ষার্থীসকলৰ মাজত অধিকাৰৰ বাবে সার্বজনীন বাঞ্ছা জগাই তোলা, মানৱ অধিকাৰ সুৰক্ষাৰ বাবে প্রয়োজনীয় কৌশলৰ বিষয়ে শিক্ষার্থীক মৌলিক জ্ঞান প্রদান কৰা, এই বিষয়সমূহ বিশ্লেষাত্মক দৃষ্টিভংগীৰে চিন্তা-চর্চা কৰাত ছাত্র-ছাত্রীক সহায় প্রদান কৰা আৰু মানৱীয় অধিকাৰ উলংঘা বা বিঘ্নিত হ'ব পৰা ক্ষেত্রত ইয়াৰ প্রতি সচেতন পদক্ষেপ গ্রহণ কৰাৰ শিক্ষা আগবঢ়োৱা।

৫.৩.১ মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা

মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তাসমূহ হ'ল—

- মানুহক মানৱ অধিকাৰৰ বিষয়ে সজাগ কৰি তোলা
- এই অধিকাৰে মানুহক যিকোনো প্ৰকাৰৰ বৈষম্য, দুৰ্ব্যৱহাৰৰ পৰা ৰক্ষা কৰা আৰু বিশ্বব্যাপি এক গণতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা কৰাত সহায় কৰা।
- ই বহল দৃষ্টিভংগীৰে সাৰ্বজনীন/গোলকীয় উন্নয়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় সমাজ আৰু সম্প্ৰদায়ৰ ধাৰণা গঢ় দিয়াত অৰিহণা যোগায়।
- এই অধিকাৰে এক গণতান্ত্ৰিক আৰু ভিন্ন সংস্কৃতিৰ সমাজ য'ত সহনশীলতা আৰু ধৈৰ্য সকলোৰে বাবে বাঞ্ছনীয় তেনে ক্ষেত্ৰত মানৱ অধিকাৰৰ প্ৰতি আৱশ্যকীয় মৰ্যাদা প্ৰদান কৰে।
- নাগৰিকৰ মাজত গোলকীয় সজাগতা আৰু আন্তঃবুজাবুজিৰ মনোভাৱ প্ৰতিষ্ঠা কৰা।
- ই মানৱ অধিকাৰৰ অপব্যৱহাৰ, সামাজিক অন্যায়, আৰু মানুহৰ স্বাৰ্থপৰতা তথা স্বঅভিযোজন নিৰ্মূল কৰাত সহায় কৰে।
- মানৱ অধিকাৰ শিক্ষাই সদায় মানৱ অধিকাৰৰ আদৰ্শগত আৰু ৰাজনৈতিক দিশটো বিবেচনা কৰে।

৫.৩.২ মানৱ অধিকাৰ শিক্ষাৰ লক্ষ্যসমূহ

মানৱ অধিকাৰ শিক্ষাই মানৱ অধিকাৰৰ বিষয়ে আৰু এই অধিকাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে শিক্ষা প্ৰদান কৰে। এই শিক্ষাৰ লক্ষ্য হ'ল মানুহক মানৱ অধিকাৰৰ বিষয়ে জ্ঞাত কৰোৱা, মূল্যবোধ জাগ্ৰত কৰা আৰু মানৱ অধিকাৰৰ বিকাশ, সু�ৰক্ষা আৰু মৰ্যাদা প্ৰদান কৰাত সহায় আগবঢ়োৱা। মানৱ অধিকাৰ বিষয়ৰ শিক্ষাই মানুহক মানৱ অধিকাৰৰ তথ্য যোগান ধৰাত সহায় কৰে। মানৱ অধিকাৰ শিক্ষাই প্ৰদান কৰা শিক্ষাৰ পৰা তলত উল্লেখ কৰা তথ্যসমূহ জানিব পৰা যায়। যেনে—

- সকলো মানুহে জন্মসূত্ৰে পোৱা মৰ্যাদা আৰু অধিকাৰসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা
- মানৱ অধিকাৰৰ নীতিসমূহ যেনে—
  সাৰ্বজনীনতা, অখণ্ডতা আৰু আন্তঃ নিৰ্ভৰশীলতাৰ বিষয়ে জানিব পাৰিব।
- মানৱ অধিকাৰে কিদৰে শান্তিপূৰ্ণভাৱে সংঘৰ্ষ সমাধান কৰে।
- ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু স্থানীয় আইনৰ বিষয়ে জ্ঞাত হ'ব।
- আন্তঃৰাষ্ট্ৰীয় আইন যেনে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা তথা শিশুৰ অধিকাৰৰ চুক্তিৰ বিষয়ে জানিব পাৰিব।

- মানৱ অধিকাৰ আইনৰ দ্বাৰা এই অধিকাৰবোৰৰ সুৰক্ষাৰ বিষয়ে জানিব পাৰিব।
- মানৱ অধিকাৰ উলংঘা কৰণ যেনে আতিশয্য, গণহত্যা অথবা নাৰী নির্যাতন আৰু ইয়াৰ সামাজিক, অর্থনৈতিক, ৰাজনৈতিক কাৰকসমূহৰ বিষয়ে জানিব পাৰিব।
- মানৱ অধিকাৰ প্রচাৰ, সুৰক্ষা আৰু সন্মানৰ বাবে দায়িত্বশীল ব্যক্তি তথা মাধ্যমসমূহৰ বিষয়ে জ্ঞাত হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শিক্ষা হৈছে সমাজৰ পৰা _____ আৰু _____ দূৰ কৰাৰ এক আহিলা।

.....

প্রশ্ন নং ২ ঃ মানৱ অধিকাৰ শিক্ষাৰ প্রয়োজন কিয় তাৰ তিনিটা কাৰণ উল্লেখ কৰক।

.....

প্রশ্ন নং ৩ ঃ মানৱ অধিকাৰ শিক্ষাৰ তিনিটা লক্ষ্য উল্লেখ কৰক।

.....

প্রশ্ন নং ৪ ঃ মানৱ অধিকাৰ শিক্ষাৰ উদ্দেশ্যসমূহ কি কি?

.....

৫.৪ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র

ৰাষ্ট্র সংঘৰ সাধাৰণ সভাই (General Assembly) সকলো জাতি আৰু জনজাতি উন্নয়নৰ সাফল্যৰ এক উমৈহতীয়া মান হিচাপে ১৯৪৮ চনত ১০ ডিচেম্বৰত মানৱ অধিকাৰক সার্বজনীন মানৱ অধিকাৰ হিচাপে ঘোষণা কৰে। মৌলিক মানৱ অধিকাৰ আৰু স্বাধীনতাক সকলোতকৈ বিশ্বাসযোগ্য তাৰে আন্তঃৰাষ্ট্রীয় পর্যায়ত তালিকাভুক্ত কৰাৰ এয়ে আছিল প্রথম আনুষ্ঠানিক প্রচেষ্টা। মানৱ অধিকাৰক এইদৰে ব্যাখ্যা কৰিব পৰা যায় যে, 'মানৱ অধিকাৰ হৈছে মানৱ জাতিৰ প্রত্যেক সদস্যৰ ন্যূনতম অধিকাৰ যি প্রাকৃতিকভাৱে জন্মগত অধিকাৰ।' এই ঘোষণা পত্রত ত্রিশটা অনুচ্ছেদ আছে, য'ত মানৱ জাতি বর্তি থকাৰ বাবে কিছুমান বিশেষ অধিকাৰ আৰু স্বাধীনতা সন্নিৱিষ্ট কৰা হৈছে।

এই অনুচ্ছেদসমূহ তলত উল্লেখ কৰা হ'ল—

অনুচ্ছেদ ১ ঃ সমতাৰ অধিকাৰ— সকলো লোকে মুক্ত হৈ জন্ম লাভ কৰে আৰু মর্যাদা তথা অধিকাৰৰ দিশৰ পৰা সমান।

অনুচ্ছেদ ২ ঃ বৈষম্যতাৰ পৰা মুক্তি/স্বাধীনতা— জাতি, বর্ণ, লিংগ, ভাষা, ধর্ম, ৰাজনৈতিক অথবা অন্য কোনো মতামত, জাতীয় বা সামাজিক উৎপত্তি, সম্পত্তি, জন্মসূত্র বা আন যিকোনো মর্যাদা ভিত্তিক ভেদাভেদ নিৰপেক্ষভাৱে এই ঘোষণাত লিপিবদ্ধ থকা সকলো অধিকাৰৰ ওপৰত প্রত্যেক ব্যক্তিৰ দাবী আছে।

অনুচ্ছেদ ৩ ঃ জীৱন, স্বাধীনতা আৰু ব্যক্তি নিৰাপত্তাৰ অধিকাৰ— প্রত্যেকৰে জীৱন আৰু জীয়াই থকাৰ স্বাধীনতা আৰু নিৰাপত্তাৰ অধিকাৰ আছে।

অনুচ্ছেদ ৪ ঃ দাসত্বৰ পৰা মুক্তি অধিকাৰ সকলো ধৰণৰ দাস প্রথা আৰু দাসত্ব নিষিদ্ধ কৰা হ'ব। কোনো লোকক দাস ৰখা অধিকাৰ দিয়া নহ'ব।

অনুচ্ছেদ ৫ ঃ অত্যাচাৰ, অৱহেলিত আচৰণৰ পৰা স্বাধীনতাৰ অধিকাৰ কাৰো ওপৰত নিষ্ঠুৰ, অমানৱীয় আচৰণ অথবা শাস্তি প্রদান কৰিব নোৱাৰিব।

অনুচ্ছেদ ৬ ঃ আইনৰ চকুত ব্যক্তি হিচাপে স্বীকৃতিৰ অধিকাৰ— যিকোনো ব্যক্তি যিকোনো দেশতে আইনৰ চকুত সমান হিচাপে পৰিগণিত হ'ব।

অনুচ্ছেদ ৭ ঃ আইনৰ দৃষ্টিত সকলো সমান, সেয়ে প্রতিজন ব্যক্তিয়ে কোনো তাৰতম্য নথকাকৈ সমানে আইনৰ সুৰক্ষা পাব লাগিব।

অনুচ্ছেদ ৮ ঃ উপযুক্ত ন্যায়াধিকৰণৰ দ্বাৰা প্রতিকাৰ পোৱাৰ অধিকাৰ— প্রত্যেকৰে সংবিধানৰ দ্বাৰা অথবা আইনৰ দ্বাৰা প্রদান কৰা যিকোনো মৌলিক অধিকাৰ ভংগৰ বিপক্ষে উপযুক্ত ৰাষ্ট্রীয় ন্যায়াধিকৰণৰ দ্বাৰা কার্যকৰী প্রতিকাৰ পোৱাৰ অধিকাৰ আছে।

অনুচ্ছেদ ৯ ঃ স্বেচ্ছাচাৰী গ্রেপ্তাৰ, বন্দীকৰণ বা নির্বাসনৰ বিৰুদ্ধে স্বাধীনতা— যিকোনো ব্যক্তিকে স্বেচ্ছাচাৰীভাৱে গ্রেপ্তাৰ, বন্দী কৰা বা নির্বাসন দিয়া নচলিব।

অনুচ্ছেদ ১০ ঃ মুক্ত ৰাজহুৱা শুনানী পোৱাৰ অধিকাৰ— যিকোনো ব্যক্তিৰ অধিকাৰ আৰু দায় তথা তেওঁৰ বিৰুদ্ধে অনা অপৰাধমূলক অভিযোগৰ নির্ধাৰণৰ ক্ষেত্রত প্রত্যেকৰে স্বাধীন আৰু নিৰপেক্ষ ন্যায়পালিকাৰ দ্বাৰা ন্যায্য আৰু মুক্ত ৰাজহুৱা শুনানী পোৱাৰ অধিকাৰ আছে।

অনুচ্ছেদ ১১ ঃ অপৰাধ প্রমাণিত নোহোৱা পর্যন্ত নিৰাপৰাধীৰূপে গণ্য হোৱাৰ অধিকাৰ— অপৰাধ প্রমাণিত নোহোৱা পর্যন্ত কোনো ব্যক্তিকে দোষী সাব্যস্ত কৰিব নোৱাৰিব।

অনুচ্ছেদ ১২ ঃ ব্যক্তিৰ বা পাৰিবাৰিক গোপনীয়তা অথবা চিঠি-পত্রৰ ক্ষেত্রত হস্তক্ষেপৰ বিৰুদ্ধে স্বাধীনতা— কোনো ব্যক্তিয়ে আনৰ ঘৰত অনাধিকাৰ প্রৱেশ, চিঠি-পত্র খুলি চোৱা বা কোনো বিশেষ কাৰণ অবিহনে আনক অসুবিধা দিয়াৰ বিপক্ষে প্রত্যেক ব্যক্তিৰে আইনগত সুৰক্ষা লোৱাৰ অধিকাৰ আছে।

অনুচ্ছেদ ১৩ ঃ নিজ দেশত বা বাহিৰত মুক্তভৱে চলাচলৰ অধিকাৰ— প্রত্যেকৰে নিজ দেশৰ পৰিসীমাৰ ভিতৰত ইচ্ছা অনুযায়ী চলা-ফুৰা কৰাৰ অধিকাৰ আছে।

অনুচ্ছেদ ১৪ ঃ উৎপীড়নৰ শংকাত আন দেশত আশ্রয় লোৱাৰ অধিকাৰ— যদি কোনো লোক নিজৰ দেশত উৎপীড়ন হোৱাৰ আশংকাত ভোগে, তেন্তে তেওঁ আন নিৰাপদ স্থানত আশ্রয় লোৱাৰ অধিকাৰ আছে।

অনুচ্ছেদ ১৫ ঃ জাতীয়তাৰ অধিকাৰ বা জাতীয়তা সলনি কৰাৰ অধিকাৰ— কোনো ব্যক্তিকে অন্যায়ভাৱে তেওঁৰ জাতীয়তাৰ অধিকাৰ বা জাতীয়তা সলনি কৰাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

অনুচ্ছেদ ১৬ ঃ বিবাহ আৰু পৰিয়ালৰ সুৰক্ষাৰ অধিকাৰ— প্রত্যেক পূর্ণ বয়সৰ পুৰুষ বা মহিলাৰ বিয়া কৰোৱা আৰু পৰিয়াল গঠন কৰাৰ অধিকাৰ থাকিব।

অনুচ্ছেদ ১৭ ঃ নিজস্ব বা আনৰ সৈতে অংশীদাৰ হৈ সম্পত্তি আহৰণ কৰাৰ অধিকাৰ— প্রত্যেকৰে নিজাকৈ বা আনৰ সৈতে লগ হৈ সম্পত্তি গঢ় দিয়াৰ অধিকাৰ আছে আৰু কোনেও কাকো নিজ সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

অনুচ্ছেদ ১৮ ঃ ধর্ম আৰু বিশ্বাসৰ স্বাধীনতা— প্রত্যেক ব্যক্তিৰে নিজ ইচ্ছানুযায়ী বিশ্বাস আৰু ধর্ম গ্রহণৰ অথবা ধর্ম সলনি কৰাৰ স্বাধীনতা থাকিব।

অনুচ্ছেদ ১৯ ঃ মতামত প্রদান আৰু প্রকাশৰ স্বাধীনতা— এই অধিকাৰে কোনো হস্তক্ষেপ নোহোৱাকৈ মতামত দাঙি ধৰা আৰু কোনো তথ্য আৰু ধাৰণা কোনো প্রচাৰ মাধ্যমৰ জৰিয়তে বিচৰা, লাভ কৰা আৰু আগবঢ়োৱাৰ অধিকাৰক সামৰি লয়।

অনুচ্ছেদ ২০ ঃ শান্তিপূর্ণ সমাবেশ আৰু সংস্থা গঠনৰ অধিকাৰ— প্রত্যেক ব্যক্তিৰে নিজৰ অধিকাৰক সুৰক্ষা দিবলৈ শান্তিপূর্ণভাৱে বন্ধু-বান্ধৱক লগ ধৰা আৰু উমৈহতীয়াকৈ কাম কৰাৰ অধিকাৰ আছে।

অনুচ্ছেদ ২১ ঃ চৰকাৰ আৰু মুক্ত নির্বাচনত অংশগ্রহণৰ অধিকাৰ— প্রত্যেকৰে নিজ দেশৰ চৰকাৰত প্রত্যক্ষভাৱে অথবা মুক্ত নির্বাচিত প্রতিনিধিৰ জৰিয়তে অংশগ্রহণৰ অধিকাৰ আছে। তদুপৰি নিজ দেশৰ জনসেৱাত অংশ লোৱাৰ সমান অধিকাৰ আছে।

অনুচ্ছেদ ২২ ঃ সামাজিক সুৰক্ষাৰ অধিকাৰ— সমাজৰ সদস্য হিচাপে প্রত্যেকৰে সামর্থ অনুযায়ী বাসস্থান, স্বাস্থ্য সেৱা, শিক্ষা আৰু শিশুৰ পৰিচর্যাৰ লগতে জীয়াই থাকিবলৈ যথার্থ অর্থ আৰু ৰুগীয়া অথবা বৃদ্ধৰ বাবে চিকিৎসা সাহায্য লোৱাৰ অধিকাৰ আছে।

অনুচ্ছেদ ২৩ ঃ ইচ্ছানুযায়ী কর্ম নির্বাচন আৰু ট্রেড ইউনিয়নৰ সদস্য হোৱাৰ অধিকাৰ— প্রত্যেক ব্যক্তিৰে যিকোনো কর্মত নিয়োগ হোৱা, সমান কামৰ বাবে সমান মজুৰী লাভ কৰা আৰু শ্রমিক সংস্থাত অংশগ্রহণ কৰাৰ অধিকাৰ আছে।

অনুচ্ছেদ ২৪ ঃ বিশ্রাম আৰু অৱসৰ বিনোদনৰ অধিকাৰ— প্রত্যেকৰে বিশ্রাম আৰু অৱসৰ বিনোদনৰ অধিকাৰ আছে। ইয়াত যুক্তিসংগত কর্মৰ সময়সীমাৰ লগতে বেতন সহকাৰে সাময়িক ছুটী লাভৰ অধিকাৰ অন্তর্ভুক্ত।

অনুচ্ছেদ ২৫ ঃ জীৱন যাপনৰ সঠিক মানৰ অধিকাৰ— প্রত্যেকৰে নিজৰ আৰু পৰিয়ালৰ সু-স্বাস্থ্য স্বচ্ছল জীৱন যাপনৰ বাবে উপযুক্ত জীৱনৰ মান লাভৰ অধিকাৰ আছে, খাদ্য, পোছাক পৰিচ্ছেদ, বাসস্থান, স্বাস্থ্যসেৱা আৰু আৱশ্যকীয় সামাজিক সেৱা ইয়াৰ অন্তর্ভুক্ত, নিবনুৱা অৱস্থা, অসুস্থতা, অপাৰগতা, বৈধব্য, বার্ধক্য অথবা আন যিকোনো এনে অৱস্থা যি নিজৰ নিয়ন্ত্রণৰ বাহিৰত, তাৰ বিৰুদ্ধে নিৰাপত্তাৰ অধিকাৰ প্রত্যেকৰে আছে।

অনুচ্ছেদ ২৬ ঃ শিক্ষাৰ অধিকাৰ— শিক্ষা এক অধিকাৰ। প্রাথমিক শিক্ষা সম্পূর্ণ মুক্ত আৰু বাধ্যতামূলক হোৱা উচিত।

অনুচ্ছেদ ২৭ ঃ সমাজৰ সাংস্কৃতিক জীৱনত অংশগ্রহণৰ অধিকাৰ— স্বাধীনভাৱে সমাজৰ সাংস্কৃতিক জীৱনত মুক্তভাৱে অংশগ্রহণ কৰা, শিল্পকলা উপভোগ কৰা আৰু বৈজ্ঞানিক প্রগতিৰ সা-সুবিধা গ্রহণ কৰাৰ অধিকাৰ ব্যক্তি মাত্রে থাকিব।

অনুচ্ছেদ ২৮ ঃ মানৱ অধিকাৰৰ আশ্বাস প্রদান কৰা সামাজিক দায়িত্বৰ অধিকাৰ— প্রতিজন ব্যক্তিৰে সামাজিক আৰু আন্তর্জাতিক ব্যৱস্থাত অধিকাৰ আছে, যাতে ঘোষণা পত্রত অন্তর্ভুক্ত অধিকাৰ আৰু স্বাধীনতাপূর্ণভাৱে অর্জন কৰিব পাৰি।

অনুচ্ছেদ ২৯ ঃ মুক্ত আৰু পূর্ণ বিকাশৰ বাবে আৱশ্যকীয় সমাজ/সম্প্রদায়ৰ কর্তব্য কৰাৰ অধিকাৰ— প্রত্যেকৰে সমাজ বা সম্প্রদায়ৰ প্রতি কিছু কর্তব্য আছে, যাৰ জৰিয়তে মানুহৰ ব্যক্তিত্বৰ স্বাধীন আৰু পূর্ণ বিকাশ সম্ভৱ।

অনুচ্ছেদ ৩০ ঃ ৰাষ্ট্র বা ব্যক্তিয়ে ঘোষণাপত্রৰ লিপিবদ্ধ অধিকাৰৰ ক্ষতিৰ বিৰুদ্ধে স্বাধীনতা— ৰাষ্ট্র অথবা ব্যক্তিয়ে অধিকাৰ দাবী কৰিবলৈ যাওঁতে যাতে ঘোষণাপত্রত সন্নিবিষ্ট কোনো অধিকাৰ বা স্বাধীনতাত আঘাত হানিব নোৱাৰিব।

এই সার্বজনীন ঘোষণা আবেগৰ তাৎক্ষণিক বা সাময়িক প্রতিফলন নহয়, বৰং ই মানৱ জাতিৰ অন্তৰত বহু বছৰ ধৰি সুপ্তভাৱে অনুভূত অন্তর্নিহিত উদ্দীপনাৰ প্রকাশ। প্রাথমিক উদ্বেগৰ বিষয়টো আছিল আৰু বিবেচনা কৰা হৈছিল যে বিশ্বাস আৰু আশ্বাসৰ স্বাধীনতাক অন্তর্ভুক্ত কৰি সকলোবোৰ মৌলিক অধিকাৰৰ ভিতৰত কোনবোৰ অধিকাৰক অগ্রাধিকাৰ দিয়া যাব। উপৰোক্ত দাবীসমূহ প্রস্তাৱ আকাৰে গৃহীত হৈছিল। কিন্তু আইনগত চুক্তি নাছিল। বিশ্বৰ সকলো দেশেই এই ঘোষণাপত্রক মানৱ জাতিৰ শান্তি-সম্প্রীতি প্রতিষ্ঠা কৰিবলৈ এক আচৰণ বিধিৰূপে মানি লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাৰ দিন আৰু বছৰ উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ ঃ সমতাৰ অধিকাৰ বুলিলে আপুনি কি বুজে?

.....

.....

প্রশ্ন নং ৭ ঃ দাসত্বৰ পৰা স্বাধীনতা বুলিলে আপুনি কি বুজে?

.....

প্রশ্ন নং ৮ ঃ আনদেশত নিৰাপদ আশ্রয় লোৱাৰ অধিকাৰ অনুচ্ছেদৰ নাম লিখক।

.....

প্রশ্ন নং ৯ ঃ ঘোষণা পত্রত শিক্ষাৰ অধিকাৰৰ বিষয়ে উল্লেখ আছেনে?

.....

প্রশ্ন নং ১০ ঃ মানৱ অধিকাৰৰ আশ্বাস প্রদান কৰা সামাজিক কর্তব্যৰ অধিকাৰৰ বিষয়ে ব্যাখ্যা আগবঢ়াওক।

.....

.....

৫.৫ শিক্ষাৰ অধিকাৰ

শিক্ষা এক অধিকাৰ। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রত উল্লেখ কৰিছে যে—

- প্রত্যেকৰেই শিক্ষাৰ অধিকাৰ আছে। অন্ততঃ বুনিয়াদী আৰু প্রাথমিক স্তৰত বিনামূলীয়া শিক্ষা ব্যৱস্থা হ'ব লাগে। প্রাথমিক শিক্ষা বাধ্যতামূলক হোৱা উচিত।
- শিক্ষাই মানুহৰ ব্যক্তিত্বৰ পূর্ণ বিকাশ, মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্রতি সন্মান শ্রদ্ধা বৃদ্ধি কৰিব। শিক্ষাই সকলো জাতি, প্রজাতি আৰু ধর্মীয় মাজত পৰস্পৰ বুজাবুজি, সহনশীলতা আৰু বন্ধুত্বপূর্ণভাব জগাই তুলিব লগতে শান্তি-সম্প্রীতি বর্তি থকাৰ বাবে ৰাষ্ট্রসংঘৰ কার্যাৱলীৰ অগ্রগতিত সহায় কৰিব।

  সার্বজনীন ঘোষণাৰ লগত সুৰ মিলাই আমাৰ ভাৰতীয় সংবিধানেও ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহত উল্লেখ কৰে যে সকলো শিশুৰ বাবে ১৪ বছৰ পর্যন্ত শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক হ'ব। সাংবিধানিক আইন, ২০০২ (৮৬

দ্বাৰা অনুচ্ছেদ ২১ক সন্নিৱিষ্ট কৰা হয় যাৰ দ্বাৰা ৰাজ্যত ৬ বছৰৰ পৰা ১৪ বছৰৰ সকলো শিশুৰ বাবে শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক যিটো প্ৰাদেশিক চৰকাৰে আইনৰ দ্বাৰাও নির্ধাৰণ কৰিব পাৰিব। ইয়াৰ ফলস্বৰূপে শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, ২০০৮ চনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়, যাৰ দ্বাৰা তলত উল্লেখ কৰা ব্যৱস্থাসমূহ প্ৰদান কৰা হয়—

- প্ৰত্যেক শিশুৰ সন্তোষজনক আৰু সম মানৰ পূৰ্ণ সময়ৰ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ অধিকাৰ আছে যিয়ে এক নির্দিষ্ট মান আৰু প্ৰমূল্য প্ৰদান কৰে।
- 'বাধ্যতামূলক শিক্ষাই সংশ্লিষ্ট চৰকাৰখন নামভর্তিকৰণ, উপস্থিতি আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ বাবে দায়বদ্ধ হ'ব লাগিব।
- 'বিনামূলীয়া শিক্ষা'ৰ অর্থ হ'ল সংশ্লিষ্ট চৰকাৰৰ দ্বাৰা সাহায্যপ্ৰাপ্ত নোহোৱা বিদ্যালয়ত যি শিশুৰ অভিভাৱকৰ দ্বাৰা নামভর্তিকৰণ হয়, তেওঁলোকৰ বাহিৰে কোনো ধৰণৰ মাচুল বা অর্থ ব্যয় কৰিব নালাগে যিয়ে এই শিক্ষা গ্ৰহণ কৰি থকা বা সম্পূৰ্ণ কৰাৰ বাবে বাধাৰ সৃষ্টি কৰে।
- মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ লগত সংশ্লিষ্ট চৰকাৰ, স্থানীয় কর্তৃপক্ষ, অভিভাৱক, বিদ্যালয় আৰু শিক্ষকসকলৰ কর্তব্য আৰু দায়িত্ব জড়িত।
- শিশুৰ অধিকাৰসমূহৰ সু�ৰক্ষা ব্যৱস্থা আৰু বিকেন্দ্ৰীয়ভাৱে আপত্তি নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব।

এই আইনী ব্যৱস্থা এনে বিশ্বাসৰ ভিত্তিত গ্ৰহণ কৰা হয় যে কেৱল সকলোৰে বাবে প্ৰাথমিক শিক্ষা অন্তর্ভুক্তিৰ জৰিয়তেহে সমাজত সমতা, সামাজিক ন্যায়, গণতন্ত্ৰ আৰু মানৱীয় গুণ আৰু ন্যায় প্ৰতিষ্ঠা কৰা সম্ভৱ। ৰাজ্য চৰকাৰৰ শিক্ষাৰ অধিকাৰ, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা (অনুচ্ছেদ ৪৫) আৰু শিক্ষাৰ প্ৰতি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ প্ৰয়াস বৃদ্ধি কৰিবলৈ নির্দেশনা জাৰি কৰে।

৫.৬ শিক্ষাৰ অধিকাৰ আইন, ২০০৯

শিক্ষাৰ অধিকাৰ আইন, ২০০৯এ ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰে। শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইনখন ২৬ আগষ্টৰ ২০০৯ চনত দুয়োখন সংসদত গৃহীত হোৱাৰ পাছত ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰে। ইয়াৰ পাছতে ৰাজপত্ৰত এই আইন 'শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন, ২০০৯ হিচাপে অন্তর্ভুক্ত হয়।

এই আইনৰ মূল ব্যৱস্থাসমূহ হৈছে—

- ভাৰতবর্ষৰ ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবে শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক।

- চৰকাৰী বিদ্যালয়সমূহত সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষা প্রদান কৰা হ'ব আৰু বিদ্যালয়সমূহ পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত হ'ব। বেচৰাকী বিদ্যালয়সমূহত কমেও ২৫% শিশুৰ কোনো মাচুল নোলোৱাকৈ নামভর্তিকৰণ হ'ব লাগিব।

- প্রাথমিক শিক্ষা সম্পূর্ণ নোহোৱা পর্যন্ত কোনো শিশুকে একে শ্রেণীতে ৰখা, বহিষ্কাৰ কৰা বা ব'ৰ্ডৰ পৰীক্ষা উত্তীর্ণ হোৱাৰ বাবে বাধ্য কৰিব নোৱাৰিব।

- যদি ৬ বছৰ বয়সৰ ওপৰৰ শিশুৰ কোনো কাৰণত কোনো বিদ্যালয়ত নামভর্তি নহ'ল বা প্রাথমিক শিক্ষা সম্পূর্ণ কৰিব নোৱাৰিলে, তেন্তে তেনে শিশুৱে বয়স অনুযায়ী সংশ্লিষ্ট শ্রেণীত নামভর্তি কৰিব পাৰিব। কিন্তু যদি এজন শিশুৱে তেওঁৰ বয়স অনুযায়ী পোনে পোনেই সেই সংশ্লিষ্ট শ্রেণীত নামভর্তি কৰে, তেনে ক্ষেত্রত আনসকলৰ সমকক্ষ হ'বলৈ নীতি অনুসৰি নির্ধাৰিত সময়সীমাৰ ভিতৰতে তেওঁ বিশেষ প্রশিক্ষণ অর্জন কৰিব পাৰিব।

- প্রাথমিক শিক্ষাৰ বাবে বিদ্যালয়ত নামভর্তি কৰোতে বয়সৰ প্রমাণপত্র হিচাপে জন্ম, মৃত্যু আৰু বিবাহ পঞ্জীয়ন আইন, ১৮৮৬ চন অনুসৰি প্রদান কৰা জন্মৰ প্রমাণপত্র অথবা আন গ্রহণযোগ্য তথ্য প্রযোজ্য হ'ব। বয়সৰ প্রামাণিক তথ্য নাথাকিলেও কোনো শিশুকে বিদ্যালয়ত নামভর্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

- প্রাথমিক শিক্ষা সম্পূর্ণ কৰা শিশুক প্রমাণ পত্র প্রদান কৰা হ'ব।

- এই আইনে ছাত্র-শিক্ষকৰ অনুপাত, বিদ্যালয়গৃহ , বিদ্যালয়ৰ কর্ম দিন, শিক্ষক কর্মৰ সময়সীমা আদিৰ মান নির্ধাৰণ কৰে।

- বিদ্যালয়ৰ শিক্ষকসকলৰ আৱশ্যকীয় বৃত্তিগত ডিগ্রী ৫ বছৰৰ ভিতৰত সম্পূর্ণ কৰিব লাগিব অন্যথা তেওঁলোকে চাকৰি হেৰুৱাব লাগিব।

- এই আইন অনুসৰি (ক) কোনো শিশুৱে দৈহিক বা মানসিক উৎপীড়ন চলাব নোৱাৰিব। (খ) শিশুৰ নামভর্তিৰ বাবে বাছনি পৰীক্ষা ল'ব নোৱাৰিব। (গ) নামভর্তিৰ মাচুল ল'ব নোৱাৰিব। (ঘ) শিক্ষকে ঘৰুৱা টিউচন ল'ব নোৱাৰিব আৰু (ঙ) স্বীকৃতি অবিহনে কোনো বিদ্যালয় পৰিচালনা কৰিব নোৱাৰিব।

- এই আইনৰ অধীনত সংবিধানত আগবঢ়োৱা প্রমূল্যৰ লগত সংগতি ৰাখি পাঠ্যক্রমৰ উন্নয়ন কৰিব লাগিব। তদুপৰি এক বন্ধুত্বমূলক আৰু শিশু কেন্দ্রিক শিক্ষণৰ যোগেদি শিশুৰ সর্বাংগীন বিকাশ, শিশুৰ জ্ঞান, মেধা আৰু সম্ভাৱনীয়তাৰ ব্যৱস্থা শিশুক ভয়, উৎকণ্ঠা আৰু উদ্বিগ্নতাৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা গ্রহণ কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ কিমান বয়সৰ শিশুৰ গোটৰ বাবে শিক্ষা বাধ্যতামূলক?

.....

প্রশ্ন নং ১২ ঃ সংবিধানৰ কোনটো অনুচ্ছেদত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বিষয়ে উল্লেখ আছে?

.....

প্রশ্ন নং ১৩ ঃ শিশুৰ বয়স কিদৰে নির্ধাৰণ কৰা উচিত?

.....

প্রশ্ন নং ১৪ ঃ শিক্ষকে বৃত্তিগত ডিগ্রী আহৰণ কৰাৰ বাবে নির্ধাৰিত সময়সীমা কিমান উল্লেখ কৰক।

.....

প্রশ্ন নং ১৫ ঃ শিক্ষাৰ অধিকাৰ আইন, ২০০৯ চনত নিষিদ্ধ কৰা নীতিসমূহৰ তালিকা প্রস্তুত কৰক

.....

.....

প্রশ্ন নং ১৬ ঃ বাধ্যতামূলক শিক্ষা বুলিলে আপুনি কি বুজে?

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত মানৱ অধিকাৰ আৰু শিক্ষাৰ বিষয়ে আলোচনা কৰা হৈছে। আমি জানো যে শিক্ষা হৈছে সামাজিক পৰিৱর্তনৰ এক আহিলা। মানৱ অধিকাৰ আৰু এই অধিকাৰৰ সুৰক্ষাৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবৰ বাবে শিক্ষা হৈছে প্রধান আহিলা। সেইবাবেই মানৱ অধিকাৰ শিক্ষাক শিক্ষা প্রক্রিয়াৰ এক অবিচ্ছেদ্য অংগৰূপে গণ্য কৰা হয়।
- শিক্ষাৰ জৰিয়তে মানৱ অধিকাৰ বিকাশৰ তিনিটা উল্লেখনীয় দিশ হ'ল— জ্ঞান, প্রমূল্য, বিশ্বাস, মনোবৃত্তি আৰু কর্তব্য।
- মানুহক যিকোনো ধৰণৰ বৈষম্যৰ সুৰক্ষা, মানুহৰ মাজত পাৰস্পৰিক বুজাবুজি, মানৱ অধিকাৰৰ অপব্যৱহাৰ নির্মূলকৰণ, সামাজিক ন্যায়, স্বার্থপৰতা আৰু স্বসহযোজনৰ বিপক্ষে ৰক্ষণাবেক্ষণৰ বাবে মানৱ অধিকাৰ শিক্ষাৰ প্রয়োজন।

- মানৱ অধিকাৰে মানৱ অধিকাৰৰ বিষয়ে আৰু এই অধিকাৰ কেনেকৈ ৰক্ষা কৰিব লাগে, এই দুয়ো দিশৰ শিক্ষা দিয়ে। সকলো মানুহৰ জন্মগত মর্যাদা, মানৱ অধিকাৰৰ নীতিসমূহ যেনে— সার্বজনীনতা, অখণ্ডতা, আন্তঃনির্ভৰশীলতা ইত্যাদিৰ লগতে আঞ্চলিক, জাতীয় ৰাজ্যিক আৰু স্থানীয় আইনৰ বিষয়সমূহ মানৱ অধিকাৰ শিক্ষাৰ অন্তর্ভুক্ত।
- ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ১০ ডিচেম্বৰ, ১৯৪৮ চনত মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ গৃহীত হয়। ই সকলো জনসাধাৰণ আৰু সকলো জাতিৰ বাবে সাফল্যৰ এক সাধাৰণ মান। আন্তঃৰাষ্ট্রীয় পর্যায়ত মূল মানৱ অধিকাৰ আৰু স্বতন্ত্রতাক প্রকৃতার্থত স্বীকৃতি প্রদান কৰা এয়ে আছিল প্রথম প্রচেষ্টা।
- অধ্যায়টিৰ শেষ শিক্ষাৰ অধিকাৰ পাব শিক্ষাৰ অধিকাৰ আইন, ২০০৯ৰ বিষয়ে উল্লেখ কৰা হৈছে। ২০০২ চনৰ সংশোধনীত ৮৬ অনুচ্ছেদৰ অন্তর্গত ২১ত ভাৰতীয় সংবিধানে ৬ৰ পৰা ১৪ বছৰৰ সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ কথা উল্লেখ কৰিছে য'ত শিক্ষাক আইনীগতভাৱে এক মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হৈছে।
- এই শিক্ষাৰ অধিকাৰ আইন, ২০০৯ৰ মতে প্রত্যেকটি শিশুৱে সমভাৱে আৰু মর্যাদাপূর্ণভাৱে প্রাথমিক শিক্ষা আনুষ্ঠানিকভাৱে লাভ কৰাটো বাধ্যতামূলক হ'ব।



৫.৮ অধিক জানিবলৈ

1) Mohanty,J. (2004)Human Rights Education, New Delhi: Deep and Deep Publication.

2) Pal, R. M. and Chakravarty, S. (2000) Human Rights Education in India, New Delhi.

3) The Right of Children to Free and Compulsory Education Act, 2009,Universal Law Publishing Co. New Delhi.

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ অজ্ঞতা, আন্ধাৰ

২ নং প্রশ্ন উত্তৰ ঃ জনগণৰ মাজত মানৱ অধিকাৰৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ, মানুহক যিকোনো প্রকাৰৰ বৈষম্যতাৰ আৰু দুর্ব্যৱহাৰৰ বিপক্ষে ৰক্ষণাবেক্ষণ দিবলৈ, বিশ্বব্যাপি এক গণতন্ত্র প্রতিষ্ঠাৰ বাবে।

৩ নং প্রশ্ন উত্তৰ ঃ মানুহৰ জন্মগত মর্যাদা, মানৱ অধিকাৰৰ নীতিসমূহ যেনে— সার্বজনীনতা, অখণ্ডতা আৰু আন্তঃনির্ভৰশীলতা আৰু মানৱ অধিকাৰ সুৰক্ষাৰ বাবে মানৱ অধিকাৰ আইনৰ বিষয়ে শিক্ষা দিয়া।

৪ নং প্রশ্ন উত্তৰ ঃ জনসাধাৰণক অধিকাৰৰ বিষয়ে সার্বজনীনভাৱে সজাগ কৰা আৰু ছাত্র-ছাত্রীক মানৱ অধিকাৰ সুৰক্ষাৰ কৌশল/আহিলাসমূহৰ বিষয়ে সাধাৰণ জ্ঞান প্রদান কৰা।

৫ নং প্রশ্ন উত্তৰ ঃ ১০ ডিচেম্বৰ, ১৯৪৮ চন।

৬ নং প্রশ্ন উত্তৰ ঃ সকলো মানুহেই সম মর্যাদা আৰু অধিকাৰ লৈ পৃথিৱীত জন্মগ্রহণ কৰিছে।

৭ নং প্রশ্ন উত্তৰ ঃ কোনো দাস ৰাখিব নোৱাৰিব আৰু যিকোনো প্রকাৰৰ দাসত্ব আৰু দাসত্ব প্রথা নিষিদ্ধ কৰা হ'ব।

৮ নং প্রশ্ন উত্তৰ ঃ অনুচ্ছেদ ১৪

৯ নং প্রশ্ন উত্তৰ ঃ হয়, মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ অনুচ্ছেদ ২৬ত উল্লেখ আছে।

১০ নং প্রশ্ন উত্তৰ ঃ অনুচ্ছেদ ২৮ ত কোৱা হৈছে যে- প্রতিজন ব্যক্তিৰে সামাজিক আৰু আন্তর্জাতিক ব্যৱস্থাত অধিকাৰ আছে, যাতে ঘোষণা পত্রত অন্তর্ভুক্ত অধিকাৰ আৰু স্বাধীনতাপূর্ণভাৱে অর্জন কৰিব পাৰি।

১১ নং প্রশ্ন উত্তৰ ঃ ৬ বছৰৰ পৰা ১৪ বছৰলৈ

১২ নং প্রশ্ন উত্তৰ ঃ অনুচ্ছেদ ২১ক (সংবিধানৰ ৮৬ তম সংশোধনত)

১৩ নং প্রশ্ন উত্তৰ ঃ প্রধানকৈ জন্মৰ প্রমাণপত্রৰ দ্বাৰা। অৱশ্যে বয়সৰ প্রমাণপত্র নাথাকিলেও কোনো শিশুক বিদ্যালয়ত নামভর্তিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

১৪ নং প্রশ্ন উত্তৰ ঃ ৫ বছৰৰ

১৫ নং প্রশ্ন উত্তৰ ঃ (ক) দৈহিক শাস্তি আৰু মানসিক উৎপীড়ন (খ) নামভর্তিৰ বাবে শিশুৰ বাছনি পৰীক্ষা (গ) নামভর্তিৰ মাচুল (ঘ) শিক্ষকৰ দ্বাৰা ঘৰুৱা শিক্ষণ (ঙ) চৰকাৰী স্বীকৃতি নোহোৱাকৈ বিদ্যালয় পৰিচালনা

১৬ নং প্রশ্ন উত্তৰ ঃ শিশুক বাধ্যতামূলক শিক্ষাৰ লগতে নামভর্তিকৰণ, উপস্থিতি আৰু প্রাথমিক শিক্ষা সমাপ্তি নিশ্চয়তা প্রদান কৰাটো সংশ্লিষ্ট চৰকাৰৰ দায়িত্ব।



৫.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মানৱ অধিকাৰ মানে কি বুজে?

প্রশ্ন ২ ঃ শিক্ষাত মানৱ অধিকাৰ মানে কি বুজায়?

প্ৰশ্ন ৩ঃ শিক্ষাৰ অধিকাৰৰ প্ৰয়োজনীয়তা কি?

প্ৰশ্ন ৪ঃ মানৱ অধিকাৰ শিক্ষাৰ কেইটিমান লক্ষ্য চিনাক্ত কৰক।

প্ৰশ্ন ৫ঃ সামাজিক সুৰক্ষা বিষয়ে অৱগত কৰোৱা ভাৰতীয় সংবিধানৰ অনুচ্ছেদসমূহ চিনাক্ত কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতবৰ্ষত ব্যক্তিৰ গুণগত জীৱন যাপনৰ বাবে মানৱ অধিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বতাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ বিষয়ে বহলভাৱে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ বাধ্যতামূলক প্ৰাথমিক শিক্ষা মানে কি? ২০০৯ৰ শিক্ষাৰ অধিকাৰ আইনৰ সাংবিধানিক ব্যৱস্থাসমূহৰ বিষয়ে বৰ্ণনা কৰক।

*** ***** ***

অধ্যয় ৬ ঃ ভাৰতৰ মাধ্যমিক শিক্ষা আৰু ইয়াৰ সমস্যাসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ মাধ্যমিক শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা
৬.৩.১ মাধ্যমিক শিক্ষা ব্যৱস্থা বৃত্তিমুখীকৰণ
৬.৩.২ মাধ্যমিক শিক্ষাৰ ব্যৱস্থাৰ সমস্যাসমূহ
৬.৪ মাধ্যমিক শিক্ষা উন্নীতকৰণৰ পৰামৰ্শসমূহ
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্ৰগতিৰ খতিয়ান
৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ-

- মাধ্যমিক শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত হ'ব
- মাধ্যমিক স্তৰৰ শিক্ষা বৃত্তিমুখীকৰণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ সমস্যা সমূহ চিনাক্ত কৰিব পাৰিব
- মাধ্যমিক শিক্ষা ব্যৱস্থা উন্নতকৰণৰ বাবে থকা পৰামৰ্শৱলী আলোচনা কৰিব পাৰিব

৬.২ পৰিচয়

মাধ্যমিক শিক্ষা হৈছে প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ মাজত যোগসূত্ৰ ৰক্ষা কৰা স্তৰ। এই শিক্ষাই ১৪-১৮ বছৰ বয়সৰ ভিতৰৰ শিক্ষার্থীক সামৰি লয়। এই শিক্ষাই প্ৰাথমিক স্তৰৰ পিছৰ আৰু বিশ্ববিদ্যালয় স্তৰৰ আগৰ সকলোবোৰ শ্ৰেণীকে অন্তৰ্ভুক্ত কৰে। মাধ্যমিক শিক্ষাৰ পৰ্যায়সমূহ দেশ অনুযায়ী পৃথক হয়। স্বাধীনতাৰ আগত ভাৰতবৰ্ষৰ মাধ্যমিক শিক্ষা দেশীয় মধ্য ইংৰাজী স্কুল, উচ্চ মাধ্যমিক স্কুল, প্ৰৰেশিকা, মাধ্যমিক শিক্ষান্ত আৰু মধ্যৱৰ্তী বিদ্যালয় ইত্যাদি নামেৰে জনাজাত আছিল। ১৯৫২-৫৩ চনৰ মুদালিয়াৰ আয়োগে মাধ্যমিক শিক্ষাক উচ্চতৰ মাধ্যমিক শিক্ষা স্বৰূপে অবিহিত কৰিছিল আৰু নৱমৰ পৰা একাদশ শ্ৰেণীলৈ ইয়াত অন্তৰ্ভুক্ত কৰিছিল আৰু দ্বাদশ শ্ৰেণীটো প্ৰাক্ বিশ্ববিদ্যালয় স্বৰূপে অন্তৰ্ভুক্ত কৰিছিল।

আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পিছত মাধ্যমিক শিক্ষাৰ গঠন সলনি হয়। মাধ্যমিক শিক্ষাক তিনিটা পৰ্যায়ত ভাগ কৰা হৈছিল, ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ (মধ্য ইংৰাজী বিদ্যালয়) নৱম-দশম শ্ৰেণী (উচ্চ মাধ্যমিক বিদ্যালয়) আৰু একাদশ-দ্বাদশ (উচ্চতৰ মাধ্যমিক বিদ্যালয়)। বৰ্তমান মাধ্যমিক শিক্ষাৰ গাঁথনিটো দুটা ভাগত ভাগ কৰা হৈছে - উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় স্বৰূপে। উচ্চ মাধ্যমিক বিদ্যালয়ে নৱম আৰু দশম

শ্রেণীলৈ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ে একাদশ আৰু দ্বাদশ শ্রেণীক অন্তর্ভুক্ত কৰে।

মাধ্যমিক শিক্ষা গঠনৰ প্রক্রিয়াত বিভিন্ন ধৰণৰ গঠন মূলক সংস্কাৰ সাধন কৰা হৈছিল। ইয়াৰ ভিতৰত কলিকতা বিশ্ববিদ্যালয় আয়োগ (১৯১৭-১৯), বিশ্ববিদ্যালয় শিক্ষা আয়োগ (১৯৪৮-৪৪) , মাধ্যমিক শিক্ষা আয়োগ (১৯৫২-৫৩), কেন্দ্রীয় মাধ্যমিক শিক্ষা বোর্ড (১৯৭২) শুক্লা ৰাষ্ট্রীয় কমিটি ইত্যাদি।

ভাৰতত দুই প্রকাৰৰ মাধ্যমিক শিক্ষা ব্যৱস্থা প্রচলিত-- এই দুই বিধ হৈছে -

(ক) মাধ্যমিক

(খ) উচ্চতৰ মাধ্যমিক

আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত মাধ্যমিক শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। শিক্ষার্থী সকলৰ উপযুক্ত ব্যক্তিত্ব আৰু চৰিত্র গঠনত মাধ্যমিক শিক্ষাই সুযোগ সুবিধা প্রদান কৰে যাতে তেওঁলোকে নিজকে ৰাষ্ট্রৰ এজন দায়িত্বশীল নাগৰিক হিচাবে প্রতিষ্ঠা কৰিব পাৰে। তদুপৰি শিক্ষার্থীৰ শক্তি আৰু সামর্থ সমূহৰ বিকাশ আৰু প্রকাশ লাভৰ বাবেও উপযুক্ত পথ মুকলি কৰে। শিক্ষাৰ এই স্তৰে শিক্ষার্থীৰ জ্ঞান আৰু কৌশল অর্জনত সহায় কৰে যাতে ছাত্র-ছাত্রীসকল তেওঁলোকৰ ভৱিষ্যৎ জীৱনত স্বাৱলম্বী হৈ উঠিব পাৰে। ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ চাৰিটা লক্ষ্য স্থিৰ কৰি দিয়ে, সেই কেইটা হৈছে -

- গণতান্ত্রিক নাগৰিকত্বৰ লক্ষ্য
- বৃত্তীয় যোগ্যতাৰ লক্ষ্য
- ব্যক্তিত্ব বিকাশৰ লক্ষ্য
- নেতৃত্বৰ প্রশিক্ষণৰ লক্ষ্য



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মাধ্যমিক শিক্ষা কাক বোলে ?

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ মাধ্যমিক স্তৰৰ শিক্ষাৰ বাবে মাধ্যমিক শিক্ষা আয়োগে নির্দ্ধাৰণ কৰা শিক্ষাৰ লক্ষ্য সমূহ কি কি ?

.....

.....

.....

.....



চিন্তা চৰ্চা কৰক ঃ ৬.১

বৰ্তমানৰ পৰিস্থিতিত আপোনাৰ মতে মাধ্যমিক শিক্ষাৰ লক্ষ্য কি হোৱা উচিত ?

.....

.....

.....

.....

৬.৩ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা

মাধ্যমিক শিক্ষা হৈছে এক আহিলা স্বৰূপ, যাৰ জৰিয়তে শিক্ষাৰ্থীয়ে প্ৰয়োজনীয় জ্ঞান অৰ্জন কৰি প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়ৰ সেতু পাৰ হ'বলৈ সক্ষম হয়। মাধ্যমিক শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে তলত দাঙি ধৰা হ'ল।

- শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰৰ এজন উপযুক্ত আৰু দায়িত্বশীল নাগৰিক হিচাবে গঢ়ি তোলা দৰকাৰ। আমাৰ দেশৰ ভৱিষ্যৎ বিকাশ নাগৰিক সকলৰ হাতত আছে।সেইবাবে শিক্ষাৰ্থীসকলৰ শক্তি সামৰ্থবোৰ বিকশাই তোলাৰ বাবে এই স্তৰটোৱেই হৈছে মুখ্য স্তৰ।
- বৃত্তীয় প্ৰশিক্ষণৰ সুবিধা প্ৰদানেৰে শিক্ষাৰ্থীসকলক অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰি তোলা দৰকাৰ। আমাৰ দেশখনক অৰ্থনৈতিক ক্ষেত্ৰত সবল কৰি গঢ়ি তুলিবলৈ হ'লে মাধ্যমিক শিক্ষাক বৃত্তিমুখী কৰি তোলাতো প্ৰয়োজন। বৃত্তিমুখী প্ৰশিক্ষণৰ প্ৰয়োগ আৰু প্ৰসাৰৰ দ্বাৰা উপযুক্ত আত্ম সংস্থাপনৰ পথ মুকলি কৰি তুলিব পাৰি।
- শিক্ষাৰ্থীসকলক সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা প্ৰদান কৰাতো যথেষ্ট প্ৰয়োজনীয়। সমতা আৰু ভাতৃত্ববোধ প্ৰবৰ্তিত এখন সমাজ গঢ়াৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি প্ৰেমৰ বীজ ৰোপণ কৰিব পাৰে আৰু আধ্যাত্মিক নীতি তথা সহানুভূতিৰ ভাব জগাই তুলিব পাৰে।
- শিক্ষাৰ্থীসকলক নেতৃত্বৰ গুণসমূহৰ শিক্ষা দিয়াৰ পথ প্ৰশস্ত কৰি তুলিব পাৰে। এখন ৰাষ্ট্ৰক সকলো দিশৰ পৰা সমৃদ্ধিশালী কৰি তুলিবলৈ, উপযুক্ত আৰু কৰ্মঠ নেতৃত্বৰ প্ৰয়োজন। শিক্ষাৰ এইটো স্তৰে শিক্ষাৰ্থীসকলৰ মাজত নেতৃত্বৰ গুণাৱলীৰ বিকাশৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে।
- শিক্ষাৰ্থীসকলৰ মাজত আগ্ৰহ, অভিৰুচি আৰু মূল্যবোধ, সততা আদি বিভিন্ন কৌশল সমূহ গঢ় দিবলৈ মাধ্যমিক শিক্ষাৰ প্ৰয়োজন। যিকোনো কাৰ্য ইতিবাচক ভাৱে ফলপ্ৰসু কৰি তুলিবলৈ, শিক্ষাৰ্থীসকলৰ মনত আগ্ৰহ জগোৱা আৰু প্ৰকৃত কৌশল সমূহ বিকশাই তোলাতো যথেষ্ট প্ৰয়োজনীয় আৰু এইখিনি সম্ভৱ হ'ব মাধ্যমিক শিক্ষাৰ জৰিয়তেহে।

মাধ্যমিক শিক্ষাৰ কিছুমান বৈশিষ্ট্য আছে যিবোৰে শিক্ষার্থীৰ মূল্যবোধ আৰু কৌশলৰ বিকাশৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। সেইবোৰ হৈছে তলত উল্লেখ কৰা ধৰণৰ-

- গণতান্ত্রিক ভাৱে ৰাষ্ট্রীয় সংহতিৰ লক্ষ্যক অনুভৱ কৰিবলৈ মাধ্যমিক পাঠ্যক্রমত ভাষা আৰু সমাজ বিজ্ঞানক প্রাধান্য দিব লাগে।
- শিক্ষার্থীৰ বৌদ্ধিক বিকাশৰ বাবে ভাষা, গণিত, বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ দৰে বিষয় সমূহত গুৰুত্ব দিব লাগিব। তদুপৰি, শিক্ষার্থীসকলৰ সর্বোচ্চ প্রকাৰৰ বিকাশৰ বাবে, কর্ম অভিজ্ঞতা, সম্প্রদায়ৰ কর্ম, স্বাস্থ্য আৰু শৰীৰ বিজ্ঞান বিষয় অন্তর্ভুক্ত কৰিব লাগে।
- উন্নত দেশৰ শিক্ষার্থীসকলৰ দৰে আমাৰ শিক্ষার্থীসকলক গঢ়ি তুলিবলৈ, বিজ্ঞান আৰু প্রযুক্তি বিদ্যাৰ শেহতীয়া বিকাশ সামাজিক আৰু অর্থনৈতিৰ দিশৰ বিকাশ সম্পর্কে শিক্ষার্থীক অবগত কৰিবলৈ এনে দিশসমূহ পাঠক্রমত অন্তর্ভুক্ত হোৱা দৰকাৰ।
- মাধ্যমিক শিক্ষাই শিক্ষার্থীসকলক উৎপাদন মুখী আৰু আত্ম বিশ্বাসী হ'বলৈ সুবিধা প্রদান কৰা উচিত। কর্ম অভিজ্ঞতাক পাঠ্যক্রমৰ অংশ হিচাবে শিক্ষা দিয়া উচিত, আভিযান্ত্রিক, কৃষিবিজ্ঞান গার্হস্থ্য বিজ্ঞান, চিত্রকলা আৰু আন কিছুমান বিষয়ে শিক্ষার্থীসকলক ভৱিষ্যতে উৎপাদনশীল হিচাবে গঢ়ি তুলিব পাৰে।
- সম্প্রদায়িক কর্মৰ সৈতে জড়িত কিছুমান কার্য্যৱলী হাতত ল'ব লাগে যাতে শিক্ষার্থীসকলৰ সামাজিক দায়বদ্ধতাৰ ভাব বৃদ্ধি পায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আমাক কিয় মাধ্যমিক শিক্ষাৰ প্রয়োজন ?

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ শিক্ষার্থীৰ সর্বতো মুখী বিকাশত সহায় কৰা মাধ্যমিক শিক্ষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....



চিন্তা চৰ্চা কৰক ৬.২

পাঠত উল্লেখ থকা মাধ্যমিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ বাহিৰে আপুনি অনুভৱ কৰা আন কিছুমান প্ৰয়োজনীয়তা কি কি?

.....

.....

.....

.....

৬.৩.১ মাধ্যমিক শিক্ষা ব্যৱস্থা বৃত্তিমুখীকৰণ

বৃত্তিমুখী শিক্ষাই ব্যক্তিক জীৱিকাৰ ক্ষেত্ৰত অগ্ৰসৰ হোৱাত সহায় কৰে। দক্ষ আৰু কাৰিকৰী প্ৰশিক্ষণ প্ৰাপ্তলোকসকল হৈছে এখন উন্নয়নশীল সমাজৰ গুৰুত্বপূৰ্ণ মানৱ সম্পদ।

ভাৰতবৰ্ষ এখন উন্নয়নশীল দেশ হিচাবে বৃত্তীয় শিক্ষা প্ৰশিক্ষণ প্ৰয়োগ কৰাতো বিশেষকৈ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত এক অপৰিহাৰ্য স্বৰ্ত। বৃত্তিমুখীকৰণৰ অৰ্থ হৈছে বৃত্তীয় শিক্ষাৰ বিষয়সমূহক পাঠ্যক্ৰমত আন সাধাৰণ বিষয়ৰ সৈতে অন্তৰ্ভুক্ত কৰিব লাগে যাতে সাধাৰণ শিক্ষা সমাপ্তিৰ পিছত শিক্ষাৰ্থীয়ে ভৱিষ্যত জীৱনত জীৱিকা অৰ্জনৰ পথ বিচাৰি ল'ব পাৰে। বৃত্তিমুখী শিক্ষাই শিক্ষাৰ্থীৰ সৰ্বতোমুখী বিকাশৰ ক্ষেত্ৰত নিপুণতা আনি দিয়ে। বৃত্তীয় প্ৰশিক্ষণে তেওঁলোকৰ নিয়োগৰ পথ মুকলি কৰি দিয়ে আৰু অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰি গঢ় দিয়ে। স্বাধীনতাৰ পূৰ্বতে বৃত্তীয় শিক্ষাই ইমান প্ৰসাৰ লাভ কৰা নাছিল। ১৯০০-১৯২১ চনৰ ভিতৰত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত বৃত্তীয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাৰ ওপৰত বিভিন্ন আয়োগসমূহে পৰামৰ্শ আগবঢ়াইছিল। ১৯২১-১৯৪৭ চনৰ সময়ছোৱাত মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হৈছিল। ইয়াৰ ফলতেই ঔদ্যোগিক আৰু বাণিজ্যিক পাঠ্যক্ৰম উচ্চ বিদ্যালয়ত অন্তৰ্ভুক্ত কৰা হৈছিল, শিক্ষাৰ্থীসকলে যাতে ব্যৱহাৰিক প্ৰশিক্ষণৰ দ্বাৰা উপকৃত হ'ব পাৰে। মাধ্যমিক শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে (NPE) পৰিবেশ সজাগতা, বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ ব্যৱস্থা কৰিছিল আৰু ঐতিহ্য পূৰ্ণ বিষয় যেনে 'যোগ'ক ভাৰতীয় মাধ্যমিক শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰিছিল। ভাৰতীয় মাধ্যমিক শিক্ষা ব্যৱস্থাৰ এক মুখ্য কাৰ্য হৈছে সমাজৰ দুৰ্বল শ্ৰেণী লোকক শিক্ষাৰ সুবিধা প্ৰদান কৰা আৰু প্ৰতিষ্ঠা থকা অনুষ্ঠানৰ কিছুমান পেছাদাৰী ব্যক্তিৰ সহায়ত মাধ্যমিক স্কুলৰ বিত্তীয় প্ৰশিক্ষণ কাৰ্যসূচী উন্নতিকৰণৰ বাবে লোৱা হৈছিল। তদুপৰি ভাৰতীয় মাধ্যমিক স্কুলৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য এয়ে যে এই শিক্ষাই পেছাদাৰী ভিত্তিক বৃত্তীয় প্ৰশিক্ষণত জোৰ দিয়ে যাতে

শিক্ষার্থী সকলে বৃত্তি নির্বাচনৰ ক্ষেত্রত পাৰদর্শিতা অর্জন কৰে।

নিবনুৱা সমস্যাৰ দিশৰ পৰা বিত্তীয় শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয় যাতে সাধাৰণ শিক্ষাৰ লগতে বিত্তীয় শিক্ষাৰ পুনৰ সংগঠন কৰি পৰা যায়। মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্রত, শিল্প আৰু উৎপাদনমূলক কার্যত অধিক গুৰুত্ব প্রদান কৰা উচিত। মাধ্যমিক পর্যায়ৰ পাঠ্যক্রমৰ বিভাজনৰ দ্বাৰাহে এইটো সম্ভৱ হ'ব। শিক্ষার্থীয়ে কৃষি বা অন্য কাৰিকৰী বা ব্যৱসায়িক পাঠ্যক্রম গ্রহণ কৰি দেশৰ উৎপাদনশীল ক্ষমতা বৃদ্ধি কৰিব লাগে। মাধ্যমিক শিক্ষা বৃত্তিমুখীকৰণৰ প্রয়োজনীয়তা কিছুমান তলত দাঙি ধৰা হ'ল -

- মধ্যবিত্ত পর্যায়ৰ মানৰ শক্তিক গঢ় দিয়া।
- মধ্যম পর্যায়ৰ বৃত্তিক উপযুক্ত ভাৱে গঢ়ি তোলা।
- সাধাৰণ শিক্ষা ব্যৱস্থাৰ উন্নতি ঘটোৱা আৰু কর্ম নিয়োজিত হ'বলৈ শিক্ষার্থীৰ বাবে প্রয়োজনীয় নিপুণতা বৃদ্ধি কৰা। তদুপৰি কর্ম সংস্থাপনত থাকিও যাতে ভৱিষ্যত শিক্ষাৰ পৰা বঞ্চিত নহয় তাৰ প্রতি লক্ষ্য ৰখা।
- অর্থনৈতিক উন্নতিৰ জৰিয়তে ন্যার্য ফল লাভ কৰিবলৈ আৰু সামাজিক ন্যায় পাবলৈ আগবাঢ়ি যোৱাত সহায় কৰা।

ভাৰতবর্ষক এখন উন্নত দেশ হিচাবে গঢ়ি তুলিবলৈ আৰু সকলো দিশতেই সমৰূপত বিকাশ ঘটাবলৈ মাধ্যমিক পর্যায়ত শিক্ষা বৃত্তিমুখীকৰণক উপযুক্ত ভাৱে প্রয়োগ কৰিব লাগিব।

৬.৩.২ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ সমস্যাসমূহ

যদিও মাধ্যমিক শিক্ষা ব্যৱস্থাৰ সংশোধন কৰা হৈছে আৰু প্রয়োজন অনুসৰি বিভিন্ন সময়ত সলনি কৰা হৈছে, কিন্তু কিছুমান সমস্যা বর্তমানেও আছে। তলত এনেবোৰ সমস্যা দাঙি ধৰা হ'ল-

- **মাধ্যমিক শিক্ষাৰ সংগঠন আৰু প্রকাৰৰ সমস্যা ঃ** ভাৰতবর্ষৰ বিভিন্ন ঠাই অনুসৰি মাধ্যমিক শিক্ষাৰ সংগঠন আৰু প্রকাৰৰ বিভিন্নতা দেখিবলৈ পোৱা যায়। ইয়াৰ একমাত্র সমাধান হৈছে শিক্ষা সামগ্রীক একত্রিত কৰা, যাতে সমগ্র দেশতে একে ধৰণৰ শিক্ষা ব্যৱস্থাৰ প্রচলন হয় আৰু শিক্ষার্থী সকলক যিকোনো অসুবিধাৰ ক্ষেত্রত সুৰক্ষা প্রদান কৰা হয়।
- **মাধ্যমিক শিক্ষাৰ মূল লক্ষ্য নির্ধাৰণৰ সমস্যা ঃ** মাধ্যমিক শিক্ষাৰ মূল লক্ষ্য হৈছে শিক্ষার্থীক আত্ম প্রত্যয় আনি দিয়া, কিন্তু এই লক্ষ্যটোৰ বেছি অংশই তাত্বিক ভাবেহে থকা দেখা যায়। কিন্তু এক বৃহৎ সংখ্যক মাধ্যমিক স্কুল স্থাপন হোৱাৰ পিছতো ইয়াৰ প্রকৃত লক্ষ্য অনুভৱ কৰাবলৈ প্রচেষ্টা চলাবলগীয়া হৈছে। শিক্ষার্থীসকলৰ বাবে এক মাত্র পথ হৈছে মাধ্যমিক শিক্ষাৰ অন্তত উচ্চ শিক্ষাত প্রবেশ কৰা বা চাকৰি সন্ধান কৰা।
- **পাঠ্যক্রম প্রস্তুতকৰণৰ সমস্যা ঃ** সাধাৰণ মাধ্যমিক শিক্ষাৰ পাঠ্যক্রম হৈছে তাত্ত্বিক,

ইয়াৰ বাস্তৱ কার্যকাৰিতা আৰু উপকাৰিতা যথেষ্ট কম। এই পাঠ্যক্রম সমগ্র ভাৰতবর্ষতে সমৰূপৰ হোৱা উচিত, যদিও কম পৰিমাণে আঞ্চলিক বিভিন্নতা থাকে। আমাৰ দেশত বর্তমানেও ভাষাৰ সমস্যা আছে। সেইবাবে সাধাৰণ ভাষা যেনে ইংৰাজী বা হিন্দীক, শিক্ষাৰ মাধ্যম ৰূপ প্রৱর্তনে এই ক্ষেত্রত পার্থক্য আনিব, এনে দিশৰ পৰা লক্ষ্য কৰি 'ত্রি-ভাষা' সূত্র প্রৱর্তনত জোৰ দিব লাগে।

- **পৰীক্ষাৰ সমস্যা ঃ** বাহ্যিক পৰীক্ষাৰ বাহিৰে, আভ্যন্তৰীণ পৰীক্ষাত ৰচনাত্মক প্রশ্নৰ লগতে চমু প্রশ্ন অন্তর্ভুক্ত কৰিব লাগে।
- **অর্থৰ অভাৱৰ সমস্যা ঃ** অর্থৰ ক্ষেত্রত অভাৱ থাকিলে মাধ্যমিক শিক্ষাৰ প্রকৃত লক্ষ্যত উপনীত হ'ব পৰা নাযায়। সেয়েহে আন্তঃগাঁথনিৰ বিকাশে অগ্রাধিকাৰ পাব লাগে আৰু শিক্ষার্থীৰ উপকাৰৰ বাবে ইয়াক প্রয়োগ কৰিব লাগে। চৰকাৰ আৰু লগতে ব্যক্তিগত খণ্ডৰ অনুষ্ঠানবোৰে মাধ্যমিক শিক্ষাৰ লগত জড়িত হৈ থকা পদ্ধতিবোৰৰ সমর্থনত আগবাঢ়ি আহিব লাগে। মাধ্যমিক শিক্ষাৰ বিভিন্ন দিশত আর্থিক ভাৱে সহায় কৰা ব্যক্তি বা সংগঠন সমূহক কৰ ৰেহাই বা অন্যান্য উদ্‌গনি দিব লাগে।
- **প্রশাসনীয় আৰু ব্যৱস্থাপনাৰ সমস্যা ঃ** মাধ্যমিক শিক্ষাৰ প্রশাসনীয় ব্যৱস্থা সাধাৰণতে চৰকাৰী, বেচৰকাৰী বা ব্যক্তিগত আৰু স্থানীয় কমিটিৰ দ্বাৰা পৰিচালিত হয়। এনে স্কুল সমূহৰ ব্যৱস্থাপনা ভিন্ন ধৰণৰ হয়। শৈক্ষিক প্রশাসনৰ লগত বিভিন্ন প্রশাসনীয় গোট যেনে কেন্দ্রীয় আঞ্চলিক আৰু জিলা গোট জড়িত থাকে। বিভিন্ন প্রশাসনিক কর্তৃপক্ষ হোৱা বাবে, বিভিন্ন কেন্দ্রীয় আৰু ৰাজ্যিক বোর্ড থকা বাবে এনে গোট সমূহৰ বিভাগ সমূহৰ মাজত একতা আৰু সহযোগিতাৰ অভাৱ দেখা যায়। ইয়াৰ ফলস্বৰূপে মাধ্যমিক শিক্ষাৰ প্রকৃত উদ্দেশ্য ৰূপায়ণ নহয়।
- **উপযুক্ত যোগ্যতা সম্পন্ন শিক্ষকৰ অভাৱ ঃ** শিক্ষকেই হৈছে মাধ্যমিক শিক্ষাৰ মেৰুদণ্ড স্বৰূপ। বর্তমান আমাৰ দেশৰ মাধ্যমিক শিক্ষাৰ অন্যতম সমস্যা হৈছে উপযুক্ত যোগ্যতা সম্পন্ন শিক্ষকৰ অভাৱ। চৰকাৰে শিক্ষক প্রশিক্ষণৰ বাবে কিছুমান পদক্ষেপ গ্রহণ কৰিব লাগে যাতে মাধ্যমিক শিক্ষাই ইয়াৰ উদ্দেশ্য ফলপ্রসু কৰি তুলিব পাৰে।
- **পৰিদর্শনৰ অভাৱ ঃ** ভাৰতবর্ষত মাধ্যমিক স্কুল যধে-মধে গঢ়ি উঠাৰ ফলত এইবোৰক উপযুক্ত ভাৱে পৰিদর্শন কৰা নহয়। স্কুল পৰিদর্শক সমূহ আন কামত ব্যস্ত থাকে বাবে সময়ৰ অভাৱত প্রত্যেকখন স্কুল পৰিদর্শন কৰিব নোৱাৰে। এই প্রক্রিয়াৰ কিছু সাল-সলনি ঘটাব লাগে যাতে পৰিদর্শক সকলে স্কুল পৰিদর্শন কৰিবলৈ অফুৰন্ত সময় পায়। স্কুল পৰিদর্শকসমূহ উপযুক্ত ভাৱে প্রশিক্ষণ প্রাপ্ত হ'ব লাগে যাতে ৰাষ্ট্রীয় পর্যায়ত মাধ্যমিক স্তৰৰ শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নতিয়ে, ভৰিষ্যতৰ আঁচনি সমূহৰ ওপৰতো প্রভাৱ বিস্তাৰ কৰিব পাৰে।

৬.৪ মাধ্যমিক শিক্ষা ব্যৱস্থা উন্নত কৰণৰ পৰামৰ্শৱলী

মাধ্যমিক শিক্ষাৰ সমস্যাবোৰে শিক্ষা পৰিকল্পনাবিদ সকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে আৰু এই দিশত তেওঁলোকে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। সময়ে সময়ে গঠন হোৱা বিভিন্ন কমিটি আৰু আয়োগ সমূহে এনে পৰামৰ্শসমূহ দাঙি ধৰিছে। এইবোৰৰ ভিতৰত আমাৰ দেশৰ মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে যথেষ্ট মূল্যবান পৰামৰ্শৱলী আগবঢ়াইছে।

আমাৰ দেশৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে তলত কিছুমান পৰামৰ্শ দাঙি ধৰা হ'ল ---

- মাধ্যমিক শিক্ষাৰ পাঠ্যক্রম এনেদৰে প্রস্তুত কৰি লাগে যাতে এইবোৰে শিক্ষার্থীৰ শক্তি, সামর্থ আৰু সম্ভাৱনীয়তা সমূহক বিকশিত কৰিব তুলিব পাৰে। পাঠ্যক্রমত বর্তমান নতুন প্রজন্মৰ প্রয়োজন পূৰণ কৰিব পৰাকৈ নতুন নতুন বিষয় সন্নিবিষ্ট কৰিব লাগে।
- শিক্ষার্থীসকলৰ মাজত দেখা দিয়া অনুশাসনহীনতাৰ কাৰণসমূহ নির্ণয় কৰি উলিয়াব লাগে। এই সমস্যাবোৰ সমাধান কৰিবলৈ জনসাধাৰণ, অভিভাৱক, শিক্ষক আৰু চৰকাৰৰ মাজত এক বুজা-পৰা আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তুলিব লাগিব।
- ব্যক্তিগত প্রতিষ্ঠানসমূহৰ ব্যৱস্থাপনা আৰু প্রশাসন চৰকাৰে নিয়মিতকৰণ কৰিব লাগে যিহেতু সমগ্র মাধ্যমিক শিক্ষা ব্যৱস্থাতো বর্তমানেও ৰাষ্ট্রীয়কৰণ কৰা হোৱা নাই।
- শিক্ষণৰ মানদণ্ড উন্নত কৰি তুলিবলৈ হ'লে উপযুক্ত শিক্ষকক নিযুক্তি দিব লাগিব আৰু শেহতীয়া শিক্ষণ পদ্ধতিৰ সৈতে তেওঁলোকক পৰিচয় কৰাই দিবলৈ সময়ে সময়ে প্রশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। এনে কিছুমান লোকক শিক্ষকৰ বাবে নির্বাচিত কৰিব লাগিব যিজন উৎসাহী আৰু লগতে তেওঁৰ অন্তৰত সমাজ সেৱাৰ মনোভাৱ থাকে।
- মাধ্যমিক স্তৰৰ পৰীক্ষা ব্যৱস্থাৰ আসোঁৱাহ দূৰ কৰিবলৈ নিয়মিত আভ্যন্তৰীণ মূল্যায়ণ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিব লাগিব।
- মাধ্যমিক শিক্ষাৰ শিক্ষার্থীসকলক নামভর্ত্তিৰ সময়ত বিভিন্ন বৃত্তীয় বিষয়ৰ নির্বাচনৰ সুযোগ দিব লাগে যাতে মাধ্যমিক পর্য্যায় উত্তীর্ণ হোৱাৰ পিচত তেওঁলোক আর্থিক ভাৱে আত্ম-নির্ভৰশীল হোৱাৰ উপৰিও দেশৰ অর্থনৈতিক বিকাশত অৰিহণা যোগাব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ শিক্ষা বৃত্তিমুখীকৰণ বুলিলে কি বুজে?

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ মাধ্যমিক শিক্ষাৰ দুটা সমস্যা আলোচনা কৰক।

.....

.....

.....

.....



চিন্তা চৰ্চা কৰক ৬.৩

মাধ্যমিক শিক্ষাৰ স্তৰত আপুনি কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে আৰু তেনে সমস্যাবোৰ সমাধান কৰিবলৈ পৰামৰ্শ আগবঢ়াওক।

.....

.....

.....

.....



জানি থোৱা ভাল

- জীৱিকাৰ ক্ষেত্ৰত বৃত্তিমুখী শিক্ষাই ব্যক্তিক পথ নিৰ্দেশনা দিয়ে। দক্ষ আৰু কাৰিকৰী প্ৰশিক্ষণ প্ৰাপ্ত লোকসকল হৈছে উন্নয়নশীল সমাজৰ গুৰুত্বপূৰ্ণ মানৱ সম্পদ। ভাৰতবৰ্ষ এখন উন্নয়নশীল দেশ হোৱা হেতুকে ইয়াত বৃত্তিমুখী শিক্ষাৰ প্ৰশিক্ষণৰ প্ৰয়োজন, বিশেষকৈ মাধ্যমিক স্তৰত এই শিক্ষা অতি আৱশ্যকীয়।
- মধ্যবিত্ত শ্ৰেণী লোকৰ শক্তি বঢ়াবলৈ মাধ্যমিক শিক্ষা বৃত্তিমুখী কৰা দৰকাৰ আৰু মধ্যস্তৰৰ বৃত্তিৰ বাবেও প্ৰয়োজনীয় সুবিধা প্ৰদানৰ বাবে এই শিক্ষা প্ৰয়োজনীয়।
- বিভিন্ন সময়ত গঠন হোৱা আয়োগ আৰু কমিটি সমূহে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। আমাৰ দেশৰ মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগেও কিছুমান মূল্যৱান পৰামৰ্শ আগবঢ়ায়।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মাধ্যমিক শিক্ষা হৈছে প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ মাজত যোগসূত্ৰ ৰক্ষা কৰা স্তৰ, এই শিক্ষাই ১৪ বছৰৰ পৰা ১৮ বছৰ বয়সৰ শিক্ষার্থীক সামৰি লয়।
- এই শিক্ষাই প্ৰাথমিক স্তৰৰ শ্ৰেণীৰ পিচৰ আৰু বিশ্ববিদ্যালয় স্তৰৰ আগৰ সকলো শ্ৰেণীকে অন্তৰ্ভুক্ত কৰে। মাধ্যমিক শিক্ষাৰ পৰ্যায়সমূহ দেশ অনুযায়ী পৃথক হয়।
- দেশে স্বাধীনতা লাভ কৰাৰ পিচত মাধমিক শিক্ষাৰ গঠন সলনি হয়। বৰ্তমান সাতবছৰীয়া মাধ্যমিক শিক্ষা আমাৰ দেশত প্ৰচলিত হৈ আছে।
- মাধ্যমিক শিক্ষাক তিনিটা পৰ্যায়ত ভাগ কৰা হৈছে, ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ, নৱম আৰু দশম শ্ৰেণীলৈ (উচ্চ মাধ্যমিক বিদ্যালয়) আৰু একাদশ-দ্বাদশ (উচ্চতৰ মাধ্যমিক বিদ্যালয়)। বৰ্তমান এই গঠনটোক দুটা প্ৰকাৰত ভাগ কৰা হৈছে -
  (ক) মাধ্যমিক স্কুল (খ) উচ্চতৰ মাধ্যমিক স্কুল
- মাধ্যমিক স্কুলে নৱম আৰু দশম শ্ৰেণী আৰু উচ্চতৰ মাধ্যমিক স্কুলে একাদশ আৰু দ্বাদশ শ্ৰেণীক সামৰি লয়।
- শিক্ষার্থীসকলৰ উপযুক্ত ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনত মাধ্যমিক শিক্ষাই সুযোগ প্ৰদান কৰে যাতে তেওঁলোকে ৰাষ্ট্ৰৰ একোজন দায়িত্বশীল নাগৰিক হিচাবে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে। তদুপৰি শিক্ষার্থীৰ শক্তি আৰু সামৰ্থসমূহৰ বিকাশ আৰু প্ৰকাশ লাভৰ বাবে উপযুক্ত পথ নিৰ্দেশনা দিয়ে।
- মাধ্যমিক শিক্ষা হৈছে এক আহিলা স্বৰূপ, যাৰ জৰিয়তে শিক্ষার্থীয়ে প্ৰয়োজনীয় জ্ঞান অৰ্জন কৰি প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়ৰ সেতু পাৰ হ'বলৈ সক্ষম হয়।
- মাধ্যমিক শিক্ষাৰ এক বৈশিষ্ট্য হৈছে শিক্ষার্থীক উপযুক্ত আৰু দায়িত্বশীল নাগৰিক ৰূপে গঢ়ি তোলা। বৃত্তীয় প্ৰশিক্ষণৰ সুবিধা প্ৰদানেৰে শিক্ষার্থীসকলক অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰি তোলা।
- মাধ্যমিক শিক্ষাৰ জৰিয়তে শিক্ষার্থীসকলৰ সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ জগাই তুলিব পাৰে।
- গণতান্ত্ৰিক ভাৱে ৰাষ্ট্ৰীয় সংহতিৰ লক্ষ্যক অনুভৱ কৰিবলৈ মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত ভাষা আৰু সমাজ বিজ্ঞানক প্ৰাধান্য দিব লাগে। তদুপৰি শিক্ষার্থীৰ বৌদ্ধিক বিকাশৰ বাবে ভাষা গণিত, বিজ্ঞান আৰু সমাজবিজ্ঞানৰ দৰে বিষয় সমূহত গুৰুত্ব আৰোপ কৰিব লাগে।
- বৃত্তিমুখী শিক্ষাই ব্যক্তিক জীৱিকাৰ ক্ষেত্ৰত অগ্ৰসৰ হোৱাত সহায় কৰে। দক্ষ আৰু কাৰিকৰী প্ৰশিক্ষণ প্ৰাপ্ত লোক হৈছে এখন উন্নয়নশীল সমাজৰ গুৰুত্বপূৰ্ণ মানৱ

সম্পদ। ভাৰতবর্ষ এখন উন্নয়নশীল দেশ হোৱা হেতুকে ইয়াত বৃত্তিমুখী শিক্ষাৰ প্রশিক্ষণৰ প্রয়োজন, বিশেষকৈ মাধ্যমিক স্তৰত এই শিক্ষা অতি আৱশ্যকীয়।

- মধ্যম শ্রেণীলোকৰ শক্তি বঢ়াবলৈ মাধ্যমিক শিক্ষাক বৃত্তিমুখী কৰা দৰকাৰ আৰু মধ্যস্তৰৰ বৃত্তিৰ বাবেও প্রয়োজনীয় সুবিধা প্রদানৰ বাবে এই শিক্ষা দৰকাৰ।
- মাধ্যমিক শিক্ষাৰ সমস্যাবোৰ সংশোধনৰ কাৰণে সময়ে সময়ে কিছুমান পদক্ষেপ হাতত লোৱা হৈছে যদিও বর্তমানেও সমস্যাবোৰ নথকা নহয়। বিশেষকৈ মাধ্যমিক বিদ্যালয়ৰ সাংগঠনিক আৰু গঠনৰ সমস্যা, মাধ্যমিক শিক্ষাৰ লক্ষ্যৰ সমস্যা, পাঠ্যক্রম পৰিকল্পনাৰ সমস্যা, পৰীক্ষাৰ সমস্যা আৰু অপর্য্যাপ্ত পুজিৰ সমস্যা আদিয়েই প্রধান।
- বিভিন্ন কমিটি আৰু আয়োগ সমূহে বিভিন্ন পৰামর্শ আগবঢ়াইছে। এইবোৰৰ ভিতৰত ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে আমাৰ দেশৰ মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে মূল্যবান পৰামর্শ আগবঢ়াইছিল।
- আমাৰ দেশৰ মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে কিছুমান পৰামর্শ আগবঢ়াব পাৰি। এই দিশত দুটা গুৰুত্বপূর্ণ পৰামর্শ হৈছে- আমাৰ দেশৰ মাধ্যমিক শিক্ষাৰ পাঠ্যক্রম পৰিকল্পনাৰ দিশত থকা সমস্যা সমূহ হ্রাস কৰিব লাগে, যিয়ে শিক্ষার্থীৰ বিভিন্ন সামর্থসমূহ বিকাশ কৰিব পাৰে। শিক্ষার্থী সকলৰ মাজৰ পৰা অনুশাসনহীনতাৰ সমস্যা নির্মূল কৰিবলৈ হ'লে, যি কাৰকে শিক্ষার্থী সকলৰ মাজত এনে সমস্যাৰ সৃষ্টি কৰিছে তাৰ প্রতিহে মনোযোগ দিব লাগে।



৬.৬ অধিক জানিবলৈ

১) বৰুৱা, যতীন- ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন, লয়ার্চ বুক ষ্টল, গুৱাহাটী
২) শর্মা, তৰুণ- 'ভাৰতৰ শিক্ষাৰ সমস্যা'
৩) বৰুৱা, যতীন- ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত হৰাইজন প্রিন্টার্চ
৪) বৰদলৈ দত্ত, অজন্তা- ভাৰতৰ শিক্ষা বুৰঞ্জী, লয়ার্চ বুক ষ্টল, গুৱাহাটী



৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক শিক্ষা হৈছে প্রাথমিক আৰু উচ্চশিক্ষাৰ মাজৰ যোগসূত্র, আৰু এই স্তৰে ১৪-১৮ বছৰ বয়সৰ শিক্ষার্থীক শিক্ষা দিয়ে। এই পর্যায়ে প্রাথমিক শিক্ষাৰ পৰবর্তী আৰু বিশ্ববিদ্যালয় স্তৰৰ পূর্বৱর্তী সকলো শ্রেণীকে সামৰি লয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ চাৰিটা

লক্ষ্য নির্ধাৰণ কৰিছে, সেইকেইটা হৈছে- গণতান্ত্রিক নাগৰিকত্বৰ লক্ষ্য, বৃত্তীয় সামর্থৰ লক্ষ্য, ব্যক্তিত্ব বিকাশৰ লক্ষ্য আৰু নেতৃত্ব প্রশিক্ষণৰ লক্ষ্য।

৩ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক শিক্ষাৰ প্রয়োজনীয়তা হৈছে এজন ছাত্রক প্রাথমিক পর্যায়ৰ পৰা বিশ্ববিদ্যালয় পর্যায়লৈ গতি কৰাৰ কাৰণে প্রয়োজনীয় জ্ঞান আয়ত্ব কৰিবলৈ সমর্থবান কৰি তোলা। ছাত্রসকলক ৰাষ্ট্রৰ দায়িত্বশীল সুনাগৰিক হিচাবে গঢ়ি তুলিবলৈ তেওঁলোকক বৃত্তিমুখী প্রশিক্ষণৰ সুবিধা প্রদান কৰি অর্থনৈতিক ভাবে স্বাৱলম্বী কৰি তোলাটো ইয়াৰ অন্যতম লক্ষ্য। ৰাষ্ট্রৰ এজন উপযুক্ত আৰু দায়িত্বপূর্ণ নাগৰিক স্বৰূপে শিক্ষার্থীক গঢ় দিবলৈ মাধ্যমিক শিক্ষাৰ প্রয়োজন আৰু অর্থনৈতিক ভাৱে ছাত্র-ছাত্রীক আত্ম নির্ভৰশীল কৰি গঢ়ি তুলিবলৈ এই স্তৰত বৃত্তীয় প্রশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

৪ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষার্থীৰ বিকাশৰ বাবে মাধ্যমিক শিক্ষাৰ দুটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে- ভাষা আৰু সমাজ বিজ্ঞানৰ পাঠ্যক্রম আৰু গণতান্ত্রিক জীৱন শৈলীৰ মাধ্যমেদি জাতীয় সংহতিৰ উপলব্ধি কৰোৱাতো তথা ভাষা, বিজ্ঞান, গণিত আৰু সমাজ অধ্যয়নৰ দৰে বিষয়সমূহৰ ব্যৱস্থাপনাৰে ছাত্রসকলৰ মাজত বৌদ্ধিক উত্তৰণ ঘটোৱাতো।

৫ নং প্রশ্নৰ উত্তৰ ঃ বৃত্তিমুখীকৰণৰ অর্থ হৈছে বৃত্তীয় শিক্ষাৰ বিষয়সমূহক পাঠ্যক্রমত আন সাধাৰণ বিষয়ৰ সৈতে অন্তর্ভুক্ত কৰিব লাগে যাতে শিক্ষা সমাপ্তিৰ পিছত শিক্ষার্থীয়ে ভৱিষ্যত জীৱনত জীৱিকা অর্জনৰ পথ বিচাৰি ল'ব পাৰে। বৃত্তিমুখী শিক্ষাই শিক্ষার্থীৰ সর্বতোমুখী ব্যক্তিত্বৰ বিকাশত সহায় কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক শিক্ষাৰ দুটা প্রধান সমস্যা হৈছে- মাধ্যমিক স্কুলৰ সাংগঠনিক সমস্যা, আৰু উপযুক্ত মৌলিক লক্ষ্য স্থিৰ কৰণৰ সমস্যা।



৬.৮ আৰ্হি প্রশ্ন

ক) **বস্তুধর্মী প্রশ্ন** (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মাধ্যমিক শিক্ষা কি ?

প্রশ্ন ২ ঃ বর্তমান ভাৰতবর্ষৰ মাধ্যমিক শিক্ষাৰ গাঁথনি কি ?

প্রশ্ন ৩ ঃ মাধ্যমিক শিক্ষা কিয় প্রয়োজনীয় ?

প্রশ্ন ৪ ঃ মাধ্যমিক শিক্ষা বৃত্তিমুখীকৰণ বুলিলে কি বুজে ?

প্রশ্ন ৫ ঃ আপুনি বিবেচনা কৰা মাধ্যমিক শিক্ষাৰ দুটা সমস্যা ব্যাখ্যা কৰক।

খ) **চুটি প্রশ্ন** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতবর্ষত মাধ্যমিক শিক্ষাৰ প্রয়োজনীয়তা সমূহ কি ? ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ মাধ্যমিক শিক্ষা বৃত্তিমুখীকৰণৰ প্রয়োজনীয়তা আৰু গুৰত্ব লিখক।

প্ৰশ্ন ৩ ঃ শিক্ষাৰ্থীৰ মূল্যবোধ আৰু দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষাৰ তাৎপৰ্য্যপূৰ্ণ ভূমিকা কি?

গ) **ৰচনাধৰ্মী প্ৰশ্ন ঃ** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ মাজৰ সেতু বন্ধন স্তৰ স্বৰূপে মাধ্যমিক শিক্ষাৰ গুৰুত্ব আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে আগবঢ়োৱা পৰামৰ্শৱলী আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বৰ্তমান সমাজত শিক্ষা বৃত্তিমুখী কৰণৰ ওপৰত কিয় গুৰত্ব আৰোপ কৰা হৈছে? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ উচ্চ শিক্ষাৰ প্ৰত্যাহ্বানসমূহ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বৰ্তমান ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ স্থিতি
৭.৩.১ উচ্চ শিক্ষা আৰু শৈক্ষিক স্বায়ত্ব শাসন
৭.৩.২ উচ্চ শিক্ষা আৰু অৰ্থ ব্যৱস্থা
৭.৪ উচ্চ শিক্ষাৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহ
৭.৫ উচ্চ শিক্ষাত সাৰ্থকতা অনাৰ ব্যৱস্থাসমূহ
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্ৰগতিৰ খতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনিঃ

- বৰ্তমান ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ স্থিতি আৰু গুৰুত্ব নিৰ্ণয় কৰিব পাৰিব।
- 'স্বায়ত্ব শাসন' শব্দটোৰ ব্যাখ্যা কৰিব পাৰিব আৰু উচ্চ শিক্ষাত ইয়াৰ প্ৰয়োগ সম্পৰ্কে জানিব পাৰিব।
- উচ্চ শিক্ষাত অৰ্থৰ আবণ্টন সম্পৰ্কে জানিব পাৰিব।
- উচ্চ শিক্ষাত থকা বিভিন্ন সমস্যা আৰু ইয়াৰ পৰিণতি সম্পৰ্কে জানিব পাৰিব।
- উচ্চ শিক্ষাত সফলতা অনাৰ ব্যৱস্থাসমূহৰ বিষয়ে জ্ঞাত হ'ব।

৭.২ পৰিচয়

বৰ্তমান সমাজখন হৈছে জ্ঞান আধাৰিত সমাজ, য'ত মানৱশক্তি আৰু কৌশলী ব্যক্তি গঢ়াৰ চাহিদা আছে। শিক্ষাই হৈছে শক্তি স্বৰূপ। ইয়াৰ ফলত কৌশলপূৰ্ণ মানুহ সৃষ্টি হয় আৰু বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ পাৰদৰ্শিতা বৃদ্ধি পায়। বৰ্তমান সমাজৰ মৌলিক প্ৰয়োজন প্ৰাথমিক শিক্ষাৰ উপৰিও উচ্চ শিক্ষা এজন শিক্ষাৰ্থীৰ উপযুক্ত কৌশলৰ বিকাশৰ বাবে অতি প্ৰয়োজনীয়। এখন দেশৰ আৰ্থ সামাজিক বিকাশৰ অৰ্থে উচ্চ স্তৰত শিক্ষা মানৱ শক্তিৰ সৈতে জড়িত হ'ব লাগে। মানৱ সম্পদ আৰু মানৱ মূলধনৰ বিকাশৰ বাবে উচ্চ শিক্ষা অতি জৰুৰী। বৰ্তমান পৰিস্থিতিত দৰিদ্ৰতা নিৰ্মূলকৰণ, যুৱ প্ৰজন্ম উপযুক্ত পথেৰে আগবাঢ়িবলৈ পথ নিৰ্দেশনা ইত্যাদিবোৰ মানৱ শক্তি উপযুক্ত ব্যৱহাৰ তথা পৰিকল্পনা আৰু জ্ঞানৰ সফল প্ৰয়োগৰ দ্বাৰাহে



গুণগত দ্ৰব্য (Merit goods)ঃ গুণগত দ্ৰব্য হৈছে ব্যক্তি বা সমাজে উপভোগ কৰা কিছুমান সুবিধা, যাৰ বিনিময়ত চৰকাৰক একো দিবলগীয়া নহয়। এই ধাৰণাটো অৰ্থনীতিত পোন প্ৰথমবাৰৰ বাবে ৰিকার্ড মার্চগ্রেভে ব্যৱহাৰ কৰিছিল আৰু পৰৱৰ্তী ১৯৬০-৮০ চনত সঘনাই ব্যৱহাৰ কৰা হৈছিল। উদাহৰণস্বৰূপে স্বাস্থ্য, শিক্ষা, সুলভ মূল্যত ঘৰ যোগান ইত্যাদি। উচ্চ শিক্ষা ব্যক্তিগত আৰু চৰকাৰী দুয়োধৰণৰ ব্যৱস্থাৰ অন্তৰ্ভুক্তহলেও এই সেৱাসমূহ সাৰ্বজনীনভাবে সকলো ব্যক্তিৰেই কল্যাণৰ বাবে প্ৰযোজ্য ।

সম্ভৱ হ'ব। তাৰোপৰি, ভাৰতবৰ্ষ এখন এনেকুৱা দেশ য'ত জনসংখ্যাক সম্পদ হিচাবে গণ্য কৰা হয়, কাৰণ ভাৰতৰ জনসংখ্যাৰ প্ৰায় ৫১ শতাংশ লোক হৈছে ২৫ বছৰ বয়সৰ তলৰ আৰু ৬৬ শতাংশ হৈছে ৩৫ বছৰ বয়সৰ তলৰ লোক। ভাৰতৰ ২০০১ চনৰ লোকপিয়ল অনুসৰি এই বয়সসীমাৰ ভিতৰত থকা লোকসকল হৈছে দেশৰ উৎপাদনশীল ব্যক্তি আৰু সেইবাবে তেওঁলোকক জনসম্পদ স্বৰূপে গণ্য কৰিব পৰা যায়, (জনসংখ্যাৰ লাভজনক অংশ)। সেয়েহে উচ্চ শিক্ষা হৈছে এখন দেশৰ ***গুণগত দ্ৰব্য***সদৃশ (Merit goods), যি দেশখনৰ বাবে অতি প্ৰয়োজনীয়। ১৯৪৮ চনৰ সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণাত কোৱা হৈছিল যে প্ৰাথমিক শিক্ষাৰ সমানেই উচ্চ শিক্ষাও গুৰুত্ব পোৱা উচিত।

আমি উচ্চ শিক্ষাক ব্যাখ্যা কৰিবলৈ যাওঁতে কেৱল মাত্ৰ এজন ব্যক্তিৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু অধ্যাত্মিক বিকাশৰ কথা ক'লে নহ'ব, আমি শিক্ষাৰ্থীসকলৰ বিকাশৰ বাবে প্ৰয়োজনীয় কৌশল আৰু লগতে সমাজৰ আৰ্থসামাজিক বিকাশৰ দিশৰো লক্ষ্য ৰাখিব লাগিব। মানৱ বিকাশ আৰু মানবীয় সম্পদৰ বিকাশৰ এবিধ আহিলা হিচাবে শিক্ষাৰ ভূমিকাৰ ক্ষেত্ৰত অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ বিজেতা অমৰ্ত্য সেনে মন্তব্য কৰে যে শিক্ষা হৈছে ৰাষ্ট্ৰ গঢ়াৰ বাবে অত্যাৱশ্যকীয় গুণ আৰু ইয়াৰ দ্বাৰা মানুহৰ অভিৰুচিৰ বিকাশ হয় তথা ৰাষ্ট্ৰৰো সবলীকৰণ ঘটে। (এলেনা ফিলিপ, ২০০৮) এনেদৰে উচ্চ শিক্ষা জ্ঞানৰ সম্প্ৰসাৰণ, তথ্যৰ ব্যৱহাৰ কৰণ, প্ৰযুক্তিৰ গণমাধ্যমসমূহ আৰু উৎপাদনৰ উন্নতি যুক্তি সমূহৰ সৈতে প্ৰধানকৈ জড়িত। এই সকলোবোৰ দিশে পৰৱৰ্ত্তী সময়ত কৰ্ম নিযুক্তিৰ ক্ষেত্ৰত এক সম্ভাৱনীয়তা বহন কৰে।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ ঃ উচ্চ শিক্ষাৰ মৌলিক ধাৰণা সম্পৰ্কে ব্যাখ্যা কৰক।

.....

.....

.....

.....

৭.৩ বৰ্তমান ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ স্থিতি

উচ্চ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত আমেৰিকা আৰু চীনৰ পিছতে তৃতীয় স্থানত আছে ভাৰতবৰ্ষ। বৰ্তমান আমাৰ দেশত উচ্চ শিক্ষা প্ৰদানৰ বাবে ৭৬০ খন বিশ্ববিদ্যালয়, ৩৮,৪৯৮ খন মহাবিদ্যালয় আছে। এই বিশ্ববিদ্যালয় সমূহৰ ভিতৰত ৩১৬ খন হৈছে ৰাজ্যিক বিশ্ববিদ্যালয়, ৪৩ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ১৩০ স্বতন্ত্ৰ বিশ্ববিদ্যালয়, ১৮১ খন ব্যক্তিগত ৰাজ্যিক বিশ্ববিদ্যালয়, ৭৫ খন হৈছে কেন্দ্ৰীয় আইনৰ অধীনত প্ৰতিষ্ঠিত প্ৰতিষ্ঠান আৰু ৫ খন ৰাজ্যিক আইনৰ

অধীনত প্ৰতিষ্ঠিত প্ৰতিষ্ঠান। প্ৰচলিত বিশ্ববিদ্যালয় ব্যৱস্থাৰ উপৰিও ১৫ খন মুক্ত বিশ্ববিদ্যালয় আছে, তাৰ ভিতৰত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় (IGNOU) আৰু আনবোৰ দূৰবৰ্ত্তী শিক্ষা প্ৰদান কৰা ৰাজ্যিক বিশ্ববিদ্যালয়। উচ্চ শিক্ষাত সৰ্বমুঠ নামভৰ্তিকৰণৰ অনুপাত ৩৪.৬ মিলিয়ন, য'ত পুৰুষৰ অনুপাত ১৮.৬ মিলিয়ন আৰু মহিলাৰ অনুপাত ১৬ মিলিয়ন। দৰাচলতে বৰ্তমান আনুষ্ঠানিক উচ্চ শিক্ষাত মহিলাৰ সৰ্বমুঠ নামভৰ্তিকৰণৰ হাৰ হ'ল ৪৬.২ শতাংশ। ভাৰতবৰ্ষৰ বৰ্তমান গড় আনুপাতিক হাৰ হ'ল— ২৪.৫ শতাংশ আৰু এই হাৰৰ শতাংশ ধৰা হয় ১৮-২৩ বছৰৰ বয়সৰ ভিতৰত। পুৰুষৰ গড় আনুপাতিক হাৰ হৈছে ২৫.৪ শতাংশ আৰু মহিলাৰ ক্ষেত্ৰত এই হাৰ হৈছে ২৩.৫ শতাংশ। অনুসূচীত জাতিৰ ক্ষেত্ৰত এই হাৰৰ পৰিমাণ হ'ল ১৯.৯ শতাংশ আৰু অনুসূচীত জনজাতিৰ হাৰ হ'ল— ১৪.২ শতাংশ। বৰ্তমান ভাৰতবৰ্ষত উচ্চ শিক্ষাত বৰ্ধিত নামভৰ্তিৰ অনুপাতৰ ক্ষেত্ৰত (১৮-২৩ বছৰৰ ভিতৰত) গুৰুত্ব দিয়া হৈছে যাতে শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শক্তি বৃদ্ধি পায়। যদি ৰাজ্যসমূহে দেশৰ মানৱ মূলধনক উপযুক্ত প্ৰশিক্ষণ দিব পাৰে তেতিয়া স্বয়ংক্ৰিয় ভাৱে দেশৰ জ্ঞান অৰ্থনীতিৰ উন্নতি ঘটিব। জ্ঞান অৰ্থনীতিৰ বৃদ্ধিৰ বাবে ভাৰত চৰকাৰে কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি , এন.আই.টি. (NIT), বিজ্ঞান আৰু গৱেষণা অনুষ্ঠান, স্থাপত্য বিদ্যালয়, আৰ্হি মহাবিদ্যালয় ইত্যাদি স্থাপনৰ লক্ষ্য ধাৰ্য্য কৰিছে। এইবোৰৰ উপৰিও দেশৰ অৰ্থনীতি বাবে প্ৰয়োজনীয় তথা কৌশলী মানৱ শক্তি সৃষ্টিৰ বাবে পলিটেকনিক স্থাপন কৰিছে।

জনসংখ্যাৰ সু-ফল, শিক্ষা লাভৰ সুবিধা উন্নতকৰণ, শিক্ষাত সমতা আৰু উৎকৰ্ষতা বৃদ্ধি, পাঠ্যক্ৰমৰ সংশোধনৰ দ্বাৰা উচ্চ শিক্ষাৰ উন্নতিকৰণ, বৃত্তিমুখী শিক্ষাৰ সম্প্ৰসাৰণ, তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ লগতে দুৰৱৰ্ত্তী শিক্ষাৰ বিকাশ আৰু প্ৰশাসনীয় ব্যৱস্থা উন্নতিকৰণ ইত্যাদিয়েই হ'ল উচ্চ শিক্ষাৰ মুখ্য উদ্দেশ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ বৰ্তমান ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ স্থিতি কেনেধৰণৰ ?

.....

.....

.....

.....

৭.৩.১ উচ্চ শিক্ষা আৰু শৈক্ষিক স্বায়ত্ব শাসন

'স্বায়ত্ব শাসন' শব্দটো সাধাৰণেতে ৰাজনৈতিক দিশত ব্যৱহৃত শব্দ, যাৰ অর্থ হৈছে সার্বভৌমত্ব বা স্ব-প্রশাসন , যাক গ্রীক সকলে স্বাধীন ৰাজ্যৰ চহৰৰ ক্ষেত্রত প্রয়োগ কৰিছিল। কিন্তু বর্তমান নৈতিক আৰু শৈক্ষিক দর্শনৰ পৰিপ্রেক্ষিতত, এই শব্দটোক সাধাৰণতে ব্যক্তি বিশেষৰ কার্যাৱলী, জীৱন ধাৰণৰ পথ, আৰু বিশ্বাস ব্যৱস্থাৰ ক্ষেত্রত ব্যৱহাৰ কৰে। এই সকলোবোৰ পৰিচালিত হয় ব্যক্তিসকলৰ নিজস্ব অভিৰুচি আৰু বিচাৰ বিবেচনাৰ দ্বাৰা। আমি যদি স্বায়ত্ব শাসনৰ ইতিহাসলৈ চাওঁ, আমাৰ দেশৰ বৌদ্ধিক বিকাশৰ বাবে শিক্ষকসকলে যাতে শৈক্ষিক দিশত স্বাধীনতা পাব পাৰে তাৰ বাবে ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে পোন প্রথমবাৰৰ বাবে স্বায়ত্ব শাসনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

স্বায়ত্ব শাসন স্বতন্ত্রতা কোনো এক আইনগত বা সাংবিধানিক ধাৰণা নহয়, ববং ই এক শৈক্ষিক ধাৰণা আৰু বিশ্ববিদ্যালয় পৰিচালনাৰ কেন্দ্রীয় নীতি হিচাবেহে পৰিচিত। বিশ্ববিদ্যালয় অনুদান আয়োগে নিযুক্তি দিয়া ১৯৬৪ চনৰ গজেন্দ্রগডকাৰ কমিটি আৰু ১৯৬১ চনৰ মডেল এক্ট' কমিটিয়ে শৈক্ষিক কার্য্যৰ ক্ষেত্রত স্বায়ত্ব শাসন দিয়াত ৰাজনৈতিক প্রভাৱৰ কথা সমূলি অস্বীকাৰ কৰিছিল। ১৯৮৬ চনৰ নতুন ৰাষ্ট্রীয় শিক্ষানীতিয়ে শিক্ষার্থী নির্বাচন, শিক্ষক নিযুক্তি আৰু পদোন্নতি অধ্যয়ণৰ বিষয়বস্তু আৰু শিক্ষণ পদ্ধতি নির্ধাৰণ, গৱেষণাৰ এলেকা নির্বাচন ইত্যাদিবোৰ ক্ষেত্রত মহাবিদ্যালয় সমূহক স্বায়ত্ব শাসনৰ সুবিধা দিব লাগে বুলি পৰামর্শ আগবঢ়াইছিল। ১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষা নীতিৰ কর্মৰ আঁচনিয়ে বৃহৎ সংখ্যক স্বায়ত্ব শাসিত কলেজৰ বিকাশ আৰু লগতে নির্বাচিত বিশ্ববিদ্যালয়ত স্বায়ত্ব শাসিত বিভাগ সৃষ্টিৰ ওপৰত পৰামর্শ আগবঢ়াইছিল।

যেতিয়া আমি শৈক্ষিক স্বায়ত্ব শাসনৰ কথা কওঁ, ইয়াৰ আনুষ্ঠানিক স্বায়ত্ব শাসনৰ সৈতে পোনপতীয়া সম্পর্ক আছে। আনুষ্ঠানিক স্বায়ত্ব শাসনৰ মৌলিক নীতি হৈছে অনুষ্ঠানখনক বিভিন্ন কার্য্যৰ জৰিয়তে উন্নতিৰ শিখৰলৈ আগবঢ়াই নিয়া। এখন শৈক্ষিক অনুষ্ঠানত, বিদ্যায়তনিক দিশৰ উন্নতিৰ ক্ষেত্রত স্বায়ত্ব শাসন অতি প্রয়োজনীয়, য'ত অনুষ্ঠানখনৰ প্রত্যেকজন সদস্যই ইয়াৰ বিভিন্ন কার্য্য সম্পাদনৰ সৈতে জড়িত থাকে। স্বায়ত্ব শাসন আৰু দায়বদ্ধতা দুয়োটা পৰস্পৰ বিৰোধী নহয়, ববং এটা আনটোৰ পৰিপূৰক হে। দায়িত্বহীনভাৱে স্বতন্ত্রতা প্রদানে সমস্যাহে সৃষ্টি কৰে। কেতিয়াবা হোৱা কিছুমান খেলি মেলি, অসমর্থতা বা অযোগ্যতাৰ ফলত সৃষ্টি হোৱা সমস্যা নিয়ন্ত্রণৰ বাবে লগতে অনুষ্ঠান এটা সুচাৰুৰূপে চলিবৰ বাবে বাহ্যিক নিয়ন্ত্রণৰ প্রয়োজন হয়। গতিকে, এটা শৈক্ষিক অনুষ্ঠানৰ স্বায়ত্ব শাসনৰ স্থিতি সুচাৰু ৰূপে চলিবৰ বাবে দায়িত্ব বোধৰ প্রকৃত জ্ঞান প্রয়োজনীয়। 'স্বায়ত্ব শাসন' শব্দটো বিভিন্ন দিশত ব্যৱহাৰ কৰা হয়, যেনে শৈক্ষিক স্বায়ত্ব শাসন, প্রশাসনিক স্বায়ত্ব শাসন, অর্থনৈতিক স্বায়ত্ব শাসন

ইত্যাদি। স্বায়ত্ব শাসনৰ স্থিতি পাবলৈ হ'লে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ নিজৰ পাঠ্যক্ৰম প্ৰস্তুতকৰণ, সময়ৰ পৰিৱৰ্তনৰ অনুপাতে পাঠ্যক্ৰমৰ পৰিৱৰ্তন, বৃত্তিমুখী পাঠ্যক্ৰম প্ৰস্তুতকৰণ, কেডিট ব্যৱস্থা, মূল্যায়ন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণ, শিক্ষকৰ দ্বাৰা পাঠ্যক্ৰম প্ৰস্তুতকৰণ, শিক্ষণত নতুনত্বৰ প্ৰয়োগ আৰু প্ৰশিক্ষণৰ কৌশল আৰু গৱেষণা বিষয় নিৰ্বাচন, সমাজত মানৱ শক্তি বিকাশৰ বাবে পাঠ্যক্ৰম প্ৰৱৰ্ত্তনৰ ক্ষমতা বা সামৰ্থতা থাকিব লাগিব। এই ক্ষেত্ৰত এটা কথা মনত ৰাখিব লাগিব যে স্বায়ত্ব শাসিত বিশ্ববিদ্যালয়ৰ সংখ্যা যথেষ্ট কম আৰু এইবোৰ ৰাজ্য বা বিশ্ববিদ্যালয় ভেদে পৃথক পৃথক। এতিয়া আমি স্বায়ত্ব শাসিত উচ্চ শিক্ষাৰ অনুষ্ঠানৰ বিভিন্ন প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰিমঃ-

বিদ্যায়তনিক স্বায়ত্ব শাসন ঃ (Academic Automany) এই পৰ্য্যায়ৰ স্বায়ত্ব শাসন পাঠ্যক্ৰম প্ৰস্তুতকৰণ, বিষয়বস্তু আৰু বিষয় সূচীৰ উন্নতিকৰণ, পাঠ্যক্ৰম নিয়মিতকৰণ, শিক্ষণৰ উপযুক্ত পদ্ধতি নিৰ্বাচন, শিক্ষাৰ্থীৰ মূল্যায়ন, নামভৰ্তিকৰণৰ নীতি, সাধাৰণ, প্ৰযুক্তিক, বৃত্তীয় আৰু স্ব-বৃত্তীয় পাঠ্যক্ৰমত নামভৰ্তিকৰণ ইত্যাদিৰ সৈতে জড়িত। তাৰোপৰি ই পাঠ্যক্ৰমবোৰত ছাত্ৰৰ নাম ভৰ্ত্তিৰ সংখ্যা, মাচুলৰ ধৰণ, শিক্ষকৰ কাৰ্য্যাৱলী, শিক্ষক আৰু কৰ্মচাৰীৰ নিযুক্তিকৰণ, নতুন কাৰ্য্যক্ৰম প্ৰৱৰ্তন আৰু পুনৰ সংশোধন ইত্যাদিৰ সৈতে জড়িত।

অৰ্থনৈতিক স্বায়ত্ব শাসন ঃ (Financial Automany) অৰ্থনৈতিক স্বায়ত্ব শাসন অৰ্থনৈতিক ক্ষমতাৰ সৈতে জড়িত যেনে পুজিৰ ব্যয়, অনুষ্ঠানৰ বিভিন্ন কাৰ্য্যবোৰত অৰ্থনৈতিক স্বায়ত্ব শাসনৰ প্ৰসাৰ, পুজিৰ হিচাব ইত্যাদি। কোৱা হয় যে অৰ্থনৈতিক স্বায়ত্ব শাসন অবিহনে অন্য স্বায়ত্বশাসন সম্ভৱ নহয়। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বহন কৰিবলগীয়া পুঁজিয়ে আগন্তুক বছৰবোৰত বিশেষ গুৰুত্ব লাভ কৰিব বিশেষকৈ বিশ্বায়ন আৰু ব্যক্তিগতকৰণৰ পৰা আহিব পৰা প্ৰত্যাহ্বান আৰু সুবিধাসমূহৰ বাবে। এইটো অনুভৱ কৰা হয় যে ৰাজ্য চৰকাৰবোৰে উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত দৰমহা আৰু অন্যান্য দিশত অৰ্থনৈতিক সমল যোগাব লাগে। চৰকাৰৰ অৰ্থৰ অভাৱত শিক্ষক আৰু অন্য কৰ্মচাৰীৰ পদ খালী হৈ থাকে, কেতিয়াবা সময়তে দৰমহাও দিব নোৱাৰা হয়। কিন্তু উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰে পৰিকল্পনাৰ সময়ছোৱাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা বিকাশমূলক কাৰ্য্যক্ৰমৰ বাবে সামান্য অৰ্থ সাহায্য পায়। চৰকাৰে উচ্চশিক্ষাৰ অনুষ্ঠানসমূহে যাতে প্ৰয়োজনীয় পুঁজি লাভ কৰিব পাৰে তাৰ বাবে উপায় উদ্ভাৱন কৰিব লাগে আৰু এইটো নিশ্চিত কৰিব লাগে যাতে এই পুঁজিৰ সৎব্যৱহাৰ কৰাৰ ক্ষেত্ৰত অনুষ্ঠানসমূহে সকলো ধৰণৰ স্বায়ত্ব শাসনৰ সুবিধা পাব পাৰে। সম্পূৰ্ণ অৰ্থনৈতিক স্বায়ত্ব শাসন উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহক প্ৰদান কৰাটো উচিতনে? পূৰ্বতে বিভিন্ন কমিটিসমূহ গঠন কৰা হৈছে, জ্ঞানম কমিটি (Gnanam Committee) আৰু চনেৰী কমিটিয়ে (Soneri Committee) পৰামৰ্শ আগবঢ়াইছিল যে বিদ্যায়তনিক উৎকৰ্ষ সাধন আৰু বিকাশৰ বাবে অৰ্থনৈতিক

স্বৰূপ। বৰ্তমান সময়ত উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে নিজৰ পুঁজিৰ মাধ্যম সমূহ যেনে ৰাজ্য চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ তথা হিচাপ পৰীক্ষণৰ নীতি নিয়মৰ প্ৰতি দায়বদ্ধ হৈ থাকিব লাগে। শৈক্ষিক অনুষ্ঠানবোৰৰ অৰ্থনৈতিক পুঁজিৰ উৎসবোৰ হৈছে মাচুল, পুঁজি দান সংগ্ৰহিত অৰ্থৰ উৎপাদন, বিশেষ পাঠ্যক্ৰম মুকলি, কৰ দান, প্ৰকল্প ইত্যাদি।

প্ৰশাসনীয় স্বায়ত্ব শাসন ঃ (Administrative Autonomy) এখন অনুষ্ঠানে যেতিয়া কোনো ধৰণৰ বাহ্যিক নিয়ন্ত্ৰণ অবিহনে কিছুমান নীতি নিয়মৰ জৰিয়তে স্বায়ত্ব শাসনৰ সুবিধা লাভ কৰে, তেতিয়া আমি তাক প্ৰশাসনীয় স্বায়ত্ব শাসন বুলিব পাৰো। এই ধৰণৰ স্বায়ত্ব শাসন বিভিন্ন ক্ষেত্ৰত আলোচনা কৰা হয় যেনে আনুষ্ঠানিক স্বায়ত্ব শাসনৰ কাৰ্য্যপন্থা, সাধাৰণ নামভৰ্ত্তিৰ পৰীক্ষা, যুক্তি সংগত মাচুলৰ ধৰণ, পুঁজি বিতৰণৰ উপায়, বিশ্ববিদ্যালয় আইনৰ সংশোধন, নিয়মীয়া প্ৰশাসনৰ ভূমিকা, উচ্চ শিক্ষা আন্তৰ্জাতিকৰণ, মানবীয় আৰু বৈষয়িক সম্পদ সমূহৰ পৰিচালন ইত্যাদি। আমি ইতিমধ্যে শৈক্ষিক স্বায়ত্ব শাসন আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি ভাৰতৰ উচ্চ শিক্ষাত স্বায়ত্ব শাসন প্ৰৱৰ্তনৰ ক্ষেত্ৰত থকা অসুবিধা সমূহৰ বিষয়ে আলোচনা কৰিম য'ত ইয়াৰ ব্যৱহাৰিক প্ৰয়োগ অতি ধীৰ গতিত আগবাঢ়িছে। স্বায়ত্ব শাসন ব্যৱস্থাটো আমাৰ দেশৰ বিভিন্ন ৰাজ্যসমূহে একে ধৰণে গ্ৰহণ কৰা নাই। ভাৰতৰ দক্ষিণ ভাগত উত্তৰ বা পূৰ্ব দিশতকৈ অধিক সংখ্যক স্বায়ত্ব শাসিত মহাবিদ্যালয় আছে। তামিলনাড়ু হৈছে ভাৰতৰ প্ৰথম ৰাজ্য য'ত প্ৰথমে মহাবিদ্যালয়ত স্বায়ত্ব শাসনৰ ধাৰণাক প্ৰবৰ্তন কৰা হৈছিল আৰু ইয়াত সকলোতকৈ অধিক সংখ্যক স্বায়ত্ব শাসিত মহাবিদ্যালয় আছে। কিন্তু শিক্ষানুষ্ঠান সমূহত স্বায়ত্ব শাসন প্ৰবৰ্তন কৰাৰ পাছত ইয়াৰ সুষম পৰিচালনাৰ বাবে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। এই ক্ষেত্ৰত থকা বিভিন্ন সমস্যা আৰু কঠিনতা সমূহ দাঙি ধৰা হ'ল, যাতে আন যিবোৰ অনুষ্ঠানে ইয়াক প্ৰৱৰ্তন কৰিব বিচাৰে তেওঁলোকে আগতীয়াকৈ এই সমস্যাবোৰৰ প্ৰতি অবগত হ'ব পাৰে। এই সমস্যাবোৰ হৈছে এনেধৰণৰ -

(ক) অৰ্থনৈতিক সমস্যাসমূহ ঃ

- পাঠ্যপুথি নিৰ্বাচন, অধ্যয়নৰ বিষয়বস্তু পৰিকল্পনা আৰু শিক্ষাৰ্থীক নিৰ্দেশাত্মক সজুলিৰ যোগানৰ ক্ষেত্ৰত অৰ্থনৈতিক সমস্যা।
- সময়মতে পুজি মোকলাই দিব নোৱাৰা
- কৰ্মচাৰীৰ নিম্নমানৰ দৰমহা
- নতুন বিষয় প্ৰবৰ্ত্তনৰ বাবে প্ৰয়োজন হোৱা অত্যাধিক ধন।
- যদি মহাবিদ্যালয়খন বিশ্ববিদ্যালয় অনুদানৰ দ্বাৰা বঞ্চিত আৰু স্ব-বিত্তীয় প্ৰদান অনুষ্ঠান হয় অৰ্থনৈতিক স্বায়ত্ব শাসনে সমস্যা সৃষ্টি কৰে।

(খ) প্ৰশাসনিক দিশৰ সমস্যাসমূহ ঃ

- কেৰাণী কামৰ সৈতে অতিমাত্ৰা যোগাযোগ।
- উপযুক্ত ভাৱে ব্যৱহৃত নহ'লে ধ্বংস কৰাৰ প্ৰৱণতা
- যেতিয়া পাঠ্যক্ৰম প্ৰস্তুতি আৰু মূল্যায়ণৰ ক্ষেত্ৰত বিদ্যায়তনিক স্বাধীনতা পোৱা যায়, তেতিয়া এখন স্বায়ত্ব শাসিত মহাবিদ্যালয়ে প্ৰচলিত পাঠ্যক্ৰমৰ সলনি অত্যাধুনিক আৰু বৰ্তমানৰ চাহিদা পূৰণৰ পাঠ্যক্ৰম প্ৰয়োগৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়।
- স্বায়ত্ব শাসিত মহাবিদ্যালয় সমূহৰ আন সমস্যা হৈছে চাকৰিৰ অৱসৰ গ্ৰহণ, মৃত্যু, চাকৰি বাদ দিয়া ফলত খালী হোৱা পদত নিয়ুক্তিৰ ক্ষেত্ৰত চৰকাৰে কৰা অহৈতুক পলম।
- বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম, গাঁঠনি আৰু আৰ্হি ধৰণ স্বায়ত্ব শাসিত কলেজ সমূহে পালন কৰাৰ ক্ষেত্ৰত সীমাবদ্ধতা আনি দিয়ে।
- চৰকাৰে অধিক কৰ্মবোজাৰ মান জাপি দিয়াৰ ফলত তাৰ বিকল্প ব্যৱস্থা নথকা।
- কৰ্মৰ বোজাৰ ফলত প্ৰকৃত সন্মান ব্যৱস্থা প্ৰয়োগৰ অসুবিধা।
- বিশ্ববিদ্যালয়, ৰাজ্য চৰকাৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অন্য স্থানীয় প্ৰশাসন গোটৰ মাজত সহযোগিতাৰ অভাৱ।
- সমবৰ্তীসূচীক অন্তৰ্ভূক্ত হোৱা উচ্চ শিক্ষাই কেতিয়াবা পৰিচালনা ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।
- স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ পৰিচালনাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ হস্তক্ষেপ।
- নতুন পাঠ্যক্ৰম প্ৰবৰ্ত্তনৰ বাবে ঠাইৰ অভাৱ।
- প্ৰশাসনীয় স্বায়ত্ব শাসনৰ অভাৱ।
- উপযুক্ত মানৱশক্তিৰ অভাৱ।
- সংখ্যালঘু শ্ৰেণীক প্ৰায়ে অৱজ্ঞা কৰা।
- নিজৰ সুবিধা অনুযায়ী সমাবৰ্তন সমাৰোহ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত হস্তক্ষেপ।
- বিশ্ববিদ্যালয়ে ইয়াৰ সংবদ্ধ মহাবিদ্যালয়ক স্বায়ত্ব শাসন প্ৰদান তথা আয়োগ গঠনৰ ক্ষেত্ৰত কৰা অহৈতুক পলম।
- বিভিন্ন সমস্যাৰ সমাধান ঘটাবলৈ বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ব্যক্তিসকলৰ সৈতে আলোচনা কৰাৰ ক্ষেত্ৰত থকা সীমাবদ্ধতা।
- প্ৰচলিত ব্যৱস্থাৰ পৰিবৰ্তনেৰে সমাজৰ চকুত নতুনত্ব অনাৰ প্ৰয়াসৰ ব্যৰ্থতা।
- ভিন্ন প্ৰকাৰৰ শ্ৰেণীৰ বাবে পদ্ধতিৰ দিশত নতুনত্ব অনাৰ ক্ষেত্ৰত ডাঙৰ সমস্যাৰ সৃষ্টি হয়। ছাত্ৰ শিক্ষকৰ অনুপাত তেওঁলোকৰ মাজত আন্তঃ সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত উপযোগী নহয়।
- কোনো এখন ঠাইত যদি বিশ্ববিদ্যালয়ৰ বিভাগ নেথাকে তেতিয়া তেনে ঠাইত নতুন বিষয়ৰ আৰম্ভণি কৰাটো কঠিন হৈ পৰে।

(গ) অন্যান্য সমস্যাসমূহ ঃ

- শিক্ষার্থীসকল বিশ্ববিদ্যালয়ৰ শিক্ষাৰ বাবে উপযুক্ত নোহোৱা।
- শিক্ষার্থী সকলে খেলা ধূলা বা অন্যান্য সহপাঠ্যক্রমৰ কার্য্যসূচীত ভাগলৈ সময় নষ্ট কৰাত অনীহা প্ৰকাশ কৰা।
- শিক্ষার্থীসকলে অন্য শিক্ষানুষ্ঠান বা নিজ বিশ্ববিদ্যালয়ে প্ৰদান কৰা তাকৰীয়া আন্তঃমূল্যায়নৰ প্ৰতি সচেষ্ট হৈ থাকিবলগীয়া হয়।
- শিক্ষার্থীসকলক আন কলেজলৈ যোৱাৰ ক্ষেত্ৰত বাধা প্ৰদান।
- অত্যাধিক পৰীক্ষালৈ শিক্ষার্থীসকলৰ বিৰক্তি জন্মা।
- বন্ধৰ দিন কমোৱা, কাৰণ পৰীক্ষাৰ দিনবোৰক কর্মৰ দিন হিচাবে গণনা কৰা নহয়।

যদিও মহাবিদ্যালয় সমূহত স্বায়ত্ব শাসন প্ৰবর্তনৰ ক্ষেত্ৰত যথেষ্ট পৰিমানে সমস্যা আছে, কিন্তু প্ৰকৃতার্থত ইয়াৰ উপযুক্ত প্ৰয়োগে মহাবিদ্যালয় সমূহলৈ সফলতা আনি দিব। এই ক্ষেত্ৰত কিছুমান নীতি অনুসৰণ কৰিব লাগিব। তলত এই নীতিবোৰ দাঙি ধৰা হ'ল।

- মহাবিদ্যালয়ৰ নীতি নিয়ম আৰু কার্য্যৰ ক্ষেত্ৰত শিক্ষক সকলে সক্রিয় ভূমিকা গ্রহণ কৰিব লাগিব। প্ৰত্যেক অনুষ্ঠানৰে নিজকে উৎকর্ষৰ কেন্দ্ৰ হিচাবে প্ৰতিষ্ঠা কৰাৰ অধিকাৰ আছে আৰু এনে উৎকর্ষ সাধন আৰু স্বায়ত্ব শাসনৰ মান উর্দ্ধগামী কৰিব পৰা যায় কেৱল সেই অনুষ্ঠানৰ শিক্ষক সকলৰ দ্বাৰা।
- উচ্চ শিক্ষাত শিক্ষক নিয়োগৰ ক্ষেত্ৰত প্ৰত্যেক ৰাজ্যতে এখন কেন্দ্রীয় সেৱা আয়োগ থাকিব লাগে।
- বিশ্ববিদ্যালয় সমূহৰ প্ৰশাসনিক সমিতি আৰু বিদ্যায়তনিক দিশত মহাবিদ্যালয়ৰ পৰা উপযুক্ত প্ৰতিনিধিত্ব কৰিব লাগিব।
- পৰিচালনা সমিতি, নির্বাচন সমিতি আদিত অধ্যক্ষই গুৰুত্বপূর্ণ ভূমিকা বহন কৰিব লাগিব।
- শিক্ষাক্ষেত্ৰত বাণিজ্যকীৰণ দূৰ কৰিবলৈ ব্যক্তিগত বা স্ব-বিত্তীয় প্ৰদান অনুষ্ঠানবোৰৰ ক্ষেত্ৰত চৰকাৰে অর্থনৈতিক দিশত নিয়মিত ভাৱে গুৰুত্ব দিব লাগে।
- গুণগত শিক্ষা প্ৰদান কৰা কিছুমান মহাবিদ্যালয়ত হে সম্পূর্ণ ভাৱে বিদ্যায়তনিক আৰু প্ৰশাসনিক দিশত স্বায়ত্ব শাসন প্ৰদান কৰিব লাগে। যদি প্ৰয়োজন হয় এই ক্ষেত্ৰত অধিসূচনা জাৰি কৰিব লাগে।
- বিশ্ববিদ্যালয় সমূহত থকা প্ৰশাসনিক দিশৰ স্বায়ত্ব শাসন মহাবিদ্যালয় সমূহলৈ সম্প্রসাৰিত কৰিব লাগে।

- স্বতন্ত্ৰ বিশ্ববিদ্যালয় বা আন বিশ্ববিদ্যালয়সমূহে অন্য কোনো ভৌগোলিক অঞ্চলত স্থাপন কৰা অধ্যয়ন কেন্দ্ৰসমূহত বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া মানদণ্ড সমূহ কঠোৰ ভাৱে পালন কৰিব লাগে।

এখন মহাবিদ্যালয়ক স্বায়ত্ব শাসন প্ৰদান কৰা মানে স্বয়ংক্ৰিয় ভাৱে বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনক নুবুজায়। আনহাতে, কেতিয়াবা ই ক্ষমতা আৰু অনুষ্ঠানৰ সম্পদৰ অপব্যৱহাৰ কৰে। কিন্তু উপযুক্ততাৰে এই ব্যৱস্থাটোক প্ৰয়োগ কৰিলে ইয়াৰ সুফলতা পোৱা যাব।



অগ্ৰগতি নিৰক্ষণ

প্ৰশ্ন নং ৩ ঃ এখন অনুষ্ঠানৰ বাবে স্বায়ত্ব শাসন কিয় প্ৰয়োজনীয় ?

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ বিদ্যায়তনিক স্বায়ত্ব শাসন, অৰ্থনৈতিক স্বায়ত্ব শাসন আৰু প্ৰশাসনিক স্বায়ত্ব শাসন বুলিলে কি বুজে ?

.....

.....

.....

৭.৩.২ উচ্চ শিক্ষা আৰু অৰ্থ ব্যৱস্থা

১৯৭৬ চনৰ আগতে শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে ৰাজ্য চৰকাৰ দায়বদ্ধ আছিল। কেন্দ্ৰীয় চৰকাৰ মাত্ৰ কেইটামান দিশৰ সৈতে জড়িত আছিল, যেনে প্ৰযুক্তি, কাৰিকৰী আৰু উচ্চ শিক্ষাৰ সম্বন্বয় আৰু ইয়াৰ মানদণ্ড নিৰ্ধাৰণৰ ক্ষেত্ৰত। কিন্তু সংবিধানৰ ৪২তম সংশোধনীৰ পিছত, শিক্ষাক সমবৰ্ত্তীসূচীত অন্তৰ্ভূক্ত কৰা হয় আৰু ৰাজ্য তথা কেন্দ্ৰীয় দুয়ো চৰকাৰ ইয়াৰ সৈতে জড়িত হবলগীয়া হয়। সমবৰ্ত্তীসূচীত শিক্ষাক অন্তৰ্ভূক্ত কৰাৰ উদ্দেশ্য হৈছে ভাৰতীয় ৰাজনীতিক শিক্ষাৰ ক্ষেত্ৰখনলৈ অনা। তাৰোপৰি শৈক্ষিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত, দেশৰ মানৰ সম্পদ বিকাশ মন্ত্ৰালয়ে শৈক্ষিক পৰিকল্পনাৰ দায়িত্বসমূহ ৰাজ্য চৰকাৰৰ সৈতে ভগাই ল'ব পাৰে।

বৰ্তমান সময়ত ভাৰতৰ শিক্ষাৰ অৰ্থৰ সৈতে প্ৰধান তিনিটা মাধ্যম কেন্দ্ৰীয়

চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় প্রশাসন জড়িত হৈ আছে, য'ত ব্যক্তিগত উদ্দ্যোগীসমূহো অর্ন্তভূক্ত। কেন্দ্রৰ সম্পদবোৰ অতি বিস্তৃত। ইয়াৰ যথেষ্ট কৰ আৰোপ কৰা ক্ষমতা আৰু অর্থনৈতিক ক্ষমতা আছে। ইয়াৰ ৰাষ্ট্রীয় অর্থনীতি পৰিচালনাৰ ক্ষেত্রত যথেষ্ট গুৰুত্বপূর্ণ স্থান দখল কৰিছে। ৰাজ্যসমূহৰ কম পৰিমাণে সম্পদ আৰু অর্থনৈতিক ক্ষমতা সীমিত আৰু স্থানীয় প্রশাসনৰ বর্তমানেও শিক্ষাক্ষেত্রত কম দখল আছে। এনেবোৰ সীমাবদ্ধতা থকা স্বত্বেও স্থানীয় প্রশাসনে এই ক্ষেত্রত কিছু দায়িত্ব বহন কৰিব লাগে। তাৰোপৰি, শিক্ষাৰ শিতানত খৰচ হোৱা ধনৰ বেছি অংশই ৰাজ্য চৰকাৰে বহন কৰে। স্থানীয় প্রশাসনে ৰাজ্যিক চৰকাৰৰ সহায়ত তেওঁলোকৰ শৈক্ষিক দায়িত্ব বহন কৰিব লাগে।

শিক্ষাৰ শিতানত ধার্য্য কৰা সম্পদৰ পৰিমাণ বছৰ বাগৰাৰ লগে লগে বৃদ্ধি পায় আহিছে। প্রথম পঞ্চবার্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত ধার্য্য কৰা ১৫৩ কোটি টকা অষ্টম পঞ্চবার্ষিক পৰিকল্পনাত (১৯৯২-৯৭) বৃদ্ধি পায় ৭,৪৪৩ কোটি টকা হয়। মুঠ ঘৰুৱা উৎপাদন অনুসৰি শিক্ষাৰ শিতানত ব্যয় হোৱা ০.৭ শতাংশ, ১৯৫১-৫২ চনৰপৰা ১৯৯০-২০০০ ভিতৰত ৩.৮৫ শতাংশলৈ বৃদ্ধি পায়। কেন্দ্রীয় পৰিকল্পনাৰ শিক্ষাৰ নৱম পঞ্চবার্ষিক পৰিকল্পনাত অষ্টম বার্ষিক পৰিকল্পনাতকৈ ২.৭ গুণ বেছি। শিক্ষাৰ শিতানত নৱম পৰিকল্পনাত ধার্য্য কৰা ধনৰ পৰিমাণ ২০,৩৪১ কোটি। ইয়াৰ ভিতৰত কেন্দ্রীয় চৰকাৰে প্রাথমিক শিক্ষাৰ ক্ষেত্রত ধার্য্য কৰা ৪,০২৬ কোটি টকা অন্তর্ভূক্ত নহয়। ১৯৯৫-৯৬ চনত শিক্ষাৰ কেন্দ্রীয় পৰিকল্পনাত ধার্য্য কৰা ধন ১,৮২৫ কোটি টকাৰ পৰা ২০০০-০১ চনত ৫,৪৫০ কোটি টকালৈ আৰু ২০০১-০২ চনত ৫,৯২০ কোটি টকালৈ বৃদ্ধি পায়। দশম পঞ্চম পৰিকল্পনাৰ সময়ছোৱাত বিশ্ববিদ্যালয় বা উচ্চ শিক্ষাৰ বাবে ধার্য্য কৰা ধনৰ হাৰ ৯.৫৩ শতাংশ হয় য'ত প্রকৃত ব্যয় হৈছিল ৭শতাংশ। দশম পৰিকল্পনাৰ কালছোৱাত কাৰিকৰী শিক্ষাৰ ক্ষেত্রত মুঠ ধার্য্য কৰা ধনৰ ১০.৭২ শতাংশৰ ভিতৰত প্রকৃত ব্যয় হৈছিল ৬ শতাংশ।

একাদশ পঞ্চবার্ষিক পৰিকল্পনাত শিক্ষাৰ ক্ষেত্রত বাজেটত ২০ শতাংশ ধার্য্য কৰা হয়। কিন্তু এই ধন শিক্ষাৰ বাবে যথেষ্ট নহয়, কাৰণ প্রাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষা আটাইবোৰ ইয়াত জড়িত হৈ আছে। যদিও এখন উচ্চ শিক্ষাৰ অনুষ্ঠানৰ নিজে খৰচ বহন কৰিব পৰা ক্ষমতা থাকে (শিক্ষার্থীৰ মাচুল, উৎপাদনমূলক কার্য্যাৱলীৰ পৰা সংগ্রহীত/উৎপাদিত সম্পদ ইত্যাদি) কিন্তু যিসকল শিক্ষার্থী এই খৰচ বহন কৰাৰ বাবে অসমর্থ তেওঁলোকৰ বাবে উচ্চ শিক্ষা অতি ব্যয় বহুল হৈ পৰে। ইয়াৰ ফলত প্রত্যেকে শিক্ষাৰ সমান সুবিধা নাপায় আৰু এখন দেশৰ সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক বিকাশত ইয়াৰ প্রভাৱ পৰে। শিক্ষাৰ বিভিন্ন শিতানত ধার্য্য কৰা প্রকৃত ধনৰ পৰিমাণ তলৰ তালিকাখনত দাঙি ধৰা হ'ল।

তালিকা ১ ঃ শিক্ষাৰ বিভিন্ন শিতানত পৰিকল্পনা অন্তৰ্ভুক্ত আৰু অনা-পৰিকল্পনা অন্তৰ্ভুক্ত ব্যয়ৰ শিতান ঃ-

Stages of Education	2011-12		2012-13		2013-14	
	Total Expenditure	Expenditure as % GDP	Total Expenditure	Expenditure as % GDP	Total Expenditure	Expenditure as % GDP
Elementary	149164.77	1.71	184650.63	1.86	207428.62	1.84
Secondary	85572.91	0.98	102907.40	1.03	115669.26	1.03
University/ Higher	53900.98	0.62	60043.91	0.60	71139.03	0.63
Adult	930.71	0.01	1084.26	0.01	1324.07	0.01
Technical	44361.01	0.51	59735.50	0.60	69581.82	0.62

উৎস ঃ শিক্ষাৰ বাজেটৰ বিশ্লেষণ, MHRD

শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী ব্যয়ৰ ধাৰা অসমানুপাতিক ভাৱে ধাৰ্য্য কৰা হয়। ওপৰৰ তালিকাখনত দেখিবলৈ পাওঁ যে ২০১১-১৪ বৰ্ষলৈ উচ্চ শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ তুলনাত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত চৰকাৰী ব্যয়ৰ হাৰ বেছি হোৱা দেখা যায়। মুঠ ঘৰুৱা উৎপাদনৰ ব্যয়ৰ শতাংশও উচ্চ, প্ৰাপ্তবয়স্ক আৰু কাৰিকৰী শিক্ষাৰ তুলনাত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ শিতানত বেছি হোৱা দেখা যায়।

তাৰোপৰি সাধাৰণ উচ্চ শিক্ষাৰ ক্ষেত্ৰত, মুঠ চৰকাৰী ব্যয়ৰ ৩০ শতাংশ চৰকাৰে বহন কৰে, কিন্তু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে প্ৰায় সম পৰিমাণৰ ব্যয় বহন কৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৪৮ শতাংশ আৰু ৰাজ্যিক চৰকাৰে ৫২ শতাংশ বহন কৰে। এনেদৰে এটা ব্যৱস্থা পৰিচালনা কৰাৰ ক্ষেত্ৰত অৰ্থ হৈছে

অত্যাৱশীয় দিশ। যদিহে অৰ্থ উপযুক্তভাৱে খৰচ কৰা হয়, তেতিয়াহে কোনো এটা কাৰ্য্য উপযুক্তভাৱে সম্পাদন কৰাতো সম্ভৱ। শিক্ষাৰ ক্ষেত্ৰত, আমি দেখিবলৈ পাওঁ যে পুঁজিৰ অভাৱত ইয়াৰ মান নিম্নগামী হৈ গৈ আছে। শিক্ষকৰ দৰমহাৰ ক্ষেত্ৰত, শিক্ষাৰ্থীৰ কল্যাণ, পুথিভঁৰাল, পাঠ্যক্ৰম আৰু অন্যান্য শৈক্ষিক কাৰ্যাৱলীৰ ক্ষেত্ৰত উপযুক্তভাৱে অৰ্থ খৰচ কৰিব লাগে।

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ এক গুৰুত্বপূৰ্ণ সমস্যা হৈছে অৰ্থনৈতিক সমস্যা। ৰাজ্যিক প্ৰশাসনীয় সংগঠন আৰু ইয়াৰ নীতিসমূহৰ ইয়াৰ অধীনত থকা বিশ্ববিদ্যালয় সমূহৰ অৰ্থব্যৱস্থাৰ ওপৰত যথেষ্ট প্ৰভাৱ আছে। বিশ্ববিদ্যালয় এখনৰ খৰচ তলৰ উৎসবোৰৰ দ্বাৰা পূৰণ কৰা হয়।

(ক) কোষাগাৰৰ পৰা ৫০ শতাংশ

(খ) মাচুল

(গ) স্থানীয় প্ৰশাসন

এখন বিশ্ববিদ্যালয়ৰ অনুমোদিত মহাবিদ্যালয়ে পোনপতীয়া ভাৱে বিশ্ববিদ্যালয়ৰ পৰা অনুদান লাভ নকৰে, বৰং ৰাজ্যিক শিক্ষা বিভাগে সকলো অনুদান আৰু অৰ্থনৈতিক সহায় আগবঢ়ায়। বিশ্ববিদ্যালয়সমূহৰ অৰ্থনৈতিক দিশৰ উন্নতি সাধন কৰিবলৈ ৰাধাকৃষ্ণণ আয়োগে তলৰ পৰামৰ্শ সমূহ আগবঢ়ায়।

- উচ্চ শিক্ষাত বিত্তীয় অনুদান আগবঢ়োৱাত ৰাজ্যই দায়িত্ব গ্ৰহণ কৰিব লাগে।
- মহাবিদ্যালয় সমূহক ব্যক্তিগত ভাৱে ঘৰ সজা আৰু আন কাৰ্যাৱলীবোৰৰ বাবে অনুদান আগবঢ়াব লাগে।
- শিক্ষাৰ ক্ষেত্ৰত খৰচ হোৱা ধনক কৰৰ পৰা মুক্ত কৰিবলৈ আয়কৰ ৰেহাই নীতিৰ সংশোধন ঘটাব লাগে।
- প্ৰয়োজন অনুসৰি চৰকাৰে ওপৰঞ্চি অনুদান আগবঢ়াব লাগে।
- শৈক্ষিক অনুষ্ঠান সমূহক অনুদান আগবঢ়োৱাৰ লক্ষ্য নিৰ্ধাৰণৰ বাবে অনুদান আয়োগ গঠন কৰিব লাগে।

বিশ্ববিদ্যালয়সমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ ক্ষেত্ৰত কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শৱলীসমূহ হৈছে -

- বিশ্ববিদ্যালয় সমূহৰ ক্ষেত্ৰত ৰাজ্যিক চৰকাৰসমূহে নিজে পৰিচালনা কৰিব লাগে, বিশ্ববিদ্যালয় সমূহে তেওঁলোকৰ কাৰ্য্য সম্পাদন কৰোতে প্ৰয়োজন হোৱা পুজি ৰাজ্যিক চৰকাৰে যোগান ধৰিব লাগে। যদি ৰাজ্যিক চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰামৰ্শ গ্ৰহণ কৰে, তেতিয়া দুয়োটাৰ বাবে উপযোগী হয়।
- যেতিয়াই সুস্থিৰ অৰ্থনীতিৰ প্ৰয়োজন হয়, তেতিয়া প্ৰগতিৰ পথত হেঙাৰ নাহিবলৈ নীতি সমূহ শিথিল কৰিব লাগে। কোঠাৰী আয়োগে মন্তব্য কৰে যে উচ্চ শিক্ষাৰ ব্যয়ৰ সঠিক পৰিমাণ নিৰ্ধাৰণ কৰাটো বৈধ বা সহজ সাধ্য নহয়, কিন্তু ১৯৪৫-৪৬ চনৰ বাবে ৪২,২২,০২২ টকা খৰচৰ পৰামৰ্শ আগবঢায়।
- কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অৰ্থ মঞ্জুৰি পাব লাগে।
- ৰাজ্যৰ বিশ্ববিদ্যালয় সমূহক অনুদান দিবলৈ বিশ্ববিদ্যালয় অনুদান আয়োগ ক্ষমতা প্ৰদান কৰিব লাগে। যদি ৰাজ্যিক চৰকাৰে উপযুক্ত অনুদান দিবলৈ সমৰ্থ নহয়, তেতিয়া বিশ্ববিদ্যালয় অনুদান আয়োগে এই ক্ষতিপূৰণ কৰিব লাগে।
- ৰাজ্যিক চৰকাৰে তলত দিয়া ধৰণে ৰাজ্যিক বিশ্ববিদ্যালয় সমূহক অৰ্থ প্ৰদান কৰিব লাগে-

- ছাত্ৰৰ কল্যাণৰ উন্নয়ণশীল কার্য্যৱলীৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে আগবঢ়োৱা পুজিৰ সমিলকৰণ।
- বিশ্ববিদ্যালয়ৰ উন্নতিৰ বাবে অনাপৰিকল্পিত অনুদান
- কর্তৃত্বশীল ভাৱে খৰচৰ বাবে আর্থিক অনুদান
- বিকাশৰ ক্ষেত্ৰত হোৱা সকলো ব্যয় বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু ৰাজ্যিক চৰকাৰে সমানে ভগাই লব লাগে।
- অর্থ খৰচৰ ক্ষেত্ৰত ৰাজ্যিক চৰকাৰক স্বাধীনতা প্ৰদান কৰিব লাগে আৰু অনুষ্ঠান সমূহ চৰকাৰী হিচাব পত্ৰ আৰু হস্তক্ষেপৰ পৰা মুক্ত হ'ব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সংবিধানৰ সমবর্ত্তী অনুসূচীত শিক্ষাক কেতিয়া অর্ন্তভূক্ত কৰা হৈছিল ?

.....

.....

.....



জনসংখ্যাৰ সুফল ঃ ভাৰতবর্ষত জনসংখ্যাৰ মাজত যথেষ্ট সুফল থকা দেখা যায়। কাৰণ জনসংখ্যাৰ ৫১ শতাংশ লোক ২৫ বছৰ বয়সৰ তলৰ আৰু ৬৬ শতাংশ লোক ৩৫ বছৰ বয়সৰ ভিতৰৰ।

৭.৪ উচ্চ শিক্ষাৰ সৈতে জড়িত প্ৰত্যাহ্বানসমূহ

উচ্চ শিক্ষা প্ৰধানকৈ মানৰ সম্পদ বিকাশৰ সৈতে জড়িত, যাৰ দ্বাৰা সমাজৰ লোকৰ জ্ঞান আৰু কৌশল বৃদ্ধি হয়। এখন দেশৰ বিকাশ ঘটিবলৈ তাত বাস কৰা লোকসকল কার্য্যকৰী ভাৱে স্বাক্ষৰ হ'ব লাগিব আৰু অর্থনৈতিকভাৱে সক্ষম হৈ দেশৰ উৎপাদনৰ ক্ষেত্ৰত অৰিহণা যোগাব লাগিব। মানৰ সম্পদ বিকাশৰ সকলো দিশতে উচ্চ শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা বহন কৰি আহিছে। সেইবাবে উচ্চ শিক্ষাক সকলোৰে বাবে সহজ লভ্য কৰি তুলিবলৈ বিভিন্ন দিশৰ শৈক্ষিক সুবিধাসমূহ সৃষ্টি কৰিব লাগে। তাৰোপৰি আমাৰ নিচিনা এখন উন্নয়নশীল দেশত য'ত অতি মাত্ৰ ***জনসংখ্যাৰ সুফল*** আছে তাত উপযুক্ত কৌশল ভিত্তিক শিক্ষাৰ প্ৰয়োজন। সেইবাবে জনসাধাৰণক উপযুক্ত জ্ঞান আৰু কৌশল প্ৰদান কৰিবলৈ প্ৰত্যেক ৰাজ্যতে যথেষ্ট সংখ্যক প্ৰয়োজনীয় শৈক্ষিক অনুষ্ঠান স্থাপন কৰিব লাগে। শিক্ষার্থীসকলক সহজলভ্য, স্বাভাৰিক আৰু গুণগত মানদণ্ডৰ শিক্ষা প্ৰদান কৰিবলৈ এখন শৈক্ষিক অনুষ্ঠানে তিনিটা মৌলিক উদ্দেশ্য আগত ৰাখিব লাগিব। শিক্ষাদানৰ উপৰিও গৱেষণা আৰু শিক্ষা সম্প্ৰসাৰণ হৈছে এখন শিক্ষানুষ্ঠানৰ শৈক্ষিক মাপকাঠি। শিক্ষার্থীসকলক ব্যৱহাৰিক মূল্যবোধৰ আর্হিত এনেধৰণৰ শিক্ষা প্ৰদান কৰিব

লাগে যাতে শিক্ষা সমাপ্তিৰ পাছত তেওঁলোকে বাস্তৱ জীৱনত ইয়াক সফলভাৱে প্ৰয়োগ কৰিব পাৰে, নিয়োগৰ ক্ষেত্ৰত ইয়াক এক আহিলা হিচাবে গ্ৰহণ কৰিব পাৰে আৰু অবাঞ্ছনীয় বা অসামাজিক কাৰ্য্যকলাপ ৰোধ কৰাত ৰক্ষা কৰচ হিচাবে ব্যৱহাৰ কৰিব পাৰে।

আমাৰ দেশত উচ্চ শিক্ষাৰ গুৰুত্বৰ কথা উপলব্ধি কৰি ৰাষ্ট্ৰীয় জ্ঞান আয়োগে পৰামৰ্শ দিছিল যে ভাৰতবৰ্ষত ২০১৫ চনৰ ভিতৰত ১৫০০ খন বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে যাতে মুঠ নাম ভৰ্তিকৰণৰ অনুপাত ২০১৫ চনত ১৫ শতাংশলৈ আৰু ২০২০ চনত ৩০ শতাংশলৈ বৃদ্ধি পায়। কিন্তু বৰ্তমানেও এই সাফল্যত উপনীত হ'বলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। ভাৰতবৰ্ষৰ উচ্চ শিক্ষাই বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰে কিছুমান তলত দাঙি ধৰা হ'ল।

- ভাৰতত বৰ্তমানেও মুঠ নাম ভৰ্তিৰ অনুপাত এক প্ৰত্যাহ্বান স্বৰূপ হৈ আছে। বৰ্তমান ভাৰতৰ নামভৰ্তিৰ অনুপাত পৃথিৱীৰ আন নিম্ন মধ্য আয়ৰ দেশতকৈ গড় হিচাবত কম। যদিও ভাৰতৰ জনসাধাৰণৰ উন্নতি ঘটাবলৈ বিশাল সামৰ্থ আছে, ইয়াৰ নামভৰ্তিৰ অনুপাত ২৫ শতাংশ কৈ কম, যিটো বৰ্ধিত জনসংখ্যাৰ তুলনাত যথেষ্ট কম। যেতিয়া ভাৰতবৰ্ষই ২০১৫ চনৰ ভিতৰত মুঠ নাম ভৰ্তিৰ অনুপাতৰ লক্ষ্য ১৫ শতাংশ আৰু ২০২০ ভিতৰত ৩০ শতাংশ নিৰ্ধাৰণ কৰে, তেতিয়া আন উচ্চ গড় আয় দেশবোৰৰ অনুপাত ৬০ শতাংশৰ ওপৰত থাকে। উদাহৰণ স্বৰূপে ৯০ শতাংশ ওপৰত থকা দেশ হৈছে আমেৰিকা, ৭০ শতাংশৰ ওপৰত থকা দেশ হৈছে চুইডেন, নৰৱে, নিউজিলেণ্ড, ৬০ শতাংশৰ ওপৰত থকা দেশ হৈছে ইংলেণ্ড আৰু অষ্ট্ৰেলিয়া, ৪০ শতাংশৰ ওপৰত কেইবাখনো ইউৰোপৰ দেশ আৰু ৩০ শতাংশৰ ওপৰত বিভিন্ন উন্নত আৰু উন্নয়নশীল দেশসমূহ যেনে মেক্সিকো, মালায়েচিয়া, থাইলেণ্ড, চিলি আৰু ব্ৰাজিল আছে। উচ্চ শিক্ষাৰ নামভৰ্ত্তিৰ অনুপাতৰ ক্ষেত্ৰত বৰ্তমানেও আন্তঃ ৰাজ্যিক বিভিন্নতা আছে। কিছুমান ভাৰতীয় দেশে তেওঁলোকৰ উচ্চ শিক্ষাৰ ব্যৱস্থা ক্ষীপ্ৰতাৰে আগুৱাই নিছে, কিন্তু কিছুমান বৰ্তমানেও পিছপৰি আছে। উদাহৰণ স্বৰূপে, চণ্ডীগড়ত নামভৰ্ত্তিৰ অনুপাত ৫৭.৬ শতাংশ কিন্তু জম্মু আৰু কাশ্মীৰত মাত্ৰ ৭ শতাংশ। উত্তৰ পূৰ্বাঞ্চলত উচ্চ শিক্ষাৰ মুঠ নামভৰ্ত্তিৰ অনুপাতৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য থকা দেখা যায়।

তালিকা-২

উত্তৰ পূৰৰ উচ্চ শিক্ষাত (২০১৬-১৭) ত মুঠ নামভৰ্ত্তিৰ অনুপাত

উত্তৰ পূৰৰ ৰাজ্য	পুৰুষ	মহিলা	মুঠ
অৰুণাচল প্ৰদেশ	২৮.৮	২৮.৫	২৮.৭
অসম	১৬.২	১৪.৭	১৫.৪
মণিপুৰ	৩৫.৩	৩৩.১	৩৪.২

মেঘালয়	২০.৪	২১.১	২০.৮
মিজোৰাম	২৫.২	২৩.০	২৪.১
নাগালেণ্ড	১৪.২	১৫.৬	১৪.৯
চিকিম	৩৬.৭	৩৮.৫	৩৭.৬
ত্ৰিপুৰা	১৯.৯	১৪	১৬.৯
ভাৰত	২৫.৪	২৩.৫	২৪.৫

উৎস ঃ MHRD, Govt. of India, 2016-17

আমি দেখিবলৈ পাওঁ যে ২০১৬-১৭ চনত, ভাৰতবৰ্ষৰ মুঠ নামভৰ্ত্তিৰ পৰিমাণ হৈছে ২৪.৫ শতাংশ। উত্তৰ পূৰ্বাঞ্চলৰ আন ৰাজ্যৰ তুলনাত নাগালেণ্ডত উচ্চ শিক্ষাত নামভৰ্ত্তিৰ অনুপাত আটাতকৈ নিম্নমানৰ (১৪.৯ শতাংশ), তাৰ পিছতেই অসমত ইয়াৰ পৰিমাণ হৈছে ১৫.৪ শতাংশ, ত্ৰিপুৰাৰ ক্ষেত্ৰত হৈছে ১৬.৯ শতাংশ। ২০১৬ চনৰ মতে উওৰপূৰ্বাঞ্চলৰ আন ৰাজ্যৰ ক্ষেএৰ ইয়াৰ হাৰ ২০ শতাংশৰ ওপৰত। বৰ্ত্তমান পৰ্যায়ত ভাৰতে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ল'বলগীয়া প্ৰয়োজনীয় পদক্ষেপটি হ'ল কম ব্যয়ত ক্ষিপ্ৰগতিৰে বিভিন্ন শৈক্ষিক সুবিধাৰ পথ প্ৰশস্ত কৰা। ভাৰতবৰ্ষত যি পৰ্যন্ত শিক্ষা ব্যৱস্থাৰ বিভিন্ন দিশত উল্লেখনীয় সংস্কাৰ সাধন কৰিব পৰা নাযায়, সেই পৰ্য্যন্ত ইয়াৰ আৰ্থ-সামাজিক দিশৰ উন্নয়নৰ সপোন অসম্পূৰ্ণ হৈয়ে ৰব। সেয়ে ই স্পষ্টভাৱে পৰিলক্ষিত হৈ পৰিছে যে ভাৰতবৰ্ষক এখন জ্ঞান ভিত্তিক সমাজ স্বৰূপে গঢ় দিয়াৰ স্বপ্ন শীঘ্ৰে ৰূপায়িত কৰিবলৈ হ'লে ইয়াত সুচাৰুৰূপে পৰিচালিত উপযুক্ত আন্তঃ গাঁথনিৰ শৈক্ষিক অনুষ্ঠানৰ অতি প্ৰয়োজন।

- অনুসুচিত জাতি আৰু জনজাতিৰ লোকসকল শৈক্ষিক দিশত গাঁও আৰু নগৰ দুয়ো অঞ্চলৰ অজনজাতীয় লোকসকলতকৈ পিছপৰা। গ্ৰাম্য অঞ্চলত বাস কৰা অনুসুচিত জাতি-জনজাতিৰ মহিলাসকল নগৰ গ্ৰামাঞ্চলৰ লগতে লিঙ্গ ভিত্তিক অসমতাৰ বাবে শৈক্ষিক সা-সুবিধা গ্ৰহণৰ ক্ষেত্ৰত আন শ্ৰেণীৰ মহিলাতকৈ যথেষ্ট পৰিমাণে বঞ্চিত হোৱা দেখা যায়।
- গাঁও অঞ্চলত বাস কৰা অনুসূচিত জাতিৰ মুঠ জনসংখ্যাৰ হাৰ হৈছে ০.৭ শতাংশ, য'ত পুৰুষ হৈছে ১.২ শতাংশ আৰু মহিলা হৈছে ০.২ শতাংশ। অনুসূচিত জনজাতিৰ লোকৰ উচ্চ শিক্ষাৰ হাৰ হৈছে ০.৮ শতাংশ।
- সাধাৰণ উচ্চ শিক্ষা আৰু কাৰিকৰী উচ্চ শিক্ষাৰ ক্ষেত্ৰত আবন্টিত ধনৰ পৰিমাণৰ ক্ষেত্ৰত এক বৃহৎ পাৰ্থক্য থকাৰ উপৰিও প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমাণৰ ক্ষেত্ৰতও যথেষ্ট পাৰ্থক্য আছে। দুয়োটা ক্ষেত্ৰতে উচ্চ শিক্ষাৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণ কম।
- ২০০৫ চনৰ ৰাষ্ট্ৰীয় জ্ঞান আয়োগে পৰামৰ্শ দিয়ে যে ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা অংশীদাৰী হৈছে উচ্চ শিক্ষাত বিস্তৃত শৈক্ষিক সুবিধাৰ্থে ব্যক্তিগত খণ্ডৰ ব্যয়ৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ। এইবোৰ ব্যৱস্থাই উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰক লাভজনক কৰি তোলে। ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ দ্বাৰা উত্থাপিত ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় আৰু শিক্ষা আয়োগৰ দ্বাৰা

উত্থাপিত প্ৰধান বিশ্ববিদ্যালয় বোৰৰ মাজত পাৰ্থক্য আছে। এই আয়োগে ব্যক্তিগত উচ্চ গুণগত মানদণ্ড বিশ্ববিদ্যালয়ৰ বাবে পৰামৰ্শ আগবঢ়ায়, যিবোৰৰ আন বিশ্ববিদ্যালয় সমূহৰ সৈতে ওচৰ সম্পৰ্ক থাকে। জ্ঞান আয়োগে প্ৰস্তাৱ কৰে যে ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় সমূহ ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ হ'ব পাৰে, কিন্তু আয়োগে ব্যক্তিগত বিশ্ববিদ্যালয়কহে সমৰ্থন কৰে। ১৯৯১ চনৰ অৰ্থনৈতিক উদাৰীকৰণৰ পিছত ব্যক্তিগত কোম্পানী বা আন কিছুমান মাধ্যমে উচ্চ শিক্ষাত অৰ্থৰ যোগান ধৰিবলৈ আৰম্ভ কৰে।

- উচ্চ শিক্ষাত ৰাজহুৱা খণ্ডৰ ব্যয় লাহে লাহে কমি আহিছে । প্ৰত্যেক শিক্ষাৰ্থীৰ ক্ষেত্ৰত ব্যয় পৰিমাণ হ্ৰাস হোৱাৰ মূলতে হৈছে, প্ৰত্যেক শিক্ষাৰ্থীৰ ক্ষেত্ৰত থকা প্ৰকৃত সম্পদৰ পৰিমাণ হ্ৰাস পোৱা। ই উচ্চ শিক্ষাৰ গুণগত দিশত যথেষ্ট প্ৰভাৱ পেলায়। বাজেটত ধাৰ্য্য কৰা লাইব্ৰেৰী, লেবৰেটৰী, বৃত্তি, কৰ্মকৰ্তাৰ সকলৰ উন্নয়ন আনকি দৰমহাৰো অৰ্থ কৰ্ত্তন কৰা হয়। সেইবাবে এইবোৰ দিশে উচ্চ শিক্ষাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে আৰু ইয়াৰ গুণগত মানদণ্ড হ্ৰাস হোৱাত প্ৰভাৱ পেলাইছে।
- বিশ্বৰ আন উন্নত দেশসমূহৰ তুলনাত উচ্চ শিক্ষাৰ নামভৰ্তিকৰণৰ অনুপাতৰ ক্ষেত্ৰত ভাৰতবৰ্ষ পিছপৰি থকাৰ কিছুমান প্ৰত্যাহ্বান হৈছে বৃত্তিগত বিভাজন, লিংগ পাৰ্থক্য, আন্তঃ ৰাজ্যিক বিভিন্নতা আৰু আঞ্চলিক বৈষম্যতা।
- ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰতখনত থকা প্ৰধান সমস্যাসমূহৰ ভিতৰত বৰ্ত্তমান প্ৰচলিত বিসংগতিপূৰ্ণ শিক্ষা ব্যৱস্থাটোকে আঙুলিয়াব পাৰি। এই ব্যৱস্থাই প্ৰধানকৈ দুটা দিশক ইংগিত দিয়ে প্ৰথমতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ পৰা উত্তীৰ্ণ হোৱা অধিক সংখ্যক কম দক্ষতাপূৰ্ণ স্নাতক ডিগ্ৰীধাৰী যাৰ নিয়োগৰ সম্ভাৱনীয়তা কম আৰু আনটো হৈছে যে চৰকাৰে স্নাতক সকলক নিয়োগৰ সুবিধা প্ৰদানত ব্যৰ্থ হোৱা। সেইবাবে পোনপটীয়া বা আওঁপকীয়াকৈ ৰাজ্যৰ পৰা শিক্ষাৰ্থী মেধাৰ বৰ্হি গমন হোৱাত সহায় কৰে (যাক ব্ৰেইন ড্ৰেইন বোলা হয়), যাৰ ফলত যুৱ উশৃংখলাতৰ দৰে সমস্যাৰ সৃষ্টি কৰে আৰু অৱশেষত ই যুৱ প্ৰজন্মক বিভিন্ন অসামাজিক কাৰ্য্যত লিপ্ত হ'বলৈ আগবঢ়ায় দিয়ে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ভাৰতবৰ্ষই উচ্চ শিক্ষাৰ ক্ষেত্ৰত সন্মুখীনহোৱা প্ৰধান প্ৰত্যাহ্বান তিনিটা লিখক।

.....

.....

.....

.....

৭.৫ উচ্চ শিক্ষাত সার্থকতা অনাৰ ব্যৱস্থাসমূহ

কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰসমূহে উচ্চ শিক্ষাক উপযুক্ত ৰূপত গঢ় দিবলৈ বিভিন্ন ব্যৱস্থা হাতত লৈছে আৰু প্রচলিত শিক্ষা ব্যৱস্থাৰো এই ক্ষেত্রত যথেষ্ট প্রভাৱ আছে। বর্তমান মুক্ত আৰু দূ�ৰবর্তী শিক্ষাই উচ্চ শিক্ষাৰ দিশত নতুন সম্ভাৱনীয়তা আনি দিছে। বিশেষকৈ যিবোৰ শিক্ষার্থীয়ে উপযুক্ত সময়ত শিক্ষাৰ পৰা বঞ্চিত হ'ল আৰু যিজনে অধিক শিক্ষাৰ বাবে আগ্রহী। উচ্চ স্তৰত শিক্ষাৰ প্রধান উদ্দেশ্য হ'ব লাগে সমাজৰ জনসাধাৰণ আৰু যুৱ প্রজন্মক সৱলীকৰণ কৰি তোলা, যাতে প্রত্যকে ৰাষ্ট্রৰ বিকাশত উৎপাদনমূলক অৰিহনা যোগাব পাৰে।

- ভাৰতৰ উচ্চ শিক্ষাত নামভর্ত্তিৰ অনুপাতৰ লক্ষ্য পূৰণ হ'বলৈ, সমাজৰ প্রয়োজন আৰু চাহিদা অনুযায়ী অনুষ্ঠান স্থাপন কৰিব লাগিব। উচ্চ পর্যায়ত শিক্ষাৰ নীতি হ'ব লাগে, দেশৰ যুব প্রজন্মক ক্রিয়াত্মক সাক্ষৰতা প্রদান কৰা।
- বিশ্ববিদ্যালয়ৰ পাঠ্যক্রমত কোনো নতুন বিষয় অন্তর্ভূক্ত কৰাৰ বাবে মানৱ শক্তিৰ পৰিকল্পনাক প্রয়োগ কৰিব লাগে। যাতে বিশ্ববিদ্যালয়ৰ শিক্ষাক নিয়োগৰ সৈতে জড়িত কৰি শিক্ষার্থীৰ নিয়োগৰ সম্ভাৱনীয়তা বৃদ্ধি কৰিব পৰা যায়।
- পাঠ্যক্রমৰ বিষয়সমূহ অন্তর্ভূক্ত কৰাৰ ক্ষেত্রত বর্তমানৰ প্রয়োজনৰ প্রতি লক্ষ্য ৰাখিব লাগে। সেইবাবে পাঠ্যক্রম পৰিকল্পনা কৰাৰ আগেয়ে গৱেষণামূলক পদ্ধতিৰে স্থানীয়, আঞ্চলিক আৰু ৰাষ্ট্রীয় পর্যায়ত শিক্ষার্থী আৰু সমাজৰ প্রয়োজন চিনাক্ত কৰিব লাগে।
- মুক্ত আৰু দূৰৱর্তী শিক্ষাৰ জৰিয়তে প্রদান কৰা শিক্ষাৰ প্রতি জনসাধাৰণৰ সজাগতা জগাই তুলিব লাগে। বিশেষকৈ যিবোৰ অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীসকলক স্কুললৈ পঠিওৱাৰ প্রতি আগ্রহী নহয়।
- স্বচ্ছ কেড্রিট (Credit) ব্যৱস্থাৰ সুবিধা থাকিব লাগে।
- ভাৰতৰ মুঠ জনসংখ্যাৰ এক বুজন পৰিমাণৰ অংশৰ লোক যিসকল প্রধানতঃ আৰু অসংগঠিত অংশত নিয়োজিত তেওঁলোকৰ বিভিন্ন কৌশল বিকাশৰ বাবে বিভিন্ন বৃত্তীয় আৰু পেছাদাৰী পাঠ্যক্রম সমূহে (যেনে মীন পালনৰ ডিপ্লমা, হোটেল পৰিচালনাৰ ডিপ্লমা, বয়ন শিল্পৰ প্রশিক্ষণ, মোবাইল মেৰামতি ইত্যাদি) বিশ্ববিদ্যালয় সমূহে প্রচলিত ধৰণেৰে বা মুক্ত আৰু দূৰৱর্তী শিক্ষাৰ মাধ্যমেৰে প্রদান কৰিব লাগে।
- শিক্ষা সহজলভ্য কৰি তুলিবলৈ অনলাইন পাঠ্যক্রমৰো ব্যৱস্থা কৰিব লাগে।
- বর্তমান শতিকাত, শিক্ষাৰ মুখ্য উদ্দেশ্য হৈছে বৃত্তীয় আৰু পেছাদাৰী পাঠ্যক্রম প্রদান কৰা যাতে, এনেবোৰ দিশত প্রশিক্ষণ লাভ কৰাৰ পিছত, উদ্যোগ প্রতিষ্ঠা ক্ষেত্রত শিক্ষার্থীসকলৰ উৎসাহ বাঢ়ে আৰু ৰাজ্যৰ অর্থনীতিৰ বিকাশ ঘটে।
- মুক্ত আৰু দূৰবর্তী শিক্ষাৰ বিকাশৰ বাবে যেতিয়াই প্রয়োজন পৰম্পৰাগত পদ্ধতি আৰু মুক্ত পদ্ধতি দুয়োটা ব্যৱস্থাকে গ্রহণ কৰিব লাগে। শিক্ষাৰ গুণগত বিকাশৰ বাবে, শিক্ষাক দলীয় কার্য্য হিচাবে বিবেচনা কৰি প্রচলিত শিক্ষা পদ্ধতি আৰু মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা পদ্ধতিৰ কার্য্যক্রম বোৰৰ মাজত বিনিময় ঘটাব লাগে।

- শিক্ষক তথা শিক্ষা ব্যৱস্থাৰ সৈতে নিয়োজিত লোক সকলৰ বাবে প্ৰশিক্ষণ আৰু পৰামৰ্শৰ সুবিধা প্ৰদান কৰিব লাগে যাতে, বিভিন্ন আধুনিক শিক্ষণ পদ্ধতি আৰু কৌশলসমূহ তেওঁলোকে প্ৰয়োগ কৰিবলৈ সমৰ্থ হয়।
- তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ বিভিন্ন পাঠ্যক্ৰম সমূহ প্ৰবৰ্তন কৰিব লাগে, যাতে ইয়াৰ দ্বাৰা স্থানীয় সম্পদ সমূহক উৎপাদনশীলতাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায়। মানৱ সম্পদৰ বিকাশৰ এনে ক্ষেত্ৰত প্ৰচলিত শিক্ষা পদ্ধতি আৰু মুক্ত আৰু দূৰৱৰ্তী শিক্ষাই যথেষ্ট গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।
- বৰ্তমান ভাৰতবৰ্ষত প্ৰশিক্ষণৰ জৰিয়তে মানৱ সম্পদৰ বিকাশৰ প্ৰয়োজনীয়তা আহি পৰিছে, বিশেষকৈ যিসকল লোক কৃষি, ক্ষুদ্ৰ উদ্যোগ, বিজুলী, নিৰ্মাণ কাৰ্য্য, গাড়ী চাৰ্ভিচিং ইত্যাদিৰ সৈতে জড়িত আৰু যিবোৰ ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ অভাৱ দেখা যায়। এনেধৰণৰ সামৰ্থবোৰৰ বিকাশৰ জৰিয়তে দেশৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিব পৰা যায়। এনেবোৰ দিশত প্ৰশিক্ষণ প্ৰচলিত শিক্ষা পদ্ধতি আৰু মুক্ত আৰু দূৰৱৰ্তী শিক্ষাৰ জৰিয়তেও প্ৰদান কৰিব পাৰি।
- শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ আৰু শিক্ষাৰ ক্ষেত্ৰত নতুন পদ্ধতি অবলম্বনৰ বাবে অবিৰত মূল্যায়ণ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।
- প্ৰাথমিক, মাধ্যমিক, উচ্চ তথা কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত অৰ্থ উপযুক্ত ভাৱে মোকলাই দিব লাগিব। তাৰোপৰি মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহৰ মানৱ সম্পদসমূহ উপযুক্ত পথেৰে আগবঢ়াই নিয়াৰ সুবিধা দিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ভাৰতবৰ্ষৰ উচ্চ শিক্ষাত সফলতা আনিবলৈ কিছুমান পৰামৰ্শ আগবঢ়াওক।

.....

.....

.....

.....

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এখন দেশৰ আৰ্থ সামাজিক দিশৰ বিকাশ ঘটাবলৈ ইয়াৰ মানৱ সম্পদক উচ্চ শিক্ষাৰ সৈতে জড়িত কৰিব লাগিব।
- মানৱ সম্পদ আৰু মানৱ মূলধন বিকাশৰ সৈতে উচ্চ শিক্ষাক জড়িত কৰিব লাগিব।

- উচ্চ শিক্ষা কেৱল মাত্ৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশৰ বাবেই প্ৰয়োজনীয় নহয়, ই শিক্ষাৰ্থীৰ উপযুক্ত কৌশলসমূহ আৰু বৃহত্তৰ সমাজৰ আৰ্থ সামাজিক বিকাশৰ সৈতে জড়িত।
- ১৯৪৮ চনৰ মানৰ অধিকাৰত ঘোষণা কৰা হৈছিল যে প্ৰাথমিক শিক্ষাৰ সমানে উচ্চ শিক্ষায়ো গুৰুত্ব পোৱা উচিত।
- বৰ্তমান ভাৰতবৰ্ষত ৭৬০খন বিশ্ববিদ্যালয়, ৩৮,৪৯৮ খন মহাবিদ্যালয়ে উচ্চ শিক্ষা প্ৰদান কৰি আহিছে। বৰ্তমান ৩১৬ খন ৰাজ্যিক বিশ্ববিদ্যালয়, ৪৩ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় ,১২২ খন স্বতন্ত্ৰ বিশ্ববিদ্যালয়, ১৮১খন ব্যক্তিগত ৰাজ্যিক বিশ্ববিদ্যালয়, ৭৫ খন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান কেন্দ্ৰীয় আইনৰ অধীনত আৰু ৫ খন ৰাজ্যিক আইনৰ অধীনত প্ৰতিষ্ঠান হৈছে।
- প্ৰচলিত বিশ্ববিদ্যালয় সমূহৰ উপৰিও ১৫ খন মুক্ত বিশ্ববিদ্যালয় আছে, ইয়াৰ ভিতৰত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু আনবোৰ হৈছে ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।
- উচ্চ শিক্ষাত সৰ্বমুঠ নামভৰ্তিকৰণৰ অনুপাত ৩৪.৬ মিলিয়ন, য'ত পুৰুষৰ অনুপাত ১৮.৬ মিলিয়ন আৰু মহিলাৰ অনুপাত ১৬ মিলিয়ন। দৰাচলতে বৰ্তমান আনুষ্ঠানিক উচ্চ শিক্ষাত মহিলাৰ সৰ্বমুঠ নামভৰ্তিকৰণৰ হাৰ হ'ল ৪৬.২ শতাংশ। ভাৰতৰ্বৰ বৰ্তমান গড় আনুপাতিক হাৰ হ'ল— ২৪.৫ শতাংশ আৰু এই হাৰৰ শতাংশ ধৰা হয় ১৮-২৩ বছৰৰ বয়সৰ ভিতৰত। পুৰুষৰ গড় আনুপাতিক হাৰ হৈছে ২৫.৪ শতাংশ আৰু মহিলাৰ ক্ষেত্ৰত এই হাৰ হৈছে ২৩.৫ শতাংশ। অনুসূচীত জাতিৰ ক্ষেত্ৰত এই হাৰৰ পৰিমাণ হ'ল ১৯.৯ শতাংশ আৰু অনুসূচীত জনজাতিৰ হাৰ হ'ল— ১৪.২ শতাংশ।
- ২০১১-১৪ বৰ্ষলৈ উচ্চ শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ তুলনাত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত চৰকাৰী ব্যয়ৰ হাৰ বেছি হোৱা দেখা যায়। মুঠ ঘৰুৱা উৎপাদনৰ ব্যয়ৰ শতাংশও উচ্চ, প্ৰাপ্তবয়স্ক আৰু কাৰিকৰী শিক্ষাৰ তুলনাত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ শিতানত বেছি হোৱা দেখা যায়।
- স্বায়ত্ব শাসন আইনগত বা সাংবিধানিক ধাৰণা নহয়, বৰং ই বিদ্যায়তনিকৰ ধাৰণাহে আৰু ই বিশ্ববিদ্যালয় পৰিচালনাৰ কেন্দ্ৰীয় নীতি।
- ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে শিক্ষকৰ বিদ্যায়তনিক দিশৰ স্বাধীনতাক আমাৰ দেশৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এক অপৰিহাৰ্য্য দিশ বুলি বিবেচনা কৰিছিল।
- এখন অনুষ্ঠানৰ চৰম উৎকৰ্ষ সাধনেই হৈছে স্বায়ত্ব শাসনৰ মৌলিক নীতি। এখন শৈক্ষিক অনুষ্ঠানত স্বায়ত্ব শাসনে বৌদ্ধিক দিশৰ উৎকৰ্ষ সাধন কৰে, য'ত প্ৰত্যেকজন সদস্যই বিভিন্ন কাৰ্য্যাৱলী সম্পাদন কৰে।

- ১৯৮৫ চনৰ নতুন ৰাষ্ট্রীয় শিক্ষা নীতিত পৰামর্শ আগবঢ়োৱা হয় যে শিক্ষার্থী নির্বাচন, শিক্ষক নিযুক্তি আৰু পদোন্নতি, অধ্যয়নৰ বিষয়বস্তু আৰু শিক্ষণৰ পদ্ধতি নির্ধাৰণ, গৱেষণাৰ এলেকা নির্বাচন আদিত মহাবিদ্যালয় সমূহক স্বায়ত্ব শাসনৰ সুবিধা প্রদান কৰিব লাগে।

- ১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ কর্মৰ আঁচনিয়ে বৃহৎ সংখ্যক স্বায়ত্ব শাসিত কলেজৰ বিকাশ আৰু লগতে নির্বাচিত বিশ্ববিদ্যালয়ত স্বায়ত্ব শাসিত বিভাগ সৃষ্টিৰ ওপৰত পৰামর্শ আগবঢ়ায়।

- স্বায়ত্ব শাসন আৰু দায়বদ্ধতা দুয়োটা পৰস্পৰ বিৰোধী নহয়, ববং এটা আনটোৰ পৰিপূৰকহে। দায়িত্বহীন ভাৱে স্বতন্ত্রতা প্রদানে সমস্যাৰহে সৃষ্টি কৰে। কেতিয়াবা কিছুমান খেলি-মেলি, অসমর্থতা বা আযোগ্যতাৰ ফলত অনুষ্ঠানখন সুপৰিচালিত হোৱাৰ ক্ষেত্রত বাধাৰ সৃষ্টি হয়, তেতিয়া তেনে ক্ষেত্রত বাহ্যিক নিয়ন্ত্রণৰ প্রয়োজন হয়।

- শৈক্ষিক স্বায়ত্ব শাসন, অর্থনৈতিক স্বায়ত্ব শাসন, প্রশাসনিক স্বায়ত্ব শাসন ইত্যাদিবোৰ হৈছে এখন অনুষ্ঠানৰ বিভিন্ন প্রকাৰৰ স্বায়ত্ব শাসন।

- ভাৰতীয় সংবিধানৰ ৪২ তম সংশোধনীত শিক্ষাক সমবর্তীসূচীত অন্তভূর্ক্ত কৰা হৈছে, আৰু শিক্ষাৰ দায়িত্ব ৰাজ্যিক আৰু কেন্দ্রীয় দুয়ো চৰকাৰে বহন কৰিব লাগিব বুলি কোৱা হৈছে।

- বর্তমান সময়ত তিনিটা মাধ্যমে শিক্ষাৰ অর্থ বহন কৰে- কেন্দ্রীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু স্থানীয় প্রশাসন, য'ত ব্যক্তিগত উদ্যোগী সকলো জড়িত থাকে।

- একাদশ পঞ্চবার্ষিক পৰিকল্পনাত মুঠ বাজেটৰ ২০ শতাংশ শিক্ষাৰ শিতানত ধার্য্য কৰা হৈছে। কিন্তু এই ধন শিক্ষাৰ বাবে যথেষ্ট নহয়, কাৰণ প্রাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰীকৰি শিক্ষা আটাইবোৰ ইয়াত জড়িত হৈ আছে।

- ২০০৪-০৫ চনত, প্রাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষাত মুঠ খৰচ আছিল একাদিক্রমে ৫০ শতাংশ, ৩০ শতাংশ, ১২ শতাংশ আৰু ৪ শতাংশ। এই ক্ষেত্রত আমি দেখিবলৈ পাঁও যে উচ্চ শিক্ষাত ধার্য্য কৰা ধনৰ পৰিমাণ প্রাথমিক শিক্ষাতকৈ কম।

- যদিও জনসংখ্যাৰ দিশৰ পৰা উন্নত হোৱাৰ ক্ষেত্রত ভাৰতবর্ষৰ যথেষ্ট সামর্থ আছে, তথাপিও বর্ধিত জনসংখ্যাৰ তুলনাত ইয়াৰ নামভর্তিৰ অনুপাত তুলনামূলকভাৱে যথেষ্ট কম। ইয়াৰ অনুপাত ২৫ শতাংশতকৈ কম। যেতিয়া ভাৰতবর্ষই ২০১৫ চনৰ ভিতৰত মুঠ নামভর্তিৰ অনুপাতৰ লক্ষ্য ১৫ শতাংশ আৰু ২০২০ চনৰ ভিতৰত ৩০ শতাংশ নির্ধাৰণ কৰে, তেতিয়া আন উচ্চ গড় আয় থকা দেশবোৰৰ অনুপাত ৬০ শতাংশৰ ওপৰত থাকে।

- ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বান সমূহ হৈছে মুঠ নাম ভৰ্তিৰ অনুপাত, বাজেটৰ ধাৰ্য্য কৰা ধন পৰিমাণ, অনুসূচিত জাতি আৰু জনজাতিলোকৰ শিক্ষা, বৃত্তিগত বিভাজন, লিংগ পাৰ্থক্য, আঞ্চলিক বৈষ্যমতা, শৈক্ষিক নীতি আৰু কাৰ্য্যক্ৰম কাৰ্য্যকৰীকৰণ ইত্যাদি।

- শিক্ষা, বিশেষকৈ উচ্চ স্তৰৰ শিক্ষা, যুব প্ৰজন্মৰ সৱলীকৰণ আৰু সমাজৰ জনসাধাৰণৰ সৈতে জড়িত হ'ব লাগে যাতে ৰাষ্ট্ৰৰ উৎপাদনশীলতাৰ বৃদ্ধি ঘটাব পাৰে।



৭.৭ অধিক জানিবলৈ

১) বৰুৱা, যতীন- ভাৰতৰ শিক্ষা ইতিহাসৰ অধ্যয়ন লয়ার্চ, গুৱাহাটী

২) ডেকা, শর্মা, মিশ্র- ভাৰতৰ শিক্ষাৰ ইতিহাস, অসম বুক ডিপো, পানবজাৰ, গুৱাহাটী



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষা এজন শিক্ষাৰ্থীৰ উপযুক্ত কৌশলৰ বিকাশৰ বাবে প্ৰয়োজনীয়। এখন দেশৰ আৰ্থ সামাজিক বিকাশৰ অৰ্থে উচ্চ স্তৰত শিক্ষা মানৱ শক্তিৰ সৈতে জড়িত হ'ব লাগে। সেইবাবে কোৱা হয় যে মানৱ সম্পদ আৰু মানৱ মূলধনৰ বিকাশৰ বাবে উচ্চ শিক্ষা ইয়াৰ লগত জড়িত হ'ব লাগে। বৰ্তমান পৰিস্থিতিত, দৰিদ্ৰতা নিৰ্মূলকৰণ, যুৱ প্ৰজন্ম উপযুক্ত পথেৰে আগবাঢ়িবলৈ পথ নিৰ্দেশনা ইত্যাদিবোৰ মানৱ শক্তি উপযুক্ত ব্যৱহাৰ তথা পৰিকল্পনা আৰু জ্ঞানৰ সফল প্ৰয়োগৰ দ্বাৰাহে সম্ভৱ হ'ব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত আমেৰিকা আৰু চীনৰ পিছতে তৃতীয় স্থান হৈছে ভাৰতবৰ্ষৰ। বৰ্তমান আমাৰ দেশত উচ্চ শিক্ষা প্ৰদানৰ বাবে ৭৬০ খন বিশ্ববিদ্যালয়, ৩৮,৪৯৮ খন মহাবিদ্যালয় আছে। এই বিশ্ববিদ্যালয় সমূহৰ ভিতৰত ৩১৬ খন হৈছে ৰাজ্যিক বিশ্ববিদ্যালয়, ৪৩ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ১২২ স্বতন্ত্ৰ বিশ্ববিদ্যালয়, ১৮১ খন ব্যক্তিগত ৰাজ্যিক বিশ্ববিদ্যালয়, ৭৫ খন হৈছে কেন্দ্ৰীয় আইনৰ অধীনত প্ৰতিষ্ঠিত প্ৰতিষ্ঠান আৰু ৫ খন ৰাজ্যিক আইনৰ অধীনত প্ৰতিষ্ঠিত প্ৰতিষ্ঠান। প্ৰচলিত বিশ্ববিদ্যালয় ব্যৱস্থাৰ উপৰিও ১৫ খন মুক্ত বিশ্ববিদ্যালয় আছে, তাৰ ভিতৰত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় (IGNOU) আৰু আনবোৰ দূ�ৰবৰ্ত্তী শিক্ষা প্ৰদান কৰা ৰাজ্যিক বিশ্ববিদ্যালয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আনুষ্ঠানিক স্বায়ত্ব শাসনৰ মৌলিক নীতি হৈছে অনুষ্ঠানখনক বিভিন্ন কার্য্যৰ জৰিয়তে উন্নতিৰ শিখৰলৈ আগবঢ়াই নিয়া। এখন শৈক্ষিক অনুষ্ঠানত, বিদ্যায়তনিক দিশৰ উন্নতিৰ ক্ষেত্ৰত স্বায়ত্ব শাসন অতি প্ৰয়োজনীয়, য'ত অনুষ্ঠানখনৰ প্ৰত্যেকজন সদস্যই ইয়াৰ বিভিন্ন কার্য্য সম্পাদনৰ সৈতে জড়িত থাকে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিদ্যায়তনিক স্বায়ত্ব শাসন পাঠ্যক্ৰম প্ৰবৰ্তন, বিষয়বস্তু আৰু বিষয় সূচীৰ উন্নতিকৰণ, পাঠ্যক্ৰম নিয়মিতকৰণৰ, শিক্ষণৰ উপযুক্ত পদ্ধতি নিৰ্বাচন, শিক্ষার্থীৰ মূল্যায়ন, শিকন নামভৰ্তিকৰণৰ নীতি, সাধাৰণ, প্ৰযুক্তিক, বৃত্তীয় আৰু স্ব-বিত্তীয় পাঠ্যক্ৰমত ভৰ্তিকৰণৰ ইত্যাদিৰ সৈতে জড়িত। তাৰোপৰি ই এই পাঠ্যক্ৰমবোৰ ছাত্ৰৰ নাম ভৰ্ত্তিৰ সংখ্যা, মাচুলৰ ধৰণ, শিক্ষকৰ কার্য্যাৱলী, শিক্ষক আৰু কর্মচাৰীৰ নিযুক্তিকৰণ, নতুন কার্য্যক্ৰম প্ৰৱর্তন আৰু পুৰণিক আঁতৰোৱা ইত্যাদিৰ সৈতে সম্পর্কিত।

অর্থনৈতিক স্বায়ত্ব শাসন অর্থনৈতিক ক্ষমতাৰ সৈতে জড়িত যেনে পুজিৰ ব্যয়, অনুষ্ঠানৰ বিভিন্ন কার্য্যবোৰত অর্থনৈতিক স্বায়ত্ব শাসনৰ প্ৰসাৰ, পুজিৰ হিচাব ইত্যাদি। কোৱা হয় যে অর্থনৈতিক স্বায়ত্ব শাসন অবিহনে অন্য স্বায়ত্বশাসন সম্ভৱ নহয়।

এখন অনুষ্ঠানে যেতিয়া কোনো ধৰণৰ বাহ্যিক নিয়ন্ত্ৰণ অবিহনে কিছুমান নীতি নিয়মৰ জৰিয়তে স্বায়ত্ব শাসনৰ সুবিধা লাভ কৰে, তেতিয়া আমি তাক প্ৰশাসনীয় স্বায়ত্ব শাসন বুলিব পাৰো। এই ধৰণৰ স্বায়ত্ব শাসন বিভিন্ন ক্ষেত্ৰত আলোচনা কৰা হয় যেনে আনুষ্ঠানিক স্বায়ত্ব শাসনৰ কার্য্যপন্থা, সাধাৰণ নামভৰ্ত্তিৰ পৰীক্ষা, যুক্তি সংগত মাচুলৰ ধৰণ, পুজি বিতৰণৰ উপায়, বিশ্ববিদ্যালয় আইনৰ সংশোধন, নিয়মীয়া প্ৰশাসনৰ ভূমিকা, উচ্চ শিক্ষা আন্তর্জাতিকৰণ, মানবীয় আৰু বৈষয়িক সম্পদ সমূহৰ পৰিচালন ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৬ চনৰ আগতে শিক্ষাৰ ক্ষেত্ৰত সম্পূর্ণৰূপে ৰাজ্য চৰকাৰ দায়বদ্ধ আছিল। কেন্দ্ৰীয় চৰকাৰ মাত্ৰ কেইটামান দিশৰ সৈতে জড়িত আছিল, যেনে প্ৰযুক্তি, কাৰিকৰী আৰু উচ্চ শিক্ষাৰ সম্বন্বয় আৰু ইয়াৰ মানদণ্ড নির্ধাৰণৰ ক্ষেত্ৰত। কিন্তু সংবিধানৰ ৪২তম সংশোধনীৰ পিছত, শিক্ষাক সমবর্ত্তী সূচীত অন্তর্ভূক্ত কৰা হয় আৰু ৰাজ্য তথা কেন্দ্ৰীয় দুয়ো চৰকাৰ ইয়াৰ সৈতে জড়িত হবলগীয়া হয়। সমবর্ত্তীসূচীত শিক্ষাক অন্তভূক্ত কৰাৰ উদ্দেশ্য হৈছে ভাৰতীয় ৰাজনীতিক শিক্ষাৰ ক্ষেত্ৰখনলৈ অনা। তাৰোপৰি শৈক্ষিক নীতি নির্ধাৰণৰ ক্ষেত্ৰত, দেশৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে শিক্ষাৰ দায়িত্বসমূহ ৰাজ্যিক চৰকাৰৰ সৈতে ভগাই ল'ব পাৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত বর্তমানেও মুঠ নাম ভর্তিৰ অনুপাত এক প্ৰত্যাহ্বান স্বৰূপ হৈ আছে। বর্তমান ভাৰতৰ নামভর্তিৰ অনুপাত পৃথিৱীৰ আন নিম্ন মধ্য আয়ৰ দেশতকৈ গড় হিচাবত কম। যদিও ভাৰতৰ জনসাধাৰণৰ উন্নতি ঘটাবলৈ বিশাল সমর্থ আছে, ইয়াৰ নামভর্তিৰ অনুপাত ২৫ শতাংশ কৈ কম, যিটো বর্ধিত জনসংখ্যাৰ তুলনাত যথেষ্ট

কম। যেতিয়া ভাৰতবৰ্ষই ২০১৫ চনৰ ভিতৰত মুঠ নাম ভৰ্তিৰ অনুপাতৰ লক্ষ্য ১৫ শতাংশ আৰু ২০২০ ভিতৰত ৩০ শতাংশ নিৰ্ধাৰণ কৰে, তেতিয়া আন উচ্চ গড় আয় দেশবোৰৰ অনুপাত ৬০ শতাংশৰ ওপৰত থাকে। উদাহৰণ স্বৰূপে ৯০ শতাংশ ওপৰত থকা দেশ হৈছে আমেৰিকা, ৭০ শতাংশৰ ওপৰত থকা দেশ হৈছে চুইডেন, নৰৱে, নিউজিলেণ্ড, ৬০ শতাংশৰ ওপৰত থকা দেশ হৈছে ইংলেণ্ড আৰু অষ্ট্রেলিয়া, ৪০ শতাংশৰ ওপৰত কেইবাখনো ইউৰোপৰ দেশ আৰু ৩০ শতাংশৰ ওপৰত বিভিন্ন উন্নত আৰু উন্নয়নশীল দেশসমূহ যেনে মেক্সিকো, মালায়েচিয়া, থাইলেণ্ড, চিলি আৰু ব্ৰাজিল আছে। উচ্চ শিক্ষাৰ নামভৰ্ত্তিৰ অনুপাতৰ ক্ষেত্ৰত বৰ্তমানেও আন্তঃ ৰাজ্যিক বিভিন্নতা আছে।

অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকল শৈক্ষিক দিশত গাঁও আৰু নগৰ দয়ো অঞ্চলৰ অজনজাতীয় লোকসকলতকৈ পিছপৰা। শৈক্ষিক সুবিধাৰ ক্ষেত্ৰত কিছুমান দিশত যথেষ্ট অসামঞ্জস্যতা আছে, যেনে নগৰ আৰু গাঁও অঞ্চল লোকৰ ক্ষেত্ৰত অনুসূচীত জাতি আৰু জনজাতি সম্প্ৰদায়ৰ গাঁৱলীয়া অঞ্চলৰ মহিলাসকলৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য থকা দেখা যায়।

ভাৰতৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত থকা আন এক সমস্যা হৈছে অমিল ব্যৱস্থা। এই ব্যৱস্থাই প্ৰধানকৈ দুটা দিশক ইংগিত দিয়ে প্ৰথমতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় সমূহৰ পৰা উত্তীৰ্ণ হোৱা অধিক সংখ্যক স্নাতক থাকে, যিবোৰ কম কৌশলী হয় আৰু নিয়োগৰ সম্ভৱনীয়তা কম আৰু আনটো হৈছে যে চৰকাৰে স্নাতক সকলক নিয়োগৰ সুবিধা প্ৰদানত ব্যৰ্থ হোৱা। সেইবাবে পোনপটীয়া বা আওঁপকীয়াকৈ ৰাজ্যৰ পৰা শিক্ষাৰ্থী মেধাৰ বৰ্হিগমন হোৱাত সহায় কৰে (যাক ব্ৰেইন ড্ৰেইন বোলা হয়), ইয়াৰ ফলত যুৱ উশৃংখলাতৰ সৃষ্টি আৰু যুৱ প্ৰজন্মক অসামাজিক কামত লিপ্ত কৰায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতবৰ্ষৰ উচ্চ শিক্ষা ব্যৱস্থাত সফলতা আনিবলৈ ল'বলগীয়া কিছুমান পদক্ষেপ হৈছে এনেধৰণৰ-

- প্ৰচলিত শিক্ষাৰ উপৰিও, শিক্ষাৰ ক্ষেত্ৰত বৈষম্য আঁতৰ কৰিবলৈ তথা কৌশলী বা দক্ষ ব্যক্তি সৃষ্টিৰ দ্বাৰা ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি ঘটাবলৈ মুক্ত আৰু দূ�ৰৱৰ্তী শিক্ষাক অনুপ্ৰাণিত কৰিব লাগে। মুক্ত আৰু দূৰবৰ্তী শিক্ষাই সঠিক সময়ত শিক্ষাৰ পৰা বঞ্চিত হোৱা লোক আৰু শিক্ষাৰ প্ৰতি অধিক আগ্ৰহী লোক সকলক শিক্ষাৰ সুবিধা প্ৰদান কৰে।
- ভাৰতৰ মুঠ জনসংখ্যাৰ এক বুজন পৰিমাণৰ অংশৰ লোক যিসকল প্ৰাথমিক ভাৱে আৰু অসংগঠিত অংশত নিয়োজিত তেওঁলোকৰ বিভিন্ন কৌশল বিকাশৰ বাবে বিভিন্ন বৃত্তীয় আৰু পেছাদাৰী পাঠ্যক্ৰম সমূহে (যেনে মীন পালনৰ ডিপ্লমা, হোটেল পৰিচালনাৰ ডিপ্লমা, বয়ন শিল্পৰ প্ৰশিক্ষণ, মোবাইল মেৰামতি ইত্যাদি) বিশ্ববিদ্যালয় সমূহে প্ৰচলিত ধৰণেৰে বা মুক্ত আৰু দূৰৱৰ্তী শিক্ষাৰ মাধ্যমেৰে প্ৰদান কৰিব লাগে।

- প্ৰাথমিক, মাধ্যমিক, উচ্চ তথা কাৰীকৰি শিক্ষাৰ ক্ষেত্ৰত অৰ্থ উপযুক্ত ভাৱে মোকলাই দিব লাগিব। তাৰোপৰি মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহৰ মানৰ সম্পদসমূহ উপযুক্ত পথেৰে আগবঢ়াই নিয়াৰ সুবিধা দিব লাগিব।



৭.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উচ্চ শিক্ষা কিয় প্ৰয়োজনীয় ?

প্ৰশ্ন ২ ঃ বৰ্তমান ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ স্থিতি কি ধৰণৰ ?

প্ৰশ্ন ৩ ঃ এখন শৈক্ষিক অনুষ্ঠানৰ বাবে অৰ্থ কিয় প্ৰয়োজনীয় ?

প্ৰশ্ন ৪ ঃ স্বায়ত্ব শাসন বুলি কি বুজে ?

প্ৰশ্ন ৫ ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ উপযুক্তভাৱে পৰিচালিত হ'বলৈ স্বায়ত্ব শাসন প্ৰয়োজনীয় বুলি ভাবে নেকি?

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শৈক্ষিক স্বায়ত্ব শাসন বুলিলে কি বুজে ? ব্যাখ্যা কৰক ।

প্ৰশ্ন ২ ঃ অৰ্থনৈতিক স্বায়ত্ব শাসন বুলিলে কি বুজে ? ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ প্ৰশাসনিক স্বায়ত্ব শাসন বুলিলে কি বুজে ? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ এখন শিক্ষানুষ্ঠানে স্বায়ত্ব শাসন লাভ কৰাৰ ক্ষেত্ৰত থকা সীমাবদ্ধতা সমূহ কি কি?

গ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৰ্তমান ভাৰতবৰ্ষই সন্মুখীন হ'বলগীয়া প্ৰধান প্ৰত্যাহ্বানসমূহ কি কি ? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ উচ্চ শিক্ষাত সফলতা আনিবলৈ কি কি ব্যৱস্থা হাতত ল'ব লাগিব? বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ উচ্চ শিক্ষাত ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ প্ৰভাৱ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ব্যক্তিগতকৰণৰ (Privatisation) অর্থ আৰু ধাৰণা

৮.৪ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণ

৮.৪.১ ভাৰতৰ দৃশ্যপট (Scenario)

৮.৪.২ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ শ্ৰেণীবিভাজন

৮.৪.৩ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ যোগাত্মক দিশসমূহ

৮.৪.৪ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ ঋণাত্মক দিশসমূহ

৮.৪.৫ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ বাবে থকা পৰামৰ্শসমূহ

৮.৫ গোলকীকৰণৰ (Globalisation) - অর্থ

৮.৬ উচ্চ শিক্ষাৰ গোলকীকৰণ

৮.৬.১ লাভালাভ খণ্ডৰ (Profit sector) বাবে অৰিহণা যোগোৱা উপাদানসমূহ

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্ৰগতিৰ খতিয়ান

৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি---

- 'ব্যক্তিগতকৰণ'ৰ অর্থ আৰু ইয়াৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- আমাৰ দেশৰ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণত থকা বিভিন্ন দিশসমূহ আলোচনা কৰিব পাৰিব
- গোলকীকৰণ'ৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় উচ্চ শিক্ষাত গোলকীকৰণৰ প্ৰভাবৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

৮.২ পৰিচয়

মানবীয় বিকাশৰ বাবে শিক্ষা হ'ল এক প্ৰয়োজনীয় নিৰ্দ্দপক। অর্থনৈতিক বিকাশ আৰু সাবলীকৰণৰ উপৰিও শিক্ষাই সামাজিক আৰু মানবীয় বিকাশৰ প্ৰত্যেক তত্ত্বৰে সাৰৰ্মম গঠন কৰে। শিক্ষাৰ বিভিন্ন স্তৰবোৰৰ মাজত উচ্চ শিক্ষা হ'ল একমাত্ৰ স্তৰ, যিটো স্তৰৰ মাজেদি সমাজৰ উন্নয়নত এক সুদূৰ প্ৰসাৰী প্ৰভাব পৰিলক্ষিত হয়। কাৰণ উচ্চ শিক্ষাই প্ৰতিজন ব্যক্তিক

প্ৰয়োজনমতে যোগ্য আৰু নিপুন কৰি তোলে। দেশৰ ভবিষ্যত উন্নয়নো উচ্চ শিক্ষাৰ দ্বাৰাহে নিৰূপণ হয়। উচ্চ শিক্ষা হ'ল বৌদ্ধিক, সামাজিক আৰু আধ্যাত্মিক বিকাশৰ প্ৰধান আহিলা তথা সামাজিক আকাংক্ষাসমূহ উপলব্ধ হোৱাৰো প্ৰধান উপায়।

দেশখন অবিৰত উন্নয়নত যাতে গতি কৰি থাকে তাৰ বাবে প্ৰয়োজনীয় পৰিৱৰ্তক কাৰকসমূহ গঠন কৰাৰ ক্ষমতা সকলো উচ্চ শিক্ষাৰে আছে। ইয়াৰ ভিতৰত ব্যক্তিগত আৰু কাৰিকৰী শিক্ষাক সামৰি লব পাৰি । সাম্প্ৰতিক যুগত বিশ্বত অৰ্থনৈতিক, ৰাজনৈতিক, কাৰিকৰী আৰু সামাজিক পৰিৱেশৰ দিশত আহি পৰা বিশালতা আৰু পৰিৱৰ্তনীয় পদক্ষেপসমূহে উচ্চ শিক্ষাৰ পদ্ধতিৰ দিশতো পৰিৱৰ্তন আৰু উন্নয়নৰ প্ৰয়োজনীয়তা আনি দিছে।

ভাৰতীয় অৰ্থনীতিত সংঘটিত হোৱা গোলকীকৰণ আৰু মুক্ত অৰ্থনীতিয়ে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ দিশত হোৱা বিপ্লৱৰক সাঙুৰি উচ্চ শিক্ষাখণ্ডলৈ এক নতুন ধৰণৰ প্ৰত্যাহ্বান আনি দিছে। এনে ধৰণৰ পৰিবৰ্ত্তনৰ প্ৰত্যাহ্বানে উচ্চ শিক্ষাৰ অধীনৰ শিক্ষানুস্থানসমূহৰ দায়িত্ব কেৱল শিক্ষা প্ৰদান কৰাৰ ওপৰতে সীমাবদ্ধ নাৰাখি ভৱিষ্যত অৰ্থনীতিৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰাৰ দায়িত্বও আনি দিছে। এই অধ্যায়ত আমি ভাৰতীয় উচ্চ শিক্ষাত সংঘটিত ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ প্ৰভাবৰ বিষয়ে আলোচনা কৰি মহঁক।

৮.৩ ব্যক্তিগতকৰণ-অৰ্থ আৰু ধাৰণা

ৰাষ্ট্ৰীয়কৰণৰ বিপৰীত শব্দটো হ'ল ব্যক্তিগতকৰণ। অভিধান মতে, ৰাষ্ট্ৰ বা চৰকাৰৰ নিয়ন্ত্ৰণ আঁতৰাই কোনো ব্যক্তি বা মালিকীস্বত্বৰ দ্বাৰা নিয়ন্ত্ৰণ কৰাটোকে ব্যক্তিগতকৰণ বোলা হয়। ইয়াৰ অৰ্থ এইটোৱে যে, ব্যক্তিগতকৰণ এনে এটি ব্যৱস্থা য'ত কোনো এখন ৰাজ্যৰ নিজাববীয়া প্ৰতিষ্ঠানৰ পৰিচালনা অথবা মালিকীস্বত্বত ব্যক্তিগত খণ্ডকো অন্তভূৰ্ক্ত কৰা হয়। অন্য অৰ্থত, আমি কব পাৰো যে, ব্যক্তিগতকৰণে চৰকাৰৰ ভূমিকা কমাই ব্যক্তিগত খণ্ডৰ স্বাধীনতা বৃদ্ধি কৰে। এই ধৰণেৰে চৰকাৰৰ দায়িত্ব, কাৰ্যাৱলী আৰু সম্পত্তিসমূহ চৰকাৰৰ হাতৰ পৰা ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হয়। এই খণ্ডত ৰাজহুৱা ব্যক্তিগত মালিকীস্বত্বৰ যুটীয়া অনুষ্ঠান, অৰ্ধ ৰাজহুৱা অনুষ্ঠান আৰু চৰকাৰী অনুদানত চলা অনুষ্ঠানসমূহক অন্তৰ্ভূক্ত কৰিব পাৰি। শিক্ষাবিদসকলে প্ৰায়ে ব্যক্তিগতকৰণ ব্যৱস্থাক বিভিন্ন নীতিসমূহৰ পৰিবৰ্তনৰ যেনে, উদাৰনীতি, গোলকীকৰণ, শিল্প , তথ্য প্ৰযুক্তি আদি নীতিসমূহৰ পৰিণাম স্বৰূপ বুলি গ্ৰহণ কৰে। মুক্ত বা উদাৰনীতিয়ে ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু বিকেন্দ্ৰীকৰণক সাঙুৰী এক অৰ্থনৈতিক সংস্কাৰৰ গাঁঠনিৰ কথা সূচায়। মুক্ত বা উদাৰনীতিয়ে সদায়েই চৰকাৰৰ নিয়ম-নীতিৰ নিয়ন্ত্ৰণৰ বাহিৰত থকাক বুজায়। বাণিজ্যিকৰণে নতুন বজাৰৰ সৃষ্টি কৰে, যিবোৰ বজাৰক চৰকাৰে স্থাপন কৰা বজাৰৰ বিকল্প বজাৰ হিচাপে গণ্য কৰা হয়।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হ'ল যে, ব্যক্তিগতকৰণে চৰকাৰৰ সেৱাৰ পৰিসীমাটো কমাই ব্যক্তিগত বা বেচৰকাৰী প্ৰতিষ্ঠানক দায়িত্ব দিছে। অৱশ্যে, বেচৰকাৰী প্ৰতিষ্ঠানৰ একচ্ছত্ৰীতা ভঙাৰো লক্ষ্য হাতত লৈছে। চৰকাৰী মালিকত্ব থকা উদ্যোগত ব্যক্তিগত মালিকীস্বত্বৰ

উপস্থিতিৰ ওপৰতে ব্যক্তিগতকৰণৰ স্থিতি বাহ্ ল থাকে। ইয়াৰ পৰিসৰ বিজাতীয় বা শূন্য চৰকাৰী মালিকীস্ত্বৰ পৰা যুটীয়া প্ৰচেষ্টাত থকা ব্যক্তিগত মালিকীস্বত্বৰ বিভিন্ন পৰ্য্যায়লৈকে থাকে। এয়া অৱশ্যে ব্যক্তিগতকৰণৰ একধৰণৰ সীমিত ধাৰণা। বহল অৰ্থত, ব্যক্তিগতকৰণৰ অৰ্থ হ'ল চৰকাৰী উদ্যোগসমূহত ব্যক্তিগত মালিকীস্বত্ব থকাৰ উপৰিও ব্যক্তিগতভাৱে পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰাটোও বুজায়।

৮. ৪ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণ

বিশ্ব অৰ্থনীতিত উচ্চ শিক্ষা খণ্ডত 'ব্যক্তিগতকৰণ কৰা' ধাৰণাটো এক নতুন ধৰণৰ ঘটনা নহয়। পৃথিৱীৰ বহুকেইখন দেশতে, উচ্চ শিক্ষাৰ স্তৰত ব্যক্তিগতকৰণে সীমিত নতুবা প্ৰধান ভূমিকা লোৱা দেখা যায়। অন্য কেইখনমান দেশত ব্যক্তিগতকৰণৰ প্ৰৱৰ্তন মাত্ৰ কেইটামান বছৰৰ আগেয়ে হৈছে বুলি ক'ব পাৰি। অৱশ্যে, প্ৰত্যেক দেশৰে ব্যক্তিগতকৰণৰ ক্ষেত্ৰত থকা দিশসমূহ বেলেগ বেলেগ। তথাপিও এই নতুন ধাৰণা সাম্প্ৰতিক যুগত শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত গ্ৰহণ কৰা এক বৃহৎ তাৎপৰ্য্যপূৰ্ণ নীতিকৌশল হিচাপে পৰিগণিত হৈছে।

উচ্চ শিক্ষাৰ স্তৰত সংঘটিত ব্যক্তিগতকৰণে প্ৰধানত অনুষ্ঠানসমূহৰ মূলধন সম্পৰ্কীয় দিশটোতে মুখ্য ভূমিকা লোৱা দেখা যায় কিন্তু ইয়াৰ ফলাফল অৰ্থনীতিৰ সকলো স্তৰতে পৰিলক্ষিত হয়। সেয়ে, স্বাভাৱিকতে শিক্ষা খণ্ডতো ইয়াৰ প্ৰভাৱ পৰে। গতিকে, শিক্ষাৰ ব্যক্তিগতকৰণ ব্যৱস্থা বৃহৎ অৰ্থনৈতিক ব্যক্তিগতকৰণ ব্যৱস্থাৰ এক অংশ মাথো।

৮. ৪.১ ভাৰতৰ দৃশ্যপট

ভাৰতত দেখা যায় যে, অতীজৰ পৰাই শিক্ষাখণ্ডটো ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। বহু বছৰ আগৰেই পৰা সমগ্ৰ দেশতে ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান বিভিন্ন ৰূপত পোৱা যায়। তাৰে কিছুমান শিক্ষা প্ৰতিষ্ঠান ব্যক্তিগত উদাৰ সংগঠনৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল যদিও চৰকাৰৰ ফালৰ পৰা আৰ্থিক সাহায্যৰ অনুমোদন লাভ কৰিছিল। তথাপিও লক্ষ্য কৰা যায় যে ১৯৮০ চন লৈকে উচ্চ শিক্ষাৰ স্তৰত তেনেধৰণৰ কোনো ব্যক্তিগত প্ৰতিষ্ঠান নাছিল বাবে কোনো চৰকাৰী অনুদানৰো অনুমোদন হোৱা দেখা নগৈছিল। কিন্তু ১৯৮০ চনৰ শেষৰফালে নিজস্ব ভাবে আৰ্থিক অনুদানেৰে পাতলীয়া ভাবে এনে অনুষ্ঠান, প্ৰতিষ্ঠান প্ৰতিষ্ঠা হোৱা দেখা যায় আৰু ১৯৯১ চনৰ 'মুক্ত অৰ্থনীতি' ঘোষণাই বহুতো ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ সপোন বাস্তবায়িত কৰে। যিয়েই নহওঁক, সকলো প্ৰতিষ্ঠানে অনুমোদিত একে ধৰণৰ পাঠ্যক্ৰম অনুসৰণ কৰিলে আৰু নিজস্ব ৰাজ্যত থকা চৰকাৰৰ আইন মানি ললে। সাধাৰণ বাণিজ্যিক সেৱাৰ চুক্তি (General Agreement on Trade in Service চমুকৈ GATS) নোহোৱালৈকে কোনো ব্যক্তিগত প্ৰতিষ্ঠানক নিজস্ব পাঠ্যক্ৰমৰ ওপৰত বা নিজৰ প্ৰতিষ্ঠানটোৰ উন্নয়নত কোনো ধৰণৰ বজাৰ চলাবলৈ অধিকাৰ দিয়া হোৱা নাছিল। এইচুক্তিয়ে ভাৰতীয় বজাৰ অনুযায়ী

ব্যক্তিগত প্ৰতিষ্ঠানসমূহক নিজস্ব পাঠ্যক্ৰম আৰু বিষয়সমূহ প্ৰস্তুত কৰি বজাৰত চিনাকি কৰি দিয়াৰ বাবে সহায় কৰিলে। বৰ্তমান, ভাৰতত ১০০ তকৈও ওপৰ বিদেশী বিশ্ববিদ্যালয় আছে যিবোৰে ভাৰতত নিজস্ব কেন্দ্ৰ প্ৰতিষ্ঠা কৰি লৈছে বা তেওঁলোকে নিজ দেশৰ পৰাই এই বিশ্ববিদ্যালয়সমূহৰ কাম-কাজ চলাইছে। ভাৰতত এতিয়া আমেৰিকা, অষ্ট্ৰেলিয়া আৰু লণ্ডনৰ বহুতো শিক্ষা প্ৰতিষ্ঠান আছে। তাৰোপৰি, ভাৰতত ৫৩ খনতকৈ ওপৰ ৰাজ্যিক পৰ্যায়ৰ ব্যক্তিগত বিশ্ববিদ্যালয় আছে যিবোৰে ভাৰতত বিভিন্ন পাঠ্যক্ৰম প্ৰচলন কৰিছে। এনেধৰণৰ শিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে।

উচ্চ শিক্ষাৰ মাত্ৰাধিক চাহিদা আৰু বিভিন্নতাৰ চাহিদাৰ ওপৰত ভিত্তি কৰি তিলকে (১৯৯৯) ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানক দুই ভাগত ভাগ কৰিছে। প্ৰথমে তেওঁ কয় যে উচ্চ শিক্ষাৰ প্ৰতি থকা সামাজিক চাহিদা অনুযায়ী ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান স্থাপন হ'ব পাৰে। কাৰণ উচ্চ শিক্ষা গ্ৰহণ কৰিব খোজা শিক্ষাৰ্থীসকলে মনে বিচৰা মতে শিক্ষা নোপোৱাৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ব্যক্তিগত খণ্ডৰ স্বতাধিকাৰীসকলে শিক্ষা প্ৰতিষ্ঠানসমূহ প্ৰতিষ্ঠা কৰি সেই উচ্চ শিক্ষা অনুৰাগী শিক্ষাৰ্থীসকলৰ মাজত থকা অভাৱনীয় চাহিদাখিনি পুৰাব পাৰে।

দ্বিতীয়তে, উচ্চ শিক্ষাৰ উন্নত গুণাগুণ আৰু বিষয়ৰ চাহিদাৰ ওপৰত ভিত্তি কৰিও ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান প্ৰতিষ্ঠা হোৱা দেখা যায়। যিটোৱে উচ্চ শিক্ষা খণ্ডৰ ব্যক্তিগতকৰণৰ বিকাশত অৰিহণা যোগায়।

এইটো নিশ্চিতভাবে কব পৰা যায় যে, যিহেতু চৰকাৰে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক স্তৰত বেছি গুৰুত্ব প্ৰদান কৰিছে সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰত যেনে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত নামভৰ্ত্তিৰ আবেদন কৰাৰ বাবে হেতা ওপৰা লগোৱাতো এক স্বাভাবিক প্ৰক্ৰিয়া হৈ পৰিছে। ফলত চৰকাৰেও সংখ্যাগত ভাবে বৃদ্ধি পোৱা ছাত্ৰ-ছাত্ৰীৰ চাহিদা পূৰণ কৰিবলৈ ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰাৰ বাবে অনুমতি প্ৰদান কৰাৰ বাবে বাধ্য হৈছে।

আনহাতে, এইটো সত্য যে ব্যক্তিগত মালিকীস্বত্বাধিকাৰীসকলে শিক্ষা খণ্ডত বৈচিত্ৰতা, প্ৰাসংগিকতা, গুণাগুণ আদি বৈশিষ্ট্যতাবোৰ লৈ আনিছে। কিয়নো ব্যক্তিগত খণ্ডৰ শিক্ষা অনুষ্ঠানবোৰে অকল ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্ত্তিৰ ওপৰত নিৰ্ভৰ কৰি চলিব লগা হয়। ফলত ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিবৰ বাবে তেওঁলোকে বিশেষ গুণ বিশিষ্ট আৰু প্ৰাসংগিক শিক্ষা প্ৰদান কৰাত গুৰুত্ব দিয়ে। মাজে সময়ে, শিক্ষা খণ্ডৰ বজাৰৰ লগতে তেওঁলোকে প্ৰগতিশীল আৰু ব্যৱসায় কেন্দ্ৰীক প্ৰতিযোগিতা কৰি শিক্ষা প্ৰদান কৰে। উদাহৰণ স্বৰূপে, ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ মণিপাল একাডেমীয়ে (Manipal Academy of Higher Education চমুকৈ MAHE) শ্ৰেষ্ঠতা অৰ্জন কৰি এখন ডীমদ্ (deemed) প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিছে, যিখন প্ৰতিষ্ঠানে শিক্ষা আৰু গৱেষণাৰ গুণাগুণৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে বুলি জনা যায়।

৮.৪.২ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ শ্ৰেণীবিভাজন

মানৱ সম্পদৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি তিলকে (১৯৯৯) ব্যক্তিগতকৰণক চাৰিটা ভাগত ভাগ কৰিছে আৰু তেওঁ এই ভাগবোৰক একেটা মতবাদ (version) বুলি কৈছে। মতবাদবোৰ হ'ল --

- **চৰম মতবাদ (Extreme version)** ঃ এই মতবাদটোৰ মতে, ব্যক্তিগত খণ্ডই বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ সমগ্ৰ ব্যৱস্থাটো পৰিচালনা কৰে। আনকি আৰ্থিক অনুদান আদি বিষয়ো ব্যক্তিগতভাৱে পৰিচালনা কৰা হয়। এই অনুষ্ঠানবোৰত কোনো ধৰণৰ চৰকাৰী মধ্যস্থতা বা হস্তক্ষেপ নাথাকে।
- **ব্যৱহাৰকাৰী-কেন্দ্ৰিক মতবাদ (Centric version)** ঃ এই সংস্কৰণ মতে, ৰাজহুৱা উচ্চশিক্ষাৰ সম্পূৰ্ণ ব্যয় শিক্ষা ব্যৱস্থাটোৰ ব্যৱহাৰকাৰী যেনে- ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰী আদিয়ে সম্পূৰ্ণভাৱে বহন কৰা উচিত। অৱশ্যে উচ্চ শিক্ষাৰ লগত বৰ্হিজাত পৰিণাম (Externalities) জড়িত হৈ থকা বাবে এনেধৰণৰ ব্যক্তিগতকৰণ দৰাচলতে সম্ভৱপৰ হ'লেও কোনো ধৰণেই কাম্য নহয়।
- **মিতাচাৰী বা মজলীয়া মতবাদ (Moderate version)** ঃ এই সংস্কৰণটো মতে, ব্যক্তিগত শিক্ষানুষ্ঠানবোৰে বেচৰকাৰী খণ্ডৰ পৰা বুজন পৰিমাণৰ আৰ্থিক অনুদান লাভ কৰে।
- **কৃত্ৰিম মতবাদ (Pseudo version)** ঃ এই মতবাদৰ মতে, উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰ মূলতঃ ব্যক্তিগত খণ্ডৰ, যদিও চৰকাৰী সাহাৰ্যপ্ৰাপ্ত। ব্যক্তিগত গোটসকলে লগ হৈ প্ৰথমে এই অনুষ্ঠানবোৰ গঢ় দিয়ে, পিছলৈ সেই অনুষ্ঠানবোৰৰ সকলো ব্যয় চৰকাৰে বহন কৰে। এনেদৰে, এই অনুষ্ঠানবোৰ ব্যক্তিগতভাৱে পৰিচালনা হয়, যদিও চৰকাৰী অনুদানৰে বৰ্ত্তি থাকে। গতিকে আৰ্থিক দিশত এনেধৰণৰ ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়বোৰৰ কোনো ভূমিকা নাথাকে।



জনি থোৱা ভাল

নিজস্ব আৰ্থিক অনুদানৰ প্ৰতিষ্ঠান (Self Financing Institution)

ড° টি.এম্.পাই (Dr. T.M.Pai) এ পোন প্ৰথমবাৰৰ বাবে শিক্ষা খণ্ডত নিজস্ব আৰ্থিক অনুদানৰ ধাৰণাটো প্ৰবৰ্ত্তন কৰে। গুণ সম্পন্ন আৰু উপযুক্ত আহিলা পাতিৰে পৰিবেষ্টিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ তেওঁ এই ধাৰণাটো শিক্ষা খণ্ডত আনি দিছিল। স্ব-আৰ্থিক অনুদানে উচ্চ শিক্ষাৰ আৰ্থিক অৱস্থাৰ উন্নয়নৰ দিশত প্ৰাসংগিকতা, আৱশ্যকতা আৰু তাৎপৰ্যতা থকা সূচায়। এই স্ব-আৰ্থিক অনুদান বিভিন্ন উৎসৰ পৰা আহিব পাৰে, যেনে

- ছাত্ৰ-ছাত্ৰীৰ মাচুল, স্থানীয় বা ব্যক্তি বিশেষ ৰাজহুৱা আদি উৎসসমূহৰ পৰা।

সাধাৰণ বাণিজ্যিক সেৱাৰ চুক্তি কি (GATS)

সাধাৰণ বাণিজ্যিক সেৱাৰ চুক্তিখন বিশ্ব বাণিজ্যিক সংস্থা (World Trade Organization চমুকৈ WTO) ৰ অধীনৰ এক আইনগত চুক্তি। এই চুক্তিয়ে শিক্ষা আদিকে ধৰি বিভিন্ন সেৱাসমূহ চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰিবৰ বাবে আন্তঃৰাষ্ট্ৰীয় নিয়ম-নীতিবোৰ নিৰ্ধাৰণ কৰি দিছে। এই চুক্তিৰ মূল উদ্দেশ্য হ'ল যিমান শীঘ্ৰে সম্ভৱ, সিমান সোনকালে বাণিজ্যিক সেৱাসমূহক মুক্ত স্বাধীনতা প্ৰদান কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ব্যক্তিগতকৰণ বুলিলে আপুনি কি বুজে?

.....

.....

প্ৰশ্ন নং ২ ঃ ভাৰতত উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ ধাৰণাটো নতুন ঘটনা নেকি?

.....

.....

প্ৰশ্ন নং ৩ ঃ ব্যক্তিগতকৰণৰ বিভিন্ন ভাগবোৰ উল্লেখ কৰক।

.....

.....

৮. ৪.৩ উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ যোগাত্মক দিশসমূহ

আগতেই কোৱা হৈছে যে, ভাৰতত বহুত দিন আগৰে পৰাই বহুতো ব্যৱসায়িক গোষ্ঠীয়ে নিজাকৈ শিক্ষা খণ্ডত গুৰুত্ব দি অহা দেখা গৈছে। আৰম্ভণিতে, তেওঁলোকে জনহিতৈষণা মনোভাব লৈ এই শিক্ষানুষ্ঠানবোৰৰ সূচনা কৰিছিল যদিও পিছলৈ ব্যৱসায়িক চাহিদাৰ বৃদ্ধিৰ অনুপাত আৰু নিপুণ মানুহৰ প্ৰয়োজনীয়তাৰ বাবে তেওঁলোকে ব্যক্তিগত খণ্ডত এই অনুষ্ঠানবোৰৰ সৃষ্টি কৰে। এনেদৰে, ভাৰতত শিক্ষাখণ্ডৰ এক বৃহৎ পৰিমাণৰ অংশ ব্যক্তিগত খণ্ডৰ দ্বাৰা পৰিচালিত হয়। এতিয়া, এই ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ যোগাত্মক দিশসমূহ তলত আলোচনা কৰিমহঁক-

- বৰ্তমান সময়ত ভাৰত এক সৰ্বাধিক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান থকা দেশ। ১৯৫০-৫১ চনৰ পৰা পাঁচ বছৰৰ ভিতৰৰ সময়ছোৱাত ইয়াত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নভবাধৰণে বৃদ্ধি পাইছিল। কিন্তু সেই অনুপাতে অনুষ্ঠানবোৰত চৰকাৰী আৰ্থিক অনুদানৰ

কোনো ক্ষেত্ৰত উন্নতি হোৱা দেখা নগ'ল, বৰঞ্চ দিনক দিনে হ্ৰাস হোৱাহে দেখা গ'ল, আৰু ইয়াৰ প্ৰভাব উচ্চ শিক্ষাত বাৰুকৈয়ে পৰা দেখা গ'ল। ইয়াৰ পৰিমাণ স্বৰূপে, এই আৰ্থিক অনুদানৰ সমস্যাবোৰৰ সমাধান কৰিবলৈ ব্যক্তিগত খণ্ডবোৰে আৱশ্যম্ভাৱী ৰূপে থিয় দিলে।

- ভাৰত এখন দৰিদ্ৰ দেশ-য'ত অধিক সংখ্যক লোকে দৰিদ্ৰৰ সীমাৰেখাৰ তলত বাস কৰে। তেওঁলোকে খাদ্য, স্বাস্থ্য, পানী, বাসস্থান আদি প্ৰয়োজনীয় সামগ্ৰীৰ পৰা বঞ্চিত হ'ব লগা হয়। তেনে পৰিবেশত মৌলিক প্ৰয়োজনীয় আহিলাসমূহৰ ওপৰতে মানৱৰ জীৱন বৰ্তি থাকে। এনে লোকসকলক এই সামগ্ৰীবোৰৰ যোগান নধৰাকৈ শিক্ষাৰ বিষয়ে কোৱাটোও অমূলক। এনেধৰণৰ পৰিবেশত ৰাজ্য চৰকাৰে শিক্ষা খণ্ডত বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত পৰিকল্পিত ব্যয়ৰ শতাংশ কমোৱাৰ বাহিৰে অন্য বিকল্প পথ নাই।
- ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে (National Poliayon Education (NPE)) প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ ওপৰত গুৰুত্ব দিছিল যাতে দেশৰ সকলো লোক শিক্ষিত হয়। ফলস্বৰূপে, চৰকাৰে শিক্ষাত ব্যয় কৰিবলৈ লোৱা অৰ্থৰ এক মোটা অংশ এই সাৰ্বজনীন প্ৰাথমিক শিক্ষা আঁচনিত খৰচ কৰে আৰু অন্যফালে উচ্চ শিক্ষাত খৰচ কৰাৰ বাবে চৰকাৰৰ অৰ্থৰ নাটনি হয়। উচ্চ শিক্ষাৰ ক্ষেত্ৰত অহা চৰকাৰী আৰ্থিক অনুদানসমূহ আছিল অপৰিপূৰ্ণ, স্থিৰতাহীন আৰু অনিয়মীয়া। এনে পৰিস্থিতিত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ আৱশ্যম্ভাৱী বিকল্প হিচাপে থিয় দিছে।
- এতিয়া প্ৰতিজন লোকে শিক্ষাৰ প্ৰতি সজাগ। বিশেষকৈ, উচ্চ শিক্ষাৰ ডিগ্ৰী সকলো শিক্ষিত লোকে ল'ব বিচাৰে। যদিও ভাৰত বিশ্বৰ ভিতৰতে এখন সৰ্ববৃহৎ দেশ তথাপিও এই দেশে শিক্ষিত লোকসকলৰ বাবে উচ্চ শিক্ষাৰ চাহিদা পূৰণ কৰিব পৰা নাই। সেইবাবে আমি উচ্চ শিক্ষা সকলোৰে সহজলভ্য হোৱাৰ বাবে চেষ্টা কৰিব লাগে, অন্ততঃ সেইসকলৰ বাবে যিসকল ইয়াৰ সুফল লাভ কৰিবলৈ সমৰ্থবান। গতিকে, একমাত্ৰ বিকল্পটো হৈছে উচ্চ শিক্ষা প্ৰদান কৰিবলৈ হ'লে ব্যক্তিগত লোক আৰু ব্যক্তিগত ন্যায় সমূহক মহাবিদ্যালয়, বিশ্ববিদ্যালয় খোলাৰ সুবিধা চৰকাৰে দিব লাগিব যাতে উচ্চ শিক্ষা গ্ৰহণ কৰিব খোজা শিক্ষাৰ্থী সকলে উপকৃত হ'ব পাৰে।
- আজিকালি চৰকাৰী খণ্ডত যথেষ্ট শোষণ বা দুৰ্নীতি হোৱা দেখা যায়। তেনেই কম সময়ৰ বাবে নিৰ্বাচিত চৰকাৰখনে উচ্চ শিক্ষাৰ বাবে সম্পূৰ্ণ মনোযোগ দিব নোৱাৰে কিয়নো ইয়াৰ বাবে এক দীঘলীয়া সময়ৰ পৰিকল্পনাৰ প্ৰয়োজন হয়। বহুক্ষেত্ৰত দেখা যায়, শিক্ষক বা উপাচাৰ্যসকলৰ নিযুক্তিও ৰাজনৈতিক দিশৰ পৰা বিবেচিত হয়। ফলত তেনে বিশ্ববিদ্যালয় বা মহাবিদ্যালয়সমূহত শিক্ষাৰ মানদণ্ড বা গুণাগুণ শেষ হৈ যায় আৰু ৰাজনীতিয়ে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। কিন্তু ব্যক্তিগত

খণ্ডৰ শিক্ষা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ ৰাজনীতিৰ মেৰপাকৰ পৰা বহু আঁতৰত থাকে বা তেনে প্ৰতিষ্ঠানসমূহত ৰাজনীতিৰ কোনো দখল নাথাকে। এনে ধৰণৰ প্ৰতিষ্ঠানসমূহে শৈক্ষিক দিশতহে মাত্ৰ গুৰুত্ব দিয়া দেখা যায়, ক্ষমতাৰ দখলত কোন দলৰ ৰাজনৈতিক প্ৰাৰ্থী আহিছে তাৰ প্ৰতি কোনো গুৰুত্ব নিদিয়ে।

- চৰকাৰী খণ্ডত থকা দুৰ্নীতি বা শোষণৰ বাবে নিবনুৱা সমস্যাও দিনক দিনে বৃদ্ধি পাই গৈছে যিটো ব্যক্তিগত খণ্ডত একেবাৰে দেখা পোৱা নাযায়। এই ব্যক্তিগত খণ্ডৰ অনুষ্ঠানসমূহত মাত্ৰ যোগ্য উপযুক্ত ছাত্ৰ সকলেহে অধিকাৰ সাব্যস্ত কৰিব পাৰে। এনেধৰণৰ ব্যক্তিগত খণ্ডৰ অনুষ্ঠানসমূহত প্ৰচলিত বৰ্দ্ধিত মাচুলে শিক্ষাৰ গুণাগুণ বা মানদণ্ড উন্নীত কৰাত সহায় কৰে। অভিভাবকসকলে বৰ্দ্ধিত মাচুল দিয়াৰ লগে লগে শিক্ষাৰ মানদণ্ডৰ ওপৰতো প্ৰশ্ন কৰে। সেয়ে, তেনে ব্যক্তিগত খণ্ডৰ মালিকী স্বত্বাধিকাৰীয়ে অভিভাবক সকলৰ আকাংক্ষাখিনি পূৰাবৰ বাবে উচ্চ মানদণ্ড বিশিষ্ট শিক্ষা প্ৰদান কৰাৰ বাবে যত্ন কৰে। ছাত্ৰ-ছাত্ৰীসকলেও এক বৃহৎ পৰিমাণৰ ধন যিহেতু শিক্ষাত ব্যয় কৰে সেয়ে, তাৰ বিনিময়ত তেওঁলোকেও আশানুৰূপ ফলাফলৰ প্ৰতি অধিক আগ্ৰহান্বিত হয়।
- ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় সমূহৰ মাচুলৰ হাৰ যথেষ্ট বেছি কাৰণ এই প্ৰতিষ্ঠান সমূহে চৰকাৰৰ পৰা কোনো ধৰণৰ অনুদান বা সাহাৰ্য নাপায়। ছাত্ৰ-ছাত্ৰীসকলে বেংকৰ পৰা টকা লোন হিচাপে পায় বা কোনো জনহিতৈষী সংগঠনৰ পৰা মাহেকীয়া বৃত্তি লাভ কৰে। আনহাতে চৰকাৰী খণ্ডত যথেষ্ট আন্তঃগাথনিৰ খেলিমেলি থাকে কিন্তু ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সমূহত তেনে খেলিমেলি থাকিলেও সমাধান কৰিব পাৰে।

৮.৪.৪ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ ঋণাত্মক দিশসমূহ

ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ যোগাত্মক দিশসমূহ আলোচনা কৰাৰ পিছত ঋণাত্মক দিশসমূহ চিনাক্ত কৰাটো অতি প্ৰয়োজন। এই ঋণাত্মক দিশবোৰ হ'ল--

- ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান সমূহে ব্যয়ৰ ওপৰত অধিক মুনাফা লাভৰ আশাত ব্যস্ত হৈ থাকে। সেয়ে, অধিক লাভজনক পঠ্যক্ৰম প্ৰচলনৰ বাবে তেওঁলোকে গুৰুত্ব দিয়ে। উদাহৰণস্বৰূপে, সাধাৰণ পাঠ্যক্ৰম যেনে সমাজ বিজ্ঞান, বা কলা বিষয়ক পাঠ্যক্ৰমক একদিশে ৰাখি ব্যবসায়িক (Professional) পাঠ্যক্ৰমসমূহৰ ওপৰত অধিক গুৰুত্বপ্ৰদান কৰে। সামাজিক জীৱনত থকা একৰূপতা প্ৰতাৰণামূলক হ'ব যদিহে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান সমূহে উচ্চ শিক্ষাত এই বৈচিত্ৰ্যতাবোৰ লুকাই ৰাখে।
- যদিহে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ ব্যক্তিগত খণ্ডৰ মালিকীস্বত্বলৈ হস্তান্তৰিত হয় তেন্তে সমাজৰ এক শ্ৰেণীৰ ধনীলোকেহে তাৰ সুবিধাসমূহ পাব। ধনৰ বলেৰে

যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহত প্ৰবেশ কৰি পৰীক্ষাত উত্তীৰ্ণ হয় তেতিয়া তেওঁলোকে চৰকাৰী খণ্ডতো ধনৰ বলেৰে চাকৰি লাভ কৰাৰ বাবে আগ্ৰহী হয়। এনেধৰণৰ মনোভাবে মানবীয় মূল্যত যথেষ্ট আঘাত কৰে।

- কিছুমান ব্যক্তিগত খণ্ডৰ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ মাচুল বিভিন্ন শিতানত খৰচ কৰাৰ পিছতো এক বৃহৎ পৰিমাণৰ ধন দান হিচাপে দিয়ে। সমাজৰ উচ্চ শ্ৰেণী আৰু যোগ্যতা ভিত্তিত নামভৰ্ত্তি কৰিবলৈ সুযোগ নোপোৱা সকলৰ বাবে এনে ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ উদ্ভৱ হয়। কাৰিকৰী শিক্ষা, ব্যৱসায়িক শিল্প আৰু উচ্চ শিক্ষাৰ চাহিদাই অধিক মাচুল দাবী কৰে যিটোৱে শিক্ষা খণ্ডক ব্যৱসায় আৰু উদ্যোগ হিচাপে গঢ় দিছে।
- ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ শিক্ষকসকলৰ শোষণকাৰী কেন্দ্ৰ হিচাপে চিহ্নিত হৈছে। কৰ্ত্তৃপক্ষই শিক্ষকসকলক এক নগন্য পৰিমাণৰ দৰ্মহা দিয়ে তাৰ বিনিময়ত তেওঁলোকে যথেষ্ট কাম কৰিব লাগে। আনহাতে, তেওঁলোকে কেতিয়াবা স্বত্বাধিকাৰীৰ আদেশ মৰ্মে কম দৰ্মহা পাইও বেছি দৰ্মহাৰ চেকত চহী কৰিব লাগে যিখিনিৰ সৰহ অংশ নিয়োগকৰ্তাৰ হাতত থাকে। এনে ধৰণৰ শোষিত পৰিবেশত কাৰ্য কৰাটো এজন শিক্ষকৰ বাবে মানসিক কষ্ট হয়।
- ভাৰতত দুৰ্বল ধৰণৰ মূল্যায়ন আৰু পৰ্যবেক্ষণ শাসন প্ৰক্ৰিয়া আজিও অব্যাহত আছে। ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান সমূহে দুৰ্বল শাসন প্ৰক্ৰিয়াৰ সুবিধা লয় আৰু সময়ত, তেওঁলোকে চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰিবৰ বাবে সকলো ধৰণৰ প্ৰক্ৰিয়া মানি লব বুলি সন্মতি জনায় যদিও ভবিষ্যতে সেইবোৰ প্ৰক্ৰিয়া চলা দেখা নাযায়।
- জধে-মধে গঢ় লোৱা শিক্ষাৰ প্ৰতিষ্ঠানসমূহে বিজ্ঞান, কলা, সমাজতত্ব বিষয়ত শিক্ষাৰ মানদণ্ড হ্ৰাস কৰিছে। যাৰ ফলত কম মানদণ্ড বিশিষ্ট অভিযন্তা, বৈজ্ঞানিক, সাহিত্যিক, বুৰঞ্জীবিদ, দাৰ্শনিক, সাংবাদিক সমাজবিদৰ সৃষ্টি হৈছে। নতুনত্ব, উদ্ভাৱনী শক্তি, মৌলিকতা আদিৰ অভাবে এটা সংস্কৃতিৰ উন্নতিত বাধা প্ৰদান কৰে আৰু এই অভাববোৰ ভাৰতৰ ভবিষ্যত জীৱনত জটিল বিষয় হৈ পৰিব বুলি ধাৰণা কৰিব পাৰি।

৮.৪.৫ ফলপ্ৰসু ব্যক্তিগতকৰণৰ বাবে থকা পৰামৰ্শ সমূহ

বৰ্তমান সময়ত ভাৰতত যথেষ্ট ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে গা কৰি উঠিছে। কাৰিকৰী আৰু ব্যৱসায়িক শিক্ষাৰ প্ৰতিষ্ঠানবোৰে স্বাস্থ্য, অভিযন্তা, কম্পিউটাৰ, সংবাদসেৱা, শিক্ষক আদি বিষয়ত শিক্ষা প্ৰদান কৰে। মুক্ত বাণিজ্য আৰু গোলকীকৰণৰ যুগত এনেধৰণৰ ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানৰ খুবেই প্ৰয়োজনীয় যদিও এইবোৰ প্ৰতিষ্ঠানক নিয়ন্ত্ৰণ কৰাটোও দায়িত্ব। নহ'লে ওপৰত উল্লেখ কৰা ধৰণে ঋণাত্মক দিশবোৰ অচিৰেই উন্মোচিত হ'ব। তাৰ বাবে তলত কিছুমান পৰামৰ্শ আগবঢ়োৱা হ'ল -

- ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানবোৰক নিয়ন্ত্ৰণকাৰী সংগঠনবোৰে যেনে -- বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission বা চমুকৈ UGC), সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ, (All India Council of Teacher Education বা চমুকৈ AICTE), জাতীয় শিক্ষক শিক্ষা পৰিষদ (National Council of Teacher Education চমুকৈ NCTE) আদিয়ে অনুমোদন দিব লাগে। এই অনুমোদন সংগঠনে প্ৰস্তুত কৰা নিয়মাৱলী মানি চলাৰ ওপৰত ভিত্তি কৰি দিব লাগে যাতে শিক্ষাৰ মানদণ্ড আৰু গুণাগুণ অব্যাহত থাকে।
- স্বীকৃতি প্ৰদান (Accrediation) নীতিৰ মাধ্যমেদি চৰকাৰে এই ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ মানদণ্ডৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব লাগে।
- শৈক্ষিক সিদ্ধান্তসমূহ ব্যৱহাৰিক শক্তিৰ ওপৰত এৰি দিব নালাগে। যিহেতু ইয়াৰ পৰিণতিস্বৰূপে মানবীয় মূল্যৰ অসম বিতৰণ হ'ব পাৰে। চৰকাৰী ঋণ ব্যৱস্থাৰ জৰিয়তে মেধাবী ছাত্ৰ-ছাত্ৰীসকলক কম সূতত ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে শিক্ষাৰ উচিত মূল্যখিনি পাব পাৰে।
- নাম ভৰ্তিৰ বাবে ধন নহয়, যোগ্যতাহে বিচাৰযোগ্য হ'ব লাগে।
- ব্যক্তিগত প্ৰতিষ্ঠানসমূহত শৈক্ষিক অৰ্হতা আৰু যোগ্যতাৰ ওপৰত ভিত্তি কৰি শিক্ষকক নিযুক্তি দিব লাগে।
- নিৰ্দেশিত শিক্ষক ছাত্ৰৰ অনুপাত মানি চলিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ উচ্চ শিক্ষাক ব্যক্তিগতকৰণ কৰোঁতে উদ্ভব হোৱা যোগাত্মক দিশসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান সমূহত থকা ঋণাত্মক দিশসমূহ চিনাক্ত কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান ফলপ্ৰসু কৰিবৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়াওঁক।

.....

.....

৮.৫ গোলকীকৰণ-অৰ্থ

ইতিমধ্যে, আমি উচ্চ শিক্ষাৰ স্তৰক ব্যক্তিগত খণ্ডৰ মালিকী স্বত্বৰ হাতত থকাৰ আৰু উচ্চ শিক্ষাত পৰা ইয়াৰ প্ৰভাবৰ বিষয়ে আলোচনা কৰিলোহঁক। মুক্ত স্বাধীনতা (Liberalization) আৰু গোলকীকৰণ (Globalisation) ৰ ফলত এই ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ আজিকালি বিশ্বত প্ৰতিষ্ঠা হৈছে। ভাৰততো প্ৰথম ১৯৯১ চনত এই মুক্ত স্বাধীনতা, গোলকীকৰণ, ব্যক্তিগতকৰণৰ আদি নীতিবোৰ হাতত লোৱা হয়। সেয়ে, মনত প্ৰশ্ন হয় - গোলকীকৰণ নো কি? এতিয়া আমি গোলকীকৰণৰ বিষয়ে আলোচনা কৰিমহঁক। গোলকীকৰণ হ'ল এক নতুন ধাৰণা বা পৰিঘটনা। প্ৰথমে গোলকীকৰণৰ ধাৰণাটোৰ মূল শিপাডাল ব্যৱসায় বাণিজ্যত সাঙোৰ খাই আছিল। এই ধাৰণাই গোটেই বিশ্বতে মূলধন আৰু বয়বস্তুৰ মুক্ত বিনিময়ক বুজায়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নে বৈদ্যুতিক বিপ্লৱ সংঘটিত কৰিছে ফলত যোগাযোগৰ তীব্ৰ সংযোগ ইণ্টাৰনেটে গোটেই বিশ্বখনকে গ্লোবেল ভিলেজ বা বিশ্বায়ন গাওঁলৈ (Global Village) পৰিবৰ্ত্তিত কৰিছে। গোলকীকৰণ এনে এটা পদ্ধতি যাৰ দ্বাৰা পৃথিৱীৰ নিৰ্দিষ্ট ভৌগোলিক পৰিসীমা কমাই অনা হয়। বিশ্ব অৰ্থনৈতিক, ৰাজনৈতিক, আৰ্থ সামাজিক সম্পৰ্কবোৰ বহল দৃষ্টি ভংগীৰে লোৱা হয়। আৰ. জি. হাৰিজ (R.G. Harries)-ৰ মতে, "গোলকীকৰণ এক অৰ্থনৈতিক প্ৰক্ৰিয়া য'ত সামগ্ৰীৰ উৎপাদন, বিতৰণ, ক্ৰয় তথা সেৱাৰ বাবে আন্তৰ্জাতিক বজাৰৰ সীমা বৃদ্ধি হৈ গৈ থাকে।" (The increasing internalization of production, distribution and marketing of goods and services) বিশ্ব বেংকৰ প্ৰকাশ মতে, "সমগ্ৰ বিশ্বৰ ভিতৰত হোৱা অৰ্থনৈতিক আৰু সামাজিক একতাৰ ফলেই হ'ল গোলকীকৰণ।" এইদৰে, গোলকীকৰণে বিশ্বৰ দেশসমূহৰ মাজত অৰ্থনৈতিক দিশত আন্তৰ্জাতিক বজাৰৰ এখন মুক্ত প্ৰতিযোগিতাৰ সৃষ্টি কৰি বিভিন্ন জাতিৰ মাজত একতাৰ ডোল বান্ধি ৰাখিছে।

গোলকীকৰণৰ অনা অৰ্থনৈতিক দিশটো বৰ জটিল যিটোৱে মানব জীৱনৰ সকলো দিশকে সামৰি লয়। কাৰণ তাত অৰ্থনীতিক এটা অংশ হিচাপেহে পোৱা যায়। ইয়াত সামগ্ৰীৰ ক্ৰয়, নতুন কাৰিকৰী বিদ্যা জ্ঞান আদি সাঙোৰ খাই আছে। এই দিশটোৱে সাংস্কৃতিক বিনিময়টোকো অন্তৰ্ভুক্ত কৰে আৰু নতুন অভ্যাস, সাৰ্বজনীন ভাব- চিন্তাধাৰা, অনুভব আদি সৃষ্টিৰ মাজেদি বিশ্বজনীনসংস্কৃতিৰ জন্ম দিয়ে। এই দিশৰ পৰা, গোলকীকৰণ হ'ল এক গতিশীল প্ৰক্ৰিয়া যিয়েই আধুনিকতাৰ সামাজিক গাঁঠনি গোটেই বিশ্বতে বিয়পাই দিয়ে। গোলকীকৰণ প্ৰক্ৰিয়াই সমগ্ৰ পৃথিবীকে এক কৰি একে সাংস্কৃতিক ধাৰাৰে প্ৰবাহিত হোৱাত সহায় কৰে।

কেবাদশক আগৰ সমাজখনক বৰ্তমান যুগত বিচাৰি পোৱা নাযায়। এতিয়া বিশ্বত, গোলকীকৰণৰ প্ৰভাৱ নপৰা কোনো এখন দেশ নাই বা গোলকীকৰণে কোনো এখন দেশকে নিলগে ৰখা নাই। এই ধাৰণাটোৱে সমগ্ৰ বিশ্বকে সংকুচিত কৰি এক কৰি পেলাইছে।

৮.৬ গোলকীকৰণ আৰু উচ্চ শিক্ষা

শিক্ষাকে ধৰি মানুহৰ সকলো কাৰ্যতে গোলকীকৰণৰ প্ৰভাব পৰিছে। আমি জানোঁ যে, ভাৰতত ১৯৯১ চনৰ পৰা গোলকীকৰণৰ ধাৰাটো প্ৰথমে অৰ্থনৈতিক ক্ষেত্ৰত সংযোজন হয়। বিশ্ব বেংক আৰু বিশ্ব বাণিজ্য সংগঠ ন যেনে (Word Trade Organization চমুকৈ WTO)ৰ আগমনে জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰভাব বিস্তাৰ কৰিবলৈ ধৰিলে। আনকি এই দুই সংগঠনৰ প্ৰভাব শিক্ষা ক্ষেত্ৰতো নপৰাকৈ থকা নাছিল। শিক্ষাৰ বিভিন্ন খণ্ড, বিশেষত উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষাত গোলকীকৰণৰ প্ৰভাব সুস্পষ্ট। অৰ্থনীতিৰ গোলকীকৰণে উচ্চ শিক্ষাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে লৈ গৈছে ফলত ভাৰতৰ শিক্ষাখণ্ডত বহুতো পৰিবৰ্ত্তন সঘনে হোৱা পৰিলক্ষিতও হৈছে। ভাৰতত এতিয়া উচ্চ শিক্ষা এনে এটা স্তৰ পাইছেহি য'ত উচ্চ শিক্ষা বাণিজ্যিক পৰ্যায়ৰবা বাণিজ্যিক লাভালাভৰ বাবে প্ৰয়োগ কৰা সম্পদৰ পৰা কোনোপধ্যে পৃথক নহয়। আগৰ যিবোৰ প্ৰতিস্থিত বিশ্ববিদ্যালয়ক জ্ঞানৰ অভিভাৱক হিচাপে গণ্য কৰা হৈছিল সেইবোৰে এতিয়া বাণিজ্যিক দিশৰ পৰা নিজস্ব লাভালাভৰ বাবে চিন্তা কৰিবলৈ লোৱা দেখা গ'ল আৰু এই পৰিস্থিতিত শৈক্ষিকভাবে আগবঢ়া আৰু ধনী দেশবোৰে এই সুবিধাখিনি গ্ৰহণ কৰি আগবাঢ়ি গ'ল। উন্নত দেশৰ বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষাৰ অন্যান্য বিভাগবোৰে অনুন্নত দেশত শাখা-প্ৰশাখা খুলি অধিক লাভৰ মুনাফা আদায় কৰিলে। অন্য অৰ্থত, বাণিজ্যিক দিশৰ পৰা শিক্ষা এক লাভজনক ব্যৱসায় হৈ পৰিল।

৮.৬.১ লাভজনক দিশৰ বাবে থকা উপাদানসমূহ

গোলকীকৰণ শিক্ষাত লাভালাভ হোৱাৰ চাৰিটা কাৰণ আছে --

- অৰ্থনীতিৰ ভিত্তিত জ্ঞানৰ ক্ৰমবিকাশ হোৱা দেখা গৈছে। যাৰ ফলত শিক্ষিত, নিপুণ, দক্ষলোকৰ চাহিদা দিনক দিনে বৃদ্ধি পাই আহিছে।
- ২৫ বছৰ বয়সৰ উৰ্দ্ধৰ বেছিভাগ লোকে উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী হোৱা দেখা গৈছে।
- তথ্য আৰু জনসংযোগ ক্ষেত্ৰত হোৱা নতুন উদ্ভাৱনে য'তে ত'তে নতুন পাঠ্যক্ৰমৰ সৃষ্টি কৰিছে।
- আগতেই উল্লেখ কৰা হৈছে যে, বহুতো চৰকাৰী শিক্ষানুষ্ঠানৰ খৰচৰ বাজেটত ব্যয়ৰ পৰিমাণ উঠা-নমা হোৱা দেখা গৈছিল। যিটোৱে দুৰ্যোগ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। কিন্তু গোলকীকৰণৰ ফলত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানবোৰৰ বাজেটৰ ক্ষেত্ৰত এনেধৰণৰ খেলি-মেলি হোৱা দেখা নাযায়। ১৯৭২ চনৰ উচ্চ শিক্ষাৰ আইনে ব্যৱসায়িক শিক্ষা প্ৰতিষ্ঠানসমূহক ওপৰঞ্চি ভাট্টা দি সহায় কৰিছিল।

  আজিৰ পৃথিৱীত, গোলকীকৰণৰ ধাৰণা ইমানেই ব্যাপক যে ই মানুহক গতিশীল কৰিছে, ভৌগোলিক সীমা অতিক্ৰমি জ্ঞান লাভৰ পথ সুগম কৰিছে। মানুহে বিদেশৰ

শিক্ষানুষ্ঠানৰ পৰা জ্ঞান লাভ কৰিছে। উচ্চ শিক্ষাৰ গুৰুত্ব বাঢ়িছে, বিশেষকৈ উন্নয়নশীল দেশত উচ্চ শিক্ষাৰ প্ৰতি মানুহ আগ্ৰহী হৈছে। বাণিজ্যৰ সেৱাৰ সাধাৰণ চুক্তি বা গেট্‌চে (GATS) বিদেশৰ যিকোনো ঠাইতে উচ্চ শিক্ষা অনুষ্ঠানৰ শাখা-প্ৰশাখা খোলাৰ ক্ষেত্ৰত কোনো বাধা নিষেধ নথকাৰ দাবী কৰে। আমি এক অত্যাধুনিক নিৰীক্ষণ পদ্ধতি প্ৰস্তুত কৰি এক জাতীয় পৰ্যায়ৰ উচ্চ শিক্ষাৰ প্ৰবৰ্ত্তন কৰিব লাগে যাতে, এনেধৰণৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰে দেশৰ জাতীয় উন্নতিত যথেষ্ট সহায় কৰে। চৰকাৰী অনুমোদিত আৰু ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানবোৰ হ'ল এটাই আনটোৰ পৰিপূৰক। কৰ্ম সংস্কৃতিত দুয়োটা খণ্ডৰে শিক্ষা প্ৰতিষ্ঠানসমূহৰ সুবিধা অসুবিধা আছে। যোগ্যজন বৰ্তি থকাটো প্ৰকৃতিৰ নিয়ম। উচ্চ শিক্ষাও এই নিয়মৰ বৰ্হিভূত নহয়। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ মাজত মুক্ত প্ৰতিযোগিতাৰ সৃষ্টি হৈছে। ফলত উচ্চ পৰ্যায়ৰ গুণবিশিষ্ট আৰু উন্নত মানদণ্ডৰ উচ্চ শিক্ষাৰ প্ৰৱৰ্ত্তন হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ গোলকীকৰণ বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৮ ঃ কিমান চনত ভাৰতত গোলকীকৰণৰ ধাৰণা প্ৰবৰ্ত্তন কৰা হয়?

.....

.....

প্ৰশ্ন নং ৯ ঃ শিক্ষাত লাভালাভৰ বাবে থকা উপাদানসমূহ কি কি?

.....

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যক্তিগতকৰণ এনে এটা পদ্ধতি য'ত ৰাজ্যৰ নিজস্ব উদ্যোগ, শিক্ষাখণ্ডত ব্যক্তিগত মালিকীস্বত্ব জড়িত হৈ থাকে। চৰকাৰৰ ভূমিকা তেনেই নগন্য ভাবে ৰাখি ব্যক্তিগত মালিকৰ স্বত্ব বৃদ্ধি কৰে। উচ্চ শিক্ষাত ব্যক্তিগতকৰণৰ ধাৰণাটো একেবাৰে নতুন ঘটনা নহয় কিন্তু দেশ অনুযায়ী ব্যক্তিগতকৰণ শিক্ষাৰো মানদণ্ড বিভিন্ন হয়।
- ভাৰতৰ শিক্ষা ব্যৱস্থাটো সম্পূৰ্ণভাবে চৰকাৰৰ অধীনত নহয় আৰু দেশৰ বিভিন্ন

ঠাইত ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান পোৱা যায় আৰু তাৰে কিছুমান চৰকাৰী সাহাৰ্যৰ দ্বাৰা পৰিচালিত হয়। ভাৰতত ১৯৮০ তহে পোন প্ৰথমে বিশুদ্ধ ৰূপত ব্যক্তিগতকৰণৰ ধাৰণাৰ উদ্ভৱ হয় যদিও অৰ্থনৈতিক স্বাধীনতাৰ পাছত অৰ্থাৎ ১৯৯১ চনতহে সম্পূৰ্ণভাবে ই কাৰ্যকৰী হয়।

- উচ্চ শিক্ষাত ব্যক্তিগত খণ্ডৰ বিকাশ দুই দিশৰ পৰা প র্য্যালোচনা কৰিব পাৰি । উচ্চ শিক্ষাৰ অত্যাধিক চাহিদা আৰু বিভিন্ন ধৰণৰ গুণ বিশিষ্ট শিক্ষাৰ চাহিদাৰ বাবে ব্যক্তিগত খণ্ডৰ বিকাশ ক্ষিপ্ৰ হোৱা দেখা যায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাত বৃদ্ধি হোৱালৈ লক্ষ্য ৰাখি চৰকাৰেও ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহক শিক্ষা প্ৰদান কৰিবলৈ অনুমতি দিছে ফলত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহে সংহত শিক্ষা খণ্ডত বৈচিত্ৰ্যতা আৰু প্ৰাসংগিকতা আনি গুণসম্পন্ন শিক্ষা প্ৰদান কৰিব পাৰে।
- ব্যক্তিগতকৰণৰ যোগাত্মক দিশ বহুতো আছে। তাৰে এটা হ'ল এই যে ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানসমূহে ধন বা আৰ্থিক অনুদানৰ বাবে বৈ থাকিব নালাগে। চৰকাৰে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক স্তৰৰ শিক্ষাখণ্ডত যথেষ্ট খৰচ বহন কৰে। ফলত চৰকাৰী প্ৰতিষ্ঠানৰ উচ্চ শিক্ষাৰ স্তৰত আৰ্থিক অনুদান দিয়াৰ বাবে তেনেধৰণৰ সঠিক বাজেট নাথাকে। ভাৰতত চৰকাৰৰ দুৰ্নীতি বা শোষণেও ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ প্ৰসাৰত অৰিহণা যোগাইছে।
- ব্যক্তিগত খণ্ডৰ ঋণাত্মক দিশসমূহৰ ভিতৰত এইটো উনুকিয়াব পাৰি যে, ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানসমূহত অকল ধনীশ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীহে পঢ়িব পাৰে। এনেধৰণৰ অনুষ্ঠানসমূহত যি ছাত্ৰই অধিক মাচুল দিব পাৰে সেই সকলেহে পঢ়িব পাৰে। শিক্ষকসকলৰ অৰ্হতা বা কাম কৰা সময়ৰ ওপৰত কোনো গুৰুত্ব দিয়া দেখা নাযায়, বৰঞ্চ তেওঁলোকক নুন্যতম দৰ্মহাহে দিয়ে। এনেধৰণৰ শোষণ ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান সমূহত সঘনে হোৱা দেখা যায়। চৰকাৰেও এনে শিক্ষানুষ্ঠানসমূহৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিবলৈ কাৰ্যক্ষমী নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰচলন কৰিব লাগে আৰু নিৰ্দিষ্ট ধৰণৰ নিয়ম-নীতিও বান্ধি দিব লাগে।
- গোলকীকৰণ হ'ল একপ্ৰকাৰ নতুন ধৰণৰ সাময়িক ঘটনা যিটোৰ ধাৰণা প্ৰথমে ব্যৱসায়-বাণিজ্যত ব্যৱহৃত হৈছিল। ভাৰতত ১৯৯১ চনত পোন প্ৰথমে গোলকীকৰণৰ নীতিসমূহ প্ৰচলন হয়। ফলত দেশসমূহৰ মাজত থকা ভৌগোলিক দূৰত্বও কমি আহিল। দেশৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত একতাৰ ভাব বৃদ্ধি হ'ল। আৰ্থিক স্তৰত সকলো দেশে মুক্ত বাণিজ্যিক প্ৰতিযোগিতাত আগবাঢ়ি যোৱাত সহায়ক হ'ল। উচ্চ শিক্ষাৰ স্তৰতো গোলকীকৰণৰ প্ৰভাব পৰিল, ফলত ভাৰতত বহুতো বিদেশী ৰাজ্যৰ শিক্ষানুষ্ঠানৰ শাখা-প্ৰশাখা খোলা দেখা পোৱা গ'ল।



৮.৮ অধিক জানিবলৈ

১। যতীন বৰুৱা- আধুনিক শিক্ষাত নতুন চিন্তাধাৰা, বৰুৱা পাব্লিচিং, গুৱাহাটী-২১

২। যতীন বৰুৱা- ভাৰতৰ শিক্ষাৰ সমস্যাত দৃষ্টিপাত, হৰাইজন প্ৰিন্টার্চ



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগতকৰণৰ অর্থ হ'ল ৰাজ্যৰ উদ্যোগসমূহত ব্যক্তিগত মালিকী স্বত্বাধিকাৰীক জড়িত কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ নহয়, ভাৰতৰ শিক্ষা ব্যৱস্থাত ব্যক্তিগত খণ্ডৰ ধাৰণাটো একেবাৰে নতুন নহয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ চৰম মতবাদ, ব্যৱহাৰকাৰী কেন্দ্রিক মতবাদ, মিতাচাৰী বা মজলীয়া মতবাদ আৰু কৃত্রিম মতবাদ।

৪ নং প্রশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাৰ স্তৰ ব্যক্তিগতকৰণ হোৱাত বিভিন্ন যোগাত্মক দিশ দেখা পোৱা যায়। চৰকাৰী খণ্ডই উচ্চ শিক্ষাৰ প্রতি আগ্রহী ল'ৰা-ছোৱালীৰ দা পূৰণ কৰিব নোৱাৰে। আনহাতে, চৰকাৰৰ হাতত সেই প্রতিষ্ঠানবোৰক অধিক আর্থিক সাহার্য দিবও নোৱাৰে। কাৰণ, চৰকাৰে অধিক টকা প্রাথমিক আৰু উচ্চ মাধ্যমিক স্তৰৰ শিক্ষাৰ বাজেটত খৰচ কৰে। তেনে পৰিস্থিতিত ব্যক্তিগত খণ্ডৰ শিক্ষা প্রতিষ্ঠানসমূহে বিকল্প হিচাপে আগবাঢ়ি আহি ল'ৰা-ছোৱালীৰ মনপুত উচ্চ শিক্ষাৰ ডিগ্রী প্রদান কৰা দেখা যায়। আনহাতে, ব্যক্তিগত খণ্ডৰ শিক্ষা প্রতিষ্ঠানসমূহে অত্যাধিক গুণগত শিক্ষা প্রদান কৰাত গুৰুত্ব দিয়ে, যিটো আমি চৰকাৰী খণ্ডৰ প্রতিষ্ঠানসমূহত একেবাৰে দেখা নাপাওঁ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগত খণ্ডৰ শিক্ষা প্রতিষ্ঠানসমূহৰ ঋণাত্মক দিশো নথকা নহয়, যেনে এই প্রতিষ্ঠানসমূহে অকল সমাজৰ ধনী শ্রেণীকলৈহে চিন্তা কৰে। এই শিক্ষানুষ্ঠানৰ ছাত্রসকলে অধিক মাচুল দিব লাগে। শিক্ষকসকলে বেছি কাম কৰে যদিও নুন্যতম দর্মহা পায়। শিক্ষকসকলৰ অর্হতা, যোগ্যতা, সৃষ্টিশীলতা আদিৰ ওপৰত বেচৰকাৰী খণ্ডই কোনো ধৰণৰ গুৰুত্ব দিয়া দেখা নাযায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় অনুদান আয়োগ, সর্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ, জাতীয় শিক্ষক প্রশিক্ষণ পৰিষদ আদিয়ে ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানসমূহৰ ওপৰত নিয়ন্ত্রণৰ বাবে কিছুমান নিয়ম-নীতি নির্ধাৰণ কৰি দিব লাগে। চৰকাৰেও নিজাববীয়াকৈ সেই প্রতিষ্ঠানসমূহৰ মানদণ্ডৰ ওপৰত নিয়ন্ত্রণ ৰাখিব লাগে। সেইবোৰক নিৰীক্ষণ কৰিবলৈ সঠিক নিৰীক্ষণ কেন্দ্র স্থাপন কৰা উচিত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ গোলকীকৰণ হ'ল এনে এটা পদ্ধতি যিয়েই দেশসমূহৰ মাজত থকা ভৌগোলিক সীমাৰ দূৰত্ব কমাই আনে। সমগ্ৰ পৃথিৱীৰ প্ৰতি সজাগ হৈ একে ধৰণৰ সংস্কৃতিৰ ধাৰা প্ৰচলন কৰাত গুৰুত্ব দিয়ে। গোলকীকৰণে পৃথিৱীৰ কোনো দেশক কোনো জাতিকে আন জাতি বা দেশৰ পৰা নিলগাই নাৰাখে। সমগ্ৰ বিশ্বই একে ভাবধাৰা, একে ধৰণৰ চিন্তাৰ মাজেদি আগুৱাই যায়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯১ চন।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অৰ্থনৈতিক জ্ঞানৰ বিকাশে শিক্ষিত, দক্ষ, কৌশলী লোকৰ চাহিদা বৃদ্ধি কৰিছে।

(খ) উচ্চ শিক্ষাৰ চাহিদা বৃদ্ধি কৰিছে।

(গ) চৰকাৰী শিক্ষা প্ৰতিষ্ঠানত আৰ্থিক অনুদানৰ পৰিমাণ হ্ৰাস কৰিছে

(ঘ) তথ্য আৰু জনসংযোগ দিশৰ উন্নয়নত সহায় কৰিছে।



৮.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উচ্চ শিক্ষাত 'ব্যক্তিগতকৰণ' বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ২ ঃ উচ্চ শিক্ষাত 'গোলকীকৰণ' বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ৩ ঃ নিজস্ব আৰ্থিক অনুদানৰ প্ৰতিষ্ঠানৰ মূল ধাৰণাটো কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত গোলকীকৰণৰ মূল অবদানবোৰ কি কি?

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ কিছুমান যোগাত্মক দিশ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ কিছুমান ঋণাত্মক দিশ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহ ফলপ্ৰসু প্ৰতিষ্ঠান হিচাবে গঢ় দিবলৈ আপুনি কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'ব্যক্তিগতকৰণ' বুলিলে আপুনি কি বুজে? ভাৰতত উচ্চ শিক্ষা স্তৰত ব্যক্তিগতকৰণ হোৱাৰ বাবে কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছে?

প্ৰশ্ন ২ ঃ 'উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণ'ৰ ওপৰত এখন ৰচনা লিখক।

প্ৰশ্ন ৩ ঃ গোলকীকৰণ কি? লাভজনক খণ্ডৰ বিকাশত গোলকীকৰণে কেনেধৰণে অৱদান যোগাইছে, আলোচনা কৰক।

*** ***** ***